হাজো অঞ্চলৰ ইতিহাস

সমীন কলিতা

চন্দ্ৰ প্ৰকাশ
পাণবজাৰ : গুৱাহাটী

প্ৰকাশক ঃ
শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ
পাণবজাৰ ঃ গুৱাহাটী-১
দূৰভাষ ঃ ২৫১১১৪৬

প্ৰথম প্ৰকাশ ঃ ফেব্ৰুৱাৰী, ১৯৯৯ চন।
দ্বিতীয় প্ৰকাশ ঃ জুলাই, ২০০৭ চন।

মূল্য ঃ ১০০.০০ টকা

বেটুপাত ঃ
বিষ্ণু তামুলী

আখৰ বিন্যাস ঃ
ব্ৰহ্মপুত্ৰ লেজাৰ প্ৰিণ্ট
পাণবজাৰ, গুৱাহাটী-১

মুদ্ৰক ঃ

GOVT. OF ASSAM

উছৰ্গা

কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত,

মান্যবৰেষু শ্ৰীযুত সত্যেন তালুকদাৰদেৱৰ

কৰকমলত—

সমীন কলিতা

১৬-৫-২০০৭

এষাৰ

১৯৯১ চনৰ ১৭, ১৮, ১৯ আৰু ২০ ফেব্ৰুৱাৰীৰ পৰা কামৰূপ জিলাৰ ঐতিহ্যমণ্ডিত হাজোত অসম সাহিত্য সভাৰ ৬৫ তম্ অধিৱেশন অনুষ্ঠিত হয়। হাজো অঞ্চলৰ ইতিহাসত অসম সাহিত্য সভাৰ ৬৫ তম অধিৱেশনৰ এই অনুষ্ঠান সদায় স্মৰণীয় হৈ থাকিব। উল্লেখ যে এই অধিৱেশনৰ পিচতে অসম সাহিত্য সভাই এই অনুষ্ঠান একবছৰীয়াৰ ঠাইত দুবছৰীয়াকৈ অনুষ্ঠিত কৰিব। অসম সাহিত্য সভাৰ কাৰণেও হাজো অধিৱেশন এক ব্যতিক্ৰমধৰ্মী অনুষ্ঠানৰূপে প্ৰখ্যাতি লাভ কৰিব। অসম সাহিত্য সভা আমন্ত্ৰণৰ পিচত হাজোত অভ্যৰ্থনা সমিতি গঠন কৰা প্ৰসংগকলৈ বিষয়-পদৰ বাবে যিটো খাম-খেয়ালিৰ সৃষ্টি হ'ল সেই বিষয়ে এতিয়া বিশেষ নকওঁ।

সাহিত্য সভা আমন্ত্ৰিত এই বছৰটো হাজো অঞ্চলৰ বাবে বৰ দুৰ্যোগৰ বছৰ। ইয়াৰ পূঠিমাৰী নৈৰ দক্ষিণপাৰৰ মথাউৰি ভাঙি আৰু ব্ৰহ্মপুত্ৰ নৈয়ে অঞ্চলটো কৃষি পথাৰ, ঘৰ-দুৱাৰ, ৰাস্তা-ঘাটৰ যি ক্ষতি কৰিলে সি অপূৰণীয়। কোনো ফালে ৰাস্তা নাই, দলংসমূহো ভগা। হাজো অঞ্চলৰ বাহিৰে গুৱাহাটীলৈ যাবলৈ বাছ নেপায়। বাছৰ ভিতৰত বিমান মানুহ ওপৰতো সমান। বাছ দুৰ্ঘটনাৰ শেষ নাই। কিন্তু সাহিত্য সভা উপলক্ষে অঞ্চলটোৰ এই কাম-কাজসমূহৰ উন্নয়নৰ আশা কৰা হৈছিল।

কিন্তু সাহিত্য সভা যে হ'বই লাগিব। এই উপলক্ষে প্ৰকাশ পাব লগা আদৰণি সমিতিৰ 'স্মৃতিগ্ৰন্থ'ৰ উপ-সভাপতিৰূপে মোৰো ব্যস্ততা গোটেই কম নহয়। এই ব্যস্ততাৰ মাজতে সময় উলিয়াই অধিৱেশন উপলক্ষে 'হাজো অঞ্চলৰ ইতিহাস' মূলক এই গ্ৰন্থখন ৰচনা কৰি উলিয়ালোঁ, সমবেত বাহিৰক হাজো অঞ্চল সম্পৰ্কে কিছু আভাস দিবলৈ। অঞ্চলটোৰ আঞ্চলিক ভিত্তিত ৰচনা কৰা এইখনে প্ৰথমখন ইতিহাসমূলক গ্ৰন্থ হ'ব। 'হয়গ্ৰীৱ মাধৱ, পোৱামক্কা আৰু অন্যান্য তীৰ্থ' নামেৰে মোৰ এই বিষয়ৰ অন্য এখন গ্ৰন্থও ইতিমধ্যে প্ৰকাশ পাইছে।

হাজো অঞ্চল ইতিহাসেৰে ভৰপূৰ। ইয়াৰ প্ৰতিটো শিলে সুঁৱৰণী কয় আৰু প্ৰতি ডোখৰ মাটিয়ে কাহিনী কয়। অতীজৰেপৰা আজিলৈ হাজো হিন্দু, মুছলমান আৰু বৌদ্ধৰ মিলনভূমিৰূপে পৰিচিত আৰু সেয়ে এই ঠাইখনক ধৰ্মৰ ত্ৰিবেণী সংগমৰূপেও অভিহিত কৰা হৈছে। হাজো অঞ্চলৰ এই সকলো ইতিহাস এই

পৰ্যন্ত উদ্ধাৰ আৰু বিজ্ঞানসন্মত চিন্তা-চৰ্চা হৈছে বুলি ক'ব নোৱাৰি। অঞ্চলটোৰ বহুতো ইতিহাস ইতিমধ্যে কালৰ বুকুত লীন হৈছে। বহুতো আপুৰুগীয়া পুথি-পাজি, শিলা-লিপি, শিলামূৰ্তি, তাম্ৰলিপি, প্ৰাচীন গ্ৰন্থ, প্ৰাচীন বৃক্ষ আদি ধ্বংসপ্ৰাপ্ত হৈছে। তাৰে কিছু কথাহে মই চুই গ'লোঁ। বাদ পৰি যোৱা তথ্য, ব্যক্তিৰ নাম, অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ নাম কোনোবাই আঙুলিয়াই দিলে, পৰৱৰ্তী প্ৰকাশত তাক যোগ কৰা হ'ব। আগ্ৰহেৰে গ্ৰন্থখনৰ প্ৰকাশৰ দায়িত্ব লোৱা বাবে অসমৰ আগশাৰীৰ বিশিষ্ট প্ৰকাশক মাননীয় শ্ৰীখগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱাৰ হিয়াভৰা আন্তৰিক শলাগ ল'লোঁ। আশা কৰোঁ গ্ৰন্থখনে ৰাইজৰ হাতত সমাদৰ লাভ কৰিব।

তাং ১৩-২-৯১

সমীন কলিতা

কুমৰদৰি, হাজো

দ্বিতীয় সংস্কৰণৰ কথা

১৯৯১ চনত হাজোত অসম সাহিত্য সভাৰ ৬৫তম অধিৱেশন অনুষ্ঠিত হৈছিল। [illegible]উপলক্ষে এই গ্ৰন্থখন প্ৰকাশ কৰা হৈছিল। কামটো তৰাতৰিকৈ কৰিবলগীয়া হোৱা বাবে বহু তথ্য বাদ পৰিছিল। এতিয়া ভালেমান নতুন তথ্য সংযোজন কৰি বৰ্তমান গ্ৰন্থখন প্ৰকাশ কৰা হ'ল। বিশিষ্ট ভাষাবিদ, শিক্ষাবিদ, পণ্ডিত ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যদেৱক গ্ৰন্থখনৰ বিষয়ে দুষাৰ লিখি দিবলৈ মই অনুৰোধ কৰিছিলোঁ। কিন্তু সেই সময়ত তেখেতৰ গাটো অত্যন্ত বেয়া দেখিছিলোঁ। কিন্তু মোৰ প্ৰতি তেখেতৰ স্নেহ থকা বাবে, অসুখৰ মাজতে দুষাৰ লিখি দি মোক কৃতাৰ্থ কৰিছে। মোৰ প্ৰতি দেখুওৱা তেখেতৰ এই আদৰ মই কোনোকালে পাহৰিব নোৱাৰোঁ। লোক-সংস্কৃতি বিষয়ৰ বিশিষ্ট গৱেষক, সাহিত্যিক পেঞ্চনাৰ ড° প্ৰবীণ চন্দ্ৰ দাসকো গ্ৰন্থখনৰ বিষয়ে দুষাৰ লিখি দিবলৈ মই অনুৰোধ কৰিছিলোঁ। মোৰ অনুৰোধ ৰক্ষা কৰি দুষাৰ লিখি দিয়া বাবে তেখেতৰ ওচৰতো মই কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ। আগ্ৰহেৰে এই দ্বিতীয় সংস্কৰণৰ প্ৰকাশৰ দায়িত্ব লোৱা বাবে 'চন্দ্ৰ প্ৰকাশ'ৰ স্বত্বাধিকাৰী শ্ৰীযুত ৰাজেন্দ্ৰ মোহন শৰ্মা আৰু ডাঃ ৰবীন্দ্ৰ মোহন শৰ্মাৰ হিয়াভৰা শলাগ ল'লোঁ। আশাকৰোঁ, গ্ৰন্থখনে আগৰ দৰে পাঠক সমাজৰপৰা সমাদৰ লাভ কৰিব পাৰিব।

২১-৬-২০০৭ চন

সমীন কলিতা

'হাজো অঞ্চলৰ ইতিহাস'ৰ চৌপাশে

ভাৰতীয় গণৰাজ্যৰ উত্তৰ-পূব ভাগত অৱস্থিত অসম ৰাজ্যৰ পুৰণি নাম প্ৰাগ্‌জ্যোতিষ, কামৰূপ, পূৰ্বদেশ, লৌহিত্য.দেশ্ৰ, নীলাচল ভূমি, কামাখ্যা পীঠ আদি আছিল বুলি মহাকাব্য, পুৰাণ, তন্ত্ৰ আদি শাস্ত্ৰত পোৱা গৈছে। এই ৰাজ্যৰ পুণ্যভূমি হাজো অঞ্চলৰ ঐতিহ্য, মহিমা কালিকাপুৰাণ, যোগিনীতন্ত্ৰ, দৰং ৰাজবংশাৱলী, আহোম যুগৰ বুৰঞ্জী, বৈষ্ণৱ যুগৰ বিবিধ পুথি পত্ৰত বৰ্ণিত হৈছে। আধুনিক অসম ৰাজ্যৰ একজন নিষ্ঠাবান সাংবাদিক-সাহিত্যিক শ্ৰীমান সমীন কলিতাই ১৯৯৯ চনৰ ফেব্ৰুৱাৰী মাহতে 'হাজো অঞ্চলৰ ইতিহাস'ৰ প্ৰথম প্ৰকাশ উলিয়াই অসম সাহিত্য সভাৰ হাজো অধিৱেশনক আগলি বতৰাৰে শুভাগমন জনাইছিল। ১৯৫১ চনত হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত কুমৰদখিত জন্ম গ্ৰহণ কৰা শ্ৰীমান কলিতাই ছাত্ৰাৱস্থাৰ পৰা সংবাদ সেৱা আৰু সাহিত্য চৰ্চাত ব্ৰতী হৈ আছে। ১৯৭১-'৭২ চনতে দমদমা অঞ্চলৰ পৰা 'অসম বাতৰি'ৰ সংবাদদাতাৰূপে সাংবাদিকতা আৰম্ভ কৰি আৰু ১৯৭১ চনতে চুটি গল্পৰ পুথি প্ৰকাশ কৰি শ্ৰীমান সমীন কলিতাই অদ্যাৱধি তেওঁৰ সাৰস্বত সাধনা 'চৰৈবেতি' গতিৰে ধাৱমান কৰি ৰাখিছে। সম্প্ৰতি 'হাজো অঞ্চলৰ ইতিহাস' পুথিখনৰ (দ্বিতীয় প্ৰকাশ, মে, ২০০৭ চনৰ) পাণ্ডুলিপিখন হাতত লৈ মন্ত্ৰমুগ্ধৰ দৰে এইজনা উদীয়মান সাংবাদিক-সাহিত্যিকৰ জীৱন-চৰ্য্যাৰ জিলিঙনি সুধী সমাজৰ আগত দাঙি ধৰিছোঁ : ইতিপূৰ্বে ২০০১ চনত প্ৰকাশিত 'শতাধিক অসমীয়া সাহিত্যিক' নামৰ পাঁচশ আঠ পিঠিৰ গ্ৰন্থখনৰ ২০০৩ চনৰ মাৰ্চ মাহৰ 'গৰীয়সী' মাহেকীয়া আলোচনীখনত 'পুথি পৰিচয়' লিখি মই এইজনা সাহিত্যিক-সাংবাদিকৰ কিছু মূল্যায়ন কৰিছিলোঁ। এতিয়া আৰু প্ৰতিষ্ঠিত লেখক শ্ৰীমান সমীন কলিতাক কোনো পৰিচিতিৰ প্ৰয়োজন নাই — তেওঁ নবীনৰ পৰা লৈ প্ৰবীণৰ শাৰী কেতিয়াবাই পূৰ কৰিছে।

'হাজো অঞ্চলৰ ইতিহাস'ৰ প্ৰথম সংস্কৰণ লয়াৰ্ছ বুক ষ্টল আৰু বৰ্তমান দ্বিতীয় সংস্কৰণ 'চন্দ্ৰ প্ৰকাশ'ৰ স্বত্বাধিকাৰী শ্ৰীমান ৰাজেন্দ্ৰ মোহন

শৰ্মাই প্ৰকাশৰ দায়িত্ব হাতত লৈ যিদৰে উদাৰ পৃষ্ঠপোষকতা আগবঢ়াইছে — তাৰ বাবে ছিয়াত্তৰটা শিতান লৈ ২১৪ পৃষ্ঠাৰ এই গ্ৰন্থখনত সন্নিবিষ্ট বত্ৰিশটা বিষয় বস্তুৰ ব্যাপকতালৈকে পাঠক-পাঠিকাৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। হাজো ৰাজহ চক্ৰৰ বিৱৰণ, ঐতিহাসিক মঠ মন্দিৰ, সত্ৰ আৰু সচ্ছং, উৎসৱ পৰ্ব, জন প্ৰবাদ, সাহিত্য-সংবাদ জগতলৈ অৱদান, স্বাধীনতা আন্দোলন, কলা-সংস্কৃতি, ক্ৰীড়া জগতলৈ অৱদান, শিল্পকলা, যোজনা আৰু সাঁথৰ, উপভাষা, ঠাৰ বা গুপ্ত ভাষা, আইনাম, অপেশ্বৰীৰ নাম, বিয়া নাম, পচলাৰ গীত, চৰে কৰাত, বাৰমাহী গীত, মহোহো গীত, নাওখেলৰ গীত, হাওখেলৰ গীত, পালনাম, গৰখীয়াৰ গীত, ঢুলীয়াৰ গীত, কমলা কুঁৱৰীৰ গীত, কুঁহিয়াৰ পেৰা গীত, মন্দিৰ আৰু মছজিদৰ ফলি, হাজো সম্পৰ্কে প্ৰচলিত গীত, হাজো অঞ্চলৰ শহীদ, সমল লোৱা গ্ৰন্থ আৰু ব্যক্তিৰ তালিকা, সন্নিবেশ কৰি এই গ্ৰন্থখনক হাজো অঞ্চলৰ 'তথ্য-কোষ' ৰূপে গঢ় দিয়া হৈছে। লেখকে বৰ্ত্তমানলৈকে হাজো সম্পৰ্কীয় প্ৰকাশিত পুথি-পত্ৰৰ উপৰিও, তথ্য দাতা, সংবাদদাতা সকলৰ পৰাও ক্ষেত্ৰ অধ্যয়ন সমল গ্ৰহণ কৰি গ্ৰন্থখনক গৱেষণাধৰ্মী ৰূপ দিবলৈকে চেষ্টা কৰিছে।

এই গ্ৰন্থখন আঞ্চলিক ইতিহাসৰ এখন প্ৰামাণ্য 'তথ্য-কোষ' হোৱাৰ উপৰিও অসম ৰাজ্যৰ অন্যান্য অঞ্চলৰ অনুৰূপ গ্ৰন্থ ৰচনাৰ বাবে নিৰ্ভৰযোগ্য চানেকি হৈ ৰব। এনে ধৰণৰ আঞ্চলিক ইতিহাসবোৰৰ ৰচনা আৰু প্ৰকাশে সমগ্ৰ অসম ৰাজ্যৰে পূৰ্ণাংগ ইতিহাস প্ৰণয়নত উদ্‌গনি যোগাব আৰু লেখকৰ প্ৰচেষ্টাবো প্ৰকৃত মূল্যায়ন কৰা সম্ভৱ হ'ব।

শ্ৰীকলিতাৰ এই মহৎ আৰু সৎ প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয় বুলি মই আন্তৰিকভাৱে অনুভৱ কৰিছোঁ।

মই প্ৰতিভাবান সাংবাদিক-সাহিত্যিক আয়ুষ্মান সমীন কলিতাৰ অবিৰত চৰ্চাৰ বাবে শুভ কামনা জনালোঁ। ওঁ তৎসৎ।।

ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য
৩৬ নবগ্ৰহ পথ
চানমাৰী, গুৱাহাটী-৭৮১০০৩

১-৬-২০০৭ চন

আগকথা

সমীন কলিতা অসমীয়া সাহিত্য আৰু সংবাদ জগতৰ এটি সুপ্ৰতিষ্ঠিত নাম। তেওঁৰ ঘৰ হাজোৰ ওচৰৰ কুমৰদখি গাঁৱত আৰু মোৰো জন্ম স্থান হাজো। তেওঁ বৰ সৰুৰেপৰা সাহিত্য আৰু সাংবাদিকতাৰ লগত নিবিড়ভাবে জড়িত হৈ আহিছে আৰু ময়ো শিক্ষা আৰু সাহিত্যৰ লগত জড়িত বাবে শ্ৰীকলিতাৰ লগত মোৰ এটি দীৰ্ঘদিনীয়া সম্বন্ধ গঢ়ি উঠিছে। আজি সুদীৰ্ঘদিন ধৰি আমি একেলগে একেখন মঞ্চতে হাজোৰ সমাজ, সংস্কৃতি আৰু সাহিত্যৰ বিভিন্ন সাংগঠনিক আৰু সৃষ্টিধৰ্মী কৰ্মৰ সৈতে জড়িত আছোঁ। হাজো অঞ্চলত সমীন কলিতা এটি জনপ্ৰিয় নাম। সাহিত্যিক আৰু সাংবাদিকৰূপে তেওঁ হাজো অঞ্চলটিলৈ যি সন্মান কঢ়িয়াই আনিছে, তাৰ বাবে হাজো অঞ্চলৰ প্ৰতিজন মানুহে শ্ৰীকলিতাক আদৰ কৰে, মৰম-স্নেহ কৰে, সন্মান কৰে।

সমীন কলিতাই আমাৰ সাহিত্য জগতলৈ অনবদ্য বৰঙণি আগবঢ়াইছে যদিও, সাহিত্যৰ ক্ষেত্ৰত এতিয়াও তেওঁ যথোপযুক্ত স্বীকৃতি বা সন্মান পাইছে বুলি মই নেভাবো। কিন্তু পোৱাটো উচিত। ৰাজ্যৰ এগৰাকী জ্যেষ্ঠ আৰু বৰেণ্য সাংবাদিকৰূপে শ্ৰীকলিতাক যোৱা ২৯ এপ্ৰিল, ২০০৭ চনত মিডিয়া ট্ৰাষ্ট, অসমে সম্বৰ্দ্ধনা জনাই তেওঁক স্বীকৃতি প্ৰদান কৰাত আমি গৌৰৱ অনুভৱ কৰিছোঁ আৰু মিডিয়া ট্ৰাষ্টলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সমীন কলিতাই ইতিমধ্যে চল্লিছখনৰো ওপৰ গ্ৰন্থ লিখি অসমীয়া সাহিত্য-ভঁৰাললৈ অবিহণা আগবঢ়াইছে। জীৱনী, উপন্যাস, চুটিগল্প, শিশু সাহিত্য আদি বিভিন্ন বিষয়ৰ তেওঁ গ্ৰন্থ ৰচনা কৰিছে। কিন্তু তেওঁৰ জীৱনী সাহিত্যই সৰহ। বিশেষকৈ তেওঁৰ শিৰীৰ পৃথিৱী, অসম সাহিত্য সভাৰ সভাপতিসকল, জ্ঞানপীঠ বঁটা বিজয়ী ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, শতাধিক

অসমীয়া সাহিত্যিক, সাহিত্য অকাডেমী বঁটা বিজয়ী অসমীয়া আদি শীৰ্ষক গ্ৰন্থ কেইখন বাইজৰ উচ্চ প্ৰশংসিত হৈছে।

শ্ৰীকলিতাৰ আন এক অবদান হ'ল হাজো বিষয়ক গ্ৰন্থ কেইখন। হাজো অঞ্চলৰ সমাজ, ইতিহাস আৰু সংস্কৃতি বিষয়ক তেওঁ কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰিছে। হাজো ঐতিহাসিক সমলৰে সমৃদ্ধ এটি প্ৰখ্যাত অঞ্চল। এই গুৰুত্ব উপলব্ধি কৰি, শ্ৰীকলিতাই অঞ্চলটোৰ চাৰিওফালে গাঁৱে-ভূঞে ঘূৰি, পাহৰণিৰ বুকুত লুপ্ত হৈ যাবলৈ ওলোৱা ভালেমান লোক-সংস্কৃতিৰ সমল উদ্ধাৰ কৰিবলৈ চলোৱা প্ৰচেষ্টাৰ বাবে তেওঁ আমাৰ সকলোৰে ধন্যবাদৰ পাত্ৰ হৈছে। শ্ৰীকলিতাৰ হাজো বিষয়ক এখন নিৰ্ভৰযোগ্য গ্ৰন্থ হ'ল 'হাজো অঞ্চলৰ ইতিহাস'। এই বৃহৎ কলেবৰৰ গ্ৰন্থখনত তেওঁ ডেৰ কুৰিটা অধ্যায় সংযোজন কৰি অঞ্চলটোৰ ভৌগলিক, ঐতিহাসিক পটভূমিৰ লগতে হাজো অঞ্চলৰ মঠ-মন্দিৰ, সত্ৰ-সচং, উৎসৱ-পাৰ্বন, সহিত্য, সংস্কৃতি, সাংবাদিকতা, স্বাধীনতা সংগ্ৰাম, ক্ৰীড়া, লোক গীত-মাত সম্পৰ্কে আলোচনা আগবঢ়াইছে। সাংবাদিকতা বৃত্তিৰ লগত সুদীৰ্ঘদিন ধৰি জড়িত হৈ থকা কাৰণে শ্ৰীকলিতাই হাজো অঞ্চলৰ চুকে-কোণে ঘূৰি ফুৰাৰ সুবিধা পাইছে। সেই কাৰণে গ্ৰন্থৰ বিষয়-বস্তুৰ লগত তেওঁৰ প্ৰত্যক্ষ সংযোগ ঘটিছে। গ্ৰন্থখনৰ সৰহভাগ সমলেই লেখকে ক্ষেত্ৰ কৰ্মৰপৰা আহৰণ কৰিছে। লগতে তেওঁ পূৰ্বসূৰীসকলে ৰচনা কৰা হাজো বিষয়ক গ্ৰন্থ অধ্যয়ন কৰাৰ উপৰিও প্ৰাথমিক আৰু গৌণ উৎসৰপৰাও সমল আহৰণ কৰিছে। হজো অঞ্চলৰ সকলো দিশ সামৰি ৰচনা কৰা এইখন গ্ৰন্থকে হাজো অঞ্চলৰ ইতিহাসমূলক গ্ৰন্থৰ প্ৰথম গ্ৰন্থ বুলিব পাৰি আৰু এই গ্ৰন্থক হাজোৰ ইতিহাসমূলক তথ্যৰ এক দলিলৰূপেও গ্ৰহণ কৰিব পাৰি।

আমাৰ দৃষ্টিত গ্ৰন্থখনৰ লোক-সংস্কৃতি বিষয়ক অধ্যায় কেইটা গ্ৰন্থকাৰৰ ক্ষেত্ৰ কৰ্মৰপৰা আহৰণ কৰা উল্লেখনীয় সংযোজনৰূপে পৰিগণিত হ'ব। তদুপৰি হাজো অঞ্চলৰ সাহিত্য, স্বাধীনতা সংগ্ৰাম, কলা-সংস্কৃতি, ক্ৰীড়া জগত লগতে সাংবাদিক পৰিচয়-পঞ্জীও শ্ৰীকলিতাৰ বিষয় বস্তু, সাৰু

ক্ষেত্ৰৰ লগত আন্তৰিক সংযোগ আৰু চিন্তা ভাৱনা প্ৰতিফলিত হৈছে। এনেবোৰ কৰ্মই শ্ৰীকলিতাৰ সাহিত্য প্ৰীতিৰ লগতে নিজৰ অঞ্চলটোৰ ঐতিহ্য আৰু সংস্কৃতিৰ প্ৰতি থকা অনুৰাগ আৰু গৌৰৱবো পৰিচয় দিছে।

'হাজো অঞ্চলৰ ইতিহাস' মূলক এই গ্ৰন্থখন শ্ৰীকলিতাৰ অশেষ চেষ্টা আৰু পৰিশ্ৰমৰ ফল বুলিব লাগিব। এই গ্ৰন্থখনে হাজোৰ বাহিৰৰ পঢ়ুৱৈ সমাজক হাজোৰ বিষয়ে জনাৰ সুবিধা দিয়াৰ লগতে হাজোবাসীক তেওঁলোকৰ জন্মভূমিৰ ঐতিহ্য আৰু গৌৰৱৰ প্ৰতি আকৃষ্ট কৰিব।

গ্ৰন্থখনে পাঠক সমাজৰপৰা সমাদৰ লাভ কৰিব পাৰিব বুলি মোৰ আশা।

ড০ প্ৰবীণ চন্দ্ৰ দাস
হিৰণালয়
ৰূপালীম নগৰ
গুৱাহাটী-৭৮১০১৪

২৯-৫-২০০৭ চন

সূচীপত্ৰ

হাজো চত্ৰৰ বিবৰণ	১
ঐতিহাসিক মঠ-মন্দিৰ	১১
সত্ৰ আৰু সচং	৭১
হাজো অঞ্চলৰ উৎসৱ-পৰ্ব	৮১
হাজো অঞ্চলৰ জন-প্ৰবাদ	৮৮
সাহিত্যলৈ হাজো অঞ্চলৰ অৱদান	৯০
সংবাদ জগতলৈ হাজো অঞ্চলৰ অৱদান	১০৮
স্বাধীনতা আন্দোলনত হাজো অঞ্চলৰ ভূমিকা	১১১
কলা-সংস্কৃতিলৈ হাজো অঞ্চলৰ অৱদান	১১৮
ক্ৰীড়া জগতলৈ হাজো অঞ্চলৰ অৱদান	১২২
হাজো অঞ্চলৰ শিল্প-কলা	১২৫
ফকৰা-যোজনা আৰু সাঁথৰ	১২৮
হাজো অঞ্চলৰ উপভাষা	১৪২
ঠাৰ বা গুপ্ত ভাষা	১৪৬
আইনাম	১৪৯
অপেশ্বৰীৰ নাম	১৬৫
বিয়া নাম	১৬৮
পচলাৰ গীত	১৭৩
চৰে ৰবাত	১৭৬
ধান মাহী গীত	১৮৪
মহোৎসৱৰ গীত	১৮৬
নাওখেলৰ গীত	১৮৭
হাওখেলৰ গীত	১৯৪
পালনাম	১৯৬

গৰখীয়াৰ গীত ১৯৭
ঢুলীয়াৰ গীত ১৯৮
কমলা কুঁৱৰীৰ গীত ২০৪
কুঁহিয়াৰ পেৰা গীত ২০৭
মন্দিৰ আৰু মছজিদৰ কলি ২০৮
হাজো সম্পৰ্কে কেইটামান প্ৰচলিত গীত ২০৮
হাজো অঞ্চলৰ শ্বহীদ ২১৩
সহায় লোৱা গ্ৰন্থ আৰু ব্যক্তি ২১৪

হাজো চক্ৰৰ বিৱৰণ

পুণ্যভূমি হাজো

ধৰ্ম-দৰ্শন আৰু সাংস্কৃতিক পৰম্পৰাৰ বাবে যুগে যুগে হাজোক পুণ্যভূমিৰূপে জ্ঞান কৰি অহা হৈছে। এই ঐতিহ্য মহিমাৰ বাবে প্ৰাচীন কালৰ পৰা আজিলৈকে হাজোলৈ সমাগম হৈছে— বহুতো পণ্ডিত, দাৰ্শনিক, ৰজা তথা নানাজন সন্ত-মহন্তৰ।

উল্লেখ আছে, জিতাৰি বংশৰ ৰজাই মাধৱক সেৱা জনাইহে ৰাজপাটত বহিছিল। দাৰ্শনিক তথা ধৰ্মগুৰু শংকৰাচাৰ্যই মাধৱ মন্দিৰ দৰ্শন কৰিবলৈ আহিছিল। তিব্বতী বৌদ্ধসকলে হাজো পাহাৰৰ এজোপা প্ৰকাণ্ড শালবৃক্ষৰ তলত বুদ্ধদেৱৰ মহাপৰিনিৰ্মাণ হোৱা বুলি বিশ্বাস কৰে। সপ্তম শতিকাত লামাপন্থাৰ প্ৰতিষ্ঠাপক পদ্মসম্ভৱে হাজো পৰিভ্ৰমণ কৰা বুলি কোৱা হয়। ইছলাম ধৰ্মৰ এগৰাকী ধৰ্মপ্ৰাণ ব্যক্তি গিয়াচুদ্দিন আউলিয়াই বিশ্ব জুৰি ধৰ্ম প্ৰচাৰ কৰি ঘূৰি ফুৰা কালত হাজোলৈ আহি হাজোত কিছু বছৰকাল কটোৱাৰ কথা উল্লেখ আছে। বংগদেশৰ ধৰ্মগুৰু চৈতন্যদেৱ হাজোলৈ অহাৰ প্ৰবাদ আছে। হাজোত তেওঁ বাস কৰা ঠাই ডোখৰ চৈতন্যঘোপা নামে আজিও জনাজাত। মহাপুৰুষ মাধৱদেৱে একাধিকবাৰ হাজো দৰ্শন কৰিছে। মহাপুৰুষ দামোদৰদেৱৰ পিতৃ সদানন্দই হাজোৰ বৃদ্ধেশ্বৰ গাঁৱত বসতি কৰিছিল। মাধৱদেৱৰ এগৰাকী প্ৰিয় শিষ্য লক্ষ্মীকান্ত আতৈয়ে হাজোৰ ধোপৰগুৰিত সত্ৰ প্ৰতিষ্ঠা কৰিছিল।

হাজোৰ ঐতিহাসিক পটভূমি

হাজো এখন ঐতিহাসিক ঠাই। ইয়াৰ তীৰ্থস্থানসমূহে অসম তথা ভাৰতবৰ্ষত অতীত গৌৰব ঘোষণা কৰি আহিছে। হাজো পুণ্যভূমি। হাজো পঞ্চতীৰ্থৰূপে জনাজাত। ইয়াৰ সমগ্ৰ অঞ্চলটোৱে মঠ-মন্দিৰ, সত্ৰ-সচং, মছজিদ আৰু অতীত বুৰঞ্জীৰে ভৰা। ইয়াৰ প্ৰতিটো শিলে বুৰঞ্জী কয় আৰু প্ৰতি ডোখৰ মাটিয়ে কাহিনী কয়। মুছলমানসকলৰ পবিত্ৰ তীৰ্থস্থান পোৱামক্কা ইয়াতে আছে। বৌদ্ধ ধৰ্মাৱলম্বীলোকসকলেও হাজোক পবিত্ৰ জ্ঞান কৰিছে আৰু হাজো চক্ৰৰ প্ৰায়বোৰ মঠ-মন্দিৰে তেওঁলোকে দৰ্শন কৰে। অতীজৰে পৰা আজিলৈ হাজো হিন্দু, মুছলমান আৰু বৌদ্ধৰ মিলন ভূমিৰূপে পৰিচিত আৰু সেয়ে এই ঠাইখণ্ডক ধৰ্মৰ ত্ৰিবেণী সংগমৰূপে অভিহিত কৰা হৈছে।

বিভিন্ন পদ-পুথি আৰু শাসকৰ দিনত হাজোক বিভিন্ন নামে জনা যায়। মহাকাব্য আৰু পুৰাণে হাজোক নামকৰণ কৰিছে 'পঞ্চতীৰ্থ' ৰূপে। কালিকা পুৰাণে হাজোৰ নাম 'অপুনৰ্ভৱ' আৰু 'মণিকূট' বুলিও কৈছে। 'যোগিনীতন্ত্ৰ'ৰ মতে হাজোৰ নাম 'বিষ্ণুপুষ্কৰ' আৰু 'অপুনৰ্ভৱ'। সূৰ্যখড়ি দৈৱজ্ঞ ৰচিত 'দৰঙ্গ ৰাজবংশাৱলী' পুথিৰ মতে হাজো 'মণিকূট গ্ৰাম'। আহোম ৰজাসকলৰ দিনত ৰচিত 'বুৰঞ্জী'ত ইয়াৰ নাম 'হাজো' পোৱা হৈছে। চৰিত পুথি আৰু বৈষ্ণৱ কবিসকলৰ ৰচনাত 'হাজো' নামে উল্লেখ আছে। মোগলসকলৰ দিনত হাজো 'চুজাবাদ' বা 'চুজানগৰ' নামেৰে জনাজাত হৈছিল।

হাজো নামৰ উৎপত্তি

'হাজো' নামটোৰ উৎপত্তি সম্পৰ্কে কেইবাটাও জনশ্ৰুতি আছে। সেই জনশ্ৰুতিসমূহৰ ভিতৰত হ'ল— (ক) এসময়ত মুনিসকলে হাজোত যোগ সাধনাত বহিছিল। কিন্তু তেওঁলোকৰ যোগ সাধনা হঠাৎ ভ্ৰষ্ট হয়। যোগ সম্পূৰ্ণ নহ'ল। ভগ্ন মনোৰথেৰে যোগীসকলে 'হা যোগ' 'হা যোগ' কৈ চিঞৰিবলৈ ধৰিলে। কালক্ৰমত 'হা যোগ' চিঞৰ শব্দৰপৰাই গৈ 'হাজো' নাম হোৱাৰ কথা কোৱা হয়। (খ) এটা জনশ্ৰুতি মতে, বুদ্ধদেৱৰ মৃত্যু হৈছিল হাজোত। বুদ্ধৰ মৃত্যুৰ শোকত শিষ্যসকলে 'হ অ-জু' বা 'হা-জু' (সূৰ্য অস্তমিত হ'ল) বুলি চিঞৰি কান্দিছিল। এই উচ্চাৰণৰ

পৰাই ঠাই খণ্ডৰ নাম কালক্ৰমত 'হাজো' হ'ল বুলি কোৱা হয়। (গ) হাজোৰ 'পোৱামক্কা'ৰ স্থান দৰ্শন কৰিলে মুছলমানসকলৰ 'হজ্জ' কৰাৰ দৰে পুণ্য হয়। এই 'হজ্জ' শব্দৰ পৰাও 'হাজো' হোৱা বুলি কোৱা হয়। (ঘ) এসময়ত এই ঠাইখণ্ডৰ ম্লেচ ৰজা 'হজ' বা 'হাজু'য়ে ৰাজধানী পাতি শাসনকাৰ্য চলাইছিল। এই 'হজ' বা 'হাজু' নামৰ পৰাও ঠাইখনৰ নাম 'হাজো' হোৱা বুলি কোৱা হয়। এই সম্পৰ্কে ড° প্ৰবীণ দাসে লিখিছে, 'হাজো নামটোৰ ভাষা তাত্ত্বিক বিশ্লেষণ হ'ল যে ই এটা বড়োমূলীয় শব্দ। বড়ো ভাষাৰ দুটা শব্দ 'হা' আৰু 'গ্জৌ' লগ লাগি হাজো হৈছে। 'হা' শব্দৰ অৰ্থ 'মাটি' আৰু 'গ্জৌ' শব্দৰ অৰ্থ ওখ। গতিকে হাজো মানে ওখ ঠাই বা পৰ্বত-পাহাৰৰ ঠাই। হাজো নাম সম্বন্ধে ওপৰোক্ত জনশ্ৰুতি আৰু বিশ্লেষণবোৰৰ ভিতৰত ঐতিহাসিক বিশ্লেষণ অৰ্থাৎ মেচ ৰজা হজ বা হাজুৰ নামেৰে ঠাইখনৰ নাম হাজো হোৱাটো অধিক গ্ৰহণযোগ্য যেন লাগে। সুদূৰ অতীতত হাজো তিব্বত-বৰ্মী গোষ্ঠীৰ লোকসকলৰ বাসভূমি আছিল; কিন্তু এইসকল লোকে ঠাইখনক হাজো নাম দিছিল যদি জনা নাযায়। আনহাতে পাছলৈ ব্ৰাহ্মণ ধৰ্ম আৰু সংস্কৃতিৰ অন্যতম কেন্দ্ৰ হোৱাৰ সময়ত ৰচিত কোনো গ্ৰন্থতে হাজো নামটোৰ উল্লেখ নথকা কথায়ো ঠাইডোখৰ ইতিপূৰ্বে হাজো নামেৰে খ্যাত হোৱা ইংগিত নিদিয়ে। আমি এতিয়ালৈকে হাতত পোৱা লিখিত সমলবোৰত ১৫শ, ১৬শ শতিকা মানৰ পৰা হাজো নামটোৰ উল্লেখ পাইছোঁ। ঐতিহাসিক সমলৰ ভেটিত মেচ অধিপতি হজ বা হাজুৰ সময় বুলি নিৰূপণ কৰিব পাৰি। এই দুয়োটা সময়ৰ মিলনৈ চাই আৰু আন কিছুমান আনুষঙ্গিক প্ৰমাণ (Circumstantal evidence)ৰ ভেটিত হাজো নামটো মেচ অধিপতি হজ বা হাজুৰ নামেৰেই হোৱা বুলি ক'ব পাৰি।

হাজোৰ শাসনকৰ্তা ঃ

খ্ৰীষ্টীয় প্ৰথম শতিকাত প্ৰাগ্‌জ্যোতিষপুৰত ভৌম বংশৰ পুষ্য বৰ্মনে ৰাজত্ব কৰা বুলি জনা যায়। তাৰ পিচত শালস্তম্ভ বংশৰ ৰাজত্বৰ কথা পোৱা যায়। ৬৫০ খ্ৰীষ্টীয়ৰ পৰা ৯৯০ খ্ৰীষ্টাব্দৰ ভিতৰত এই বংশৰ ২১ জন ৰজাই কামৰূপৰ শাসন চলায়। এই ৰজাসকল শৈৱ ধৰ্মী আছিল। তেওঁলোকে শিৱমন্দিৰ প্ৰতিষ্ঠা কৰি ব্ৰাহ্মণক মাটিবাৰী দান কৰিছিল। শালস্তম্ভ বংশৰ শেষ ৰজা ত্যাগ সিংহ। তেওঁ

অপুত্ৰক। সেয়ে মন্ত্ৰী পৰিষদে ৰজাৰ একজন আত্মীয় ব্ৰহ্মপালকে কামৰূপৰ সিংহাসনত বহুৱায়। এওঁকে পালবংশৰ প্ৰতিষ্ঠাপক (খ্ৰীঃ ৯৯০) বুলি ধৰা হয়। পালবংশৰ ৰজাসকলৰ ভিতৰত ৰত্নপাল (১০১০ ৰপৰা ১০৪০ চন) ৰৰ শক্তিশালী আছিল। এওঁ 'দুৰ্জ্জয়া' নগৰত ৰাজধানী নিৰ্মাণ কৰা বুলি জনা যায়। এই 'দুৰ্জ্জয়া' নগৰ গুৱালকুছি বুলিয়ে বুৰঞ্জীবিদসকলে অনুমান কৰে। পালবংশীয় ৰজাসকল শিৱ আৰাধক আছিল আৰু এওঁলোকৰ দিনতে ইয়াৰ প্ৰায়বোৰ শিৱ মন্দিৰ নিৰ্মাণ হোৱা বুলি কোৱা হয়। পালবংশৰ শেষ ৰজা (১১৩৮ চন) বুলি জয়পালকে ধৰা হয়। এই সময়ছোৱাতে 'উত্তৰকুল'ত আৰ্য্য প্ৰভাৱ বিস্তাৰ হোৱা বুলি কোৱা হয়। এই আৰ্যসকলে ভৌমবংশীয় নৃপতিসকলক 'ম্লেচ ৰজা' আখ্যা দিছিল। হাজো অঞ্চলত প্ৰচলিত জনশ্ৰুতিয়ে এই কথা কয় যে এসময়ত ম্লেচ ৰজা 'হজ' বা 'হাজু'য়ে ইয়াত ৰাজধানী পাতি শাসক কাৰ্য চলাইছিল। এই 'হজ' বা 'হাজু'ৰ নামৰপৰাই ঠাইখনৰ নাম 'হাজো' হোৱা বুলি কোৱা হয়। উল্লিখিত বুৰঞ্জীৰ এই সত্যৰ পৰা অনুমান হয় যে আলপাইন গোষ্ঠীৰ ভৌমবংশীয় নৃপতিসকলৰ মাজত 'হজ' বা 'হাজু'ও একজন আছিল। গতিকে প্ৰচলিত জনশ্ৰুতিৰ লগত এই কথাৰ মিল আছে। গতিকে এনে প্ৰমাণৰ ভেটিত ক'ব পৰা যায় যে 'হাজো' নামটো 'ম্লেচ ৰজা' 'হজ' বা 'হাজু'ৰ নামৰ পৰাই হ'ব পাৰে।

পালবংশৰ পিচত কামৰূপৰ ৰজাসকল দুৰ্বল আছিল। কামৰূপখন ক্ষুদ্ৰ ক্ষুদ্ৰ ভাগত বিভক্ত কৰি অনেক ৰজাই ৰাজত্ব কৰিছিল। এনে একখন ৰাজ্যৰ ৰজা ৰামচন্দ্ৰই কুবেৰাদ্ৰিত ৰাজধানী পাতি ৰাজত্ব চলাইছিল। এই কুবেৰাদ্ৰিয়ে 'কুলহাটী' বুলি জনা যায়। বৰ্তমান কুলহাটীত খনন কাৰ্যত বহুতো পুৰণি বস্তু ওলাইছে। জিতাৰি বংশৰ ৰজাই সোতৰ পুৰুষ ধৰি কামৰূপত শাসন কাৰ্য চলায়। তেওঁলোকে 'কুবেৰাচল' ৰাজধানী পাতিছিল। এই কুবেৰাচলকে হাজোৰ ভলীয়া পৰ্বত তেতেলীয়া বুলি কোৱা হয়। এই বংশৰ শেষ ৰজা ৰামচন্দ্ৰ।

১৫৮১ চনৰ পৰা ১৬০৩ চনলৈ হাজোৱে একখন ৰাজ্যৰ মৰ্যাদা লাভ কৰিছিল। এই ৰাজ্যখনৰ নাম আছিল 'কোঁচ হাজো' আৰু এই ৰাজ্যৰ ৰজা আছিল কোচ ৰজা ৰঘুদেৱ নাৰায়ণ। ১৬১৩ চনত 'কোচ হাজো' মোগলৰ দখললৈ যায়। মোগলে হাজোত সদৰ পাতে আৰু ইয়াৰ শাসনকৰ্তাৰূপে নিযুক্ত কৰে চৈয়দ আবুবকৰক।

১৬৩৫ চনত হাজো আহোমসকলে দখল কৰিবলৈ সক্ষম হয় যদিও এক চুক্তিমতে হাজোৰ শাসনভাৰ মোগলৰ হাতত থাকে। কিন্তু শৰাইঘাটৰ যুদ্ধৰ পিচতহে অৰ্থাৎ ১৬৭১ চনৰপৰা হাজোৰ সম্পূৰ্ণ শাসনভাৰ আহোমসকলৰ হাতলৈ আহে। ১৬৯৬-১৭১৪ চনলৈ হাজোৱে আহোম ৰজা ৰুদ্ৰসিংহকে ধৰি অন্যান্য আহোম ৰজাৰ বিশেষ পৃষ্ঠপোষকতা লাভ কৰে। পালবংশীয় ৰজাসকলে প্ৰতিষ্ঠা কৰা শিব মন্দিৰবোৰ কালৰ বুকুত জাহ যোৱাত, এই সকলো মঠ-মন্দিৰ পুনৰ প্ৰতিষ্ঠা কৰে আহোমসকলে। সমুদ্ৰ খড়ি দৈৱজ্ঞই দৰং ৰাজবংশাৱলীত লিখিছে—

"আত অনন্তৰে কথা শুনা মহামতি।
ৰঘুদেৱ গৈলা মৃগ মাৰিবাক প্ৰতি।।
মণিকূট গ্ৰাম তবে ভৈলা উপাসক।
সৰোবৰ আছে এক পৰম গহ্বন।।
ওপৰত পিটপৰি আছে নিৰন্তৰ।
তথাকে আছিলা ব্ৰাঘ জল ভুঞ্জিবাৰ।।
জলতে আছয় ভয়ংকৰ কুৰ্ম এক।
ব্ৰাঘ্ৰৰ চৰণে কামুৰিয়া ধৰিলেক।।
মণিকূট মঠ পূৰ্বে শিলৰ আছিলা।
পাপিষ্ঠ যবনে আসি তাহাক ভাঙ্গিলা।।"

স্বৰ্গদেউ ৰুদ্ৰ সিংহয়ো ইয়াৰ মন্দিৰৰ নামত মাটিবাৰী আৰু দান-দক্ষিণা আগবঢ়াইছিল। ১৭৫০ চনত প্ৰমত্ত সিংহই হয়গ্ৰীৱ মাধৱ দেৱালয়ৰ ৰক্ষু উৎসৱৰ বাবে দৌল গৃহ সজায়। লগতে ১৭৫৫ চনত ডেকা তৰুণ দুৱৰা বৰফুকনৰ জৰিয়তে মন্দিৰৰ পূজা সেৱাৰ নামত ৫৮ পুৰা মাটি দান কৰে। এনেদৰে কমলেশ্বৰ সিংহ আৰু চন্দ্ৰকান্ত সিংহৰ উপ-ৰাণী পদ্মাৱতী পৰ্বতীয়া কুঁৱৰী আদিয়েও মন্দিৰৰ নামত মাটিবাৰী দান কৰিছিল। ১৭৮৩ চনৰ ৯ আহিনত গৌৰীনাথ সিংহই কেদাৰ দেৱালয়ৰ নামত আগবঢ়াই ছয় তোলা ৰূপৰ মুঠি লগোৱা চোৰৰ আৰু ৪৮ পুৰা মাটি।

হাজো সমষ্টিৰ বিধায়কসকল

হাজো বিধান সভাৰ সমষ্টিৰ বিধয়াকসকল হ'ল— যোগেন্দ্ৰনাথ বৰুৱা (১৯৩৭-৪৬, কামৰূপ সদৰ চেণ্ট্ৰেল), বিষ্ণুৰাম মেধি (১৯৪৬-৫২, ৫২-৫৬,

৫৭-৬২), মহেন্দ্ৰমোহন চৌধুৰী (৬২-৬৭), বিষ্ণুৰাম মেধি (১৯৬৭-৭২), ৰেণুকা দেৱী বৰকটকী (১৯৭২-৭৮), ৰবীন্দ্ৰ নাথ মালাকৰ (১৯৭৮-৮৩), বৰকত উল্লা (১৯৮৩-৮৫), কামাখ্যাচৰণ চৌধুৰী (১৯৮৫-৯১), বদন চন্দ্ৰ বৰুৱা (১৯৯১-৯৬), নুৰুল হুছেইন (১৯৯৬-২০০১), ড° হৰেণ দাস (২০০১-২০০৬), নুৰুল হুছেইন (২০০৬)।

হাজোৰ অৱস্থিতি

কালিকা পুৰাণ মতে, হাজোৰ পুব আৰু দক্ষিণত লোহিত্য নদ, উত্তৰত বৰ্ণশা নদ আৰু পশ্চিমত লোহিত্য সাগৰ। কোঁচ ৰজা ৰঘুদেৱ নাৰায়ণৰ সময়ত কোঁচ হাজোৰ সীমা পশ্চিমে সোণকোষ নদীৰ পৰা পূবে বৰনদীলৈকে। বৰ্তমান হাজো চক্ৰৰ পূবে— কমলপুৰ ৰাজহ চক্ৰ, পশ্চিমে বৰক্ষেত্ৰী, উত্তৰে ৰঙিয়া আৰু নলবাৰী ৰাজহ চক্ৰ আৰু দক্ষিণে মহাবাহু ব্ৰহ্মপুত্ৰ। হাজো গুৱাহাটীৰ উপকণ্ঠ এলেকা। গুৱাহাটীৰ পৰা হাজোলৈ দূৰত্ব প্ৰায় ত্ৰিশ কিলোমিটাৰ। ই ব্ৰহ্মপুত্ৰৰ উত্তৰ দিশত অৱস্থিত।

হাজোৰ জন-গাঁথনি আৰু মাটিকালি

যোৱা কেইবছৰে হাজোৱে মহকুমাৰ দাবী কৰিছে। এই মহকুমাৰ পৰিমণ্ডলৰ মুঠ মাটিকালি ৬৮১.২ বৰ্গ কিলোমিটাৰ।

হাজো ৰাজহ চক্ৰ চাৰিখন মৌজাৰে গঠিত। সেই মৌজা চাৰিখন হ'ল (ক) হাজো মৌজা, (খ) ৰামদিয়া মৌজা, (গ) পশ্চিম বংশৰ মৌজা, (ঘ) পুব বংশৰ মৌজা।

ইয়াত ১৩৭ খন ৰাজহ গাঁও আছে। **(ক) হাজো মৌজাৰ ৰাজহ গাঁও—** (১) কলিতাকুছি, (২) বাজাৰজাৰ, (৩) হীৰাজানি, (৪) কুমাৰপুৰ, (৫) দক্ষিণ শিংৰা, (৬) একাদি, (৭) হৈনাদি, (৮) দিহিনা, (৯) জাপিয়া, (১০) উখুৰা, (১১) মোখনীয়া, (১২) হেলাছা, (১৩) এক নং বাগটা, (১৪) দুই নং বাগটা, (১৫) তিনি নং বাগটা, (১৬) চাৰি নং বাগটা, (১৭) পটেনি, (১৮) নিজ হাজো, (১৯) বৰ চাপৰি, (২০) শক্তিবাৰী, (২১) কমদধি, (২২) গেৰুৱা, (২৩) অভয়পুৰ, (২৪) মনাহকুছি, (২৫) হাদালা, (২৬) কেভেকীবাৰী, (২৭) বাউসী লাওতলী, (২৮)

তেতেলীয়া, (২৯) বাহানা, (৩০) এক নং কুলহাটী, (৩১) দুই নং কুলহাটী। উল্লিখিত ৰাজহ গাঁৱৰ ভিতৰুৱা গাঁওসমূহ ক্ষুদ্রদধি, ভোমা, সাতদলা, শইকীয়াপাৰা, গড়েমাৰী, কঞ্জাজেনী, দুই নং হেলাছা, ডেকাৰপাৰা, নকুছি, চেঁচামুখ, বৰগাঁও, দক্ষিণ কেতেকীবাৰী, ওৰগাল, বৰম্বৈ, মুৰীকোণা, তলীয়া, ভেলামাৰী, চকমতলী আদি।

(খ) ৰামদিয়া মৌজাৰ ৰাজহ গাঁও— (১) চোৰাবড়ী, (২) হাবলাখা, (৩) দেহৰকুৰিহা, (৪) শনিয়াদি, (৫) বিহদিয়া, (৬) খোপনিকুছি, (৭) বৰ্নি, (৮) কিছমৎ কুৰিহা, (৯) এক নং খলিহামাৰী, (১০) দুই নং খলিহামাৰী, (১১) এক নং শৌলমাৰী, (১২) দুই নং শৌলমাৰী, (১৩) আম্ভুপাৰা, (১৪) বঙ্গালপাৰা, (১৫) তাপাবড়ী, (১৬) এক নং ভেলকৰ, (১৭) দুই নং ভেলকৰ, (১৮) উজানকুৰি, (১৯) হাঁহদিয়া, (২০) চটলাবৰী, (২১) মাজৰকুৰি, (২২) গেজেলিটাৰী, (২৩) সম্ভাৰ, (২৪) সৰু বাকৰা, (২৫) বৰবাকৰা, (২৬) বঙ্গালটোলা। এই ৰাজহ গাঁৱৰ ভিতৰুৱা গাঁওসমূহ— কাহিবাৰী, নামপাৰা, কমাৰটোলা, কলবাৰী, লহকৰপাৰা, ঢাকুৰাপাৰা আৰু সুঁতিৰ মুখ।

(গ) পশ্চিম বংশৰ মৌজাৰ ৰাজহ গাঁও— (১) এক নং দোকনীয়া, (২) দুই নং দোকনীয়া, (৩) তিনি নং দোকনীয়া, (৪) চাৰি নং দোকনীয়া, (৫) দোকনীয়া দুই নং, (৬) বামুন্দী, (৭) শিলগুৰি, (৮) বৰলাহ, (৯) হাতীমূৰা, (১০) বামুন্দী গণকপাৰা, (১১) শিলৰদিয়া, (১২) পণ্ডিতৰ পাম, (১৩) গাঁও বুঢ়াৰ পাম, (১৪) হালোগাঁও, (১৫) ৰবি টিলাৰ পাম, (১৬) হাতীমূৰা এন চি, (১৭) সোৱানচাহ এক নং, (১৮) সোৱানচাহ দুই নং, (১৯) সোৱানচাহ তিনি নং, (২০) সোৱানচাহ চাৰি নং, (২১) ক্ষেত্ৰী হাৰদিয়া, (২২) নিজ হাৰদিয়া, (২৩) হাৰদিয়া পাম, (২৪) এক নং ক্ষেত্ৰী হাবদিয়া, (২৫) দুই নং ক্ষেত্ৰী হাবদিয়া, (২৬) হাবদিয়া পি ডি আৰ, (২৭) নদীয়া, (২৮) উজান টোক্ৰাদিয়া, (২৯) টোক্ৰাদিয়া, (৩০) মালদাহৰ পাম, (৩১) সানপাৰা গ্ৰেণ্ট, (৩২) বংশৰ, (৩৩) ৰবদামপুৰ, (৩৪) দুই নং হালোগাঁও, (৩৫) দুই নং সৰু দামপুৰ, (৩৬) ছয় নং শ্ৰীহাটী, (৩৭) সৰুলাহ। ইয়াৰ ভিতৰুৱা গাঁও— কঞ্জাটোল আদি।

(ঘ) পূব বংশৰ মৌজাৰ ৰাজহ গাঁও— (১) শুৱালকুছি, (২) শুৱালকুছি

পথাৰ, (৩) শুৱালকুছি ৯ নং কেন্দ্ৰ, (৪) বামুণ শুৱালকুছি, (৫) এক নং দক দামপুৰ, (৬) দুই নং শ্ৰীহাটী, (৭) এক নং শ্ৰীহাটী, (৮) বাথান, (৯) বাথান পাম, (১০) বাক্সী চৰ, (১১) বাক্সী চৰ নং কে এ, (১২) সানপাৰা, (১৩) সানপাৰা পৰ্বত, (১৪) আমবাৰী, (১৫) নিজ বংশৰ, (১৬) এক নং গন্ধমৌ, (১৭) দুই নং গন্ধমৌ, (১৮) এক নং কিছমৎ বংশৰ, (১৯) দুই নং কিছমৎ বংশৰ, (২০) এক নং শিঙিমাৰী, (২১) দুই নং শিঙিমাৰী, (২২) তিনি নং শিঙিমাৰী, (২৩) বোমাৰী, (২৪) নিজ গন্ধমৌ, (২৫) গৰিয়াপাৰা পছৰীয়া, (২৬) ন পাৰা পছৰীয়া, (২৭) দক্ষিণ পাকৰকোণা, (২৮) উত্তৰ পাকৰকোণা, (২৯) ক্ষুদ্ৰকল পছৰীয়া, (৩০) কেওটবৰৰী পছৰীয়া, (৩১) বৰীজানী পথাৰ পছৰীয়া, (৩২) শুইমাৰা পথাৰ পছৰীয়া, (৩৩) পছৰীয়া দলৰ পথাৰ, (৩৪) পছৰীয়া, (৩৫) পছৰীয়া দদৰা, (৩৬) পূব দদৰা, (৩৭) বৰগাঁও, (৩৮) চৰমৈজলী, (৩৯) চৰমৈজলী পাম, (৪০) চৰমৈজলী ন নং কে, (৪১) এক নং দলিবাৰী, (৪২) দুই নং দলিবাৰী। ইয়াৰ অন্তৰ্ভুক্ত গাঁওসমূহ— আজাঠুবি, খিগুৱবৰী, বামুণবৰী, আলিকাষ, কিছমৎ, কদমতলি আদি।

নৈ ঃ অঞ্চলটোৰ দক্ষিণ দিশেৰে ব্ৰহ্মপুত্ৰ নদী বৈ গৈছে। ইয়াৰ মাজেৰে বৈ গৈছে চেঁচা নৈ আৰু পুঠিমাৰী নৈ।

বিল ঃ ইয়াত কেইবাটিও বিল আছে। সেইবোৰৰ ভিতৰত হ'ল— সাতদলা বিল, গৰজান বিল, সাপেখাটী বিল, কচুৱাবৰী বিল, পানীখাইটি বিল, হাজো পিটকাটি বিল, নিতেবিল, বৰবিল, পুঠিমাৰী বিল, কাটুবাজান, হাজো বৰাহকুৰ, বামদিয়া সুঁতিৰমুখ জান আদি।

পাহাৰ আৰু টিলা ঃ পাহাৰ আৰু টিলাসমূহৰ ভিতৰত হ'ল— আজাঠুবী পাহাৰ, কুলহাটীৰ ধনেশ্বৰী পাহাৰ, বৰবৈ পাহাৰ, হাজোৰ শিলাদাৰ, গৰুড়াচল, মদনাচল, কামেশ্বৰ, মণিকূট, বামুণীৰ হাতীমূৰা পাহাৰ, সৰুপাহাৰ, সানপাৰা পাহাৰ, ভূতেশ্বৰ পাহাৰ, কমবাৰী পাহাৰ, বাগেশ্বৰী পাহাৰ, সিদ্ধেশ্বৰী পাহাৰ, মাটিয়া পাহাৰ, ফুলবাৰী পাহাৰ, ফাটেং পাহাৰ, মাটি পাহাৰ, গন্ধমৌ পাহাৰ, বাক্সী পাহাৰ, দুৱনি-মুৱনি টিলা আৰু গোবৰ্দ্ধন টিলা আদি।

বসবাস কৰা সম্প্ৰদায় ঃ অঞ্চলটো হিন্দু আৰু মুছলমানৰ বাসস্থান।

হিন্দুৰ ভিতৰত— কলিতা, কোঁচ, কেওট, ব্ৰাহ্মণ, মালাকাৰ, পাটোৱাৰী, কৈৱৰ্ত্য, নমঃশূদ্ৰ, সূৰী, শাদে, বড়ো, কছাৰী, হীৰা, কুমাৰ, চমাৰ, বণিয়া, যুগী, নাপিত, মুৰী, বৈশ্য, কায়স্থ, গণক আদি সম্প্ৰদায়ৰ লোক আছে। ইছলাম ধৰ্মৰ ভিতৰত— শেখ, ছৈয়দ আদি সম্প্ৰদায়ৰ লোক আছে।

১৯৭১ চনৰ লোক পিয়ল মতে, হাজো চক্ৰৰ মুঠ জনসংখ্যা ১,২৯,৯৯৬ জন। বৰ্তমান ইয়াৰ জনসংখ্যা প্ৰায় ২,৫০,০০০ জন বুলি জনা যায়।

যাতায়ত ব্যৱস্থা

হাজো অঞ্চলৰ যাতায়ত ব্যৱস্থা বৰ দুখ লগা। হাজো-গুৱাহাটী, হাজো-নলবাৰী, হাজো-বৰপেটা, দমদমা-বন্তিয়া, হাজো-বামদিয়া-বামুণী, হাজো-টেক্ৰালদিয়া-শুৱালকুছি, চেঁচামুখ-পছৰীয়া, চেঁচামুখ-সোণাপুৰ-বোৰ্কাকে ধৰি কেইবাটাও সংলগ্ন পথ আছে যদিও পথবোৰ আহল-বহল আৰু উন্নতমানৰ নহয়। হাজো-গুৱাহাটী-নলবাৰী গড়কাপ্তানি পথটোৰ বাহিৰে কোনো এটা পথেই পকীকৰণ নহয়। বেছিভাগ দলং কাঠৰ হোৱাত, যানবাহনসমূহ প্ৰায়ে দুৰ্ঘটনাৰ সন্মুখীন হয়। ইয়াৰ গাঁৱলীয়া পথবোৰ উন্নতমানৰ নহয়। বাৰিষাৰ দিনবোৰ ইয়াৰ ৰাস্তাঘাট প্ৰায়ে পানীৰ তলতে থাকে। অঞ্চলটোৰ প্ৰধান ঠাইসমূহৰ পৰা স্থানীয়ভাৱে চলাচল কৰা যাত্ৰীবাহী বাছৰ আজিকোপতি কোনো ব্যৱস্থা নোহোৱাত বাছযাত্ৰীসকলৰ কষ্টৰ অন্ত নপৰিল। এই অঞ্চলৰ বাইজৰ যোগাযোগৰ সুবিধাৰ কাৰণে বাইজে নলবাৰী বা বৰপেটাৰ পৰা গুৱাহাটীলৈ হাজোৰ মাজেৰে ৰেল লাইন নিৰ্মাণৰ দাবী জনাই আহিছে।

জীৱিকা

হাজো চক্ৰৰ লোকসকল প্ৰধানত : কৃষিজীৱি। চাকৰিয়াললোকৰ তুলনাত ব্যৱসায়-বাণিজ্য, মৎসজীৱী কমাৰ, মৃৎশিল্পী, পিতল শিল্পী, কাঠ শিল্পী, ৰাজমিস্ত্ৰী, দিন মজুৰী কৰি পেট প্ৰবৰ্তন কৰা লোকৰ সংখ্যাই সৰহ। ইয়াত কোনো উদ্যোগ গঢ়ি উঠা নাই।

শিক্ষা

শিক্ষাৰ ক্ষেত্ৰত হাজোৱে এক বিশেষ স্থান লাভ কৰিছে। ১৯১৬ চনতে

হাজো কান্দৰাম মধ্য ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা হয়। বৰ্তমানলৈ অঞ্চলটোত পাঁচখন মহাবিদ্যালয়, বাৰখন উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৰাঠিখন উচ্চ মাধ্যমিক বিদ্যালয়, পচপন্নখন নিম্ন বুনিয়াদি বিদ্যালয় স্থাপন হৈছে। হাজোত এখন বোবা-কটা প্ৰশিক্ষণ কেন্দ্ৰ আৰু হাজোৰ পিতল শিল্পীসকলৰ বাবে 'হাজো সামূহিক কেন্দ্ৰ' স্থাপন হৈছে।

প্ৰশাসনিক দিশ ঃ

হাজোত ব্ৰিটিছ চৰকাৰৰ দিনতে আৰক্ষী চকী স্থাপন হৈছে। ইয়াত আছে— হাজো চক্ৰ বিষয়াৰ কাৰ্যালয়, বিষ্ণুৰাম মেধি ত্ৰিশখন বিছনাযুক্ত হাস্পাতালৰ উপৰিও কেইবাখনো ৰাজ্যিক প্ৰাথমিক চিকিৎসালয়, অগ্নি-নিৰ্বাপক কেন্দ্ৰ, ৰাজ্যিক পশুপালন আৰু পশু চিকিৎসালয়। হাজো বৈদ্যুতিক উপ-সংমণ্ডলৰ কাৰ্যালয়, গাওঁ কোম্পানি পথ (গ্ৰাম্য) আৰু বাননিয়ন্ত্ৰণ উপ-সংমণ্ডলৰ কাৰ্যালয়, জনস্বাস্থ্য কাৰিকৰী বিভাগ, সামাজিক বনানিকৰণ আৰু সাধাৰণ বনানিকৰণ বিষয়াৰ কাৰ্যালয়, মীন বিভাগ, তাঁৰ বিভাগ, শিশু সংহত প্ৰকল্প বিষয়াৰ কাৰ্যালয়, জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়া তথা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, মৌজাদাৰ কাৰ্যালয়, খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়, ষ্টেট বেংক, এলাহাবাদ বেংক, প্ৰাগজ্যোতিষ গাঁৱলীয়া বেংক, চেণ্ট্ৰেল বেংক, জীৱন বীমা নিগমৰ শাখা কাৰ্যালয়, প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধিশৰ পূৰ্ণ পৰ্যায়ৰ আদালত, পৰ্যটনৰ বিভাগ (নিৰ্মাণৰত) আদি।

* * *

ঐতিহাসিক মঠ-মন্দিৰ

হয়গ্ৰীৱ মাধৱ

হাজো এখন প্ৰাচীন প্ৰসিদ্ধ ঠাই। পুৰাণৰ যুগৰ পৰা আজিলৈ হাজো অঞ্চল তীৰ্থভূমিৰূপে খ্যাত। ইয়াৰ মঠ-মন্দিৰৰ মাহাত্ম্য সুঁৱৰি এই তীৰ্থভূমিয়ে যুগে যুগে ৰজা আৰু ধৰ্মগুৰুসকলৰ গুৰুত্ব লাভ কৰি আহিছে। এসময়ত হাজো শৈৱ আৰু শাক্তসকলৰ তীৰ্থস্থান আছিল। বুদ্ধ অৱতাৰৰ পিছত হাজো বৌদ্ধ ধৰ্মাৱলম্বীলোকৰ এখন মহান আশ্ৰম আছিল বুলি কোৱা হয়। মোগলে অসম আক্ৰমণ কৰাৰ সময়ত হাজোত ৰাজধানী পাতি ছৈয়দ আবুবকৰ নামে এজন শাসনকৰ্তা ৰাখিছিল।

ষোলশ শতিকাত কোঁচ ৰজাসকলে হাজোক এখন ৰাজ্যৰ মৰ্যাদা দিছিল আৰু এই ৰাজ্য কোঁচ হাজোৰূপে জনাজাত হৈছিল।

দেখা যায় হিন্দু, মুছলমান আৰু বৌদ্ধ এই তিনিও সম্প্ৰদায়ৰ লোকৰে হাজো মিলনভূমিৰূপে জনা গৈছিল আৰু ইয়াৰ বাবে হাজোক ত্ৰিবেণীসংগম বুলি কোৱা হৈছিল। হাজোক আজিও হিন্দু-মুছলমানৰ সংহতিৰ কেন্দ্ৰ বুলি সকলোৱে জানে।

হাজো অঞ্চলৰ প্ৰতিটো শিলে, বিশেষকৈ নিজ হাজোৰ পাহাৰে-ভৈয়ামে সিঁচৰিত হৈ পৰি থকা প্ৰতিটো শিলে অতীত বুৰঞ্জীৰ সাক্ষী দিব খোজে। নিজ হাজোত হয়গ্ৰীৱ মাধৱ, কেদাৰ, কামেশ্বৰ কমলেশ্বৰ আৰু গণেশ মন্দিৰ বিদ্যমান— যাক পুণ্যতীৰ্থৰূপে খ্যাত। এই ভূমি ভাগতে গোকৰ্ণ, বিকৰ্ণ, সৰগ দুৱাৰ অপৰ্ণভৰ, ৰবাহুগোহাইৰ থান, দুমুখীয়া গোসাইৰ থান, পাখামেলা গোসাইৰ থান, কপিলামুনিৰ

আশ্ৰম চৈতনাঘোলা, শালকৃষ্ণ, ভীমৰ চৰিয়া আদি অনেক তীৰ্থ আছে। পোৱামক্কা— মুছলমানসকলৰ পবিত্ৰ ধৰ্মানুষ্ঠান। গুৱালকুছিত আছে সিদ্ধেশ্বৰ দেৱালয়, বংশৰত ভৃঙ্গেশ্বৰ দেৱালয়, দলিবাৰীত-দদৰাত অগ্নিবানেশ্বৰ, তেতেলীয়াত হৰ-গৌৰী, কুলহাটীত বাসুদেৱৰ স্থানসমূহ।

হাজোৰ হয়গ্ৰীৱ মাধৱ অকল অসমৰ ভিতৰত নহয়, ভাৰতৰ পবিত্ৰ মন্দিৰবিলাকৰ ভিতৰতে অন্যতম। এই মন্দিৰ দৰ্শন কৰিবলৈ ভাৰতৰ বহুতো ঠাইৰপৰাও তীৰ্থযাত্ৰী আহে।

অতীজৰেপৰা আজিলৈ যিকোনো মানুহে হাজোৰ হয়গ্ৰীৱ মাধৱ নেদেখাটো নিজৰ দুৰ্ভাগ্য বুলি আক্ষেপ কৰে। সেই হিচাপে অতীজৰে পৰা আজিলৈ বজা-ধৰ্ম গুৰু সকলোৱে হাজোত এবাৰ পদাৰ্পণ কৰিব বিচাৰে।

হয়গ্ৰীৱ মাধৱৰ ওপৰত হাজোবাসীৰ প্ৰগাঢ় বিশ্বাস। বিপদ-বিঘিনি, অপায়-অমংগল আহিলে হাজোৰ মানুহে পোনেই কয়, আমাৰ হাজোত মাধৱ আছে— হাজোৰ মানুহৰ ভয় কিহৰ? মহোহোত্ত হাজো অঞ্চলৰ ল'ৰাই গৃহস্থক আশীৰ্বাদ দিয়ে— হয়গ্ৰীৱ মাধৌ কি জয়।

মন্দিৰৰ শিল্প-ভাস্কৰ্যও চাবলৈ চকুৰ বয়। এই ভাস্কৰ্যক কোনো কোনোৱে ইলোৰাৰ কৈলাশ গুহা মন্দিৰৰ লগত বিজনি দিছে আৰু ইয়াৰ ভাস্কৰ্যবোৰক উত্তৰ ভাৰতীয় ভাস্কৰ্যৰ শিল্পধাৰাৰ শাৰীত পেলাব খোজে। আকৌ, কোনোৱে মাধৱৰ মূল মঠটোৰ তলৰ অংশৰ হস্তীযুক্ত ভাস্কৰ্য শাৰীক বৌদ্ধ ভাস্কৰ্য নিদৰ্শনৰূপেও অভিহিত কৰিছে।

হয়গ্ৰীৱ মাধৱ মন্দিৰ সম্পৰ্কত নানা প্ৰবাদ শুনা যায়। কালিকা পুৰাণৰ প্ৰবাদ মতে, এই তীৰ্থ উৰ্ব নামৰ এজন ঋষিয়ে প্ৰতিষ্ঠা কৰে। সেই সময় আছিল কলি আৰু দ্বাপৰৰ সন্ধিক্ষণ। তেতিয়াৰ হাজো অসুৰেৰে ভৰা। বিশেষকৈ জ্বৰাসুৰ, হয়াসুৰ আদি অসুৰৰ অত্যাচাৰত সাধু-সন্ন্যাসী ভয়ত ত্ৰস্তমান। হাজো আশ্ৰমত থকা উৰ্ব ঋষিও অসুৰৰ অত্যাচাৰত জ্বলা-কলা হ'ল। ঋষিয়ে অসুৰৰ অত্যাচাৰৰপৰা তেওঁক ৰক্ষা কৰিবলৈ তপ কৰিবলৈ ধৰিলে। তেওঁৰ তপত সন্তুষ্ট হৈ বিষ্ণুৱে হয়গ্ৰীৱ ৰূপ ধৰি— জ্বৰাসুৰ, হয়াসুৰক নিধন কৰি মানৱৰ হিতৰ বাবে মণিকূট পাহাৰতে হয়গ্ৰীৱ মাধৱৰূপে অৱস্থান কৰে।

"সহয়গ্ৰীৱৰূপেন বিষ্ণুহত্বা জ্বৰাসুৰম্।
নিহত্য সহ হয়গ্ৰীৱঃ ক্ৰীড়ায়ৈ যত্ৰ সংস্থিতঃ।।
হত্বা জ্বৰং তথা বিষ্ণু স্তত্ৰ বাসমথা কৰোৎ।
নৰদেবাসুৰাদিনাং যথা ভৱতি বৈ হিতম্।। (কালিকা পুৰাণ)

জ্বৰাসুৰক বধ কৰাৰ পিছত জ্বৰৰ দ্বাৰা পীড়িত হোৱাত বিষ্ণুৱে আৰোগ্য স্নান কৰিছিল। যি ঠাইত তেওঁ এই আৰোগ্য স্নান কৰিছিল, সেই ঠাই অপুৰ্ণভৱ কুণ্ডৰূপে জনাজাত হয়। মানুহৰ বিশ্বাস যে এই কুণ্ডত স্নান কৰিলে পুনৰ্জন্ম নহয়। যোগিনীতন্ত্ৰত এই কুণ্ডৰ কথা উল্লেখ আছে। বৰ্তমান এই ঠাইৰ সংৰক্ষণৰ কোনো ব্যৱস্থা নোহোৱাটো পৰিতাপৰ কথা।

যোগিনীতন্ত্ৰৰ মতে, উৰিষ্যাৰ ৰজা ইন্দ্ৰদ্যুম্নই এজোপা মহাবৃক্ষৰ সন্ধান পাই, তাক সাত ডোখৰকৈ কাটি বিভিন্ন স্থানত মূৰ্তি স্থাপন কৰে। তাৰে দুডোখৰ হাজোলৈ আনি হয়গ্ৰীৱ মাধৱ প্ৰতিষ্ঠা কৰে। মানুহে কয়, মাধৱৰ পশ্চিমৰ ফালৰপৰা হেনো জগন্নাথ মন্দিৰ দেখা যায়।

"মণিকূটে ততোৰ্দ্ধঞ্চ স্থাপিতং বৰুণেনহি।
প্ৰাচ্যং নন্দীশ মৈশান্যে মৎস্যাক্ষেনাম মাধৱঃ।।" (যোগিনীতন্ত্ৰ)

মহাভাৰতৰ মতে, এসময়ত বিষ্ণু টোপনিত থাকোতে ব্ৰহ্মা বিষ্ণুৰ নাভিকমলত আছিল। এনেতে বিষ্ণুৰ নাভিৰপৰা মধু আৰু কৈটভ নামে দুটা দৈত্য ওলাই আহিল। দৈত্য দুটাই ব্ৰহ্মাৰ হাতৰপৰা বেদ শাস্ত্ৰ কাঢ়ি ল'লে। দৈত্যৰ কাণ্ড দেখি ব্ৰহ্মাই বিষ্ণুক টোপনিৰপৰা জগালে আৰু দৈত্যৰ অপকৰ্মৰ কথা বিৱৰি ক'লে। তেতিয়া বিষ্ণুৱে হয়গ্ৰীৱ ৰূপ ধৰি, সেই দৈত্যৰ হাতৰপৰা বেদশাস্ত্ৰ উদ্ধাৰ কৰি পুনৰ ব্ৰহ্মাৰ হাতত দি হাজোৰ মণিকূট পাহাৰতে শয়ন কৰে বুলি কোৱা হয়। তেতিয়াৰ পৰা এই স্থান হয়গ্ৰীৱ মাধৱ নামে জনাজাত হয়।

হাজোৰ এই হয়গ্ৰীৱ ভূটানৰ বৌদ্ধধৰ্ম লোকসকলে তেওঁলোকৰ পীঠ বুলিহে দাবী কৰে। তেওঁলোকৰ মতে হাজোত বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণ ঘটিছিল। কেদাৰ মন্দিৰ পূব দক্ষিণ দিশত এজোপা প্ৰকাণ্ড শালগছ আছে আৰু সেই শালগছৰ তলতে বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণ ঘটিছিল বুলি কোৱা হয়।

তিব্বতীসকলে এই কথাও কয় যে লামা পন্থাৰ প্ৰৱৰ্তক সিদ্ধ পদ্মনাভৰ

হাজোত দেহাৱসান ঘটিছিল। সিদ্ধ পদ্মনাভৰ নামত বৌদ্ধ চৈত্যটো নির্মাণ হৈছিল আৰু তাত বুদ্ধৰ মূর্তি প্রতিষ্ঠা কৰা হৈছিল। তেনে বিশ্বাসৰ পৰা ভুটিয়াসকলে হাজোক স্বৰ্গভূমি বুলি জ্ঞান কৰি আহিছে আৰু ভুটান, নেপাল, তিব্বত আৰু চীনদেশৰপৰা যাত্রী আহি— ইয়াৰ তীর্থস্থান দর্শন কৰে। তেওঁলোকে কয় তেওঁলোকৰ মহামুনি হাজোত আছে। তেওঁলোকে মাধৱৰ মূর্তিটোক দোৰ্জী দোলো, শক্য থুবা, চেনচা মুনি বুলি কয়। ভুটীয়া লামাসকলে হয়গ্ৰীৱ মাধৱ মূর্তিক নমোগুৰু অর্থাৎ পদ্মসম্ভৱ বুলি কয়। বাকী কেইটা বিগ্ৰহক 'উগায়ন গুৰু', "দউৰজ দোলা" বুয়া মাধৱক 'চাকা থুবা' চেনচা মুনি বুলি কয়। কামেশ্বৰ মন্দিৰক 'টোমাকাটা', গণেশ মন্দিৰক 'যামবালা', গোকর্ণক 'টোকা', ভীমৰ চৰিয়াক "আয়া", বামুন্দীৰ ধাৰেশ্বৰ মন্দিৰক 'চুমনা ৰাজা', বংশৰৰ ভৃঙ্গেশ্বৰক 'ওৰাংনোচা' বুলি কয়। তিব্বতীসকলেই নহয়, ভাৰতৰ বাহিৰৰ দুই-এজন পণ্ডিতেও হাজোৰ হয়গ্ৰীৱ মাধৱ মূর্তিটো বুদ্ধ মূর্তি আৰু মাধৱ মন্দিৰটো পূর্বতে এটা বৌদ্ধ চৈত্য থকাৰ মত পোষকতা কৰিছে। তিব্বতীসকলে চৈত্যটোৰ বুদ্ধদেৱৰ অস্থিভস্ম থকাৰ কথা বিশ্বাস কৰে বুলি জনা যায়। অনেকে ক'ব খোজে যে হাজোত হিন্দু ধৰ্মই গা কৰি উঠাৰ লগে লগে বৌদ্ধ চৈত্যটোক হিন্দু মন্দিৰলৈ ৰূপান্তৰিত কৰা হয়। তেওঁলোকে বছৰৰ এটা সময়ত বিশেষকৈ শীতকালত হাজো অঞ্চলৰ মঠ-মন্দিৰসমূহ দর্শন কৰিবলৈ আহে। তেওঁলোক হাজোলৈ আহিলে সেবাবন্তিৰ সুবিধা কৰি দিয়াৰ বাবে তেওঁলোকৰ ফালৰপৰা হাজোত কেইঘৰমান মানুহক বিশেষভাৱে নিয়োজিত কৰি ৰাখিছে। তেওঁলোক হাটখোৱা নামে জনাজাত। ভুটীয়াসকলে হাজোৰ মঠ-মন্দিৰৰ উপৰিও কামাখ্যা, গুৱাহাটীৰ সিদ্ধেশ্বৰ দেৱালয়, বংশৰৰ ভৃঙ্গেশ্বৰ দেৱালয়, বামুন্দীৰ ধাৰেশ্বৰ দেৱালয় দর্শন কৰে। হাজোৰ ভিতৰগড় অঞ্চলৰ মাটি ভুটীয়াসকলে গাত ঘঁহে। এই মাটি গাত ঘঁহিলে বুদ্ধত্ব লাভ হয় বুলি তেওঁলোকৰ বিশ্বাস। 'সোনামতী' নামৰ ৰাজআলিৰে নলবাৰী হৈ হাজোলৈ ভুটীয়াসকলে নামি আহিছিল।

হয়গ্ৰীৱ মাধৱ মন্দিৰৰ স্থাপন কাল সম্পৰ্কত পম খেদিলে জনা যায় যে, এই তীর্থ কলি আৰু দ্বাপৰৰ সন্ধিক্ষণত উৰ্ব ঋষিয়ে প্রতিষ্ঠা কৰে। কোনো কোনো পণ্ডিতে কয় যে, এই মন্দিৰ স্থলত বৌদ্ধ স্তূপ আছিল। কালক্রমত এই তীর্থ বা বৌদ্ধ স্তূপ ধ্বংসপ্রাপ্ত হৈছিল। পিছত উক্ত মঠ-মন্দিৰ নৰনাৰায়ণ ৰজাই চিলাৰায়ৰ

পুত্ৰ ৰঘুদেৱক শাসনভাৰ দিয়াত ১৫৮৩ চনত ৰঘুদেৱে নিৰ্মাণ কৰি উলিয়ায়। মাধৱ মন্দিৰৰ নিৰ্মাণকৰ্তা ৰঘুদেৱ বুলিয়ে জনা যায়। মন্দিৰৰ গাত থকা এখন ফলিত এই প্ৰমাণ দিয়ে। কথিত আছে যে, ৰঘুদেৱে চিকাৰ কৰি ফুৰোতে মণিকূট পাহাৰত ভগ্ন মন্দিৰ এটা দেখি, তাকে শ্ৰীধৰ কাৰিকৰৰ সহযোগত মন্দিৰটো পুনৰনিৰ্মাণ কৰে। কণ্ঠ ভূষণকে এই মন্দিৰৰ প্ৰথম পূজাৰী বুলি জনা যায়। তদুপৰি, মন্দিৰৰ সেৱা পূজা যাতে ঠিকমতে হয় তাৰ বাবে মন্দিৰৰ নামত তেওঁ মাটিও দান কৰে। শিলৰ ফলিও দান কৰে। আহোম স্বৰ্গদেউ ৰুদ্ৰ সিংহ, প্ৰমত্ত সিংহ, গৌৰী নাথ সিংহ, কমলেশ্বৰ সিংহ, চন্দ্ৰকান্ত সিংহৰ উপৰাণী পদ্মাৱতী পৰ্বতীয়া কুঁৱৰীয়েও মাধৱ মন্দিৰৰ পৃষ্ঠপোষকতা কৰি মন্দিৰৰ নামত মাটিবাৰী দান কৰিছিল।

হয়গ্ৰীৱ মাধৱ হৈছে, বিষ্ণুৰ মূৰ্তি। হয়গ্ৰীৱ মাধৱ শব্দৰ ব্যাখ্যা এনেধৰণৰ— হয় মানে ঘোঁৰা, গ্ৰীৱ মানে গল, মা মানে লক্ষ্মী, ধৱ মানে স্বামী। যি লক্ষ্মীৰ স্বামীৰ গল ঘোঁৰাৰ দৰে— তেৱেঁ হয়গ্ৰীৱ মাধৱ। হয়গ্ৰীৱ মাধৱ ভগৱান বিষ্ণুৰে এটা অৱতাৰ। হাজোৰ মণিকূট পাহাৰৰ প্ৰায় তিনিশ ফুট ওপৰত এই ভুৱনবিখ্যাত মন্দিৰ অৱস্থিত। মন্দিৰৰ বেদীত পাঁচটা বিগ্ৰহ আছে। তেওঁলোকক এনেধৰণে চিনাক্ত কৰা যায়— বুঢ়া মাধৱ, হয়গ্ৰীৱ বা দ্বিতীয় মাধৱ, চলন্ত মাধৱ বা কানায়া, বাসুদেৱ আৰু গৰুড়পক্ষী। তেওঁলোকৰ অৱস্থান এনেধৰণৰ— সোঁমাজত বুঢ়া মাধৱ (বিষ্ণু ৰূপত), তেওঁৰ বাওঁফালে হয়গ্ৰীৱ বা দ্বিতীয় মাধৱ (উৰিষ্যাৰ জগন্নাথৰ দ্বিতীয় অংশ। হয়গ্ৰীৱ ৰূপত এওঁ আছে), দ্বিতীয় মাধৱৰ বাওঁফালে গৰুড়পক্ষী। বুঢ়া মাধৱৰ সোঁহাতে গোবিন্দ মাধৱ বা চলন্ত মাধৱ, চলন্ত মাধৱৰ সোঁফালে বাসুদেৱ। সপ্তখণ্ড জগন্নাথৰ তিনি খণ্ড জগন্নাথত (কৃষ্ণ, বলভদ্ৰ আৰু সুভদ্ৰা) হাজোৰ মণিকূট পাহাৰত হয়গ্ৰীৱ মাধৱ, শ্বেত দ্বীপত শ্বেত মাধৱ (শুভকান্তি) নীলগিৰিত নীলমাধৱ আৰু মহাসাগৰত কূৰ্মমাধৱ (কাছ ৰূপত) অৱস্থান কৰিছে। বুঢ়া মাধৱ বগা কাপোৰ আৰু তুলসীৰ জাল মালাৰে আবৃত কৰি ৰখা হয়। মূৰ্তিটোক মেৰাই ৰখা এই কাপোৰৰ দৈৰ্ঘ্য প্ৰায় বাৰ হাত। নিজৰ কামনা সিদ্ধিৰ বাবে মাধৱটোলৈ এই কাপোৰ আৰু মালা ভক্তসকলে দান কৰে। মূৰ্তি কেইটাৰ আগত তিনিগছ অখণ্ড প্ৰদীপ জ্বলি থাকে। তাত দিনে-নিশা একোগছ চাকিত পাঁচ পোৱা তেল পোৱা হয়। এই অক্ষয় বন্তি তিনিগছ বাপৰৰ শেষ আৰু কলিৰ

আদ্যন্ত উৰ্ব মুনিয়ে প্ৰজ্বলন কৰিছিল আৰু তেতিয়াৰপৰা আজিও জ্বলি আছে। বুঢ়া মাধৱৰ মূৰ্তি কিহেৰে নিৰ্মিত জনা নাযায়। দ্বিতীয় মাধৱ দাৰু ব্ৰহ্মাৰে নিৰ্মাণ কৰা আৰু তেওঁকো কাপোৰেৰে আবৃত কৰি ৰখা হয়। গৰুড়পক্ষী ৰূপৰ, চলন্ত মাধৱ অষ্ট ধাতুৰ, বাসুদেৱ শিল সদৃশ বুলি জনা যায়। চলন্ত অৰ্থাৎ বংশীবাদন কৃষ্ণৰ মূৰ্তি উৎসৱ আদিত মন্দিৰৰ বাহিৰ ওলায়।

হয়গ্ৰীৱ মাধৱ মন্দিৰৰ বাহিৰৰ ফালে উত্তৰ দিশে গাত লাগি আছে নৰসিংহ মূৰ্তি। ইয়াত নিয়মীয়া পূজা পাতল চলে। নৰসিংহৰ মূৰ্তি শিলৰ।

প্ৰণাম মন্ত্ৰ :

"ওঁ ৰাগীশা যস্য বদনে লক্ষ্মীৰ্যাস্যচ বক্ষসি।

যস্যান্তে হৃদয়ে সং বিৎতং নৃসিংহমহংভজে।।"

মূল মন্দিৰৰ ভিতৰ দ্বাৰত আছে, দ্বাৰপাল হনুমান। প্ৰথমে হনুমানক সেৱা জনাব লাগে।

হনুমান প্ৰণাম মন্ত্ৰ :

"হনুমন্তং মহাকায়ং সুৰগন্ধৰ্ব সেবিতং।

নমামি ৰবদং শান্তং মনিকূটং নিবাসকং।।"

মন্দিৰৰ আন আন অংশৰ নাম যেনে— জগমোহন আৰু নাট মন্দিৰ। জগমোহনতো পূজা-সেৱা চলে। জগমোহনৰ পশ্চিমত নাট মন্দিৰ। নাট মন্দিৰৰ ভিতৰত এটা ঢাপ আছে। চলন্ত মাধৱ বা গোবিন্দ মাধৱে তাতেই বহি দেৱদাসীৰ নৃত্য উপভোগ কৰিছিল। ইয়াক ভুটীয়া ঢাপো বোলে। ভুটীয়াসকলে ইয়াতেই তেওঁলোকৰ চাকি-বন্তি জ্বলায়।

মাধৱ মন্দিৰৰ মঠৰ বাহিৰত দশাৱতাৰৰ চিহ্নবোৰ অংকিত হৈছে। সেই মূৰ্তিসমূহক এনেধৰণে চিনাক্ত কৰা যায়— বৰাহ, কুন্তী, কৰ্ণ, ঘটোৎকচ, মহাদেৱ, দুৰ্বাসা, ধ্ৰুৱ, প্ৰহ্লাদ, হৰিণ বাহন বায়ুদেৱতা, পদ্মাসনত বুদ্ধদেৱ, শৰ্মিষ্ঠা, সূৰ্য, ভীম, হিৰম্বা, ৰাম, লক্ষ্মণ, যযাতি ৰজা, সুগ্ৰীৱ, ৰাৱণ, সীতা, অগস্তি মুনি, সাগৰ মুনি, অগ্নিদেৱতা, মাৰ্কণ্ডেয় মুনি, পৰশুৰাম, বটু ব্ৰাহ্মণ, বলি, কুণ্ডলিকা, বাসুদেৱ, ইন্দ্ৰ, জাম্বোৱান, ধন কুবেৰ, বিশ্বকৰ্মা, যমদূত, কালি, কলি, লক্ষ্মণ-সীতা, বিষ্ণু, লক্ষ্মী, সৰস্বতী আদিয়ে প্ৰধান। পশ্চিম ফালে মাগৰি আছে এটা অশোক স্তম্ভৰ চিহ্ন আৰু

তাৰ কাষৰ শিলত অংকিত কাশ্যপ আৰু উমানন্দৰ মূৰ্তিৰ চিহ্ন। মন্দিৰৰ বাওঁ দিশত ভোগ ঘৰ। ই কুলনি ঘৰেৰে সংযোগ। পশ্চিমৰ গড়ৰ লগত আছে ঘাট চ'ৰা। উত্তৰ ফালৰ ঘাট চ'ৰাই মন্দিৰৰ মুখ্যদ্বাৰ। উত্তৰ সিংহদ্বাৰত লাগি আছে সন্ন্যাসী ঘৰ। তাতে সন্ন্যাসীসকলে আহিলে আশ্ৰয় লয়।

সন্ন্যাসী ঘৰৰ ওচৰতে এজোপা গছ আছে, যাৰ বয়স পাঁচশ বছৰ বুলি অনুমান কৰা যায়। নামনিত দুটা সৰু মঠ আছে। ইয়াকে দোমোঠাৰগুৰি বোলে। ইয়াতে হাজো বাইজৰ মেলো বহিছিল। ইয়াৰ উত্তৰত চ'ৰিয়া ঘৰ। তাৰ উত্তৰত মাধৱ পুখুৰী। যোগিনীতন্ত্ৰত ইয়াক বিষ্ণুপুষ্কৰ নামে জনাজাত। পুখুৰীটোত প্ৰায় চৈধ্য বিঘা মাটি আছে। পুখুৰীটোত থকা প্ৰকাণ্ড প্ৰকাণ্ড বৌ মাছ, কাছ মাছ তীৰ্থযাত্ৰীৰ আকৰ্ষণৰ বস্তু। মন্দিৰৰ পশ্চিম খট্‌খটিৰ নামনিৰ দক্ষিণ ফালে আছে বৰাহকুণ্ড আৰু তাৰ পাৰত আছে চৈতন্যখোপা। চৈতন্যখোপা দুটা শিলৰ গুহা। কোৱা হয় যে, চৈতন্যদেৱ কামৰূপলৈ আহোঁতে এই গুহাতে বাস কৰিছিল।

মন্দিৰৰ চৌহদত এটা ইটাৰ গড় আছে। গড়টো ঠায়ে ঠায়ে খহি পৰিছে, বিশেষকৈ পশ্চিমৰ অংশৰ বিস্তৰ ক্ষতি হৈছে। উত্তৰ দিশৰ খট্‌খটিৰে যাত্ৰীয়ে উঠা-নমা কৰে। খট্‌খটিখনত এশ ঠাকমান শাৰী শাৰী পাৰি দিয়া শিল আছে। ইয়াৰ একো একো ঠাক শিল পাৰ হ'লে মানুহৰ লক্ষ লক্ষ পাপ টুটে বুলি কোৱা হয়। এই খট্‌খটিৰ দুয়োকাষে দুটা ইটাৰ প্ৰাচীৰ আছে।

লক্ষ্মীদেৱীৰ প্ৰণাম মন্ত্ৰ ঃ

"ওঁ বিশ্বৰূপস্য ভাৰ্য্যাসি পদ্মে পদ্মালয়ে শুভে।
সৰ্বতঃ পাহি মাং দেহি মহালক্ষ্মী নমোহস্তুতে।।"

মাধৱ মন্দিৰৰ পূবত আছে ঐতিহ্যমণ্ডিত পবিত্ৰ লক্ষ্মীদেৱী মন্দিৰ। লক্ষ্মীনাৰায়ণ মন্দিৰত শালগ্ৰামৰূপী নাৰায়ণ আছে। তাৰ বাবে মহিলাসকলক স্পৰ্শ কৰিবলৈ দিয়া নহয়। লক্ষ্মী মন্দিৰত বগা ফুল, হালধীয়া ফুল আৰু চাউল-ধানৰ মালা ব্যৱহাৰ হয়। দৈনিক হোম হয়। নাৰীক ইয়াতে যোৰণ আৰু সেন্দুৰৰ ফোঁট দিয়ে। ঘৰটোৰ ভিতৰত থকা গোসাঁই উঠা চিৰিখন ভাঙি থকা দেখিলো। এই ঘৰটোতে অলেখমান পুৰণিকলীয়া মূল্যবান বস্তু আছে। কেইখনমান শাঁচিপতীয়া পুথিৰ উপৰিও তাত আছে এযোৰ হাতী দাঁতৰ পাদুকা আৰু কেইটামান হাতী

দাঁতৰ ঘোঁৰাৰ মূৰ্তি। এই ঘোঁৰাৰ মূৰ্তিবোৰ সংৰক্ষণৰ অভাৱত নষ্ট হোৱাৰ উপক্ৰম হোৱা দেখিলোঁ আৰু পাদুকাযোৰো বাহিৰত অযতনে পেলাই ৰখা হৈছে। তাতোকৈ পৰিতাপৰ কথা যে, মাধৱ মন্দিৰৰ মূল মঠৰ অংকিত শিলৰ মূৰ্তিসমূহ মেৰামতিৰ অভাৱত অৱস্থা নোহোৱা হৈছে।

মন্দিৰৰ পশ্চিম অংশত আছে দৌল গৃহ। ১৭৫০ চনত ৰজা প্ৰমত্ত সিংহই এই দৌল গৃহ সজায়। এই দৌলগৃহক কেন্দ্ৰ কৰি গোবিন্দ দৌল আৰু ৰজা দৌল বা ৰমাপতি দৌল পালন কৰা হয়।

মাঘ বিহুৰ সংক্ৰান্তিৰ পৰা প্ৰায় সাতদিনলৈ মাধৱ মন্দিৰ উৎসৱ মুখৰ হৈ উঠে। সেই কেইদিনত মন্দিৰত শ শ যাত্ৰীৰ ভিৰ হয়। মন্দিৰত চলে নাগাৰা নাম, বেনপাৰ্টি, ঢুলীয়া-খুলীয়াৰ বিৰাট সমাবেশ। এই উৎসৱতে মন্দিৰৰ ওপৰত যুৱতীয়ে যুৱকক মাল্যদান কৰি সংসাৰ গৃহত প্ৰৱেশ কৰাৰ প্ৰথা দেখা যায়।

মাধৱ মন্দিৰত শ্ৰীকৃষ্ণৰ জন্মাষ্টমী ব্ৰত বিশেষ উলাহ মালহেৰে পালন কৰা হয়। সেইদিনা শণখেৰৰ বাঁচিৰে গোটেই মন্দিৰটো বেৰি দিয়া হয় আৰু প্ৰৱেশ দ্বাৰত বাঁহ আৰু ধনু-কাঁড় আদি বিবিধ অস্ত্ৰ আঁৰ দিয়া হয়। কংসৰ হাতৰ পৰা শিশু কৃষ্ণক ৰক্ষা কৰাৰ এনে এটা নিয়ম প্ৰতি বছৰে মন্দিৰত পালন কৰা হয়।

মাধৱ মন্দিৰৰ আন এটা প্ৰধান উৎসৱ হ'ল— বুলবুলি চৰাইৰ যুঁজ। মাঘ মাহৰ প্ৰথম বিহুৰ দিনা এই যুঁজৰ আয়োজন কৰা হয়।

হয়গ্ৰীৱ মাধৱত প্ৰতিদিনে পূজা-পাতল হয়। পুৱা ভাগত জাগৰণ, শংখ-ধ্বনিৰে পূজাৰম্ভ হয়। প্ৰতিদিনে বিগ্ৰহক স্নান কৰাই হোম ঘৰত হোম কাৰ্য সমাপন কৰা হয়।

দুপৰীয়া ভোগ লগোৱা হয়। ভোগ লগাৰ সময়ত ডবা, কাঁহ, শংখ, ঘন্টাৰ ধ্বনি কৰা হয়। ভোগ নিৰামিষ। ৰাতি পিঠা ভোগ লগোৱা হয়। সন্ধিয়া চাকি-বন্তি জ্বলাই দেৱতাৰ নাহ আৰু আৰতি কৰা হয়। এই সময়তে বিগ্ৰহৰ মালা-কাপোৰৰ আদি সলনি কৰা হয়। তাৰ পিচত বিষ্ণু সহস্ৰ নাম, মাধৱ বৰ্ণন পাঠ আৰু পুৰী ভোগ আগবঢ়োৱা হয়। এই নিয়মেই পুৰাকালৰপৰা আজিলৈ মাধৱৰ পূজা-অৰ্চনা চলি আহিছে। মন্দিৰত ৰবদেউৰী বা ৰাজপূজাৰীয়ে ত্ৰিসন্ধ্যা পূজা কৰে, ভোগ বাহুনি ব্ৰাহ্মণে ভোগ ৰান্ধে আৰু বিতৰণ কৰে, আঠপৰীয়া ৰবপূজাৰীৰ সহায়কৰূপে কাম

কৰে আৰু আঠ পৰে বিগ্ৰহসমূহৰ চোৱা-চিতা কৰে। কোঠৰীয়াই ভোগৰৰ যাৱতীয় কাম কৰে, ভঁৰালীয়ে ভঁৰালৰ দায়িত্ব থাকে, বিষয়াসীয়ে প্ৰায়বোৰ গধূৰ দায়িত্ব পালন কৰে, উধানপটাসকলে প্ৰতিদিনে ভোগ বন্ধা চৌকাৰ উধান যোগান ধৰে, দুৱৰীয়ে দুৱাৰ-খোলা আৰু মন্দিৰৰ ভিতৰ ভাগ চাফ-চিকুন কৰে, ওজাই মন্দিৰত আৰু বিগ্ৰহ নগৰ ভ্ৰমণত ওলালে ওজাপালি গায়। ইয়াৰ বাহিৰেও খৰিকটীয়া, ছত্ৰধাৰী, চৌৰৰী, দুলীয়া, সৌকাধাৰী, মেনালহকৰ, গন্ধীয়া আদি কৰি সাতশ সেৱাইতে গোসাঁই সেৱা কৰে আৰু তেওঁলোকে টৌল হিচাপে বস বাস কৰিছে।

বৰ্তমান হাজোৰ সকলো মঠ-মন্দিৰ আদিৰ সেৱাৰ ভাৰ চৰকাৰে তেওঁলোকৰ হাতলৈ নিছে আৰু তাৰ বাবে পৰিচালনা কমিটি গঠন কৰিছে। এই কমিটিৰ সন্মানীয় ব্যক্তি আৰু দায়িত্বত থকা ব্যক্তিজন দলৈ। আগেয়ে হয়গ্ৰীৱ মাধৱৰ নামত ৫৪,৪৪১ বিঘা মাটি আছিল আৰু ১৬,০০০ টকাৰ সোণ-ৰূপ আছিল।

হয়গ্ৰীৱ মাধৱৰ ধ্যান আৰু স্তোত্ৰ ঃ

"কপূৰকুন্দধৱল ঃ সিত পদ্মোপবিষ্টিতিঃ।
চতুৰ্ভূজঃ কুণ্ডলাদিনানালঙ্কভূষিতঃ।।
বৰদাভয়হস্তশ্চ বামহস্তদ্বয়েনতু।
পুস্তকং সিতপদ্মঞ্চ ধত্তে হস্তদ্বয়েপৰে।।
শ্ৰীবৎসকৌস্তুভোৰস্কঃ কাঞ্চ গৰুড়াসনঃ।"
"ওঁ নমোহস্ত্বনন্তায় বিশুদ্ধচেতসে নমঃ স্বৰূপায়।
সহস্ৰবাহবে সহস্ৰৰশ্মি প্ৰৱৰায় বেধসে হয়াস্যৰূপায়।"
"হতাসুৰ হয়গ্ৰীৱ মুৰাৰে মধুসুদন।
মনিকূটং কৃতাবাস হতযোৰ নমোহস্তুতে।।"
স্পৰ্শ কৰি—
"ওঁ পাপোহং পাপ কৰ্মাহং পাপত্মা পাপ সম্ভবঃ।
ত্ৰাহিমাং পুণ্ডৰীকাক্ষ সৰ্বপাপ হৰো হৰিঃ।।"
মুখ দৰ্শন কৰি—
"ওঁ জন্ম কোটি সহস্ৰানি কল্পকোটি শতানিচ।
হয়স্য দৰ্শনাদেৱ ন যাস্যে তাৰ্ত্তৰি ক্ষয়ং।।"
আঠু কাঢ়ি—

"ওঁ নমোস্তু নন্তায় বিশুদ্ধ চেতসে স্বরূপ রূপায় সহস্র বাহবে।
সহস্ররশ্মি প্রবরায় বেধসে হয় স্বরূপায় নমোঃ নমস্তে।।"

হয়গ্রীব মাধবব শিলব ফলি :

দাতা : বঘুদেব নাবায়ণ।

শ্রীশ্রীমদ-বিশ্বসিংহঃ ক্ষিতিপতিব ভবত্তৎ-সুত খ্যাত-কীর্তিঃ
শ্রীমৎ শ্রীমল্লদেবো নৃপতিবতিমতিনির্জ্জিতাবাতি-জাতিঃ।

* * *

কেদাৰ মন্দিৰ

হয়গ্ৰীৱ-মাধৱৰ পূব-দক্ষিণ দিশত আৰু ইয়াৰপৰা প্ৰায় দুই কিলোমিটাৰ দূৰত্বত কেদাৰ মন্দিৰ অৱস্থিত। হাজো-শুৱালকুছি পথৰ পৰা এটি সৰু পথ গণেশ মন্দিৰ আৰু কামেশ্বৰ মন্দিৰৰ মাজেৰে পূব দিশলৈ গৈছে। এইটোৱে কেদাৰলৈ যোৱা প্ৰধান পথ। এই পথৰ চৌপাশে হাজোৰ দেৱালয়সমূহ অৱস্থিত। বৰ্তমান এই পথ পকীকৰণ হৈছে যদিও, গোটেই পথছোৱা উন্নয়ন আৰু আহল-বহল কৰা দৰকাৰ।

কেদাৰ মন্দিৰ মদনাচল পাহাৰত অৱস্থিত। এই মন্দিৰ পাহাৰৰ একেবাৰে শিখৰত। শম্ভুৱে ইয়াত কেদাৰ নামেৰে অৱস্থান কৰিছে। এই স্থানত প্ৰাকৃতিক দৃশ্য অতি মনোৰম। সঁচাকৈয়ে ইয়াক দিব্য ভূমি যেন লাগে।

কেদাৰ মন্দিৰ সম্পৰ্কত কিংবদন্তিয়ে কয় যে— এঘৰ ব্ৰাহ্মণৰ এজনী খীৰতী গাই আছিল। গাইজনীয়ে কোনো দিন ঘৰত গাখীৰ নিদিয়ে। এদিন গৃহস্থই গাইজনীৰ পাছে পাছে গৈ দেখিলে যে বাঘ-বৰাহে ভৰা, অটব্য হাবিৰ মাজত এডোখৰ চোতালৰ দৰে আহল-বহল ঠাই দেখিলে। তাতে এঠাইত গাইজনী থিয় হ'ল আৰু আপোনা-আপুনি গাখীৰ পৰিবলৈ ধৰিলে। ব্ৰাহ্মণে দেখে য'ত গাখীৰ পৰিছে, সেইটো শিৱ লিংগ। হৰ-পাৰ্বতীযুক্ত। সেই দিনাৰে পৰা ব্ৰাহ্মণে তাত সেৱা পূজা আৰম্ভ কৰিলে।

কেদাৰ এখন প্ৰাচীন শিৱ পীঠ। কেদাৰ মন্দিৰ নিৰ্মাণকাল সম্পৰ্কে নানা কথা শুনা যায়। কোনো-কোনোৱে ইয়াত নিৰ্মাণকাল ৬৫০ খ্ৰীষ্টাব্দৰ পৰা ৯৯০ খ্ৰীষ্টাব্দ বুলি আৰু কোনো-কোনোৱে ১১৩৮ খ্ৰীষ্টাব্দ বুলি অনুমান কৰিছে। এই সময়ছোৱাত শালস্তম্ভ বংশী আৰু পালবংশী ৰজাসকলে ৰাজত্ব কৰিছিল। তেওঁলোক আছিল শৈৱধৰ্মী আৰু তেওঁলোকৰ উপাস্য দেৱতা শিৱ। তেতিয়াৰ কামৰূপৰ অনেক শিৱপীঠ নিৰ্মাণ হোৱাৰ প্ৰমাণ পোৱা যায়। যাইহকে পালবংশী

ৰজা বস্ত্ৰ পালকে শিৱ মন্দিৰৰ নিৰ্মাণকৰ্তা বুলি কোৱা হয়। কুমাৰ ভাস্কৰ বৰ্মা শিৱ আৰাধক থকাৰ প্ৰমাণ পোৱা যায়। কালিকা পুৰাণত পোন্ধৰখন শিৱ পীঠৰ উল্লেখ আছে। তিব্বতী বৌদ্ধসকলে হয়গ্ৰীৱ মাধৱৰ দৰে কেদাৰ মন্দিৰকো বৌদ্ধ-চৈত্য আখ্যা দিব খোজে আৰু তেওঁলোকে কেদাৰ মন্দিৰো দৰ্শন কৰে। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰই কেদাৰ মন্দিৰৰ প্ৰাচীনতাৰ সাক্ষী দিছে। কিন্তু কালৰ সোঁতত ইয়াৰ প্ৰাচীন মঠ-মন্দিৰ নিঃচিহ্ন হোৱাৰ পিচত এই মন্দিৰ নিৰ্মাণ কৰি উলিওৱা হয় বুলি জনা যায়। ১৭৫১ খ্ৰীষ্টাব্দৰপৰা ১৭৬৯ খ্ৰীষ্টাব্দৰ ভিতৰত ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালত কেদাৰ মন্দিৰ পুনৰ নিৰ্মাণ কৰা হয় বুলি জনা যায়। তাৰ পিচত, আন আন ৰজাই মন্দিৰটোৰ পৃষ্ঠপোষকতা কৰিছে। ১৭৮৩ খ্ৰীষ্টাব্দত গৌৰীনাথ সিংহই মন্দিৰৰ নামত বহুতো ৰূপৰ চৌৱাৰ আৰু মাটিবাৰী দান কৰিছিল। অনেকে কেদাৰ মন্দিৰৰ নিৰ্মাণকাল হয়গ্ৰীৱ মাধৱ মন্দিৰৰ পিচত বুলি ক'ব খোজে। কিন্তু আমি এই কথা ক'ব খোজো যে কেদাৰ মন্দিৰৰ মঠৰ শিল মোটা আৰু মিহি নহয়। হয়গ্ৰীৱ মাধৱ মন্দিৰৰ মঠৰ সকলো কাৰুকাৰ্য সুনিপুণ আৰু চালে চকুৰোৱা। সেই ফালৰপৰা চালে, কেদাৰ মন্দিৰৰ গাঁঠনি পুৰণি হ'ব পাৰে বুলি আমাৰ অনুমান। অনেকে কেদাৰক কামাখ্যা যুগৰ মন্দিৰ বুলিও কয়। পাৰ্বতীৰ অৱশিষ্ট অংশ হাজোৰ এই কেদাৰ স্থানত পৰা বুলি ক'ব খোজে। বোধকৰো, সেই কাৰণেই মানুহৰ বিশ্বাস যেন যেনেকৈ মক্কাৰ পুণ্য হাজোৰ পোৱা মক্কাই দিব পাৰে, তেনেকৈ কেদাৰনাথৰ পুণ্য হাজোৰ কেদাৰ মন্দিৰ দৰ্শনে দিব পাৰে।

কেদাৰৰ মূল বিগ্ৰহটো এটা শিৱ লিংগ। ই শিলৰ। লিংগটো স্বয়ম্ভু আৰু অব্যয় বুলি কোৱা হয়। লিংগটোত শিৱ আৰু পাৰ্বতীক দেখা যায়। অৰ্দ্ধনাৰীশ্বৰ শিৱ। শিৱৰ বাঁও কোলাত পাৰ্বতী। শিৱৰ তিনিটা চকু। পাছফালে জঁট। জঁটৰ মাজত গংগা। সৰ্প, ডম্বৰু, শংখ-ঘন্টাই শিৱক সুশোভিত কৰিছে। বিগ্ৰহটোত পুৰুষ আৰু প্ৰকৃতিৰ একেলগে অৱস্থান কাৰণে, তেওঁলোকক এটা টোপৰ সহায়েৰে ঢাকি ৰখা হয়। বিগ্ৰহটোৰ চাৰিওফালে থকা শিলৰ গোলাকাৰ বেষ্টনীটোক গৌৰীপীঠ কয়। লিংগটোৰ কাষত থকা আন এখন বেদীত চলন্ত শিৱৰ বিগ্ৰহ আছে। চলন্ত শিৱই বৃষভৰ পিঠিত অৱস্থান কৰিছে। তেওঁৰ পঞ্চমুখ আৰু দশভুজ। এইজনা

শিৱই উৎসৱাদিত বাহিৰলৈ যায়।

কেদাৰৰ মূল মঠটো চালে চকু যায়। মঠটো উত্তৰ ভাৰতৰ শিখৰ শৈলীৰ লগত তুলনা কৰা হৈছে। মঠটো আমলক আৰু চক্ৰ শোভিত। চক্ৰৰ ওপৰভাগত ত্ৰিশূল আছে। হয়গ্ৰীৱ মাধৱ মঠৰ বাহিৰত দেৱ-দেৱীৰ মূৰ্তি আছে, কেদাৰৰ মঠৰ বাহিৰ অংশত মূৰ্তি নাই। দক্ষিণ দিশত এটা গণেশৰ মূৰ্তি আছে।

কেদাৰ মন্দিৰৰ পূৱত বৰ শালগছ, কমলেশ্বৰ আৰু কেদাৰ পুখুৰী, দক্ষিণত শ্ৰীশ্ৰীজয় দুৰ্গা দেৱালয়, পশ্চিমত গোকৰ্ণ, বিকৰ্ণ, ভীমৰ চৰিয়া, নেতাই ধুবুনী আদি অৱস্থিত। মন্দিৰত প্ৰৱেশ কৰাৰ আগতে ইয়াৰ কেদাৰ পুখুৰীত হাতমুখ পোখালিব লাগে। পুখুৰীটো তলিখন শিল পোতা। কেৱল পূব-দক্ষিণ আৰু উত্তৰ পূব কোণত হাতীৰ শুঁৰৰ দৰে দুটা গাত আছে আৰু সেই গাতেৰে পুখুৰী পানীৰে ভৰি থাকে। শুনা যায় যে মদনে শিৱৰ শাপত ভস্ম হৈ পুনৰ জীৱন পোৱাৰ পিচত তেওঁ হেনো সদায় ইয়াত স্নান কৰিছিল আৰু নৃত্য-গীতেৰে শিৱ পাৰ্বতীক অৰ্চনা কৰিছিল। তেওঁৰ নামে এই পাহাৰৰ নাম মদনাচল পাহাৰ আৰু পুখুৰীৰ নাম মদন পুষ্কৰ বুলি জনাজাত।

প্ৰধানকৈ পশ্চিমৰ শিলৰ খট-খটিখনেৰে যাত্ৰীয়ে উঠা-নমা কৰে। খট-খটিৰ প্ৰায়বোৰ শিলতে কিছুমান চিহ্ন দেখা যায়। ইয়াৰ এটা শিলৰ গদা আঁকা আছে। ইয়াক ভীমৰ গদা বোলে। ওচৰতে আন এটা শিলৰ পঞ্চ-পাণ্ডৱৰ খোজৰ চিহ্ন আছে। মানুহে ইয়াত শুকান গছৰ পাত দি সেৱা কৰে।

কেদাৰত নিয়মিত পূজা-অৰ্চনা হয়। পুৱাই স্নান, স্নানৰ পিছত পূজা, পূজাৰ পিছত আমিষ ভোগ, সন্ধিয়া আৰতি, আৰতিৰ সময়ত শিৱৰ উদ্দেশ্যে ভাং, পুৰি, পিঠা বা পায়স আদি আগবঢ়োৱা হয়।

যোগিনীতন্ত্ৰ মতে, অতীতৰ কেদাৰত নৃত্য-গীতৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। নটী নাচ বা দেৱদাসী নৃত্যৰ কেদাৰ মন্দিৰ অন্যতম কেন্দ্ৰ আছিল বুলি জনা যায়। পিচলৈ এই নৃত্য হয়গ্ৰীৱ মাধৱ মন্দিৰতো প্ৰচলন কৰা হয়। এই নৃত্য পৰিবেশন কৰোতে, নৃত্যৰ লগত মৃদংগ আৰু তাল বজোৱা হৈছিল। কিন্তু নৃত্যৰ লগত সংগীত পৰিবেশন কৰা হোৱা নাছিল। নৃত্য পৰিবেশন কৰিবলৈ দেৱদাসীসকলক অকুমাৰী অৱস্থাতে দেৱতাৰ মন্দিৰত উচৰ্গা কৰা হৈছিল। কেদাৰ

পূজাৰ আন এবিধ সামগ্ৰী হ'ল খাহী ছাগলী। এই খাহি ছাগলী ডিঙি মোচৰি বধ কৰি পূজাত লগোৱা হয়। মাছ আৰু মাটিমাহৰ দাইলো ভোগত লগোৱা হয়। ভোগ বান্ধোতে মাছ, মঙহ আদি ভাজি লোৱা হয়, মাহৰ দাইলত উতল ধৰিলে— এই মাছ বা মাংস পেলাই দিয়া হয়। হয়গ্ৰীৱ মাধৱৰ প্ৰিয় তুলসীপাত, কেদাৰৰ প্ৰিয় বেলপাত। মন্দিৰৰ সেৱা-পূজাৰ বাবে পূজাৰী, আঠপৰীয়া, কোঠৰীয়াসকল আছে।

কেদাৰৰ প্ৰিয় অনুষ্ঠান শিৱৰাত্ৰি মেলা। মাঘী পূৰ্ণিমাৰ পিছৰটো কৃষ্ণা চতুৰ্দশী তিথিত এই উৎসৱ পালন কৰা হয়। সেইদিনা নিশা কেদাৰত শ শ ভক্ত সমাৱেশ হয়।

গাখীৰ, বেলপাত আৰু ডাঙৰ উপচাৰেৰে শিৱক পূজা কৰা হয়। একেদিনাই কামেশ্বৰ মন্দিৰতো এই অনুষ্ঠান পালন কৰা হয়। ইয়াৰ বাহিৰেও কেদাৰ আৰু কামেশ্বৰত চ'ত মাহৰ কৃষ্ণা ত্ৰয়োদশীত পালন কৰা হয় মনদ চৈত্ৰালি উৎসৱ। আৰু মদনভঞ্জী। মদনভঞ্জীৰ দিনা আবেলি মাধৱ, কেদাৰ, কামেশ্বৰৰ চলন্ত বিগ্ৰহক শোভাযাত্ৰা কৰি হাজোৰ উত্তৰত থকা লখাইতাৰা নদীৰ পাৰলৈ নিয়া হয়। কেদাৰত দুৰ্গা পূজাও পতা হয়। মন্দিৰৰ জগমোহন, ঝুলনি ঘৰ, ভোগঘৰ, টোপ ঘৰ, চৰা ঘৰ আদি সকলোবোৰৰে মেৰামতিৰ আৱশ্যক হৈছে। মন্দিৰ চৌহদ তথা মন্দিৰ প্ৰাচীন সম্পদৰাজিৰ কোনো সংৰক্ষণৰ ব্যৱস্থা নোহোৱাটো আমি গৰিতাপৰ বিষয় বুলি ভাবিছো। দূৰণিৰটীয়া যাত্ৰীৰ কাৰণে যাত্ৰী আবাস গৃহ, পূজাৰী, বোলাগী গৃহ, তথা মন্দিৰত আজিও বিশুদ্ধ খোৱা পানীৰ যোগান নোহোৱাটোও দুখজনক কথা বুলি আমি ভাবোঁ।

হিন্দু সমাজৰ বিশ্বাস যে কেদাৰক পূজিলে শিৱালোক পোৱা যায়।

কেদাৰৰ ধ্যান আৰু প্ৰণাম মন্ত্ৰ ঃ

"শিবং শুক্লবৰ্ণং শ্বেতবৃষভাৰূঢ়ং পদ্মাসনাস্থম।।
শ্বেতনাগযজ্ঞোপবীতিনং বৰদাভয়হস্তম।।"
"নমশ্চন্দ্ৰাৰ্দ্ধচূড়ায় নমঃ খট্টাঙ্গধাৰিণে।
নমোঽস্তু শূলহস্তায় কেদাৰায় নমো নমঃ।।"

"ধ্যায়েন্নিত্যং মহেশং রজতগিরিনিবং চারুচন্দ্রাবতংসং রত্নকল্পোজ্জ্বলাঙ্গং পরশুমৃগবরা ভীতিহস্তং প্রসন্নং। পদ্মাসীনং সমন্তাৎ স্তুতমমরগণৈর্ব্যাঘ্রকৃত্তিং বসানাং বিশ্বাদ্যং বিশ্ববীজং নিখিলভয়হরং পঞ্চবক্তং ত্রিনেত্রম্।"

কেদারর শিলর ফলি ঃ

দাতা ঃ রাজেশ্বর সিংহ ১৬৮০ শক

১৭৫৮ খ্রীষ্টাব্দ

স্বস্তি সমস্ত-সুরাসুর শিরোমণিয়ণি শ্রীশ্রীহরি হরগৌরী চরণ নথ চন্দ্রচকোর বাসর বংশ সরোরুহ মণিকর কামরূপ সৌমারেশ্বর ধর্ম ধার্মিক পালন পরায়ণ শ্রীশ্রীরাজেশ্বর সিংহ......

।। ১৬৮০।।

* * *

কমলেশ্বৰ

কেদাৰৰ মন্দিৰৰ পৰা প্ৰায় এশ ফুট দূৰত্বৰ পূবত আৰু কেদাৰ পুখুৰীৰ উত্তৰপাৰত কমলেশ্বৰ অৱস্থিত। তীৰ্থক্ষেত্ৰ হাজোৰ পঞ্চতীৰ্থৰ ভিতৰত কমলেশ্বৰ মন্দিৰো এখন। পঞ্চতীৰ্থৰ এই মন্দিৰ মানুহৰ একেবাৰে চকুত নপৰা বিধৰ হৈ আছে। দেৱালয়খন ইমান অৱহেলিত যে সৰহভাগ মানুহে এই তীৰ্থ ক'ত নেজানে। যোগিনীতন্ত্ৰ আৰু কালিকা পুৰাণে এই তীৰ্থৰ পৰিচয় দাঙি ধৰিছে। ই মদনাচল পাহাৰতে অৱস্থিত। য'ত কমলেশ্বৰ মন্দিৰ আছে, ঠাইখণ্ড সমতল। পূবত ওখ পৰ্বতমালা। উত্তৰফালে পাহাৰৰ থিয় গড়া।

কমলেশ্বৰো কেদাৰ যুগৰ বুলি জনা যায়। ইয়াৰ কোনো মঠ নাই, এটা সাধাৰণ সৰু ঘৰত এই মন্দিৰ অৱস্থিত। কেদাৰ, কামেশ্বৰ, কমলেশ্বৰ, বংশেৰৰ ভৃঙ্গেশ্বৰ আদিকে ধৰি হাজো ৰাজহ চক্ৰৰ প্ৰায়বোৰ শিৱ মন্দিৰৰ প্ৰতিষ্ঠা কাল ৬৫০ খ্ৰীষ্টাব্দৰপৰা ১১৩৮ খ্ৰীষ্টাব্দৰ ভিতৰত বুলি অনুমান কৰা যায়। হয়গ্ৰীৱ মাধৱ, কেদাৰ মন্দিৰ, গণেশ মন্দিৰৰ দৰে নিশ্চয় কমলেশ্বৰো মঠ আছিল আৰু সেই সময়ত কমলেশ্বৰৰ এখন ঐতিহ্যপূৰ্ণ দেৱালয় আছিল। কমলেশ্বৰৰ পুৰণি চলন্ত বিগ্ৰহ থকাৰো প্ৰমাণ পোৱা যায়। কমলেশ্বৰৰ অৱস্থান সম্পৰ্কত যোগিনীতন্ত্ৰই কয় যে কমলেশ্বৰ কেদাৰ মন্দিৰৰ উত্তৰত তিনিবাৰ ধনুকাঁড় এৰা দূৰত্বত আছিল আৰু ই পৌষ্পক নামৰ এখন নগৰত আছিল। কিন্তু বৰ্তমান সেই নগৰৰ চিন নাই আৰু উত্তৰ দিশত কোনো মঠ মন্দিৰৰো ভগ্নাৱশেষ চকুত নপৰে। কেৱল কেদাৰৰ উত্তৰে অলপ দূৰত এটা গণেশৰ মূৰ্তি দেখা গৈছে। এই গণেশ মূৰ্তি শিলৰ। এইটো স্পষ্ট যে, কমলেশ্বৰ মন্দিৰ তথা পৌষ্পক নগৰ ভূমিকম্পই ধ্বংস কৰিছে। তন্ত্ৰখনে উল্লেখ কৰা— কালভৈৰৱ তীৰ্থ, বৃষভাকৃতি কৃষ্ণ, গৌৰ শূলী মহাদেৱ, কপৰ্দীশ্বৰ লিংগ, কপিলেশ্বৰ শিৱ, পিশাচমোচন তীৰ্থ, বানেশ্বৰ লিংগ, গৰুড়াখ্য মহালিংগ আদি তীৰ্থও বৰ্তমান ইয়াত নাই।

পুৰণি কামৰূপৰ ধ্বংসপ্ৰাপ্ত প্ৰায়বোৰ মঠ-মন্দিৰৰ শিৱ সিংহ ৰজা আৰু তেওঁৰ পিচত ৰজাসকলে নিৰ্মাণ কৰি উলিয়ায়। শিৱ সিংহৰ পিচত, প্ৰমত্ত সিংহ,

লক্ষ্মী সিংহ, ৰাজেশ্বৰ সিংহ প্ৰমুখ্যে অনেকে এই মঠ-মন্দিৰৰ পৃষ্ঠপোষকতা কৰিছিল আৰু ৰক্ষণাবেক্ষণ দিছিল। এই সময়ছোৱাত হ'ব ১৭১৪ খ্ৰীষ্টাব্দৰপৰা ১৭৭৪ খ্ৰীষ্টাব্দ। এই সময়ছোৱাতে কমলেশ্বৰ বৰ্তমান গৃহ আৰু শিৱবেদীৰ থাপনা হ'ব পাৰে। এই দেৱালয় গৃহ আৰু বেদী শিৱ সিংহ ৰজাৰ দিনত বুলিহে বহুতে অনুমান কৰে।

কমলেশ্বৰ এটা শিৱ পীঠ। এই শিৱ পীঠটো প্ৰায় এক ফুটমান ওখ হ'ব। ইয়াক বহুতে স্বয়ম্ভু বুলিও কয়। ইয়াত নিয়মিত পূজাপাতল চলে। কেদাৰৰ পূজাৰীয়ে ইয়াৰ স্নান আৰু পূজা-অৰ্চনা শেষ কৰে। ইয়াত ভোগ-ভাত নচলে। কেদাৰত কমলেশ্বৰ নামত এভাগ ভোগ আগবঢ়োৱা হয়। ই আমিষ ভোগ। অনুষ্ঠানৰ ভিতৰত শিৱৰাত্ৰি পালন কৰা হয়। সেইদিনা শিৱৰ উদ্দেশ্যে গাখীৰ আৰু বেলপাত প্ৰদান কৰা হয়। এই আঠপবীয়াই মন্দিৰৰ তদাৰক কৰে। কমলেশ্বৰক পূজিলে পাপ গ্ৰহৰপৰা মুক্ত আৰু সংসাৰত ৰোগ তাপৰ পৰা পৰিত্ৰাণ পাব পৰা যায় বুলি বিশ্বাস।

কমলেশ্বৰৰ প্ৰণাম মন্ত্ৰ ঃ

"সংসাৰ সাগৰে মগ্নং পাপগ্ৰস্তম চেতনম্।
ত্ৰাহি মাং ভগনেত্ৰঘ্ন ত্ৰিপুৰাৰে নমোহস্তুতে।।
নমঃ শিৱায় শান্তায় সৰ্ব পাপ হৰায় চ।
ত্ৰিপুৰাৰে নমোহস্তু কমলেশ নমোহস্তুতে।।"

হাজোৰ অন্যান্য তীৰ্থৰ দৰে কমলেশ্বৰকো ভূটীয়াসকলে আন্তৰিকতাৰে পূজা কৰে। তাৰ তলত থকা গণেশ মূৰ্তিটোক তেওঁলোকে দৰ্শন কৰে আৰু তাত মম, ঘিঁউৰ চাকি, তেলৰ চাকি দান কৰে। কোনো কোনো ভূটীয়াই ইয়াত এনেকৈ তেওঁলোকৰ উপাস্য দেৱতাক আৰাধনা কৰে যে, হাতৰ এটা আঙুলিত কাপোৰ মেৰিয়াই, কাপোৰখনত ঘিঁউ বা তেল লগাই তাত জুই জ্বলাই— ঈশ্বৰক তেওঁলোকৰ নিবেদন জনায়।

আজি এই কমলেশ্বৰ মন্দিৰো কালৰ বুকুত ধ্বংসপ্ৰাপ্ত হোৱাৰ উপক্ৰম হৈছে। তাক যেন চাওঁতা নাই। পৃথিৱীৰ বুকুৰপৰা পুৰণি ঐতিহ্যসমূহ কেনেকৈ লোপ পোৱাৰ পথত, তাৰ সাক্ষী দিব আজিৰ কমলেশ্বৰ দেৱালয়ে।

* * *

কামেশ্বৰ মন্দিৰ

কামেশ্বৰ মন্দিৰ পঞ্চতীৰ্থৰ অন্যতম। হাজো-গুৱাকুছি পথৰ দাঁতিত, কামেশ্বৰ পাহাৰত এই দেবালয় স্থাপিত। এসময়ত এই পীঠ মদন-কামদেৱৰ উপাসনা কেন্দ্ৰ থকা বুলি অনুমান কৰাৰ অৱকাশ আছে। কাৰণ, যোগিনীতন্ত্ৰ আৰু কালিকাপুৰাণে ইয়াত কামপীঠ থকাৰ কথা উল্লেখ কৰিছে। কোনো কোনোৱে আকৌ পাৰ্বতী আৰু কাৰ্তিকৰ এটা কাহিনীৰ দ্বাৰাও এই দেৱালয়ৰ অতীত ইতিহাসৰ লগত জড়িত কৰিব বিচাৰিছে। এটা সময়ত এই কামপীঠ ধ্বংসপ্ৰাপ্ত হোৱাত, উক্ত স্থানত ওঠৰশ শতিকাৰ মাজভাগত প্ৰমত্ত সিংহ ৰজাই পুনৰ নতুনকৈ মন্দিৰ সজোৱা বুলি জনা যায়। নতুনকৈ মন্দিৰ প্ৰতিষ্ঠা কালতে, ইয়াত শিৱলিংগ থাপনা কৰা বুলি কোনো-কোনোৱে অনুমান কৰে। কিন্তু ১৮৯৭ চনত এক ভূমিকম্পই পুনৰ এই মন্দিৰৰ ক্ষতিসাধন কৰে। এই শতিকাৰ তৃতীয় দশকমানত পুনৰ এই মন্দিৰ নিৰ্মাণ কৰা হৈছে।

ইয়াত শিৱ লিংগ আৰু পঞ্চানন দশভূজা মূৰ্তি আছে। বিশেষ পৰ্বত ৰঙা কাপোৰ আৰু ফুল-মালাৰে সজাই দশভূজা মূৰ্তিক চলন্তৰূপত নগৰ ভ্ৰমণলৈ নিয়া হয়। মদন ত্ৰয়োদশী আৰু শিৱৰাত্ৰি ইয়াৰ প্ৰধান উৎসৱ। ইয়াত আমিষ ভোগ লগোৱা হয়। খাহি ছাগলীৰ মাংস ভোগত লগোৱা হয়। বৰ্তমান এই দেৱালয় স্থানৰ কোনো সংৰক্ষণ নোহোৱাত্তু ইয়াত বহুতো প্ৰাচীন সম্পদ-চিহ্ন নাশ হোৱা পৰিলক্ষিত হৈছে।

কামেশ্বৰ প্ৰণাম মন্ত্ৰ ঃ

"শিৱং শুক্লবৰ্ণং শ্বেত বৃষভাৰূঢ়ং পদ্মাসনাস্থম।।
শ্বেত নাগ যজ্ঞোপবীতিনং বৰদাভয়হস্তম।।"

***

গণেশ মন্দিৰ

গণেশ মন্দিৰ, পঞ্চতীৰ্থৰ আন এখন প্ৰধান দেৱালয়। এই দেৱালয় হাজো-গুৱালকুছি পথৰ গাত লগা। এই তীৰ্থৰ কাষেৰে কেদাৰ মন্দিৰ আৰু কামেশ্বৰ মন্দিৰলৈ যাব লাগে। বাগৰি থকা এটা প্ৰকাণ্ড শিলত গণেশৰ মূৰ্ত্তি খোদিত কৰা হৈছে। এইটো এটা বৃহৎ গণেশ মূৰ্ত্তি। এই গণেশ কলং নৈৰ পাৰৰ বহা বজাৰৰ গণেশৰ মূৰ্ত্তিৰ নিচিনাই বুলিব পাৰি। শিলটোৰ দীঘলে প্ৰায় ত্ৰিশ ফুট, ওখই পোন্ধৰ ফুট আৰু বহলে প্ৰায় ওঠৰ ফুট বুলিব পাৰি। শিলটোলৈ চালে ধৰা পৰে যে শিলটো শুই থকা এটা হাতীৰ ছবি। উত্তৰ ফালে হাতীটোৰ শুৰডাল। এই শুৰডালতে খোদিত কৰা হৈছে— গণেশ বিগ্ৰহ। বহু গণেশ মূৰ্ত্তি আছে যদিও হাজোৰ গণেশৰ ৰূপ সঁচাকৈ বিমোহন, শিল্পীৰ কলা নিপুণতাৰ এক কীৰ্ত্তিস্তম্ভ বুলিব পাৰি।

গণেশ মন্দিৰক 'দেৱভৱন' আখ্যা দিয়া হয়। বেউলাই কেকোৰা সাগৰেৰে (আগেয়ে ব্ৰহ্মপুত্ৰ হাজোৰ কাষেৰে আছিল বুলি জনা যায়) ভেলত লখীন্দৰক লৈ দেৱভূমি হাজোত উপস্থিত হৈছিল। ইয়াতেই নেতাই ধুবুনীৰ সহায়ত বেউলাৰ মৃত লখীন্দৰক মহাদেৱৰ সহায়ত জীৱন লাভ কৰিবলৈ সক্ষম হয়। গণেশ মন্দিৰৰ চ'ৰাঘৰতে দেৱতাসকলে মিলিত হোৱা বুলি কোৱা হয় আৰু ইয়াতে হেনো লখীন্দাৰে জীৱন দান পায়। লখীন্দাৰৰ জীৱ দানৰ সময়ত হয়গ্ৰীৱ মাধৱ, কেদাৰ আৰু কামেশ্বৰ (ব্ৰহ্মাৰূপে) যি আসনত বহি— এই বিচাৰ কৰিছিল— সেই আসন বৰ্ত্তমান। এই কাৰণতে গণেশক দেৱ-ভৱন বোলা হয়। তেতিয়াৰে পৰা মাঘী সংক্ৰান্তিত (আগেয়ে প্ৰতিটো সংক্ৰান্তি বা যাত্ৰাত) হয়গ্ৰীৱ মাধৱ, কেদাৰ আৰু কামেশ্বৰ চলন্ত বিগ্ৰহৰ শোভাযাত্ৰা কৰি দেৱ ভৱনত কওৱা হয়।

উক্ত কাহিনীৰ লগত জড়িত কেকোৰা সাগৰৰ স্মৃতি, গোধাই বৰুণী বোৱা ঠাই, নেতাই ধুবুনীৰ প্ৰতিমূৰ্ত্তি আৰু কাপোৰ ধোৱা শিলৰ চিহ্ন, লখীন্দাৰৰ

তেল লগা চিহ্ন, কালনাগ খোৱা শিলৰ চিহ্ন, কুৰ্মৰ, বেউলাই সাপৰ জপা খোৱা চিহ্ন— আজিও বিদ্যমান। সংৰক্ষণৰ অভাৱত, এইবোৰ বৰ্তমান ধ্বংসপ্ৰায়। ইয়াৰ স্মৃতি জীয়াই ৰাখিব বিচাৰিলে, এইবোৰ স্থানত একোটা গৃহ আৰু চৌহদত বেৰ দিয়াৰ উপৰিও ৰাস্তা-ঘাটৰ ব্যৱস্থা কৰা প্ৰয়োজন। তদুপৰি, ইয়াৰ ওচৰতে থকা গোকৰ্ণ, বিকৰ্ণ আৰু ভীমৰ চৰিয়াৰ সংৰক্ষণ আৰু উন্নয়নৰ প্ৰয়োজন। গণেশ মন্দিৰৰ পৰা অলপ দূৰ কেদাৰ মন্দিৰ পথৰে আগবাঢ়ি গ'লে— ভীমৰ চৰিয়া দেখা যায়। ই শিলৰ এটা প্ৰকাণ্ড পাত্ৰ। জনশ্ৰুতি মতে, শিৱৰ গৃহত থাকোতে ভীমে এই পাত্ৰত পইতা ভাত খাইছিল। কিছুমানে ইয়াক শিৱৰ ভাং খুন্দা পাত্ৰ বুলি কয়। ইয়াৰ অলপ আঁতৰত আছে শুই থকা এটা শিলৰ বৃষভ। এওঁ গোকৰ্ণ। এওঁক বৌদ্ধসকলে পূজে। গোকৰ্ণৰ ওচৰত বিকৰ্ণ আছে। এচটা শিলত এটা চতুৰ্ভুজ বিষ্ণু মূৰ্তি আছে। এওঁ বিকৰ্ণ বুলি জনা যায়। বৌদ্ধসকলে এই মূৰ্তিক পূজা কৰে। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰত এই গোকৰ্ণ, বিকৰ্ণৰ উল্লেখ আছে।

হয়গ্ৰীৱ মাধৱ, কেদাৰ মন্দিৰৰ নিচিনা এই দেৱালয়ৰ মঠত বিশেষ কাৰুকাৰ্য নাই। ইয়াৰ মঠৰ নিৰ্মাণকাৰ্য পুৰণি নহয়। সোতৰ শ চৌৱাল্লিশ খৃষ্টাব্দত ৰজা প্ৰমত্ত সিংহই এই মন্দিৰ সজোৱা বুলি মন্দিৰৰ এক শিলালিপিৰ পৰা জনা যায়। গণেশ মন্দিৰত অতীজৰ কেদাৰ বা হয়গ্ৰীৱ মাধৱৰ দৰে মঠ থকা যেন অনুমান হয়। কাৰণ, ইয়াৰ ওচৰতে অসংখ্য মিহি শিলাখণ্ড বাগৰি আছিল, যাক বৰ্তমান মানুহৰ ঘৰে ঘৰে ব্যৱহাৰ কৰা হৈছে। কোনোকালৰ ভূমিকম্পই এই মঠৰ ক্ষতিসাধন কৰিছিল বুলি অনুমান কৰিব পাৰি।

মন্দিৰত জগমোহন গৃহ, চৰাঘৰ, ভোগঘৰ আছে, কিন্তু সংৰক্ষণৰ আৰু উন্নয়নৰ অভাৱত এই সকলোবোৰ বৰ্তমান ধ্বংসপ্ৰায়।

একাদশী আৰু সংক্ৰান্তিৰ গণেশ মন্দিৰত যাত্ৰা মহোৎসৱ অনুষ্ঠিত হয়। মন্দিৰৰ ভোগ নিৰামিষ। গণেশৰ চলন্ত বিগ্ৰহ নাই।

পাণ্ডৱসকলে যেতিয়া ৰাজসূয় যজ্ঞ কৰে আৰু তেওঁলোকে যজ্ঞৰ ঘোঁৰা বিচাৰি মণিপুৰ পৰ্যন্ত পৰিভ্ৰমণ কৰে— এই পৰিভ্ৰমণৰ কালতে তেওঁলোকে দুৰ্গম ঠাইবিলাক বিঘ্ননাশক গণেশৰ মূৰ্তি অংকিত কৰা বুলি বহুতে ক'ব খোজে।

তেওঁলোকে কয় যে আহ্নটুবিৰ গণেশ মন্দিৰ, হাজোত থকা অন্যান্য গণেশ, অভয়পুৰৰ শিলাদাৰ পাহাৰত থকা গণেশ সেই সময়ৰে নিৰ্মাণ। কোনো কোনোৱে ক'ব খোজে যে এই গণেশৰ মূৰ্তিসমূহ বাণ ৰজাই অংকিত কৰা। সি যি কি নহওঁক, হাজো ৰাজহ চক্ৰত থকা শিলালিপি, শিলত অংকিত দেৱ দেবীৰ মূৰ্তিসমূহে এই কথাৰ প্ৰমাণ দিব যে, এই অঞ্চল এসময়ত কোনো এক সভ্যতাৰ বাস-ভূমি আছিল।

গণেশৰ ধ্যান ঃ

ওঁ খৰ্বং স্থূলতনুং গজেন্দ্ৰবদনং লম্বোদৰং সুন্দৰং
প্ৰস্যন্দন মগদন্ধলুব্ধমধুপব্যালোল গণ্ডস্থলম্।
তন্তাঘাত বিদাৰিতাৰিৰুধিৰৈঃ সিন্দুৰশোভাকৰং
বন্দেশৈলসুতাসুতং গণপতিং সিদ্ধিপ্ৰদং কৰ্মসু (কামদম্)।।

* * *

পঞ্চতীৰ্থৰ দৰ্শন পদ্ধতি

এই পঞ্চতীৰ্থৰ দৰ্শন পদ্ধতি সম্পৰ্কেও কোৱা হৈছে। কালিকাপুৰাণ, যোগিনীতন্ত্ৰ আৰু বৈষ্ণৱ কবি ৰামচন্দ্ৰ বৰপাত্ৰই পঞ্চতীৰ্থক দৰ্শন সম্পৰ্কত ব্যাখ্যা দিছে। কালিকা পুৰাণ মতে, প্ৰথমে অপুৰ্ণভৱ স্নান, তাৰ পিছত কেদাৰ আৰু কমলেশ্বৰক দৰ্শন কৰি মাধৱ স্থানলৈ যাব লাগে। তাৰ পিছত কামদেৱৰ দৰ্শন কৰি পুনৰ অপুৰ্ণভৱ স্থানত উপস্থিত হ'ব লাগে। যোগিনীতন্ত্ৰ মতে, অপুৰ্ণভৱত স্নান কৰি, ত্ৰিলোচন, গোকৰ্ণ, বিকৰ্ণ, মাৰ্কেণ্ডেয় হ্ৰদত স্নান, ব্ৰহ্মা সৰোবৰ কুণ্ডত স্নান, তাৰ পিছত কেদাৰ দৰ্শন, বট বৃক্ষৰ গুৰিত ধ্যান, কমলাক্ষ দৰ্শন, তাৰ পিছতহে মাধৱক দৰ্শন পদ্ধতিৰ এনে এক বিস্তৃত ব্যাখ্যা দিছে। ৰামচন্দ্ৰ বৰপাত্ৰৰ মতে—

অপুৰ্ণভৱত নৰে আগে স্নান কৰি।
গোকৰ্ণ যোগীক পাছে দেখে নেত্ৰ ভৰি।
তাৰ পাছে সেৱা কৰে কেদাৰক যাই।
অনন্তৰে চলে সবে কমলৰ ঠাই।।
উলটি আসন্ত পাছে তাংক কৰি নতি।
হয়গ্ৰীৱ মাধৱক দেখিবাক প্ৰতি।।

* * *

পঞ্চতীৰ্থৰ পৰিচালনা পদ্ধতি

হাজোৰ পঞ্চতীৰ্থ কিছুমান ধৰা-বন্ধা নিয়ম-নীতিৰ মাজেৰে সুশৃংখলিতভাৱে তাহানিৰ পৰা আজিলৈ পৰিচালিত হৈ আহিছে। তাহানি কোঁচ আৰু আহোম ৰজাসকলে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি সুচাৰুৰূপে মন্দিৰ পৰিচালনা কৰিছিল। এক জনশ্ৰুতি মতে, অতীজত এই মন্দিৰ পৰিচালনা কৰিবলৈ বিভিন্ন ঠাইৰপৰা 'ছয়কুৰি হাজেলা' লোক হাজোলৈ আনি হাজোত সংস্থাপিত কৰি মন্দিৰ পৰিচালনাৰ কামত লগোৱা হৈছিল। এজন ব্ৰাহ্মণ পুৰোহিত আনি, তেওঁক পূজাৰ কামত লগাইছিল। ক্ৰমান্বয়ে মন্দিৰৰ সেৱা-পূজাৰ কাম বাঢ়ি যোৱাত, ৰজাই কিছুমান সেৱাইত নিযুক্ত কৰিছিল। তাৰ বাবদ সেৱাইতৰ মাজত ৰজাই মন্দিৰৰ নামত থকা মাটি ভোগ-দখল কৰিবলৈ অনুমতি দিছিল। এই সেৱাইতসকলক মন্দিৰৰ ওচৰে-পাজৰে লোক থাকিবলৈ দিয়া হৈছিল। ৰজাই মন্দিৰৰ সেৱা-পূজাৰ বাবে কনৌজ আদিৰপৰা অনা ব্ৰাহ্মণসকলক তাম্ৰৰ ফলি দান কৰি, গেৰুৱা, ৰংগাঁও, মনাহকুছি, ডিমু, ডবক, কনিহা, নন্দি, বৰখালা, বতিয়া, নলবাৰী, সোণকুৰিহা, ভানুকুছি আদিত থাকিবলৈ দিছিল আৰু মাটি-বাৰি দান কৰিছিল।

সেৱাইত আৰু তেওঁলোকৰ কামৰ বিৱৰণ এনেধৰণৰ : (১) ৰজা (২) দলৈ (৩) পূজাৰী (৪) পাঠক (৫) ভাগৱতী (৬) মালী (৭) আঠপৰীয়া (৮) ভঁৰালী (৯) দুৱৰী (১০) ছত্ৰধাৰী (১১) কোঠৰীয়া (১২) খোৱাৰ বা সুপাকৰ (১৩) হাটখোৱা (১৪) দুলীয়া (১৫) ঠাকুৰীয়া (১৬) কালীয়া (১৭) চোৱাৰী (১৮) চুলীয়া (১৯) মেলা মেটৰী (২০) সোণাৰী (২১) সাৰা (২২) নট বা গায়ন (২৩) ডালাধাৰী (২৪) বেতধাৰী (২৫) উখনীয়া (২৬) কুমাৰ (২৭) বিৰাসী (২৮) খাবৈয়া (২৯) চম্বৰা (৩০) গন্ধীয়া (৩১) বাংগলী ধোবা (৩২) মাহুৰীয়া (৩৩) মজুমদাৰ (৩৪) মৰীয়া (৩৫) হোমধৰীয়া (৩৬) খনীয়া আদি।

(১) বৰা— অতীজত বৰাই মন্দিৰৰ মুৰব্বী আছিল। তেওঁৰ নিৰ্দেশতে মন্দিৰৰ কাম-কাজ পৰিচালিত হৈছিল।

(২) দলৈ— মন্দিৰ পৰিচালনাৰ সকলো দায়িত্বত থকা বিশেষ ব্যক্তিগৰাকীয়ে হ'ল— দলৈ। দলৈ জন পূজাৰীসকলৰ মাজৰপৰা নিৰ্বাচন কৰা হয়। তেওঁ মুখ্য বৰদেউৰী।। দলৈক সভাপতিৰূপে লৈ, পূজাৰীসকলৰ মাজৰ তিনি জন, সেবাতৰ মাজৰ দুই জন আৰু চৰকাৰী মনোনীত সদস্য দুজনক লৈ পৰিচালনা কমিটী গঠন কৰা হয়। এই পৰিচালনা কমিটীৰ মাজৰপৰা বাচি চৰকাৰী সদস্য দুজনৰ এজনক সম্পাদক পতা হয়। পৰিচালনা কমিটীৰ নিৰ্দেশমৰ্মে সম্পাদকে মন্দিৰৰ কাম-কাজ পৰিচালনা কৰে।

মন্দিৰৰ দলৈ সকল ঃ

(১) হৰদত্ত শৰ্মা (২) গৌৰীকান্ত শৰ্মা (৩) ৰঘুনাথ শৰ্মা (৪) সূৰ্য্য দত্ত শৰ্মা (৫) জীৱন শৰ্মা (৬) শ্ৰীগোলোক চন্দ্ৰ শমা (১৯৮৩)

সম্পাদক সকল ঃ (১) উমা গোস্বামী (উজান বজাৰ) (২) হৰকান্ত দাস (উজান বজাৰ) (৩) উমেশ চন্দ্ৰ চৌধুৰী (ক্ষেত্ৰী হাবদিয়া) (৪) ধৰ্ম শৰ্মা (আঠগাঁৱীয়া) (৫) মদন গোস্বামী (টিহু) (৬) শ্ৰীভুপেশ মালাকাৰ (হাজো) (৭) ড° হৰেণ দাস (হাজো) (৮) শ্ৰীশম্ভু দত্ত শৰ্মা (হাজো, বৰ্তমানলৈ)।

কমিটীৰ কাৰ্যকাল তিনি বছৰ। দলৈৰ কাৰ্যকাল আজীৱন।

(৩) পূজাৰী ঃ মন্দিৰৰ মুখ্য পূজাৰীক বৰদেউৰী আৰু সহকাৰীজনক সৰু দেউৰী বোলে। মন্দিৰৰ পূজাৰীৰ দায়িত্ব গধুৰ। তেওঁৰ ওপৰতে মন্দিৰৰ সমস্ত মান-সন্মান নিৰ্ভৰ কৰে। পূজাৰীজন সদায় বিজ্ঞ, দক্ষ আৰু শ্ৰদ্ধাশীল লোক হোৱাটো বাইজে কামনা কৰে। তেওঁ সদায় মন্দিৰত পুৱা সূৰ্য উদয় হোৱাৰ আগতে বিগ্ৰহক স্নান কৰাব লাগে। স্নানৰ পিছত পূজা, লগত দৈনন্দিন হোম সম্পন্ন কৰিব লাগে। গধূলি লাহু আৰু স্নান কৰাব লাগে।

(৪) পাঠক ঃ মন্দিৰত বিষ্ণুৰ সহস্ৰনাম পাঠ কৰিব লাগে পাঠকে। প্ৰতিদিনে পুৱা বিষ্ণুৰ সহস্ৰ নাম পাঠকে পাঠ কৰে। তদুপৰি তেওঁলোকে জন্মাষ্টমী, গোঁসাই দৌল, বৰা দৌল আদিত বিষ্ণু সহস্ৰ নাম পাঠ কৰিব লাগে।

(৫) ভাগৱতী ঃ মন্দিৰত ভাগৱতীয়ে দৈনিক ভাগৱত পাঠ কৰিব লাগে।

তদুপৰি উৎসৱ-পাৰ্বনতো তেওঁলোকে ভাগৱত পাঠ কৰিব লাগে।

(৬) মালী ঃ পঞ্চতীৰ্থত মালীসকলৰ দায়িত্ব বেছি। মালী বা মালাকৰসকলে মন্দিৰত সদায় পূজাৰ বাবে মালা আৰু ফুলৰ যোগান ধৰিব লাগে। মন্দিৰৰ বিভিন্ন উৎসৱ পাৰ্বনতো মালা-ফুলৰ যোগান ধৰিব লাগে। মন্দিৰত যোগান ধৰা মালাৰ ভিতৰত— জালমালা, কণ্ঠমালা, ধুকধুকী মালা, মূৰ মালা, গল মালা, কাটা মালা, দোলা মালা, টোপ মালা, ধানৰ মালা, চাউলৰ মালা আদি উল্লেখযোগ্য। তুলসী মালা হয়গ্ৰীৱ মাধৱত সদায় দিব লাগে।

(৭) আঠপৰীয়া ঃ আঠপৰীয়াই আঠটা পৰে মন্দিৰক ৰখি থকাৰ উপৰিও পূজাৰ বাচন-বৰ্তন ধুই দিব লাগে। অখণ্ড প্ৰদীপ ৰখি থকা অৰু পূজাৰীক আঠপৰীয়াই সহায় কৰে।

(৮) ভঁৰালী ঃ মন্দিৰৰ ভঁৰাল ঘৰৰ দায়িত্ব ভঁৰালীৰ। মন্দিৰৰ সা-সামগ্ৰী তেওঁলোকে ৰখিব লাগে।

(৯) দুৱৰী ঃ দুৱৰীয়ে মন্দিৰৰ ভিতৰৰ ন খন দুৱাৰ বন্ধ কৰিব লাগে। তদুপৰি মহাপ্ৰভুৰ যেতিয়া ভোগ লাগে, সেই সময়ত মূল মন্দিৰ আৰু লক্ষ্মী নাৰায়ণ মন্দিৰৰ দুৱাৰ বন্ধ কৰিব লাগে দুৱৰীয়ে। মন্দিৰৰ ভিতৰখন চাফ-চিকুণ কৰাৰ দায়িত্বও দুৱৰীৰে।

(১০) ছত্ৰধাৰী ঃ গোঁসাই বাহিৰত গলে ছত্ৰধাৰণ কৰি যায়। গণেশ টোলাৰ লোকে এই ছত্ৰ ধৰি যায়।

(১১) কোঠৰীয়া ঃ কোঠ ৰীয়াৰ প্ৰধান দায়িত্ব হ'ল— যাত্ৰীৰপৰা ভোগসমূহ লোৱাৰ উপৰিও ভোগৰ ৰান্ধনিশালত টো-থালী ৰখাই দি ৰান্ধনিশালত জুই জ্বলাই দিয়া।

(১২) খোৱাৰ বা সুপাকৰ ঃ খোৱাৰ বা সুপাকৰৰ দায়িত্ব গধুৰ। এইসকল লোকেই মন্দিৰত ভোগ ৰান্ধে, মহাপ্ৰভুক ভোগ অৰ্পণ কৰে আৰু প্ৰতিদিন গধূলি নাহত পূৰী-পিঠা কৰাই গোঁসাইৰ নামত আগবঢ়ায়।

(১৩) হাটখোৱা ঃ তুটীয়াসকলক মন্দিৰ দৰ্শন কৰোৱাৰ কাম কৰে হাটখোৱা সকলে। তুটীয়া ভাষাত এইলোকসকলক "পাইনা" বুলি কয়। মন্দিৰ দৰ্শন কৰোৱা বাবে তুটীয়াসকলে হাটখোৱাসকলক প্ৰত্যেকে তিনি অনাকৈ পইচা

দিব লাগে। পইচা দিব নোৱাৰাসকলে তিনি ব্যক্তিক জলকীয়া বা জাকৰাং দিলেও হয়।

(১৪) দুলীয়া ঃ মাধৱ, কেদাৰ আৰু কামেশ্বৰ মহাপ্ৰভুৰ বিগ্ৰহ বাৰুণী স্নান, মদন পূজা, সংক্ৰান্তিত দোলাত তুলি নগৰ ভ্ৰমণ কৰোৱাৰ উপৰিও অশোক অষ্টমীত দোলাত তুলি তিনিওখন বিগ্ৰহ গুৱালকুছিলৈ লৈ যায়।

(১৫) ঠাকুৰীয়া ঃ মন্দিৰৰ মাটিৰ খাজনা আদায়কাৰীক ঠাকুৰীয়া বোলে। ইয়াৰ বাবে ঠাকুৰীয়াসকলে মন্দিৰৰপৰা দুই পুৰাকৈ মাটি পাইছিল। দলৈক থকা মেলা-খোৱাৰ ব্যৱস্থা কৰি দিব লাগে।

(১৬) কালীয়া ঃ গোঁসাই নগৰ ভ্ৰমণ কৰা বা উৎসৱ-পাৰ্বনত ঢুলীয়াৰ লগত কালী পেঁপা বজোৱাসকলক কালীয়া বোলে।

(১৭) চোৰাৰী ঃ গোঁসাই নগৰ ভ্ৰমণ কৰা সময়ত চোৰাৰেৰে গোঁসাইৰ গাত বা দিয়া লোকসকলক চোৰাৰী বোলে।

(১৮) ঢুলীয়া ঃ গোঁসাই নগৰ কীৰ্তন বা মন্দিৰত চলা উৎসৱ-পাৰ্বনত ঢোল সংগত কৰা লোকসকলক ঢুলীয়া কোৱা হয়।

(১৯) মেনা মেটৰী ঃ মন্দিৰৰ সোণ-ৰূপ চাফ-চিকুণ কৰা কাম এইসকল লোকে কৰে।

(২০) সোণাৰী ঃ মন্দিৰৰ বিগ্ৰহৰ বাবে প্ৰয়োজনীয় আ-অলংকাৰ এইসকল লোকে তৈয়াৰ কৰে।

(২১) সাৰা ঃ দলৈৰ খবৰ বাহিৰক দিবলৈ বা ৰখীয়া হিচাপে মন্দিৰত থকা লোক সকলকে সাৰা বোলে।

(২২) নট বা গায়ন ঃ মন্দিৰত পূজা-অৰ্চনাৰ সময়ত নট বা গায়ন সম্প্ৰদায়ৰ লোকে জাকজমকীয়া সাজ-পাৰ আৰু নানা আ-অলংকাৰ পিন্ধি নৃত্য-গীত পৰিবেশন কৰে। এই সেৱাৰ বাবে এইসকলোলোকে মন্দিৰৰ পৰা জমি লাভ কৰে। ই দেৱদাসী নৃত্য নামে জনাজাত। গায়নটোলাৰ লোকে কৰে।

(২৩) তালাধাৰী ঃ গোবিন্দ দৌলৰ মিনা গোসাই পশ্চিমৰ আসনত থাকে। তাত হোম-পূজা আদি কৰা হয়। হোম-পূজাৰ পিছত গোসাই দৌলৰ চাৰিওফালে পাঁচ বাৰ ঘূৰে। এই ঘূৰা সময়ত 'মহৎতালা' মূৰত লৈ তালাধাৰীয়ে

গোসাঁইৰ আগে আগে ঘূৰিব লাগে।

(২৪) বেতধাৰী ঃ হাজোৰ পঞ্চতীৰ্থৰ লগত হিন্দু সমাজৰ উপৰিও বৌদ্ধ আৰু মুছলিম সমাজ নিবিড়ভাৱে জড়িত হৈ আছে। ইয়াৰ বাবে হাজোক ত্ৰিবেণী সংগম কোৱা হয়। মন্দিৰৰ বিগ্ৰহ যেতিয়া উৎসৱ-পাৰ্বনত নগৰ ভ্ৰমণ কৰে আৰু অশোক অষ্টমীত গুৱালকুছিলৈ যায়। সেই সময়ত মুছলিম সম্প্ৰদায়ৰ লোকে হাতত সোণ-ৰূপ খটোৱা বেত হাতত লৈ বিগ্ৰহৰ আগে আগে পথৰ জোঁট আঁতৰ কৰি যোৱা প্ৰথা তাহানিৰপৰা আজি পৰ্যন্ত চলি আছে। মুছলিম সম্প্ৰদায়ৰ লোকে মাধৱ মন্দিৰ পৰিচালনা সমিতিৰ নিৰ্বাচনতো অংশ গ্ৰহণ কৰি ২৫০ জন মুছলিম সেবাইতে ভোট দান কৰিব পাৰে।

(২৫) উধনীয়া ঃ মন্দিৰৰ ভোগ ৰন্ধা চৌকাৰ উধান তৈয়াৰ কৰা আৰু পতাত সহায় কৰা লোকক উধনীয়া বোলে।

(২৬) কুমাৰ ঃ মন্দিৰৰ বাবে প্ৰতিদিনে কিছুমান মাটিৰ পাত্ৰৰ প্ৰয়োজন হয়। এই মাটিৰ পাত্ৰ নিৰ্মাণ কৰি মন্দিৰত যোগান ধৰাসকলক কুমাৰ বোলে।

(২৭) বিশ্বাসী ঃ মন্দিৰৰ পৰিচালনাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা বা মন্দিৰ সম্পৰ্কে আলোচনা-বিলোচনা যিজন লোকক বিশ্বাসত লৈ দলৈয়ে গুপুতে প্ৰথমতে মন্ত্ৰণা কৰি তেওঁৰ কাম-কাজত আগবাঢ়ি যায়, সেই জনলোকক বিশ্বাসী বোলে।

(২৮) খৰিয়া ঃ ভোগ-ভাতৰ বাবে, প্ৰয়োজনীয় খৰি যোগান ধৰা ব্যক্তিক খৰিয়া বোলে.।

(২৯) চমৰা ঃ মন্দিৰৰ বাবে প্ৰয়োজন হোৱা চূণ যোগান ধৰা ব্যক্তিক চমৰা বোলে।

(৩০) গন্ধীয়া ঃ ধূপ-ধূনা লোৱা আৰু যোগান ধৰা মানুহক গন্ধীয়া কোৱা হয় বুলি জনা যায়।

(৩১) বাংগলী ধোবা ঃ মন্দিৰৰ কানি-কাপোৰ ধোৱা, গোঁসাইৰ কানি-কাপোৰ ধোৱা লোকক বাংগলী ধোবা বোলে।

(৩২) মাহমৰীয়া ঃ কেদাৰ, কামেশ্বৰৰ শিৱৰাত্ৰি আদি পৰ্বত মাহৰ যোগান ধৰা আৰু বস্ত কটিওৱা ব্যক্তিক মাহমৰীয়া বোলে।

(৩৩) মজুমদাৰ ঃ মন্দিৰৰ হিছাপ-নিকাচ ৰখা ব্যক্তিগৰাকীক মজুমদাৰ বোলে।

(৩৪) মৰীয়া ঃ মন্দিৰৰ আৱশ্যকীয় পাত্ৰ তৈয়াৰ কৰা লোকক মৰীয়া বোলে।

(৩৫) হোমখৰীয়া ঃ মন্দিৰত হোমৰ বাবে প্ৰয়োজনীয় আম খৰি যোগান ধৰা মানুহক হোম খৰীয়া বোলে।

(৩৬) বাৰীয়া ঃ মন্দিৰৰ বাবে প্ৰয়োজনীয় কলপাত বা দোনা যোগান ধৰা লোকক বাৰীয়া কোৱা হয়।

১৯৭১ চনত ধৰ্মানুষ্ঠান আইনমতে, হাজোৰ মাধৱ দেৱালয় চৰকাৰীকৰণ হোৱাৰ পিছত মন্দিৰৰ দেৱোত্তৰ ভূমি চৰকাৰে অধিগ্ৰহণ কৰাৰ পিছত, মন্দিৰ পৰিচালনাৰ ক্ষেত্ৰত সেৱাইতসকল নিজ নিজ দায়িত্ব আৰু কৰ্তব্যৰপৰা আঁতৰি গৈছে। সেৱাইতসকলে মন্দিৰৰ মাটি ভোগ-দখল কৰাৰপৰা বঞ্চিত হোৱাৰ লগে লগে তেওঁলোকে মন্দিৰৰ সেৱালৈ সমূলি পাছ দিছে। এতিয়া মন্দিৰ পৰিচালনা কমিটীয়ে মন্দিৰৰ কাম-কাজ কৰিবলৈ দৈনিক হাজিৰা বা মাহেকীয়া ভিত্তিত দৰমহা দি— মানুহ নিয়োগ কৰিবলগীয়া হৈছে। এতিয়া মন্দিৰ পৰিচালনা কমিটী ফুল-মালা পৰ্যন্ত সকলো বস্তুৱে কিনি ল'ব লাগে।

আগতে মন্দিৰ পৰিচালনাৰ নামত মন্দিৰৰ ৬৬ হাজাৰ বিঘা মাটি আছিল। লগতে আছিল হাজোৰ শাল-চেগুনৰ পাহাৰ। এতিয়া মন্দিৰৰ নামত মাটি আছে ৪৭ বিঘা। মন্দিৰ চৰকাৰীকৰণ হোৱাৰ পিছত চৰকাৰে মাধৱ দেৱালয় পৰিচালনাৰ নিমিত্তে বছৰি ৩৫ হাজাৰ, ১০০ শ ৩৪ টকা আদায় দিয়ে। প্ৰতিদিনে মাধৱক দৰ্শন কৰিবলৈ আহে প্ৰায় দুই হাজাৰ যাত্ৰীয়ে। মাঘৰ দোমাহীত দৰ্শনাৰ্থী ৫০ হাজাৰৰপৰা এক লাখ পৰ্যন্ত ভিৰ হোৱাৰ নিদৰ্শন আছে। হাজোৰ মাধৱ উৎসৱটোত এতিয়া মণিকূট উৎসৱৰূপেও পালন কৰা হয়।

বৰ্তমান পঞ্চতীৰ্থৰ মেৰামতিৰ কাম ভাৰতৰ পুৰাতত্ত্ব বিভাগে লৈছে।

* * *

পঞ্চতীৰ্থত ফুল-মালা আৰু তুলসী অৰ্পণ

হাজো এক প্ৰকৃতিৰ অনুপম লীলাভূমি। হাজোৰ এক বিশাল অঞ্চল পাহাৰ, নদ-নদী, বিল, পুখুৰী, পিটনি আদিয়ে আগুৰি আছে। হাজো পিতল শিল্প, কমাৰ শিল্প, মৃৎ শিল্প, কাঠ শিল্প, বাঁহ-বেতৰ শিল্পই যেনেদৰে অসমৰ এখন বজাৰ আগুৰি আছে, ঠিক তেনেদৰে হাজো অঞ্চলৰ পুষ্প শিল্পই বৰ্তমান অসমত এক সুকীয়া মৰ্যাদা দখল কৰিবলৈ সমৰ্থ হৈছে।

নিজ হাজোৰ পাহাৰৰ সৌন্দৰ্য অতিকৈ মনোৰম। চাৰিওকালে শাল গছ আৰু চেগুন গছৰ পান্তি পান্তি শাৰী। তাৰ মাজে মাজে ফুলি আছে বন্তা, কনা, হালধীয়া কিমান জাতৰ যে ফুল। হাজোৰ একো একোজোপা কনক চম্পা, গুনাচ; নাহৰ, তগৰ, গুটি মালটি আদি ফুলৰ গছে— অতীত বুৰঞ্জী ক'ব পাৰে। যেনেকৈ হাজোৰ শালগছে বুদ্ধদেৱৰ পৰিনিৰ্বাণৰ বতৰা কঢ়িয়াই লৈ ফুৰিছে।

হয়গ্ৰীৱ মাধৱ, কেদাৰ, কমলেশ্বৰ, কামেশ্বৰ, গণেশ আদি পঞ্চতীৰ্থৰ উপৰিও হাজো অঞ্চলত থকা বিভিন্ন মঠ-মন্দিৰবোৰতো দৈনিক বিভিন্ন উৎসৱ আৰু পূজাত পালিত হৈ আহিছে। পূজাৰ প্ৰধান উপচাৰ হ'ল ফুল-তুলসী। ইয়াৰ মন্দিৰৰ বাবে প্ৰয়োজনীয় মালাসমূহৰ ভিতৰৰ হ'ল— (১) জালমালা (২) কণ্ঠমালা (৩) মূৰ মালা (৪) ফুলৰ কাটা মালা (৫) চুকচুকী মালা (৬) বেল পাতৰ মালা (৭) বিনা সূতাৰ মালা (৮) দোলা মালা (৯) টোপ মালা (১০) চাউলৰ মালা (১১) ধানৰ মালা আদি।

(১) জালমালা : জালমালা মহাপ্ৰভু মাধৱৰ প্ৰিয়। এই মালা কিছু নিয়ম-নীতিৰ মাজেৰে তৈয়াৰ কৰা হয়। ১০৮ খন তুলসীৰ মূৰমালা জোৰা লগাই জালৰ নিচিনা কৰি গোঁঠা হয়। এই মালাৰ দৈৰ্ঘ্য পাঁচ হাত আৰু বহলে চাৰে চাৰি হাত কৰি প্ৰস্তুত কৰা হয়। মালাধাৰীত ৫০-৫০ পৰ্যন্ত কণা ফুল জোলোম

গাঁঠি দিয়া হয়। এই মালা তৈয়াৰ কৰোঁতে এজন মালী বা এগৰাকী মালীনীৰ ১৪-১৫ ঘন্টা সময়ৰ প্ৰয়োজন হয়। বজাৰ ইয়াৰ মূল্য দুশ টকাৰপৰা পাঁচশ টকা। পূজা বা গধূলি স্নানৰ পিছত বিগ্ৰহক এই মালা পিন্ধোৱা হয়। এই মালা দান কৰা জনৰ সৰ্বমনোকামনা পূৰ্ণ হয় বুলি বিশ্বাস।

(২) কণ্ঠমালা ঃ জালমালাৰ আৰ্হিৰে তুলসী পাতেৰে এই মালা প্ৰস্তুত কৰা হয়। এই মালা কিছুমান তিনি হাতৰ, কিছুমান পাঁচ হাতৰ আৰু কিছুমান সাত হাতৰ থাকে। মালাধাৰত বিভিন্ন ফুলৰ জোলোম গাঁঠি দিয়া হয়। এই মালা হয়গ্ৰীৱ মাধব, দ্বিতীয় মাধব, গোবিন্দ মাধৱ আৰু বাসুদেৱৰ প্ৰিয়।

(৩) মুৰমালা ঃ মাধৱৰ শিৰত দিবপৰাকৈ ফুলৰ জোলোম দি তুলসী পাতেৰে সজোৱা মালাধাৰীক মূৰ মালা বোলে। গোসাঁইক পিন্ধোৱাৰ পিছত, এই মালা ভক্তবৃন্দৰ মাজত নিৰ্মালিৰূপে বিলোৱা হয়।

(৪) ফুলৰ কাটা মালা ঃ গুলঞ্চ ফুলেৰে এই মালাধাৰী তৈয়াৰ কৰা হয়। পাহিবোৰৰ চাৰি শিৰাযুক্তভাৱে গোনতে গাঁঠি, পিছত চোকা অস্ত্ৰৰে শিৰা চাৰিটা কাটি পেলোৱা বাবে ইয়াক কাটা মালা বোলে। এই মালা গাঁঠোতে যথেষ্ট পৰিশ্ৰম আছে। হয়গ্ৰীৱ মাধৱ, কেদাৰ আৰু কামেশ্বৰ বিভিন্ন উৎসৱ-পাৰ্বণত বাহিৰলৈ গলে এই মালা পিন্ধোৱা হয়।

(৫) ঢুকঢুকী মালা ঃ ভক্তৰ মনো কামনা পূৰ্ণ হোৱাৰ পিচত মাধৱক অৰ্পণ কৰা মালাধাৰীৰ নাম ঢুকঢুকী মালা বোলে। সোণৰ ঢুকঢুকী-জোনবিৰিৰ আকৃতিত কেইবাজলো ফুল আৰু তুলসীৰ মালাৰে ঢুকঢুকীমালা সজোৱা হয়।

(৬) বেলপাতৰ মালা ঃ বেলপাতৰ বিশেষ কৌশলৰে গঁঠা মালাধাৰীক বেলপাতৰ মালা বোলে। এই মালা কেদাৰ, কমলেশ্বৰ, কামেশ্বৰ আৰু গণেশৰ নামত আগবঢ়োৱা হয়।

(৭) বিনা সূতাৰ মালা ঃ এই মালা লক্ষ্মীনাৰায়ণ মন্দিৰত লগোৱা হয়। গুলঞ্চ আৰু নাৰ্জি ফুলৰ পাহিৰে সূতা আদি ব্যৱহাৰ নকৰাকৈ গঁঠা এইধাৰি মালাকে বিনা সূতাৰ মালা বোলে।

(৮) দোলামালা ঃ মন্দিৰৰ বিগ্ৰহ উৎসৱ-পাৰ্বনত বাহিৰলৈ দোলাত যোৱা সময়ত, দোলাখন ফুল ফুলকৈ বহু মালাৰে সজাই-পৰাই আকৰ্ষণীয় কৰি

তোলা হয়। ইয়াকে দোলা মালা বোলে।

(৯) টোপ মালা ঃ কেনাবত শিৱ-পাৰ্বতীক এটি ৰূপৰ টোপেৰে ঢাকি ৰখা হয়। এই টোপটোক এখাৰি জালৰ নিচিনা মালাৰে আওৰি ৰখা হয়। এই মালাধাৰিকে টোপমালা বোলে।

(১০) চাউলৰ মালা ঃ চাউলেৰে গঁঠা এই মালাধাৰিক চাউলৰ মালা বোলে। এই মালা সৰস্বতী আৰু লক্ষ্মীক দিয়া হয়।

(১১) ধানৰ মালা ঃ ধানেৰে গঁঠা মালাধাৰিক ধানৰ মালা বোলে। এই মালা লক্ষ্মীনাৰায়ণ আৰু সৰস্বতীকো দিয়া হয়।

* * *

শ্ৰীশ্ৰীজয়দুৰ্গা দেবালয়

কেদাৰ মন্দিৰৰ দক্ষিণত গাতে লাগি আছে শ্ৰীশ্ৰীজয়দুৰ্গা দেবালয়। এই দেবালয় অতিকৈ প্ৰাচীন। দেবালয়খনৰ পুৰণা মঠ আৰু গৃহ নিঃচিহ্নপ্ৰায়। ১৭৭৪ খৃষ্টাব্দত ৰজা লক্ষ্মী সিংহই গংগা বল্লভ গোস্বামীৰ (বিজৰ) হতুৱাই জয়দুৰ্গাৰ মন্দিৰ নতুনকৈ সজোৱাৰ প্ৰমাণ পোৱা যায়।

এই দেবালয়ৰ মন্দিৰত বিগ্ৰহ হিচাপে দশভূজা জয়দুৰ্গাৰ এটি শিলৰ মূৰ্ত্তি আৰু এটি গৌৰীকান্ত নামৰ শিৱ লিংগ আছে। দশভূজাৰ মূৰ্ত্তিৰ উচ্চতা প্ৰায় দুই ফুট আৰু শিৱ লিংগটোৰ উচ্চতা প্ৰায় এক ফুট। তাত এটা সপ্তচক্ৰী শালগ্ৰাম আছে। এনে শালগ্ৰাম পাবলৈ বিৰল। মন্দিৰ প্ৰবেশ দ্বাৰৰ বেৰত এটা লক্ষ্মী আৰু এটা সৰস্বতীৰ মূৰ্ত্তি আছে। মন্দিৰৰ গৰ্ভগৃহ নাই, এটা চাৰিচুকীয়া কোঠালী ঘৰ। বৰ্ত্তমান ইয়াৰ পুনৰ নিৰ্মাণৰ কাম চলিছে।

মন্দিৰত দৈনন্দিন পূজা-পাতাল লগোৱা হয়। মন্দিৰৰ আমিষ ভোগ চলে। পঠা ছাগলী, হাঁহ, পাৰ আদি বলি হয়। প্ৰতিটো সংক্ৰান্তি, তিথি আদি পালন কৰাৰ উপৰিও শিৱৰাত্ৰি আৰু দুৰ্গাপূজা পয়োভৰেৰে পালন কৰা হয়। দেবালয়ৰ নামত ৫৬৭ বিঘা ভূমি আছিল। বৰ্তমান এই দেবালয় চৰকাৰে অধিগ্ৰহণ কৰিছে। ইয়াৰ খৰচৰ নামত চৰকাৰে বছৰি প্ৰায় এক হাজাৰ দুশ বত্ৰিশ টকা দিয়ে বুলি জনা যায়। পঞ্চতীৰ্থৰ পৰিচালনাৰ ভিতৰত এই তীৰ্থক ধৰা নহয়।

মন্দিৰৰ পূজাৰী এজন, আঠপৰীয়া আৰু ভোগ ৰান্ধনী এজন আছে। বৰ্তমান দেবালয়খনৰ অৱস্থা ভাল নহয়। দেবালয়খনৰ ঘৰ দুৱাৰৰ অৱস্থা জৰাজীৰ্ণ।

এই জয়দুৰ্গা, হাজো অঞ্চলৰ এখন ঐতিহাসিক শক্তিপীঠ। বৃহত্তৰ অঞ্চলটোৰ ভিতৰত ইয়াতে প্ৰথম দুৰ্গাদেৱীৰ পূজাৰম্ভ হোৱা বুলি জনা যায়।

এসময়ত হেনো দেবালয়খনক বাঘে আগুৰি আছিল। ইয়াৰ বাবে দেবালয়খনক বাঘেশ্বৰীও বোলা হয়। এই দেবালয়ৰ গংগা বল্লভ গোস্বামীয়ে দুৰ্গা

স্থাপন কবাব পিচত লোকে এই দেবালয়ক ন-গোসানী নামেবেও মাত্তিবলে লয়। এই জয়দুর্গাক কেন্দ্র কবিয়ে হাজো বাজহ চক্রন্ত তান্ত্রিক পূজাব প্রভাব লক্ষ্য কবা যায়।

জয় দুর্গাব ধ্যান ঃ

ওঁ কালাভ্রাভাং কটাক্ষৈববিকুল ভয়দাং মৌলিবদ্ধেন্দু বেখাং।
শঙ্খ চক্রং কৃপানং ত্রিশিখমপি কবৈকদব হন্তী ত্রিনেত্রাম।।
সিংহস্কন্ধাধিবূঢ়াং ত্রিভুবন মখিলং তেজসা পুবয়ন্তীং।
ধ্যায়েদ্দুর্গা জয়াখ্যাং ত্রিদশ পবিবৃতাং সেবিতাং সিদ্ধিকামৈঃ।।

* * *

পোৱামক্কা

পৃথিৱীৰ এনে এখন তীৰ্থস্থান নাই, য'ত হিন্দু-মুছলমান উভয়ে মিলিত হয়। হিন্দু-মুছলমানৰ মহা মিলনৰ সেই মহাপুণ্য তীৰ্থস্থানখনেই হ'ল হাজোৰ পোৱামক্কা। এই পোৱামক্কা আৰু হয়গ্ৰীৱ মাধৱ এনে মহাশক্তি যে, কোনোদিন হাজোত হিন্দু-মুছলমানৰ বিভেদ নাই, বৈৰিতা নাই। মক্কা দৰ্শন কৰিলে মুছলমানসকলৰ যিদৰে পুণ্য হয় বুলি কোৱা হয়, হাজোৰ পোৱামক্কা দৰ্শন কৰিলেও এনে পুণ্য লাভ হয় বুলি কোৱা হয়। সেয়ে ভাৰতৰ মুছলমান সম্প্ৰদায়ৰ ই এখন পবিত্ৰ তীৰ্থক্ষেত্ৰৰূপে পৰিগণিত হৈ আহিছে।

পোৱামক্কা গৰুড়াচল পাহাৰৰ শিখৰত অৱস্থিত। শ্ৰীকৃষ্ণই ভীষ্মক ৰজাৰ জীয়াৰী ৰুক্মিণীক হৰণ কৰি যাবকালে উভতি যোৱাৰ পথত এই পাহাৰত ক্ষন্তেক জিৰণি লৈছিল বুলি কোৱা হয়। যাত্ৰা পথত গৰুড়পক্ষী ভাগৰত অচল হোৱাত, এই পাহাৰৰ শৃঙ্গত পৰি জিৰণি লৈছিল। গৰুড়পক্ষী এই পাহাৰত পৰি অচল হৈ জিৰণি লোৱাৰ সেই দিনটো আছিল জেঠ মাহৰ শুক্লা পূৰ্ণিমা।

গৰুড়পক্ষী অচল হৈ এই পাহাৰত পৰাৰ পৰাই পাহাৰখনৰ নাম গৰুড়াচল পাহাৰ হ'ল বুলি জনশ্ৰুতিয়ে কয়। সেই হিচাপে হিন্দুসকলে জেঠ মাহৰ শুক্লা পূৰ্ণিমাত এই তীৰ্থ দৰ্শন কৰা দেখা যায়।

হাজো-গুৱাহাটী পথৰ পৰা পোৱামক্কালৈ পকী পথেৰে প্ৰায় দুই কিলোমিটাৰ। পোৱামক্কা হয়গ্ৰীৱ মাধৱৰ পূবত আৰু কেদাৰ মন্দিৰৰ উত্তৰ-পশ্চিমত। এই পাহাৰ বগোৱা বৰ কঠিন।

পোৱামক্কা নামটোৰ উৎপত্তি সম্পৰ্কে কেইবাটাও জনশ্ৰুতি আছে। প্ৰবাদমতে, পীৰ গিয়াচুদ্দিনে তীৰ্থ স্থাপনৰ সময়ত মক্কাৰপৰা এপোৱা মাটি আনি ইয়াত ৰাখিছিল কাৰণে হেনো ইয়াৰ নাম পোৱামক্কা হয়। ড° প্ৰবীণ চন্দ্ৰ দাসে এই

সম্পৰ্কত তেওঁৰ ‘পুণ্য ভূমি হাজো’ গ্ৰন্থত লিখিছে— ‘পোৱামক্কা তীৰ্থ স্থাপনৰ সময়ত গিয়াচুদ্দিন আউলিয়াই ইয়াত ৯০ টা মূৰ্তি উদ্ধাৰ কৰিছিল বুলি কোৱা হয়। এই সংখ্যা মক্কাৰ ৩৬০ টা মূৰ্তিৰ এক চতুৰ্থাংশ কাৰণে তীৰ্থখন পোৱামক্কা অৰ্থাৎ মক্কাৰ চাৰিভাগৰ একভাগ বুলি খ্যাত হ'ল।’ পোৱামক্কাৰ প্ৰাক্তন খাদিম চৈয়দ মিল মহম্মদ আলীয়ে তেওঁৰ ‘পোৱামক্কা দৰ্গাহ শ্বৰীফ’ গ্ৰন্থত লিখিছে— ‘হজৰত গিয়াচুদ্দিন আউলিয়া চাহাবে গৌৰাচল পৰ্বতৰ ওপৰত এটি মছজিদ নিৰ্মাণ কৰিছিল। যি ঠাইত মছজিদ নিৰ্মাণ কৰিছিল, সেই ঠাইত ‘কাবা’ শ্বৰীফ বনোৱা ঠাইত থকা ৩৬০ টা মূৰ্তিৰ এক-চতুৰ্থাংশ অৰ্থাৎ ৯০ টা মূৰ্তি আছিল। আউলিয়া চাহাবে এই ঠাইক পোৱামক্কা বুলিছিল আৰু চোৱাবৰ বাবে মছজিদৰ ভেটিত মক্কা শ্বৰীফৰপৰা এপোৱা মাটি আনি দিছিল, সেয়েহে লোকমুখে ই আজিও ‘পোৱা মক্কা’ বুলি জনাজাত।’ মক্কা দৰ্শনৰ চাৰিভাগৰ একভাগ পুণ্য অৰ্জন হয় পোৱামক্কা দৰ্শনত। সেয়ে ইয়াক পোৱা মক্কা বোলা হ'ল বুলি জনশ্ৰুতি আছে।

পোৱা মক্কাৰ কাহিনী গিয়াচুদ্দিন আউলিয়া নামৰ একগৰাকী ধৰ্মপ্ৰাণ লোকৰ স্মৃতিৰ লগত জড়িত। ইয়াত থকা এই সমাধিবিলাকৰ ভিতৰত গিয়াচুদ্দিন আউলিয়াৰ সমাধিটোক মুখ্য বুলি ধৰা হয়। পোৱামক্কাত কালুদেৱান, ছাহ জামাল, চাহ গফুৰ, চাহ বুজৰুগ আদিৰ সমাধিক্ষেত্ৰ সংৰক্ষিত হৈছে।

পোৱা মক্কাৰ লগত জড়িত হজৰত শাহ চুলতান গিয়াচুদ্দিন আউলিয়া সকলোৰে শ্ৰদ্ধেয় ব্যক্তি। শুনা যায় যে, তেওঁ প্ৰায় ৩৫ বছৰ বয়সতে সন্ত (বলী) হয় আৰু ইছলাম ধৰ্মৰ একগৰাকী গুৰুৰূপে সকলোৰে গ্ৰহণ কৰে। এই ইছলাম ধৰ্মৰ প্ৰচাৰৰ বাবে গোটেই পৃথিৱীত ঘূৰে। তেওঁ হাজোত প্ৰায় বিশ বছৰকাল থকা বুলি জনা যায়। হাজোত থকা কালতে ভ্ৰমণকাৰী ইবনবতুতাই তেওঁক সাক্ষাৎ কৰিছিল বুলি জনা যায়। তেওঁৰ যত্নতে অসমৰ নানা ঠাইত বহুতো মছজিদ আৰু মাজাৰ প্ৰতিষ্ঠা হয়। গিয়াচুদ্দিন আউলিয়াৰ জন্ম হয় ১১৯৩ খৃষ্টাব্দত ইৰাণৰ তাব্ৰিজ নগৰত। সত্তৰজন আউলিয়াৰ ভিতৰত তেখেতো একজন। অসমলৈ আহোঁতে তেওঁৰ লগত হজৰত জামাল, হজৰত ছাহ গফুৰ, হজৰত ছাহ বুজৰুগ আদি তিনিজন সংগীও আহিছিল। পোৱামক্কাৰ সৌধটো তেওঁৰ কবৰৰ ওপৰত নিৰ্মাণ কৰা বুলি জনা যায়। কোনো কোনোৱে আকৌ এই সমাধিটো আৰব দেশীয় একজন

সম্ভৱ বুলি ক'ব খোজে। কিছুমানে কয় যে ১৩০২-০৩ খৃষ্টাব্দত অসম আক্রমণ কৰা চুলতান গিয়াচুদ্দিনৰ সৈন্য বাহিনীৰ লগত অহা এগৰাকী পীৰৰ সমাধি। এই পীৰগৰাকীয়ে কিছুদিন গুৱাহাটীত বাস কৰি, পিছত হাজোত বাস কৰিছিল। কোনোৱে ক'ব খোজে যে, সম্রাট জাহাংগীৰৰ ৰাজত্বকালত আহোম আৰু মোগলৰ মাজত এখন ৰণ হৈছিল। সেই ৰণত মোগলসকল পৰাজিত হয় আৰু তাতে আজোককাক আৰু তেওঁৰ পুতেক গিয়াচুদ্দিনৰ মৃত্যু হয়। গিয়াচুদ্দিন বৰ ধৰ্মপৰায়ণ মুছলমান আছিল আৰু তেওঁৰ বাবে সমাধি হাজোৰ গৰুড়াচল পাহাৰত কৰা হয়। পোৱামক্কাৰ সমাধিটো এইজন গিয়াচুদ্দিনৰ বুলি কোৱা হৈছে। এনেবোৰ কাৰণৰ পৰা বুজা যায় যে পোৱামক্কাৰ মূল সমাধিটো কোনো ধৰ্মপ্ৰাণ মুছলমান লোকৰ লগত জড়িত আৰু তেওঁৰ নাম গিয়াচুদ্দিন।

১৬৫৭ খৃষ্টাব্দত সম্রাট চাহজাহানৰ পুত্ৰ আবুল গাজী চুজাউদ্দিনে গিয়াচুদ্দিনৰ সমাধিৰ ওচৰত এটি মছজিদ সজায়। ১৬৫৭ খৃষ্টাব্দত উৰংজেবে এই মছজিদ পৰিচালনাৰ বাবে ভূ-সম্পত্তি দান কৰে। ৰুদ্ৰ সিংহ, লক্ষ্মী সিংহ, কমলেশ্বৰ সিংহ আদিয়েও মছজিদৰ তত্বাবধান লৈছিল আৰু ভূ-সম্পত্তি দান কৰিছিল। ১৮৯৭ খৃষ্টাব্দত ভূমিকম্পই মছজিদৰ ক্ষতি কৰাত সেই স্থানতে আন এটা মছজিদ সজোৱা বুলি জনা যায়। মছজিদৰ এখন বেৰত নবাব চুজাউদ্দিনৰ নাম শিলৰ ফলিত খোদিত হৈছে। মছজিদটো পুনৰ নিৰ্মাণ হৈছে।

খাদেম পালাই দৰ্গাহৰ গিয়াচুদ্দিন আউলিয়াৰ বোজা শৰীকত গিলাপ দিয়ে। কোৰাণী পালাই দৰ্গাহত দৈনন্দিন কোৰাণ পাঠ কৰে। মোল্লা পালাই দৰ্গাহলৈ অনা কুকুৰা চৰাই আদি জবেহ কৰে আৰু বান্ধনি পাল্লাই দৰ্গাহলৈ অনা চিৰ্ণী চালাত বান্ধে। নিশা হ'লে সমাধিৰ সন্মুখত দীপ জ্বলোৱা হয়। নিশা ভাগত সমাধিটো কাপোৰেৰে ঢাকি ৰখা হয়।

উৰুচ

পোৱামক্কালৈ গোটেই বছৰ ভক্তসকলৰ আগমন হয়। বিশেষকৈ মাঘ, ফাগুণ, চ'ত আৰু ব'হাগ মাহত যাত্ৰীৰ ভিৰ বেছি। উৰুচ, পোৱামক্কাৰ প্ৰধান উৎসৱ। পোৱামক্কা দৰ্গাহত গিয়াচুদ্দিন আউলিয়াৰ উৰুচ পালন কৰা হয়। মাঘ

মাহৰ প্ৰথম দিনটোৰপৰা উৰুচ চলে। মাঘ মাহৰ পূৰ্ণিমা তিথিত পূৰ্ণ উৰুচ পালিত হয়। এই সময়ছোৱাত দূৰ দূৰণিৰপৰা পোৱামক্কালৈ যাত্ৰী আহে।

পোৱামক্কাৰ পৰিচালনা

পোৱামক্কা পৰিচালনাৰ বাবে থকা সেৱাইতৰ ভিতৰত কোৰাণী ফকিৰ, মোল্লা, খাদিম পালা, ৰাছনি পাৰনি আদিয়ে প্ৰধান। পৰিচালনাৰ ক্ষেত্ৰত খাদিমজন সৰ্বোচ্চ বিষয়া। ১৯৫৯ চনৰপৰা পোৱামক্কাৰ সকলো সম্পত্তি চৰকাৰে অধিগ্ৰহণ কৰি এই তীৰ্থলৈ চৰকাৰে বছৰি অনুদান আগবঢ়াই ইয়াৰ সেৱা-পূজাত তদাৰক কৰিছে।

চাহ্ জামাল

কেদাৰ মন্দিৰলৈ যোৱা পথৰ দাঁতিতে চাহ্ জামাল অৱস্থিত। চাহ্ জামাল হজৰত চাহ্ চুলতান গিয়াচুদ্দিন আউলিয়াৰ অন্যতম সহযোগী আছিল। চাহ্ জামালৰ সমাধি দৰ্শন কৰিলে ভক্তসকলৰ মনোবাঞ্ছা পূৰ্ণ হয় বুলি বিশ্বাস।

চাহ্ গুদুৰ

চাহ্ গুদুৰ আন এখন পৱিত্ৰ সমাধি স্থান। এই সমাধি গৰুড়াচল পাহাৰত অৱস্থিত। চাহ্ গুদুৰ গিয়াচুদ্দিন আউলিয়াৰ এজন সহযোগী আছিল।

কালু দেৱান

কালু দেৱান এখন প্ৰসিদ্ধ মাজাৰ। এই সমাধি পোৱামক্কা মাজাৰ খৰীকৰ নিচেই ওচৰতে অৱস্থিত। এই সমাধি দৰ্শন কৰিলে ভক্তসকলৰ মনোকামনা পূৰ্ণ হয় বুলি বিশ্বাস।

* * *

সিদ্ধেশ্বৰ দেৱালয়

শ্ৰীশ্ৰীসিদ্ধেশ্বৰ দেৱালয় গুৱাহাটীৰ পশ্চিম প্ৰান্তত অৱস্থিত। ই এখন প্ৰাচীন দেৱালয়। ই শিৱ স্থান ৰূপে পূজিত হৈছে। এসময়ত এই দেৱালয়ত বৌদ্ধ ধৰ্মৰ প্ৰভাৱ আছিল বুলি জনা যায়। ভূটীয়াসকলে এই দেৱালয় আজিও পৰিদৰ্শন কৰে। ১৮৯৭ চনত এই দেৱালয়ৰ ভূমিকম্পত বিস্তৰ ক্ষতিসাধন হোৱাৰ প্ৰমাণ পোৱা যায়।

দেৱালয়ত নিত্য-পূজা সেৱা আৰু ভোগ প্ৰসাদ চলে। ইয়াত নিৰামিষ ভোগ লগোৱা হয়। মূল মঠত বিষ্ণু মূৰ্ত্তি খোদিত হৈছে। বিষ্ণুৰ সোঁফালে লক্ষ্মী আৰু বাওঁ কাষে সৰস্বতীক দেখা যায়। এই মূৰ্ত্তি শিলৰ। সন্মুখত আছে শিলৰ শিৱ লিংগ। এওঁৱে সিদ্ধেশ্বৰ। ওচৰত দুৰ্গা। মঠৰ বাহিৰ অংশত দুৰ্গা আৰু বিষ্ণুক (নন্দী আৰু ভৃংগী) দেখা যায়। মূল মঠটোৰ বাহিৰৰ অংশত একেশটা দেৱ-দেৱতাৰ মূৰ্ত্তি অংকিত হৈছে। মঠৰ সন্মুখত পৰি আছে দুৰ্গা আৰু জয়। ইয়াত মুঠ আঠটা শিৱ লিংগ দেখা যায়। ইয়াৰ অন্য এটা গৃহত শিৱ লিংগ আৰু শিলৰ দুৰ্গা মূৰ্ত্তি দেখা যায়। ওচৰত আছে বংশীবাদন গোপাল আৰু পঞ্চ বক্ত্ৰ শিৱ। অশোক অষ্টমীত বিষ্ণুক স্নান কৰাবলৈ ব্ৰহ্মপুত্ৰৰ পাৰলৈ নিয়া হয়। দেৱালয়ত শিৱৰাত্ৰি, দৌল উৎসৱ আৰু দুৰ্গা পূজাৰ আয়োজন কৰা হয়। দেৱালয় পৰিচালনাৰ বাবে বৰদেউৰী, পাঠক, আঠপৰীয়া, পাইক, দুলীয়া আদিৰ ব্যৱস্থা আছে।

গুৱাহাটীৰ এই সিদ্ধেশ্বৰ দেৱালয়ক ৰাজমোহন নাথে অসমৰ আটাইতকৈ পুৰণি মন্দিৰ বুলি কৈছে। জনা যায়, ১৭২৯ চনত শিৱ সিংহ ৰজাই এই দেৱালয় নিৰ্মাণ কৰাই দিয়ে। লগতে ৪৭৫ বিঘা মাটি দান কৰে। স্বৰ্গদেউ গদাধৰ সিংহ আৰু ৰুদ্ৰ সিংহয়ো এই দেৱালয়ৰ নামত মাটিবাৰী দান কৰে।

সিদ্ধেশ্বৰৰ শিলত অংকিত মূৰ্ত্তি কৰ জীৱন্ত আৰু ই শিল্পীৰ হাতত কলা নিপুণতাৰ এক চমকপ্ৰদ সাফল্য বুলিব পাৰি। হাজোৰ মঠ মন্দিৰৰ অংকিত মূৰ্ত্তি

আৰু সিদ্ধেশ্বৰত অংকিত মূৰ্তিৰ মাজত বহু ক্ষেত্ৰত মিল আছে। হয়তো দুয়ো ঠাইৰ মূৰ্তি, একে শিল্পীৰে অৱদান বুলিব পাৰি। এবং হাজোৰ কুমাৰপাৰা নামঘৰত দেখিবলৈ পোৱা বিষ্ণুমূৰ্তি সদৃশ এটা মূৰ্তিৰ কাৰুকাৰ্য সবাতোকৈ পুৰণি যেন লাগে। বুঢ়া গোসাঁইৰ থানত সংৰক্ষিত শিলত অংকিত দেৱ-দেৱতাৰ মূৰ্তিসমূহ অংকনো বৰ সূক্ষ্ম। সিদ্ধেশ্বৰৰ দেৱালয়ৰ পৰিচালনাৰ ভাৰ চৰকাৰে বহন কৰিছে।

* * *

ধাৰেশ্বৰ দেৱালয়

হয়গ্ৰীৱ মাধৱৰ দক্ষিণ-পশ্চিম কোণত, বামুন্দী গাঁৱৰ হাতীমূৰা পাহাৰত ধাৰেশ্বৰ দেৱালয় অৱস্থিত। ইয়াৰ ওচৰতে পিঙ্গলেশ্বৰ দেৱালয় · আকাশী গংগা আছে। অতীতৰ ইয়াৰ উত্তৰ-পূব দিশত গণেশ্বৰী নামেৰে এটি চণ্ডী মন্দিৰ থকাৰ কথা শুনা যায়। এই হাতীমূৰা পাহাৰতে এটি গণেশ মূৰ্তি আছে। এই পাহাৰৰ এটি শিলত 'গোধাৰ' পদ চিহ্ন আছে। কোৱা হয় যে, বেউলাৰ ভেল এই দিশে উজাই আহিছিল। ইয়াৰে অন্য দুখন থান হ'ল— শ্ৰীশ্ৰীলাহেশ্বৰী থান আৰু কালী মন্দিৰ। ইয়াৰ ওচৰৰ গাঁৱ বৰলাহত শ্ৰীবিষহৰি থান আৰু ক্ষেত্ৰী হাবদিয়াৰ বকুলৰ তল শিৱ থান উল্লেখযোগ্য।

ধাৰেশ্বৰ শিৱ দেৱালয়। ১৭৩০ চনত স্বৰ্গদেউ শিৱ সিংহৰ ৰাজত্ব কালত ডেকা তৰুণ দুৱৰা ফুকনে এই থান পুনৰ নিৰ্মাণ কৰা বুলি জনা যায়। এই থানত ইতিহাস বৰ প্ৰাচীন। এই প্ৰাচীনত্বৰ সাক্ষী ভুটীয়াসকল। হাজোৰ মঠ-মন্দিৰৰ দৰে, এই দেৱালয়কো ভুটীয়াসকলে দৰ্শন কৰে আৰু সেৱা পূজা কৰে। জনশ্ৰুতিয়ে কয় যে কোনো এক কছাৰীৰ এজনী কপিলী গাই গোহালিৰ পৰা পুৱাতে কিছু সময়ৰ বাবে সদায় নোহোৱা হয়। এই কথাটোত গৃহস্থ আচৰিত হ'ল। এদিন গৃহস্থই গাইজনীৰ এই গতি গোপনে লক্ষ্য কৰি দেখে, পাহাৰৰ এঠাইত গাইজনী থিয় হয় আৰু তাত আপোনা আপুনি ওহাৰৰ পৰা গাখীৰ ওলাই এক শিলাখণ্ড বিধৌত কৰে। তেতিয়াৰে পৰা বাইজে উক্ত শিলাখণ্ডক ধাৰেশ্বৰ শিৱৰূপে পূজা সেৱা আগবঢ়াবলৈ ধৰিলে। ১৮৯৭ চনত বৰ ভুমিকম্পত এই মন্দিৰৰ বিস্তৰ ক্ষতি হোৱা বুলি জনা যায়। বৰদেউৰীসকলে এই মন্দিৰ পুনৰ সজায়। এই দেৱালয়ৰ নামত লাখেৰাজ ১৭৩২ বিঘা মাটি আছিল বুলি জনা যায়। অতীতৰ এই দেৱালয়ত থকা সেৱাইতসকল হ'ল স্বৰ্গীয় শ্ৰীসেৱাইত ব্ৰাহ্মণ, বৰদেউৰী শূদ্ৰ, পাইক, আঠপৰীয়া, চামৰধৰা চণ্ডধৰা, ত্ৰিশূলধৰা, ধুলিয়া, দগৰীয়া, কালিয়া, পালি, গৰখীয়া, ভড়াৰ কাইথ, মুদিয়াৰ, মালিয়া, সাৰা, ওজা, চাউলকৰা পানী অনা আদি। দেৱালয়ত নিত্য সেৱা পূজাৰ উপৰিও ভোগ ভাত চলে। এই থানলৈ দূৰ-দূৰণিৰপৰা তীৰ্থযাত্ৰীৰ আগমন হোৱা দেখা যায়।

* * *

ভৃঙ্গেশ্বৰ দেৱালয় (ভাঙাৰা থান)

ভৃঙ্গেশ্বৰ দেবালয় (ভাঙাৰা থান) কামৰূপ জিলাৰ এখন প্ৰাচীন তীৰ্থস্থান। এই দেৱালয়ৰ বংশৰ অভয়পুৰীয়া পামৰ সানপাৰা পাহাৰত অৱস্থিত। হাজো-শুৱালকুছি পথৰপৰা এই থানলৈ সামান্য দূৰ।

এটা সুৰুঙৰ তলত বিগ্ৰহটোৰ অৱস্থান কৰিছে। এটা প্ৰকাণ্ড শিলে বিগ্ৰহটোক ঢাকোন দি ৰাখিছে। বিগ্ৰহটো শিলৰ। শিলৰ বিগ্ৰহটো শিৱৰ পিঠিৰূপে পূজিত হৈছে। ই দেখাত কাছৰ পিঠি সদৃশ। ইয়াত শিৱে পাৰ্বতীৰ সৈতে সংগমৰত অৱস্থাত অৱস্থান কৰা বুলি কোৱা হয়। গুহাটো ঘৰ অন্ধকাৰ অৱস্থাত থাকে। অম্বুবাচীৰ পৰা দুৰ্গাপূজাৰ সময়লৈ বিগ্ৰহ স্থান পানীৰে ওপচি থাকে। এই পানিখিনিক হৰ-পাৰ্বতীৰ বীৰ্য স্খলনৰূপে গ্ৰহণ কৰা হয়। ইয়াৰ ওচৰৰ গৃহত আছে— পঞ্চানন শিৱ, ব্ৰহ্মা, কুবেৰ, লক্ষ্মীনাৰায়ণ, বিষ্ণু, শালগ্ৰাম, দশভূজা দুৰ্গা, গণেশ মূৰ্তি, ষাড়গৰু, শিলৰ শিৱ লিংগ আৰু গোপালৰ প্ৰতিমূৰ্তি।

দেৱালয়ত নিত্য পূজাৰ উপৰিও দৌল উৎসৱ, অশোক অষ্টমী, মদন চৈত্ৰালি, অম্বুবাচী, শিৱৰাত্ৰি, দুৰ্গা পূজা আদি উৎসৱ উলহ-মালহেৰে পালন কৰা হয়। উৎসৱত ভক্তৰ বিৰাট সমাগম হয়।

পালবংশীয় ৰজা ৰত্নপালকে এই দেৱালয়ৰ প্ৰতিষ্ঠাতাৰূপে উল্লেখ কৰিব পৰা যায়। আহোম ৰজা শিৱ সিংহই ১৭৩০ চনত এই দেৱালয় প্ৰতিষ্ঠা কৰি এই দেৱালয়ৰ পৰিচালনাৰ ভাৰ গ্ৰহণ কৰিছিল বুলি প্ৰমাণ পোৱা যায়। দেৱালয়ৰ নামত ৰজাই ভূমিদানো কৰিছিল। বৰ্তমান দেৱালয়ত এঘাৰ বিঘা মাটি থকাৰ কথা জনা যায়। সম্প্ৰতি এই দেৱালয়ৰ পৰিচালনাৰ ভাৰ চৰকাৰে বহন কৰিছে।

* * *

হৰ-গৌৰী মন্দিৰ

হয়গ্ৰীৱ মাধৱৰ পূব-উত্তৰ কোণত, মাধৱৰ পৰা প্ৰায় ন-দহ কিলোমিটাৰ দূৰত্বৰ তেতেলীয়া গাঁৱত বিখ্যাত তীৰ্থস্থান হৰ-গৌৰী মন্দিৰ অৱস্থিত। এইখন এখন বৰ মহিমাযুক্ত তীৰ্থস্থান। অসমৰ প্ৰায়বোৰ ঠাইৰপৰা এই থানলৈ গোটেই বছৰে ধৰ্মপ্ৰাণ লোকৰ সমাগম হয়। এই থানত সেৱা পূজা আগবঢ়ালে অপুত্ৰকে পুত্ৰ লাভ কৰাৰ উপৰিও হৰ-গৌৰীৰ ওচৰত যি ভাবি সেৱা জনোৱা হয় তেওঁৰ মনোবাঞ্চা পূৰ হয় বুলি সকলো ভক্তই কোৱা শুনা যায়।

এই তীৰ্থস্থান অসমৰ অতি প্ৰাচীনতম যেন লাগে। যি ঠাইত মন্দিৰটো আছে আৰু হৰ-গৌৰীয়ে অৱস্থান কৰিছে, এই স্থানত এনেকুৱা এটি শিল আছে— সেই শিল প্ৰায় একঠা মাটিয়ে আগুৰি থকা যেন লাগে। তদুপৰি, থানৰ ওচৰে-পাজৰে গাত খান্দিলেই শিল ওলায়। কিন্তু এই থান পাহাৰৰ ওপৰত নহয়, এখন খেতি পথাৰৰ মাজত অৱস্থিত। এই মন্দিৰৰ হৰ-গৌৰী বা অন্য দেৱতাৰো কোনো বিগ্ৰহ দেখিবলৈ পোৱা নাযায়। শিল এটাক হৰ, তেওঁৰ বাওঁকালৰ সৰু শিল চটাক পাৰ্বতীৰূপে সেৱা পূজা কৰা হয়। হৰৰ সোঁকালৰ শিল এটাক কাৰ্তিক, হৰ-পাৰ্বতীৰ মাজৰ শিল এটাক গণেশ আৰু তেওঁলোকৰ সন্মুখত থকা শিল এটাক বীৰভদ্ৰৰূপে সেৱা পূজা আগবঢ়োৱা হয়। বাহিৰত থকা এটা শিল মহাদেৱৰ বলধৰূপে পূজিত হৈছে। অঞ্চলটোৰ অপায় অমংগলত মহাদেৱে হেনো নিশাভাগত বলধটোত উঠি তেতেলীয়া অঞ্চলৰ গাঁৱে গাঁৱে ঘূৰি ৰাইজৰ সাৰথিৰূপে চিনাকি দিয়ে। যুগ যুগ ধৰি এই স্থানত ৰাইজে হৰ গৌৰীৰ সেৱা পূজা আগবঢ়াইছে, অথচ শিলত খোদিত হৰ গৌৰীৰ কোনো মূৰ্তিও এই স্থানত নাই। কোনো মূৰ্তি খোদিত নোহোৱা দুটা শিলক পৰম্পৰাগতভাৱে হৰ-গৌৰী ৰূপে কিয় পূজিত হৈছে? এইক্ষেত্ৰত এইটো এটা নিশ্চয় চিন্তনীয় বিষয়। যোগিনীতন্ত্ৰ আৰু কালিকা পুৰাণে কয় যে চতুৰ্থ শতিকাৰ পৰা ত্ৰয়োদশ শতিকা পৰ্যন্ত কামৰূপত যিসকল ৰজাই শাসনকাৰ্য চলাইছিল, তেওঁলোকৰ শিৱ আৰাধকৰূপে জনাজাত হৈছিল। নৱম

শতিকাৰ কামৰূপৰ এগৰাকী ৰজা বনমাল দেৱে হাটকশূলী শিৱৰ মন্দিৰ পুনৰ নিৰ্মাণ কৰাৰ কথা জনা যায়। এইজনা ৰজাই দান কৰা ফলিতে শ্ৰীকামেশ্বৰ আৰু মহাগৌৰী থানৰ কথা উল্লেখ আছে। বনমাল দেৱৰ মহাগৌৰী দেৱালয়ে হয়তো তেতেলীয়াৰ হৰ-গৌৰী হ'ব পাৰে। কোনোবা শতিকাত ভূমিকম্পই হয়তো ইয়াক লুটি বাগৰ খুৱালে আৰু ইয়াৰ সমুদায় মঠ-মন্দিৰ, শিলা মূৰ্তি মাটিৰ তলত পোত খালে। কিন্তু তাৰ গৌৰৱোজ্জ্বল কাহিনী শিলখণ্ডৰ অতীত মহিমা লোকমুখে সাক্ষী হৈ ৰ'ল। অতীতৰ মঠ-মন্দিৰ, হৰ-গৌৰীৰ মূৰ্তি খোদিত শিলাখণ্ড নাথাকিলেও শিলখণ্ডক ৰাইজে হৰ-গৌৰী ৰূপে সেৱা ভাগ দি আহিল আৰু আজিও ই বৰ্তমান। বিজ্ঞজনে চিন্তা-চৰ্চা কৰিলে, এই সম্পৰ্কে অধিক তথ্য ওলাব পাৰে বুলিও আমাৰ বিশ্বাস। বনমাল দেৱৰ আনখন তীৰ্থস্থান হাজোৰ শ্ৰীকামেশ্বৰ হ'ব পাৰে। বৰ্তমান স্থলত তেতেলীয়া নিজবাউসী গাঁও উন্নয়ন কমিটীৰ তৎপৰ পৰা স্থায়ী মঠ, নামঘৰ, ভোগঘৰ সন্ন্যাসী ঘৰ আদি নিৰ্মাণ কৰি দিয়া হৈছে। থানখনত প্ৰায় এক পুৰাৰ অধিক মাটিকালি থকা দেখা যায়। শিৱৰাত্ৰি ইয়াৰ প্ৰধান উৎসৱ। এই দেৱালয়ত সন্ন্যাসী বা বৈষ্ণৱ বাবা সেৱা পূজা আগবঢ়োৱা হয়। ইয়াৰ নিত্য ভোগ নাই। ভক্তসকলে ব্ৰাহ্মণৰ দ্বাৰা পায়স আৰু খিচাৰি ভোগ লগায়।

অগ্নিবাণেশ্বৰ দেৱালয়

কামৰূপ জিলাৰ পূব বংশৰ মৌজাৰ দদৰা-দলিবাৰী অঞ্চলৰ অগ্নিবানেশ্বৰ দেৱালয় এখন পবিত্র ধর্ম ক্ষেত্র। আআঠুৰীৰ গণেশ মন্দিৰৰ উত্তৰ-পূব দিশত এই মন্দিৰ দেখা যায়।

ইয়াৰ বিগ্ৰহ শিব লিংগ। কিংবদন্তিয়ে কয় যে, গৰখীয়াসকলে আআঠুৰীৰ পাহাৰৰ দাঁতিত গৰু ৰখি থাকোতে এজনী ক'লা গাই গৰু দলৰ মাজৰ পৰা সদায় কিছুসময়ৰ কাৰণে নোহোৱা হয়। সেইখিনি সময় গাইজনী ক'লৈ যায় গৰখীয়াসকলে তাকে মন কৰিবলৈ ধৰিলে। তেওঁলোকে এদিন দেখে, অৰণ্যৰ মাজত এঠাইত গাইজনী থিয় হয় আৰু তাত আপোনা আপুনি গাইজনীৰ ওহাৰৰ পৰা গাখীৰ নির্গত হয়। গৰখীয়াসকলে ঠাইডোখৰ চাফ চিকুন কৰি দেখে, তাত এটা শিবলিংগ। সিদিনাৰ পৰা বাইজে তাত আনুষ্ঠানিক পূজা পার্বন আগবঢ়াবলৈ ধৰিলে। এই শিবলিংগ শোণিতপুৰৰ বাণ ৰজাই প্ৰতিষ্ঠা কৰা বুলিও অনেকে ক'ব খোজে। ৰজা বনমালদেৱে এই মন্দিৰত আৰাধনা কৰাৰ পৰা অনুমান কৰিব পাৰি যে এই মন্দিৰৰ অতীত কাহিনী কিমান পুৰণি। কোঁচ ৰজাই এই দেৱালয়ৰ উন্নতিৰ হকে ভালেমান কার্যব্যৱস্থা হাতত লৈছিল। বুৰঞ্জীবিদে কয় যে, আহোম স্বৰ্গদেউ শিব সিংহইহে ১৭৩০ চনত এই দেৱালয় স্থাপন কৰে। ইয়াৰ নামত তেওঁ মাটিবাৰী দান দি ধৰ্মোত্তৰ, দেবোত্তৰ, ব্ৰহ্মোত্তৰ, ভোগধন, পাইকন আদিৰ ব্যৱস্থা কৰি দিয়ে। এই দেৱালয়ৰ নামত প্ৰায় তেৰশ একানব্বৈ বিঘা মাটিবাৰী থকাৰ প্ৰমাণ পোৱা যায়। দেৱালয়ত নিত্য পূজা পাতাল চলে। বৰ্ত্তমান এই দেৱালয়ৰ পৰিচালনাৰ ভাৰ চৰকাৰে বহন কৰিছে।

***

অপুনৰ্ভৱ কুণ্ড

কামেশ্বৰ মন্দিৰৰ তলত দক্ষিণ পূব দিশত অপুৰ্নভৱ কুণ্ড আছে। 'কালিকা পুৰাণ' মতে, বিষ্ণুৱে জ্বৰাসুৰক বধ কৰি জ্বৰত পীড়িত হৈ এই অপুৰ্নভৱ কুণ্ডত স্নান কৰিছিল। 'যোগিনীতন্ত্ৰ' মতে, এই অপুৰ্নভৱ কুণ্ডত স্নান কৰিলে পুনৰ্জন্ম নহয়। এই মুক্তি কুণ্ডৰ বিবৰণ দি অনন্ত কন্দলিয়ে ৰচিছে :

"হাজো হেন নাম পবিত্ৰ উত্তম
স্থান কামৰূপৰ মাজে
মণিকূট গিৰি শিখৰত আছে
হয়গ্ৰীৱ দেৱ ৰাজে।
কাষতে লোহিত্য বহুত্ত পবিত্ৰ
কুণ্ড আছে সেহি স্থান।
অপুৰ্নভৱ নাহি জন্ম পুনৰ্বাৰ
ইহাত কৰিলে স্নান।" (অযোধ্যা কাণ্ড ৰামায়ণ)

পঞ্চতীৰ্থ দৰ্শন কৰিবলৈ হ'লে পোনতে গোকৰ্ণ পৰ্বতৰ নামনিত থকা অপুৰ্নভৱ কুণ্ডত স্নান কৰি গণেশ, কেদাৰ, কমলেশ্বৰ দৰ্শন কৰিব লাগে।

উৰ্ব ঋষিয়েও অপুৰ্নভৱ কুণ্ডত স্নান কৰি শিৱ-চতুৰ্দশীৰ দিনা গোকৰ্ণ-বিকৰ্ণক সেৱা কৰি কেদাৰ, কমলেশ্বৰ স্থান দৰ্শন কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ কথা যে, বৰ্তমান এই অপুৰ্নভৱ কুণ্ড ব্যক্তিগত লোকে দখলভূক্ত কৰিছে। এই অপুৰ্নভৱ কুণ্ড চৰকাৰে মুক্ত কৰি ৰাইজৰ হাতত অৰ্পণ কৰা উচিত।

"অপুৰ্নভৱত নৰে আগে স্নান কৰি
গোকৰ্ণ যোগীক পাছে দেখে নেত্ৰভৰি
তব পাছে সেৱা কৰে কেদাৰক যায়
অনন্তৰে চলে যাবে কমলৰ ঠাই

উলটি আসন্ত পাছে তাহকৰি নতি
হয়গ্ৰীৱ মাধৱক দেখিবাক প্ৰতি।"

(ৰামচন্দ্ৰ বৰপাত্ৰৰ পঞ্চতীৰ্থ দৰ্শন পদ্ধতি)।

অপুৰ্নভৱ জলত স্নান কৰা মন্ত্ৰ ঃ
"নপুৰ্নজ্জায়তে জন্তুৰ্যস্মাৎ ত্বয়ি নিমজ্জনাৎ
অতঃ স্নামি মহাতীৰ্থ পাপাং হৰ মনোহন্তুতে।"

* * *

সৌভাগ্য কুণ্ড

মণিকূট পাহাৰৰ নামনিৰ পুব-উত্তৰ দিশে আন এটা পুখুৰী থকাৰ সম্ভেদ দিয়ে অতীত বুৰঞ্জীয়ে। এই পুখুৰীটো সৌভাগ্য কুণ্ড বা সোভাগা কুণ্ড নামে জনাজাত আছিল। এই সৌভাগ্য কুণ্ডৰ লগত ভূগৰ্ভস্থ নলীৰে মাধৱ মন্দিৰৰ গৰ্ভ গৃহৰ সৈতে সংলগ্ন আছিল। মন্দিৰৰ ধুই-পখালি পেলোৱা জল-ফুল ভূগৰ্ভস্থ নলীৰে বৈ গৈ কুণ্ডত পৰিছিল। বৰ্তমান মন্দিৰত সেই নলী দেখা নাযায় আৰু সৌভাগ্য কুণ্ডৰো চিন-মোকাম নাই। কিন্তু এই কুণ্ড বিচাৰ-খোচাৰ কৰি, পুনৰ মুকলি কৰাৰ বাবে হাঁইজে চৰকাৰৰ ওচৰত দাবী জনাইছে।

বাৰানসীয়ক কুণ্ড

হাজোৰ আন এটা পৌৰাণিক পৱিত্ৰ কুণ্ড হ'ল— বাৰানসীয়ক কুণ্ড। এই কুণ্ড অপুৰ্নভৱ কুণ্ডৰ ন ধেনু আঁতৰত থকা বুলি যোগিনীতন্ত্ৰত উল্লেখ আছে। এই কুণ্ড সাত ধনুৰ পৰিমাণ বুলি কোৱা হৈছে। এই কুণ্ডত স্নান কৰিলে মানুহে মৃত্যুৰ

পাছত মোক্ষ লাভ কৰিব পাৰে বুলি বিশ্বাস আছিল। বাৰানসীয়ক আৰু মাৰ্কণ্ডেয় হ্রদত স্নান কৰি কামেশ্বৰ-শিৱক দৰ্শন কৰি বাকী তীৰ্থ দৰ্শন কৰিব লাগে।

"হ্রদে বাৰানসীয়েচ মাৰ্কণ্ডেয় হ্যদে তথা
স্নাত্বা কামেশ্বৰং দৃষ্টা কল্পবৃক্ষ নমেত্ততঃ।।"

এই কুণ্ডৰ পাৰত পূজা-উৎসৱ আদি পালন হোৱাৰ কথাও উল্লেখ পোৱা যায়। কিন্তু এই কুণ্ড বৰ্তমান দেখা নাযায়। এই কুণ্ডটো বিচাৰ-খোচাৰ হোৱা বাইজে বিচাৰে।

বিষ্ণু পুষ্কৰ (মাধৱ পুখুৰী)

মণিকূট পাহাৰৰ উত্তৰ দিশে নামনিত মন্দিৰৰ এটি প্ৰকাণ্ড পুখুৰী আছে। পূৰণি কালত এই পুখুৰীক বিষ্ণু পুষ্কৰ নামে জনাজাত আছিল। আজিকালি ই মাধৱ পুখুৰী নামে জনাজাত। পুখুৰীটোৰ বৰ্তমান মাটি-কালি প্ৰায় ১৭ বিঘা বুলি জনা যায়। 'যোগিনীতন্ত্ৰ'ত এই পুখুৰী মণিকূটৰ পূব কালে থকা বুলি উল্লেখ আছে। এই পুখুৰীত স্নান কৰিলে মানুহৰ শ্ৰীবৃদ্ধি হয় বুলি কোৱা আছে। বৌদ্ধসকলেও এই পুখুৰীত স্নান কৰিলে বা জলস্পৰ্শ কৰিলে সৌভাগ্য লাভ কৰিব পাৰে বুলি বিশ্বাস কৰে। আজিও মাধৱলৈ অহা যাত্ৰীসকলে পোনতে এই পুখুৰীৰ পানীত ভৰি-হাত পোখালি বা নৈবেদ্য-ফুল-তুলসীত পানী চটিয়াই, গাত পানী চটিয়াই— মন্দিৰত প্ৰৱেশ কৰাৰ নিয়ম। মাধৱ পুখুৰীত থকা বৌ-ভকুৱা মাছ আৰু কাছ দৰ্শনাৰ্থীৰ আকৰ্ষণৰ বস্তু। ২০০৭ বৰ্ষত চৰকাৰে মাধৱ পুখুৰী পুনৰ মেৰামতিৰ কাম কৰে।

"মণিকূটস্য পূৰ্বেত্তু নাতিদূৰে মহেশ্বৰী
বিষ্ণুপুষ্কৰকং নাম সৰ্বতীৰ্থোত্তমং জলং।"
"পুষ্কৰা কাৰমাস্থায় স্থিতেহসিন্বং সুধাতলে।
মৰ্ত্ত্যলোক হিতাৰ্থায় পাপং মে হৰ পুষ্কৰ।"

মাৰ্কণ্ডেয় হ্ৰদ

কামেশ্বৰ মন্দিৰৰ দক্ষিণ দিশত নামনিত অপুৰ্নভৱ কুণ্ড। অপুৰ্নভৱ কুণ্ডৰ ন ধেনু আঁতৰত বাৰানসীয়ক কুণ্ড। এই বাৰানসীয়ক কুণ্ডৰ পূব দিশত মাৰ্কণ্ডেয় নামেৰে হ্ৰদ এটি থকাৰ কথা 'যোগিনীতন্ত্ৰ'ত উল্লেখ আছে। এই হ্ৰদটোৰ দৈৰ্ঘ্য পাঁচ ধনুৰ পৰিমাণ বুলি উল্লেখ আছে। কিন্তু পুথিখনে নিৰ্দেশনা কৰা স্থানত বৰ্তমান তেনে কোনো হ্ৰদ থকা দেখা নাযায়। মাৰ্কণ্ডেয় হ্ৰদত স্নান কৰিলে সকলো পাপৰ পৰা মুক্ত হয় বুলি বিশ্বাস।

'মাৰ্কণ্ডেয়ো মুনিশ্ৰেষ্ঠত্ব পস্তেপে মহামতিঃ।
মাৰ্কণ্ডেয়ো হ্ৰদো নাম পাপং মন হৰোহৰ।'

ব্ৰহ্ম সৰোবৰ কুণ্ড

মাৰ্কণ্ডেয় হ্ৰদৰ প্ৰায় ওচৰতে ব্ৰহ্ম সৰোবৰ নামৰ এটি সৰোবৰ থকাৰ কথাও উল্লেখ পোৱা যায়। এই সৰোবৰৰ বিস্তৃতি প্ৰায় একৈশ ধনু পৰিমাণ বুলি কোৱা হৈছে। এই সৰোবৰত স্নান কৰিলে সকলো পাপ বিনাশ হয় আৰু শোক-তাপৰ পৰা মুক্ত হয়।

'কুণ্ডং ব্ৰহ্মসৰো নাম একবিংশতিমানতঃ
তত্ৰ স্নাত্বা ক্লেশ হৰংনপুৰ্ভৱ মাদিশেৎ।।'

স্বৰ্গ দ্বাৰ

'যোগিনীতন্ত্ৰত উল্লেখ আছে যে, অপুৰ্নভৱ কুণ্ডৰ পূব দিশত থকা পাহাৰখনৰ দুটা প্ৰকাণ্ড শিলৰ মাজেদি এটা পথ আছে। এই পথটোৱে হ'ল— স্বৰ্গদ্বাৰ। এই স্বৰ্গদ্বাৰেৰে সোমাই মদনাচল আৰু গৰুড়াচলৰ পাহাৰৰ ঠাই বিশেষত ওলাব পাৰি।

কপিল মুনিৰ আশ্ৰম

এসময়ত হাজোলৈ বিভিন্ন ঋষি-মুনিৰ আগমন হৈছিল আৰু এঠাইখণ্ড ঋষি-মুনিৰ বাসভূমি হৈছিল। প্ৰায় সত্তৰৰ দশকলৈ হাজো বিভিন্ন স্থানত সন্ন্যাসীসকলক তপ-জপ কৰা অবস্থাত দেখা গৈছিল। কপিল মুনিয়ে কেদাৰ মন্দিৰৰ দক্ষিণ-পশ্চিম দিশত থকা মদনাচল পাহাৰত অৰণ্যৰ মাজত আশ্ৰম প্ৰতিষ্ঠা কৰিছিল বুলি জনা যায়। তাত তেওঁ শিলৰ গুহাৰ এই আশ্ৰম প্ৰতিষ্ঠা কৰিছিল। 'যোগিনীতন্ত্ৰ'ত কপিল মুনিৰ আশ্ৰমৰ কথা উল্লেখ আছে।

চৈতন্যঘোপা

মণিকূট পাহাৰৰ দক্ষিণ-পশ্চিম দিশত নামনি ভাগত বৰাহকুণ্ডৰ পাৰত চৈতন্যঘোপা আজিও দেখা যায়। এই গুহাটো ঘাঁহ-বনে আগুৰি অপৰিস্কাৰ হৈ আছে। প্ৰবাদ মতে বংগদেশৰ বৈষ্ণৱ গুৰু চৈতন্যদেৱ (১৪০৭) কামৰূপলৈ আহোতে মাধৱ মন্দিৰলৈও আহিছিল আৰু এই গুহাতে কিছুকাল কটাই গৈছিল। ৰামৰায়দ্বিজৰ মতে এই বৰাহকুণ্ডতে চৈতন্যদেৱ আৰু দামোদৰদেৱৰ মিলন হৈছিল।

"বৰাহ কুণ্ডত পূৰ্বে চৈতন্য আছিলা।
মণিকূটে দুয়োজনে সম্ভাষণ ভৈলা।।
পৰম আনন্দে দুয়ো দুইকো আশ্বাসিলা।
তথা হন্তে শ্ৰীচৈতন্য জগন্নাথ গৈলা।"

কোনো কোনো চৰিতকাৰৰ মতে, মাধৱ মন্দিৰতে চৈতন্যদেৱে দামোদৰদেৱক শৰণ-ভজন দিছিল।

বল্লভানদী

হয়গ্ৰীৱ মাধৱৰপৰা প্ৰায় এক কিলোমিটাৰ মান দূৰত্বৰে উত্তৰ দিশে পুঠিমাৰী নৈ বৈ গৈছে। অতীতত এই নদীক বল্লভানদী নামেৰে জনা গৈছিল। এই নদীত

মাঘ আৰু ফাগুন মাহৰ চতুৰ্দশী তিথিত স্নান কৰিলে সকলো পাপ নাশ হয় বুলি কোৱা হৈছে।

"ততঃ প্ৰভাতে দেবেশি মণিকূটস্য চোতৰে
বল্লভাখ্যা নদী পুণ্যা সৰ্বপাপ প্ৰমোচনী।"

মদন চত্ৰালিৰ দিনা হয়গ্ৰীৱ মাধৱ, কেদাৰ আৰু কামেশ্বৰৰ বিগ্ৰহক সজাই-পৰাই ঢুলীয়া, খুলীয়া, দণ্ড, ছত্ৰ চোঁৱাৰে দোলাত তুলি নি এই পুঠিমাৰী (লখাইতাৰা, গলকটা) নৈৰ পাৰত পূজা-অৰ্চনা কৰা হয় আৰু নৈৰ পানীৰে বিগ্ৰহক স্নান কৰোৱা হয়। এই প্ৰথা অতীজৰপৰা আজিলৈ চলি আছে।

ব্ৰহ্ম কুণ্ড বা বৰাহ কুণ্ড

হয়গ্ৰীৱ মাধৱ মন্দিৰৰ দক্ষিণ দিশত বৰাহকুণ্ড আজিও বিদ্যমান। প্ৰবাদ মতে, বৰাহকুণ্ডত স্নান কৰি, পশ্চিমৰ খটখটিৰে উঠি মাধৱক দৰ্শন কৰিব লাগে। উৰ্ব মুনিয়ে এই বৰাহকুণ্ডতে প্ৰাতঃ স্নান কৰি, মাধৱক পূজা-অৰ্ঘ্য দিছিল। প্ৰবাদমতে, এই বৰাহকুণ্ডত স্নান কৰি মন্দিৰৰ পশ্চিম দিশত থকা কৃষ্ণাখ্য শৈলৰূপ বৰাহ দেৱতাক সেৱা-পূজা কৰিলে বিষ্ণুলোকপ্ৰাপ্তি হয় বুলি কোৱা হয়।

'কৃষ্ণাখ্য শৈলৰূপ বৰাহ' মূৰ্তি বৰ্তমান বৰাহ টোলাত স্থাপিত কৰা হৈছে।

ভীমৰ চৰিয়া

গণেশ মন্দিৰ পাৰ হৈ কেদাৰ মন্দিৰলৈ উঠা পথৰ সোঁফালে প্ৰখ্যাত ভীমৰ চৰিয়া বিৰাজমান। এটা প্ৰকাণ্ড শিলত এই চৰিয়া খোদিত হৈছে। প্ৰবাদমতে, শিৱৰ গৃহত থকা সময়ত ভীমে এই চৰিয়াটোত পন্তা (পইতা) ভাত খাইছিল। সেই বাবে এই চৰিয়াটোৰ নাম ভীমে পন্তা ভাত খোৱা চৰিয়া নামে খ্যাত হৈ আছে। কোনো কোনোৱে এই চৰিয়াক শিৱৰ ভাং খুন্দা পাত্ৰ বুলি ক'ব খোজে।

শালবৃক্ষ

কেদাৰ মন্দিৰৰ দক্ষিণ-পূব দিশত এজোপা প্ৰকাণ্ড শালবৃক্ষ আছে। স্থানীয় লোকে এই শালগছডালক 'বৰশাল' বুলি কয়। তিব্বতৰ বৌদ্ধ লোকসকলে এই শালবৃক্ষৰ তলতে বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণ হোৱা বুলি বিশ্বাস কৰে।

কাকৰা সাগৰ

কামেশ্বৰ পাহাৰৰ দক্ষিণ-পূব বিশাল অঞ্চলটোক কাকৰা সাগৰ বা ঝিনঝিৰি সাগৰ নামেৰে জনাজাত। এই সাগৰেৰে সতী বেউলাই মৃত স্বামী লখিন্দাৰক হাজোৰ 'দেৱভৱন'লৈ আহি পুনৰ জীয়াই তুলিবলৈ সক্ষম হৈছিল। গণেশ মন্দিৰৰ ঠাইখণ্ডক 'দেৱ ভৱন' কোৱা হৈছিল।

গোকৰ্ণ

মদনাচল পাহাৰৰ পশ্চিম দিশত, অপূৰ্নভৱ কুণ্ডৰ পাৰত শুই থকা অৱস্থাত থকা শিলৰ বৃষভ বা বলধটোকে গোকৰ্ণ নামে জনা যায়। কালিকা পুৰাণৰ মতে, এই গোকৰ্ণই হৈছে শিৱমূৰ্তি। তেওঁ হয়গ্ৰীৱা নামে ব্ৰহ্মস্বৰূপিণী এটি শিলাখণ্ডত এনেদৰে অৱস্থান কৰিছে।

বাৰানসীয়ক কুণ্ড নাইবা মাৰ্কণ্ডেয় সৰোবৰত স্নান কৰি, শিৱক দৰ্শন কৰিলে সৰ্বপাপ নাশ হয় বুলি কোৱা হৈছে। তাৰ পিছত গোকৰ্ণ আৰু বিকৰ্ণ দৰ্শন কৰিব লাগে। গোকৰ্ণক প্ৰণাম জনাব লাগে এনেদৰে ঃ

"ত্ৰিশূলা ভয়হস্তায় জটাভাৰ বিধাৰিণে।
বৃষধ্বজায় দেৱায় গোকৰ্ণায় নমোনমঃ।।"

বিকৰ্ণ

মদনাচল পাহাৰ দক্ষিণ-পশ্চিম দিশত এচটা শিলত থকা চতুৰ্ভূজ বিষ্ণুমূৰ্তিটোকে বিকৰ্ণ বুলি জনা যায়। গোকৰ্ণৰ আকৃতি বৃষভৰ দৰে আৰু বিকৰ্ণৰ আকৃতি পুৰুষৰ দৰে। বিকৰ্ণৰ প্ৰণাম মন্ত্ৰ ঃ

"যুগৰূপায় দেবায় চন্দ্ৰ হস্তায় বিষ্ণৱে।
গদাশাৰঙ্গ হস্তায় বিকৰ্ণায় নমোনমঃ।।"

মদনাচল

শিৱৰ আন নাম মদন। দক্ষ যজ্ঞৰ পিছত মদনে পাৰ্বতীৰ মৃত শ কান্ধত তুলি লৈ চৌদিশ ঘূৰি ভাগৰি পৰি হাজোৰ যি পাহাৰত জিৰণি লৈছিল, সেই পাহাৰখনৰ নামে মদনাচল পাহাৰ। এই মদনাচল পাহাৰতে কেদাৰ আৰু কমলেশ্বৰ মন্দিৰ আছে। মদনাচল পাহাৰৰ আৰোহণ মন্ত্ৰ ঃ

"মদন সাগৰ শ্ৰেষ্ঠ সুখ সৌভাগ্যদায়ক।
আৰোহয়ামি শিখৰং পাপং হৰ নমোহস্ততে।।"

নেতাই ধুবুনীৰ ঘাট

কাকৰা সাগৰৰে ভেলত সতী বেউলাই মৃত স্বামী লখিন্দাৰক লৈ হাজো পাইছিল। গণেশ মন্দিৰৰ ঠাইখিনিক সেই সময়ত 'দেৱ ভৱন' কৈছিল। ইয়াতে নেতাই ধুবুনীৰ সহায়ত, শিৱৰ অনুগ্ৰহত বেউলাই মৃত স্বামীক জীয়াই তুলিছিল। ইয়াৰ কাষতে আছে— নেতাই ধুবুনী ঘাট, গোধায় বৰশী বোৱা শিল, বেউলাই ভেল ৰখা শিলৰ চিহ্ন, সৰ্প ভেলালে অহা পথ আৰু নেতাই ধুবুনীৰ প্ৰতিমূৰ্তি

পাখামেলা গোসাঁইৰ থান

শ্ৰীকৃষ্ণই হেনো ৰুক্মিণীক হৰণ কৰি গৰুড় পক্ষীৰে উৰি আহিছিল। গৰুড়পক্ষী কিছু অৱশ হোৱাত শ্ৰীকৃষ্ণই ৰুক্মিনীসহ হাজোৰ পাহাৰ এখনত ক্ষন্তেক জিৰণি লৈছিল। কালক্ৰমত এই পাহাৰে 'গৰুড়াচল' পাহাৰ নামে জনাজাত হ'ল। জিৰণি লোৱা পাহাৰখনৰ পৰা ডৌকা মাৰি— যি স্থানৰ পৰা গৰুড়পক্ষীয়ে পাখা মেলিছিল, সেই স্থানে পাখামেলা গোসাঁইৰ থানৰূপে জনাজাত হৈছে। থানখনৰ বিগ্ৰহো গৰুড়পক্ষী। পক্ষীৰাজ গৰুড়ৰ ওপৰত চতুৰ্ভূজ কৃষ্ণই অৱস্থান কৰিছে। এইখন স্থান বৰ প্ৰমাণযুক্ত বুলি আখ্যান আছে আৰু এই থানৰ নামে গোসাঁই অৱস্থান কৰা চ'কটোৰ নাম পাখামেলা বুলি খ্যাত হৈছে। ইয়াত নিয়মিত পূজা অৰ্চনা আৰু নাম-কীৰ্তন চলে।

দুমুখীয়া গোঁসাইৰ থান
(শ্ৰীশ্ৰী হৰ-পাৰ্বতীৰ থান)

হাজোৰ আন এখন মহিমাযুক্ত থান হ'ল দুমুখীয়া গোঁসাইৰ থান শ্ৰীশ্ৰীহৰ-পাৰ্বতী থান। এটা শিলত পিঠিয়া-পিঠিকৈ হৰ আৰু পাৰ্বতীয়ে অৱস্থান কৰিছে। হৰ আৰু পাৰ্বতী দুয়োগৰাকীয়ে আসনত ধ্যানমগ্ন অৱস্থাত আছে। অনেকে এই বিগ্ৰহটোক দুমুখীয়া গোসাঁইৰ থান বুলি কয়। এই থানৰ নামে টোলাখনৰ নাম মহাদেৱটোলা ৰখা হৈছে। ইয়াত পুৰণি মঠ-মন্দিৰ নাই যদিও, বৰ্তমানে স্থায়ী মঠ আৰু দেৱালয় গৃহৰ কাম বাইজে হাতত লৈছে। এই দেৱালয়খনে দূৰ-দূৰণিৰ ধৰ্মপ্ৰাণলোকক আকৰ্ষণ কৰি আহিছে। ইয়াত শি[illegible] মেলা উলহ-মালহৰে পালন কৰা হয়।

বুঢ়া গোসাঁইৰ থান

শ্ৰীশ্ৰী হৰ পাৰ্বতী থানৰ দক্ষিণ দিশে সামান্য আঁতৰত, সোণাৰী টোলাত আৰু গণেশটোলাত থকা বিগ্ৰহ দুটাক বুঢ়া গোসাঁইৰূপে সেৱা পূজা আগবঢ়াই অহা হৈছে। বিগ্ৰহটো শিলৰ। শিলটোৰ দুয়োপিঠিত একে ধৰণৰ চিহ্ন দেখা যায়। থাপনাত অন্যান্য মূৰ্তিও দেখা যায়। হৰ-পাৰ্বতী, বুঢ়া গোসাঁইৰ নিৰ্মাণকাল— হয়গ্ৰীৱ মাধৱৰ সম সাময়িক হ'ব পাৰে বুলি আমাৰ বোধ হয়। মূৰ্তি কেইটাৰ খোদিত কাৰুকাৰ্য চমকপ্ৰদ। ইয়াৰ নিপুণ কলা-শিল্পৰ অনন্য নিদৰ্শনৰূপেও আঙুলিয়াব পৰা যায়। ইয়াত স্থানীয় ৰাইজে নিত্য চাকি-বন্তি আৰু সেৱা-পূজা আগবঢ়াই আহিছে।

* * *

হয়গ্ৰীৱ মাধৱত
মাধৱদেৱৰ আঙুলি আৰু পদচিহ্ন

মাধৱদেৱে বামদিয়াৰ কালিত কসৰতি কৰি থাকোঁতে, থোপৰগুৰি সত্ৰৰ লক্ষ্মীকান্ত আতৈয়ে সেৱকসকলৰ লগত চাউল, চক, বস্ত্ৰ-বস্তু আদি লৈ গুৰুজনাক সেৱিবলৈ ধৰে। সেই সময়তে ভক্তসকলে গুৰুজনাক হয়গ্ৰীৱ মাধৱ মন্দিৰ দৰ্শন কৰিবলৈ আমন্ত্ৰণ জনায়। তেওঁলোকৰ আমন্ত্ৰণ মৰ্মে মাধৱদেৱে মাধৱ মন্দিৰ দৰ্শন কৰে।

হয়গ্ৰীৱ মাধৱক প্ৰণাম কৰি তেওঁ থিয় হৈ প্ৰণামি স্থানৰ দুৱাৰৰ ওপৰৰ শিলত দুই হাতেৰে স্পৰ্শ কৰিছিল। তেওঁ স্পৰ্শ কৰা দুয়োখন হাতৰ আঙুলিৰ চিহ্ন শিলত হৈ যায়। এখন ভৰিৰ চিহ্নও সেই স্থানতে তলৰ শিলত হৈ যায়।

আডাম গুৰু মাজাৰ শ্বৰীফ

কলিতাকুছি চ'ৰৰ ওচৰত ৰূপেটা পথৰ উত্তৰ দিশে আডাম গুৰু মাজাৰ শ্বৰীফ অৱস্থিত। এই মাজাৰ শ্বৰীফ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এক বিস্ময়কৰ কাহিনী যুক্ত হৈ আছে। এতিয়া য'ত মাজাৰ শ্বৰীফ আছে, এসময়ত সেই ঠাই খণ্ড অটব্য হাবি-বননিৰে ভৰা অঞ্চল আছিল। দিনতে তাত বাঘ ওলাই মানুহ-গৰু ভক্ষণ কৰিছিল। মানুহে ওলাব-সোমাব ভয় কৰা হৈছিল। কিন্তু সেই ঠাইখণ্ডলৈ ক'ৰবাৰপৰা এজন দহ-বাৰ বছৰীয়া ল'ৰাৰ আগমন হ'ল। ল'ৰাজনে দেও-ভূত, বাঘ-ৰবা একোকে ভয় নকৰে। তেওঁ আনকি তাৰ পৰিয়ালসমূহৰ গৰু-গাই চৰোৱাৰো দায়িত্ব ল'লে। ৰাইজে গোপনে লক্ষ্য কৰি দেখা পালে যে, বাঘে-ৰবাই তাক বাট এৰি দিয়ে, সি চৰোৱা গৰু বাঘে নাখায়, বাঘে তাক ছাঁ দি আগুৰেছে। ল'ৰাজনৰ এই অলৌকিক গুণত ৰাইজ মুগ্ধ হয় আৰু তেওঁ কোন জানিব বিচাৰে। ল'ৰাজনে ক'লে যে, এজন মানৱ সন্তান (আডাম)। তেওঁ সমাজত শ্ৰেষ্ঠ মানুহ গঢ়িবলৈ আহিছে। লগতে ঠাইখণ্ডত কোনো মাৰি-মৰক নহ'ব বুলিও ল'ৰাজনে প্ৰতিশ্ৰুতি দিলে। তেওঁ ক'লে যে, পাছদিনাৰপৰা তেওঁ সাতদিনলৈ তাত আঠুৰা তৰি শুই থাকিব। কোনেও যেন সাতদিনলৈ আঠুৰা দাঙি নেচায়। কিন্তু সাতদিনা নৌহওঁতে কোনোবা এজনে আঠুৰা দাঙি চোৱাত দেখে ল'ৰাজন তাত নাই। ল'ৰাজনে সপোনত দেখুৱালে যে, তেওঁ ভৰা মতে কাম কৰিবলৈ নেপালে। সি যি কি নহওঁক, তেওঁ আঠুৰা টানি শোৱা ঠাই টুকুৰাত এটা মাজাৰ শ্বৰীফ প্ৰতিষ্ঠা কৰা হওঁক। সেই মৰ্মে তাত এটা মাজাৰ শ্বৰীফ প্ৰতিষ্ঠা কৰা হ'ল। সেইটোৱে 'আডাম গুৰু মাজাৰ শ্বৰীফ' নামেৰে জনাজাত হ'ল। বহাগ আৰু জেঠ মাহৰ দোমাহীৰ দিনা ল'ৰাজন অন্তৰ্ধান হৈছিল। সেইবাবে প্ৰত্যেক বছৰে বহাগ-জেঠৰ দোমাহীৰ দিনা 'আডাম গুৰু মাজাৰ শ্বৰীফ'ত জিকিৰ আৰু দৰুদ পাঠ কৰা হয়।

জনশ্ৰুতি মতে, সেই সময়ত তাত বস-বাস কৰা মানুহখিনিৰ অধিক সংখ্যক কলিতা আৰু ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোক আছিল। পিছত আডাম গুৰুৰ

মাহাত্মত মোহিত হৈ কলিতা আৰু ব্ৰাহ্মণলোকখিনিয়ে জিকিৰ আৰু দৰুদ পাঠ কৰি মুছলিম ধৰ্মত দীক্ষিত হয় বুলি কোৱা হৈছে। ঠাইখণ্ডত কলিতা সকল থকাৰপৰা কলিতাকুছি আৰু ব্ৰাহ্মণ সকল থকাৰ বাবে বামুণবড়ী বুলি কোৱা হয় বুলি জনশ্ৰুতিয়ে কয়।

মাজাৰ শ্বৰীফত ভক্তসকলে নিজৰ কামনা সিদ্ধিৰ বাবে চাউল, মুৰ্গী, গৰু, মম, ধূপ আদি আগবঢ়াই আহিছে।

আজ্ঞাঠুৰীৰ গণেশ মন্দিৰ

আজ্ঞাঠুৰী গাঁৱৰ দক্ষিণ মূৰৰ আজ্ঞাঠুৰী পাহাৰৰ পশ্চিম মূৰত হাজো-গুৱাহাটীৰ গড়কাপ্তানি পথৰ আজ্ঞাঠুৰী পাহাৰৰ কেঁকুৰি অংশত ব্ৰহ্মপুত্ৰৰ পাৰত এই গণেশ মন্দিৰ অৱস্থিত। এটা প্ৰকাণ্ড শিলত এই গণেশ দেৱতাৰ মূৰ্তি খোদিত হৈছে। এই গণেশ মূৰ্তিৰ নিৰ্মাণকাল হাজোৰ গণেশৰ সম-সাময়িক যেন লাগে। কিংবদন্তীমতে, পাণ্ডৱসকলে ৰাজসূয় যজ্ঞ কৰি যজ্ঞৰ ঘোঁৰা এৰি দিয়াত, সেই ঘোঁৰা বিচাৰি অহা খনিকৰে এই গণেশৰ মূৰ্তি অংকিত কৰে। কোনোৱে আকৌ বাণ ৰজাই এই গণেশৰ মূৰ্তি অংকিত কৰাই দিয়ে বুলি ক'ব খোজে। গণেশৰ পশ্চিমত আছে ৰাক্ষসিনী পাহাৰ। এসময়ত গণেশৰ মন্দিৰৰ কাষেৰে উত্তৰী গংগা উত্তৰ দিশলৈ বৈ গৈছিল। এই মন্দিৰৰ নামত পৰিচালনা সমিতি আছে। মন্দিৰত নিয়মিত পূজা-অৰ্চনা হয়।

অভয়পুৰৰ গণেশ মন্দিৰ

অভয়পুৰৰ শিলাদ্বাৰ পাহাৰৰ পশ্চিম দাঁতিত 'পত্নীবাৰী'ত এই গণেশ মন্দিৰ অৱস্থিত। এই গণেশৰ স্থানো অতি পুৰণি। এই গণেশৰ মূৰ্তি শিলৰ। ইয়াত নিয়মিত পূজা অৰ্চনা আৰু উৎসৱ পাৰ্বন আদি চলে। কেদাৰ মন্দিৰৰ উত্তৰ দিশতো এটা গণেশৰ শিলৰ মূৰ্তি আছে।

চক্ৰশিলা হৰি মন্দিৰ

চৈচামুখৰ চক্ৰশিলা হৰি মন্দিৰ এখন পুৰণি তীৰ্থ। কিংবদন্তীমতে শ্ৰীকৃষ্ণই কুণ্ডিল কুঁৱৰী ৰুক্মিণীক হৰণ কৰিবলৈ আহোতে এই স্থানত ৰথ ৰাখি খন্তেক জিৰণি লৈছিল। তেওঁৰ হাতৰ সুদৰ্শন চক্ৰ শিল এটাত থোৱাত, শিলত চক্ৰৰ চিহ্ন ৰৈ যায়। ইয়াৰ পৰাই ঠাইখণ্ড চক্ৰশিলা নামে জনাজাত হয়। সেই সময়ৰ পৰাই ইয়াত মন্দিৰ প্ৰতিষ্ঠা হোৱা বুলি জনা যায়। ঠাইখণ্ডত পুৰণি মন্দিৰ নাই যদিও এতিয়াও পুৰণি ভগ্ন চিহ্ন পোৱা যায়।

আন এটা কাহিনীমতে মধ্যম পাণ্ডৱ অৰ্জুনে বনবাসলৈ আহি এই ঠাইত এনিশা জিৰণি লৈছিল। সেই সময়তে তেওঁ ইয়াৰ এটা শিলত শ্ৰীকৃষ্ণৰ সুদৰ্শন চক্ৰৰ চিহ্ন অংকন কৰি তাত পূজা কৰিছিল। তেতিয়াৰপৰাই ইয়াত মন্দিৰ প্ৰতিষ্ঠা হৈ পূজা-পাতাল চলে। কালৰ গতিত পুৰণি মন্দিৰ ধ্বংসপ্ৰাপ্ত হয়।

পঞ্চাশৰ দশকত বিদ্যাৎ চন্দ্ৰ বৈষ্ণৱে এই পবিত্ৰ ভূমি পুনৰ উদ্ধাৰ কৰে। ইয়াত থকা এজোপা বৰগছৰ খোৰোঙত বহুতো সাধু-সন্ন্যাসীয়ে আশ্ৰয় পাতিছিল। সেই সময়ত ঠাইখণ্ড 'চক্ৰশিলা আশ্ৰম' ৰূপে জনাজাত হৈছিল। ১৯৮৮ চনৰ বিশ জানুৱাৰীৰপৰা হৰেশ্বৰ দাসৰ যত্নত এই স্থানত সদানন্দ ব্ৰহ্মচাৰীয়ে 'হৰি মন্দিৰ'ৰ ভেটি স্থাপন কৰে। ১৯৯০ চনৰ দুই ফেব্ৰুৱাৰীত মন্দিৰৰ ভিতৰত চতুৰ্ভূজ হৰিমূৰ্তি প্ৰতিষ্ঠা কৰা হয়। বৰ্তমান স্থানত মঠ আৰু ভোগ গৃহ নিৰ্মাণ হৈছে। মন্দিৰত নিয়মিত পূজা-পাতাল, নাম-কীৰ্তন চলে। প্ৰতি বছৰে উনৈশ মাঘৰ দিনটো প্ৰতিষ্ঠা দিৱস ৰূপে পালন কৰা হয়। তদুপৰি জন্মাষ্টমী, শংকৰদেৱ, মাধৱদেৱ আৰু দামোদৰ দেৱৰ তিথিও পালন কৰা হয়।

সাৰ্বজনীন শিৱ মন্দিৰ

চৈচামুখৰ বজাৰৰ ওচৰত হীৰাপাৰাত সাৰ্বজনীন শিৱ মন্দিৰ অৱস্থিত। ই এখন পুৰণি তীৰ্থ স্থান। কেইবাশ বছৰ আগতে ইয়াৰ কেইজনমান হীৰাৰ বাচন ব্যৱসায়ীয়ে পুঠিমাৰী নৈৰে বাচন বিক্ৰী কৰিবলৈ গৈ গুৱাহাটীৰ ওচৰত হাবিজাৰা

ঘাটত নাও বান্ধিছিল। নিশা তেওঁলোকে সপোনত দেখিলে যে তেওঁলোকে য'ত নাও বান্ধিছে, সেই স্থানত নৈৰ বুকুত এটা শিৱ লিংগ যোনি সহ পৰি আছে। পাছদিনা তেওঁলোকে সপোনত দেখা মতে বাঁহৰে খুচি চাই পানীত ডুবিয়াই সেই শিৱ লিংগ উদ্ধাৰ কৰে। ভক্তিভাৱে সেই শিৱলিংগ তেওঁলোকে চেঁচামুখলৈ লৈ আহে। তেওঁলোক আহি বেৰজানৰ কাষ পোৱাত, লগতে সেই খবৰ ৰাইজক দিয়াত, ৰাইজে গৈ বাদ্য-বাজনাৰে আদৰি আনি হীৰাপাৰাত স্থাপন কৰে। শিলত খোদিত এই শিৱ লিংগ আৰু যোনিৰ কাৰু কাৰ্য অতি পুৰণি আৰু চমকপ্ৰদ। ই এখন প্ৰামাণিক তীৰ্থ। ইয়াত নিত্য পূজা-অৰ্চনা চলে। ৰাইজে 'শিৱৰাত্ৰি' উৎসৱটি বিস্তৃত কাৰ্যসূচীৰে পালন কৰে।

সৎসংগ বিহাৰ

দমদমাত শ্ৰীশ্ৰীঠাকুৰ অনুকূল চন্দ্ৰৰ শ্ৰীমন্দিৰ ১৯৮৬ চনত স্থাপিত হয়। এই মন্দিৰ দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উত্তৰ দিশত, দমদমা ৰৰৈৰে গড়কাপ্তানি পথৰ দাঁতিত অৱস্থিত। মূল মন্দিৰত শ্ৰীশ্ৰীঠাকুৰৰ ফটো স্থাপন কৰা হৈছে। আচাৰ্য ভৱনত শ্ৰীশ্ৰীবড়দাৰ ফটো প্ৰতিষ্ঠা কৰা হৈছে।

মন্দিৰত পুৱা সামূহিক প্ৰাৰ্থনা, স্বহস্ত লিখিত সত্যানুসৰণ আৰু ধৰ্মপুথিসমূহ পাঠ কৰা হয়। দহ বজাত ভোগ নিবেদন হয়। গধূলিও সমূহীয়া পূজা-অৰ্চনা, স্বহস্ত লিখিত সত্যানুসৰণ আৰু ধৰ্মপুথিসমূহ পাঠ কৰা হয়। প্ৰতি বছৰে ভাদৰ ত্ৰিশ তাৰিখে ঠাকুৰৰ জন্মোৎসৱ পালন কৰা হয়। যোল্ল ফেব্ৰুৱাৰীত শ্ৰীমন্দিৰৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়।

শ্ৰীবাসুদেৱ মন্দিৰ

কুলহাটীৰ ধনেশ্বৰী পাহাৰৰ পশ্চিম দিশত শ্ৰীশ্ৰীবাসুদেৱ মন্দিৰ অৱস্থিত। মন্দিৰত শ্ৰীকৃষ্ণৰ প্ৰস্তৰ মূৰ্তি স্থাপিত হৈছে। মন্দিৰৰ মূল মঠ, ভোগঘৰ আৰু চ'ৰাঘৰ আছে। নিয়মিত পূজা পাতল আৰু ভোগ ভাত হয়।

ৰাইজে প্ৰতিবছৰে মাঘ মাহৰ পূৰ্ণিমা তিথিত হোম যজ্ঞ কৰে আৰু দুই-তিনিদিনীয়াকৈ 'মাঘী পূৰ্ণিমা' উৎসৱ পালন কৰে। পূৰ্ণিমাৰ আগদিনা, 'চলন্ত বাসুদেৱ'ৰ বিগ্ৰহ ৰথত তুলি লৈ গাঁৱত শোভাযাত্ৰা উলিওৱা হয়। ৰাইজৰ উলহ-মালহেৰে দৌলোৎসৱ পালন কৰে। প্ৰতি বৃহস্পতিবাৰে আৰু তিথি পাৰ্বনে নাম-প্ৰসংগ চলে।

বাপুজী সনাতন আশ্ৰম

ৰৰৈঘে পাহাৰৰ নামনিৰ এটি সৰু টিলাত বাপুজী সনাতন আশ্ৰম স্থাপিত হৈছে। ইয়াত বিষ্ণুমূৰ্তি প্ৰতিষ্ঠা কৰা হৈছে। আহিন মাহৰ শুক্ল অষ্টমীৰ দিনা গীতা সমাৰোহ অনুষ্ঠিত হয়। নাম-কীৰ্তন চলে। এই আশ্ৰম তেতেলীয়া নিবাসী ১০৮ শ্ৰীৰামেশ্বৰ বৈষ্ণৱে প্ৰতিষ্ঠা কৰে। ইয়াত অবিভক্ত কামৰূপ সাধু সেৱক সম্মিলনী আৰু অসম সাধু সেৱক সম্মিলনীৰ অধিৱেশন অনুষ্ঠিত হৈছে।

ৰৰৈঘে পাহাৰৰ ওপৰত 'দামোদৰ দেৱ গোপাল বাবা আশ্ৰম' স্থাপিত হৈছে। ইয়াত উৎসৱ আৰু পূজা-পাতল চলে।

জয়পাল থান

মনাহকুছিত 'জয়পাল থান' অৱস্থিত। ই এখন শিৱ স্থান। মন্দিৰত শিৱ লিংগ স্থাপন কৰা হৈছে। ইয়াত নিয়মিত পূজা-অৰ্চনা আৰু ভোগ ভাত চলে। মূল মঠ, ভোগঘৰ আৰু চ'ৰাঘৰ আছে। দুটা প্ৰকাণ্ড পুৰণি পুখুৰী আছে। থানত শিৱৰাত্ৰি, পাঁচ কাতি উৎসৱ, অষ্ট প্ৰহৰ, মাঘ বিহু, কাতি বিহু, শংকৰ-মাধৱ আৰু দামোদৰদেৱৰ উৎসৱ পালন কৰা হয়।

কালী মন্দিৰ

হাজো অঞ্চলৰ কেইবা ঠাইতো কালী পূজাৰ আয়োজন কৰা হয়। বিভিন্ন মাৰি-মৰকৰ পৰা উদ্ধাৰ পোৱাৰ উদ্দেশ্যে কালী পূজাৰ আয়োজন কৰা হয়।

পছৰীয়া গাঁৱত যোড়শ শক্তিকাতে কালী পূজা আৰম্ভ হয়। প্ৰতি জেঠ মাহৰ অমাবস্যাত এই পূজা উৎসৱ পালন কৰা হয়। পছৰীয়া গাঁৱত কালী মন্দিৰ স্থাপন কৰা হৈছে। অভয়পুৰ গাঁৱতো কালী পূজাৰ মন্দিৰ নিৰ্মাণ কৰা হৈছে। ইয়াত কাতি মাহৰ ভূত চতুৰ্দশী তিথিৰ দিনা নিশা কালী পূজাৰ দিহা কৰা হয়। গেৰুৱা আৰু নকুছি গাঁৱতো কালী মন্দিৰ আছে আৰু ইয়াতো পূজা পাতল কৰা হয়। কালী পূজাত বলি বিধানৰ ব্যৱস্থা আছে।

অন্যান্য থান আৰু মন্দিৰ

ক্ষেত্ৰী হাৰদিয়াত আছে বকুল তল শিৱথান, বৰলাহত শ্ৰীবিষহৰি থান, বামুন্দিত শ্ৰীশ্ৰীলাহেশ্বৰী থান, বামুন্দিৰ শ্ৰীশ্ৰীগোপালেশ্বৰ নামঘৰ, কুলহাটীৰ মজ গোঁসানী, কেদাৰৰ থান, অভয়পুৰৰ অভয় চণ্ডিকাৰ থান, বুঢ়া গোঁসাই থান, বৰগাঁৱৰ বাৰ গোপালৰ থান, গেৰুৱাৰ শ্ৰীবাসুদেৱ মন্দিৰ, বাৰগোপালৰ থান, বেঠী গোঁসাই আদি।

* * *

সত্ৰ আৰু সচং

হাজো ধোপৰগুৰি সত্ৰ

হাজো সুৰেন দাস মহাবিদ্যালয়ৰ সন্মুখত ধোপৰগুৰি সত্ৰ অৱস্থিত। সত্ৰৰ উত্তৰ দিশেৰে লখাইতাৰা (পুঠিমাৰী) নৈ বৈ গৈছে। এই সত্ৰত মহাপুৰুষ মাধৱদেৱৰ পদশিলা সংৰক্ষিত হৈছে। এই পদশিলা কেতিয়াবা কেতিয়াবা ভক্তসকলৰ দৰ্শনৰ বাবে মুকলি কৰাৰ ব্যৱস্থা কৰা হয়। ই এখন পুৰণি সত্ৰ আৰু অঞ্চলটোৰ ভিতৰত প্ৰথম সত্ৰ বুলি কোৱা হয়।

মহাপুৰুষ মাধৱদেৱ তাঁতীকুছিত (বৰপেটা) থকা কালত অশেষ দুখ-কষ্ট স্বীকাৰ কৰি বাটকুৰি বাই হাজোৰ পৰা কেইজনমান ভক্ত মাধৱদেৱৰ ধৰ্মবাণী শুনিবলৈ অহা-যোৱা কৰিছিল। এই ভক্তকেইজনৰ ভিতৰত আছিল দামোহৰি দাস, কাজালা মাঝি আৰু অভয়চৰণ আদি। হাজোৰ পৰা বৰপেটালৈ যোৱা পথটো সেই সময়ত বৰ দুৰ্গম আৰু ভয়াবহ আছিল। বৰপেটালৈ খোজ কাঢ়ি যাওঁতে বাটত তেওঁলোকে প্ৰায়ে নানা বিপদ আৰু দুৰ্যোগৰ সন্মুখীন হৈছিল। এই ভক্তকেইজনৰ কষ্টৰ প্ৰতি লক্ষ্য কৰি মাধৱদেৱে হাজোত সত্ৰ এখন প্ৰতিষ্ঠাৰ বাবে ঠিক কৰে। সেই উদ্দেশ্যে মাধৱদেৱে তেওঁৰ এগৰাকী প্ৰিয় শিষ্য লক্ষ্মীকান্ত আতৈক হাজোত সত্ৰ এখন স্থাপন কৰিবলৈ পঠিয়াই দিলে। আতৈ হাজোলৈ আহি, হাজোৰ উত্তৰ দিশে আৰু লখাইতাৰা নৈৰ দক্ষিণ পাৰে এজোপা প্ৰকাণ্ড ধোপ গছৰ তলত সত্ৰ এখনৰ স্থাপন হয় ১৫৮৭ চনত। এই সত্ৰখনে পূবে বৰনদী, পশ্চিমে বৌ বৌৱাৰ থান, উত্তৰে লখাইতাৰা আৰু দক্ষিণে ব্ৰহ্মপুত্ৰৰ সীমা সামৰি ল'লে। সত্ৰত তিনিটা কোঠালিযুক্ত এটা ঘৰো নিৰ্মাণ কৰা হ'ল।

ইয়াৰ পিচত লক্ষ্মীকান্ত আতৈয়ে হাজোৰ ধোপগুৰি সত্ৰলৈ মাধৱদেৱক অনাৰ বাবে ইচ্ছা কৰিলে। তেওঁ চাৰিজন ভক্তক গুৰুজনাক আনিবলৈ পঠিয়ালে।

মাধৱদেৱে গায়ন-বায়ন নটুৱা সেৱকসহ হাজোলৈ আহে। তেওঁ হাজোলৈ আহে ১৫৮৮ চনত। তেওঁ নাৱেৰে আহিছিল। ৰাম সৌতাৰপৰা নাম-কীৰ্ত্তন কৰি গুৰুজনাক আদৰি অনা হৈছিল। তেওঁ হাজোত থকা কালত 'ৰুক্মিণীহৰণ' ভাওনা প্ৰদৰ্শন কৰে। মাধৱদেৱে লক্ষ্মীকান্ত আতৈৰ সত্ৰখনত সত্ৰাধিকাৰ পাতে।

গুৰুজনে প্ৰায় তিনিমাহ কাল হাজোত থাকি পুনৰ তাঁতীকুছিলৈ যায়। গুৰুজন যাবলৈ ওলোৱাত লক্ষ্মীকান্ত আতৈক শোকে খুন্দা মাৰি ধৰে। গুৰুজনে বাসগৃহৰ সন্মুখৰ শিল এচটাত থিয় হৈ লক্ষ্মীকান্তক নানা প্ৰবোধ দিয়ে। তাৰ পিচত ভক্তসকলে মিলি মাধৱদেৱক ৰাম সৌতাৰ বালিত আগবঢ়াই থৈ আহে। গুৰুজনাক আগবঢ়াই থৈ আহি, গুৰুজনা যাবৰ সময়ত থিয় হোৱা শিলটো চাই দেখে যে, শিলটোৰ ওপৰত গুৰুজনাৰ পদযুগলৰ ছাপ স্পষ্ট হৈ জিলিকি আছে। তাকে দেখি লক্ষ্মীকান্ত আতৈয়ে ভক্তিভাৱে পৰম সন্তোষে গুৰুজনাৰ পদশিলা কীৰ্ত্তন ঘৰত নি স্থাপন কৰে। লেঙা মাগুৰিৰ কণ্ঠ ভূষণক লগ কৰিবলৈ যোৱাৰ সময়ত লক্ষ্মীকান্ত আতৈৰ মাধৱদেৱৰ লগত দ্বিতীয়বাৰ সাক্ষাৎ হয়। এইবাৰ লক্ষ্মীকান্ত আতৈয়ে মাধৱদেৱৰ পৰা এটি আঙঠি লাভ কৰাৰ উপৰিও তেওঁ লিখি থকা বুঢ়া দশম গ্ৰন্থখনিত আঢ়ৈ শাৰী পদো মাধৱদেৱে লিখি দিলে। লক্ষ্মীকান্ত আতৈয়ে আঙঠিটো গুৰু আসনত থাপনা কৰিলে। কোচ ৰজাৰ অন্তৰীণ আদেশ মতে তেওঁ তৃতীয়বাৰ হাজোলৈ আহে। তৃতীয়বাৰ ভ্ৰমণ কালত তেওঁ ৰামদিয়াৰ বালিত প্ৰায় ছমাহ কাল কটাইছিল। এইদৰে মাধৱদেৱেই হাজো অঞ্চলৰ চাৰিওফালে একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ সোঁত বোৱাই দিলে আৰু লগে লগে অঞ্চলটোৰ চাৰিওফালে সত্ৰ আৰু নামঘৰবোৰ প্ৰতিষ্ঠা হোৱাত অৰিহণা যোগালে।

ধোপৰগুৰিৰে ঠাল হ'ল— বৰদধি আৰু বুৰ্কাসত্ৰ।

বৰদধি সত্ৰ

হাজো ধোপগুৰি সত্ৰ স্থাপন হোৱাৰ পিছত, এই সত্ৰলৈ বৰদধিৰ অভিচিন্তামণি, নাৰদ, ওলোমা আৰু হৰিভকত, গুৱালকুছিৰ পৰা দুখীয়া, জনাৰ্দন, গুটি মৌ আৰু খৰবদাহ, শিংৰাৰপৰা বিশ্বেশ্বৰ, সিদ্ধেশ্বৰ, বগা কাজি আৰু কলা কাজিৰ উপৰিও মৈহাটীৰ পৰাও চাৰিজন বুঢ়া ভকতে লক্ষ্মীকান্ত আতৈৰ ওচৰত এক শৰণীয়া নাম ধৰ্ম গ্ৰহণ কৰে। কিন্তু ৰাস্তা-ঘাট দুৰ্গম আৰু জয়াল থকা কাৰণে

এই ভকতসকলে হাজোলৈ অহা কষ্টৰ কথা উপলব্ধি কৰি, লক্ষ্মীকান্ত আতৈয়ে তেওঁৰ দ্বিতীয়পুত্ৰ সনাতনক মধ্য ঠাইত নতুন সত্ৰ এখন প্ৰতিষ্ঠাৰ আদেশ দিলে। তেওঁলোকে মিলি নাৰদ বুঢ়াৰ বৰদধিতে সত্ৰ প্ৰতিষ্ঠা কৰিলে। এই সত্ৰ 'বৰদধি সনাতন বুঢ়া কীৰ্তনঘৰ সত্ৰ' ৰূপে জনাজাত হ'ল। এই সত্ৰ ১৬৭৫ চনত প্ৰতিষ্ঠা হয়। মাধবদেৱে লক্ষ্মীকান্ত আতৈক প্ৰদান কৰা আওঠিটো বৰদধি সত্ৰলৈ অনা হয়। দধিসত্ৰত এই আওঠিটো 'শুক সৰ্বহ' ৰূপে সেৱা দৰ্শন হৈছিল। বৰ্তমান এই আওঠিটো সত্ৰত নাই বুলি জনা যায়। কোঁচ ৰজা দুৰ্লভ নাৰায়ণে এই সত্ৰৰ নামত ষাঠি বিঘা মাটি দান কৰে।

লক্ষ্মীকান্ত আতৈৰ প্ৰথমপুত্ৰ পুৰুষোত্তম আতৈ। পুৰুষোত্তম আতৈয়ে বৰদধিৰ ওচৰৰ অভয়পুৰত এখন সত্ৰ নিৰ্মাণ কৰে। এওঁৰ পুত্ৰ পদ্ম আতা। পদ্ম আতাৰ পুত্ৰ সৰ্বানন্দ। এওঁ নিঃসন্তান আছিল। সেইবাবে সনাতন আতাৰ বংশৰ বিষ্ণুপদে এই সত্ৰখন চলাই আছিল। এই সত্ৰত চন্দন কাঠৰ হেঙুল হাইতাল লগোৱা এখন পীৰা আছিল। জনা যায় যে, এই পীৰাখনতে বহি মাধবদেৱে বুঢ়ী দশমৰ পদ ৰচিছিল। ১৮৯৭ চনত এই সত্ৰৰ অনিষ্ট সাধন হোৱাত বৰদধিলৈ উঠাই অনা হয়। বিষ্ণুপদৰ বংশৰ লোকসকলে এই সত্ৰ চলাই আছে।

বৰদধিত এতিয়া গঞা কীৰ্তন ঘৰ সত্ৰ বনাম বৰদধি শ্ৰীশ্ৰীশংকৰদেৱ সনাতন কীৰ্তন ঘৰ সত্ৰ, শংকৰদেৱ কীৰ্তন ঘৰ এক নং পটেনিৰ সত্ৰ, দুই নং পটেনিৰ সত্ৰ, তিনি নং পটেনিৰ সত্ৰ, অভয়পুৰ সত্ৰ, ঠাকুৰ আতাৰ সত্ৰ আদি কীৰ্তন ঘৰ আছে।

লক্ষ্মীকান্ত আতৈৰ তৃতীয় পুত্ৰ নৰোত্তম আতৈৰ বংশধৰসকলেও দধিতে সত্ৰ পাতিলে। চতুৰ্থ পুত্ৰ অনন্ত আতৈয়ে সত্ৰ পাতিলে শুৱালকুছিত।

বামদিয়া সত্ৰ

বামদিয়া এখন ঐতিহ্যমণ্ডিত গাঁও। এই গাঁও হাজোৰ পশ্চিম দিশত অৱস্থিত। দহখন ৰাজহ গাঁৱৰ সমষ্টিয়ে বামদিয়া। এই গাঁৱক ধৰ্মীয় পৰম্পৰাৰ সমন্বয়ৰ প্ৰতীকৰূপে গ্ৰহণ কৰা হয়। ইয়াত আছে মহাপুৰুষীয়া, দামোদৰীয়া, হৰিদেৱী আৰু চৈতন্যপন্থী একুৰিৰো অধিক সত্ৰ। মাধবদেৱে বামদিয়াৰ বাৰিত ছমাহ কটাইছিল, সেই ছমাহে তাত নানা শাস্ত্ৰ চৰ্চাৰ হোৱাৰ উপৰিও নাট-ভাওনা, গীত-বাদ্যৰে

গোটেই ঠাইডোখৰ মুখৰিত হৈ আছিল। বামদিয়াত সেই সময়ত মহাপুৰুষীয়া ধৰ্মৰ এনে এটা পৰিবেশ গঢ়ি উঠাৰ পিছতো মহাপুৰুষসকলে বামদিয়াত সত্ৰ প্ৰতিষ্ঠা কৰাৰ কথা কিয় ভবা নাছিল জনা নেযায়। কিন্তু সেই সময়ত মহাপুৰুষসকলে বৰদধি, অভয়পুৰ, বোৰ্কা আৰু গুবালকুছিত সত্ৰ প্ৰতিষ্ঠা কৰিছিল। পৰৱৰ্তীকালত বামদিয়াত প্ৰতিষ্ঠা হোৱা মহাপুৰুষীয়া সত্ৰ কেইখনৰ শলা বন্তি মূল সত্ৰৰ পৰাহে অনা আৰু ধৰ্মপ্ৰাণ সন্ন্যাসীৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰা হৈছিল। বামদিয়াত থকা সত্ৰকেইখনৰ ভিতৰত হ'ল (১) বগৰীবাৰী সত্ৰ, (২) শিশুৰ সত্ৰ, (৩) ধূলাৰ সত্ৰ, (৪) মেঘ নাৰায়ণ সত্ৰ, (৫) বাসুদেৱ বালী সত্ৰ, (৬) লাডুগোপাল সত্ৰ, (৭) বংশীগোপাল সত্ৰ, (৮) ৰাম-লক্ষ্মণ সত্ৰ, (৯) লেংটা সত্ৰ, (১০) হাত ভাঙ্গা সত্ৰ, (১১) বাসুদেৱ সত্ৰ, (১২) চৈতন্য সত্ৰ, (১৩) নব নাৰায়ণ সত্ৰ, (১৪) নতুন ধৰ্মপুৰ সত্ৰ, (১৫) দেৱাৰ বা বিষ্ণুপুৰ সত্ৰ, (১৬) হংসদ্বীপ গোপাল সত্ৰ, (১৭) ঔতলি সত্ৰ, (১৮) গোপীবল্লভ সত্ৰ আদি। ইয়াৰ ভিতৰত দামোদৰীয়া সত্ৰসমূহ হ'ল— পোৰাভিঠা, লেংটা গোপীনাথ, হাঁহদিয়া শ্যামৰায়, ৰাম-লক্ষ্মণ, বাসুদেৱ আৰু হাতভঙা সত্ৰ। বামদিয়াত হৰিদেৱী পন্থাৰ সত্ৰখন হ'ল 'শ্ৰীশ্ৰীহৰিদেৱ সত্ৰ' আৰু চৈতন্যপন্থী সত্ৰখন হ'ল 'চৈতন্য সত্ৰ'।

ক্ষুদ্ৰদধিৰ কেৱলীয়া সচং

ক্ষুদ্ৰদধিৰ গাঁৱৰ কেৱলীয়া সচং বৰ পুৰণি। হাজো-গুৱাহাটী গড়কাপ্তানি পথৰ উত্তৰ দিশত পাটোবাৰী চুবুৰীত এই সচং অৱস্থিত। কাষত ক্ষুদ্ৰদধি প্ৰাথমিক বিদ্যালয়। সচঙখনৰ উপাস্য দেৱতা ক'লীয়া ঠাকুৰ। থাপনাত কোনো মূৰ্তি নাই। কেৱল 'ভক্তি ৰত্নাৱলী' আৰু 'ভক্তি প্ৰেমাৱলী' নামৰ দুখন সাঁচপতীয়া পুথি আছে। ইয়াকে ভক্তিভাৱে পূজা অৰ্চনা কৰা হয়। সত্ৰত পুৰণি সাঁচিপতীয়া কীৰ্তনকে ধৰি কেইবাখনো সাঁচিপতীয়া পুথি সংৰক্ষিত হৈছে।

সচঙখনৰ প্ৰধান 'ভকত'। তেওঁ কেৱলীয়া। ব'ৰাগী ভকত, শুকুনা ভকত, জালিৰাম ভকত আৰু বৰ্তমানৰ ভদ্ৰেশ্বৰ ভকতকে সচঙখনৰ 'ভকত'ৰূপে পোৱা যায়। তাৰ আগৰ ভকতসকলৰ নাম পোৱা নেযায়। সচঙখনৰ কেতিয়া আৰু কোন ভকতে ইয়াত থাপনা কৰিলে, সচঙত তাৰো বিৱৰণ নাই।

সচত্ৰত নিয়মিত পূজা-অৰ্চনা চলে। পুৱা বন্তি প্ৰজ্বলন, নাম-প্ৰসংগ আৰু চিৰা গোৱা হয়। সধাচাৰবে অনুষ্ঠানৰ সামৰণি মৰা হয়। ভক্তসকলে উপাস্য দেৱতাৰ উদ্দেশ্যে আগবঢ়োৱা উপাচাৰক 'ভকত সেৱা' বোলে। ব্যক্তিগতভাৱে নিমন্ত্ৰণ দিও এই 'ভকত সেৱা' পালন কৰাৰ প্ৰথা আছে। সচত্ৰত 'মাহেলীয়া ভকত সেৱা'ও থাকে। বাৰজন ভকতৰ উদ্দেশ্যে এই সেৱা আগবঢ়োৱা হয়। ক্ষুদ্ৰদধি কেৱলীয়া সচত্ৰৰ শিষ্য গুৱাহাটীৰ মালিগাঁও আৰু গাৰিগাঁও, নলবাৰীৰ পাইকাৰকুছি আৰু আহিনপুৰ, আমিনগাঁও, পছৰীয়া, কুলহাটী আদি ঠাইতো আছে।

সচত্ৰৰ চ'ত মাহৰ কৃষ্ণ ষষ্ঠী তিথিত গুকুনা ভকত আৰু মাঘ মাহৰ শুক্ল ত্ৰয়োদশী তিথিত জালিৰাম ভকতৰ তিথি পালন কৰা হয়। তদুপৰি সচত্ৰত শংকৰদেৱ, মাধৱদেৱ আৰু দামোদৰ দেৱৰ তিথিও পালন কৰা হয়। সচত্ৰত ভোগ নিৰামিষ। সচত্ৰখনত আছে গোঁসাই গৃহ, চ'ৰা ঘৰ, ভোগ ঘৰ আৰু মাজৰ ঘৰ। সচত্ৰত থাল প্ৰহৰী, বন্তি জ্বলোৱা, আৰু অন্যান্য সেৱাইক আছে। সচত্ৰৰ নামত পাঁচিশ বিঘাৰ অধিক মাটি আছে।

কুলহাটী

কুলহাটী গাঁৱতো কেইবাখনো সচং আছে। কুলহাটী গাঁৱৰ সেই সচংসমূহৰ ভিতৰত হ'ল বনৰবীয়া সচং, ধুমপৰা সচং, কামদত্ত সচং, দুখু মহন্তৰ সচং, সংৰাম মহন্তৰ সচং আৰু ছায়াৰাম মহন্তৰ সচং আদি।

অভয়পুৰ

অভয়পুৰত 'বাৰ নগৰীয়া' নামেৰে চাৰিখন সচং আছিল। তাৰ ভিতৰত ল'ঠাবাৰী আৰু বাকা ভকতৰ সচং দুখন বৰ্তমান নাই। এতিয়া হংস ভকত আৰু জালিয়া ভকত সচত্ৰত বন্তি প্ৰজ্বলন হৈ আছে।

গেৰুৱা

গেৰুৱা গাঁৱত শান্তিৰাম ভকত প্ৰতিষ্ঠিত এখন সচং আছে। ই এখন দামোদৰীয়া সচং।

বৰগাঁও

বৰগাঁৱত এখন সচং আছে।

বাহনা

বাহনাত তিনিখন দামোদৰীয়া সচং আছে।

তেতেলীয়া

ইয়াত তিনিখন দামোদৰীয়া সচং আছে।

মনাহকুছি

মনাহকুছিত দুখন দামোদৰীয়া সচং আছে।

দিহিনা দামোদৰীয় বৰ্ণ সত্ৰ

কোঁচ ৰজা নৰনাৰায়ণৰ সময়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ দামোদৰ দেৱে অসমৰ বিভিন্ন ঠাইত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। কিন্তু সেই সময়ত হীৰা, নমঃশূদ্ৰ, কৈৱৰ্ত আৰু টোকাৰ জাতিৰ লোকক অস্পৃশ্য বুলি শৰণ-ভজন দিয়া হোৱা নাছিল। ধৰ্ম গ্ৰহণৰপৰা বঞ্চিত এই লোকসকলে ৰজাৰ ওচৰত তেওঁলোকৰ মনোকষ্ট ব্যাখ্যা কৰিলে। তেতিক্ষণে ৰজাই শংকৰদেৱক এই কথা জনালে। শংকৰদেৱে শৰণ-ভজনৰ ক্ষেত্ৰত দামোদৰদেৱকহে অধিকাৰী বুলি কোৱাত, ৰজাই এই বিষয়ে দামোদৰদেৱক আদেশ দিলে। তেতিয়া দামোদৰদেৱে বাৰজন বৈষ্ণৱ তেৰ মহন্তৰ সহযোগত শ্ৰীশ্ৰীভট্টদেৱক পাটবাউসী সত্ৰৰ সত্ৰাধিকাৰৰ দায়িত্ব দিয়ে। বৰা বৈষ্ণৱৰ শ্ৰেষ্ঠ বৈষ্ণৱ শ্ৰীশ্ৰীকৃষ্ণদেৱক কঠালগুৰি নামে ঠাইত সত্ৰ পাতি অস্পৃশ্য জাতিৰ লোকক শৰণ-ভজনৰ দায়িত্ব দিয়ে।

মহাৰাজ নৰনাৰায়ণে ২৮ বিঘা লাখেৰাজ মাটি দান দি, শ্ৰীশ্ৰীকৃষ্ণদেৱক

দিহিনালৈ আনি অস্পৃশ্য জাতিৰ লোকক শৰণ-ভজন দিবলৈ তাত এখন সত্ৰ পাতে। এই দামোদৰীয়া সত্ৰখন 'বৰ্ণ সত্ৰ' নামে জনাজাত হয়। শ্ৰীশ্ৰীকৃষ্ণদেৱৰ পিছত তেওঁলোকৰ বংশধৰসকলে সত্ৰাধিকাৰূপে সত্ৰ পৰিচালনা কৰে।

এই সত্ৰক অসমৰ পাছপৰা অনুসূচীত জাতিৰ লোকে পুণ্যধামৰূপে জ্ঞান কৰি আহিছে। প্ৰতি বছৰৰ মাঘ মাহৰ পূৰ্ণিমা তিথিটো সত্ৰৰ প্ৰতিষ্ঠাতা শ্ৰীশ্ৰীকৃষ্ণদেৱৰ তিৰোধান তিথি আৰু 'গুৰু দিবস' হিচাপে পালন কৰা হয়।

বালিসত্ৰ সৎসংগী সত্ৰ

বালিসত্ৰ সৎসংগী সত্ৰ এখন ঐতিহাসিক হৰিদেৱী সত্ৰ। এই সত্ৰ হৰিদেৱ মিশ্ৰই পোন্ধৰ শ শতিকা মানত প্ৰতিষ্ঠা কৰে বুলি জনা যায়। হৰিদেৱ মিশ্ৰ জাগাৰাৰ লোক বুলি জনা যায়। হৰিদেৱ মিশ্ৰৰ পিছত এই সত্ৰ পৰিচালনা কৰে পুৰুষোত্তম ওৰফে আচাৰ্য্যদেৱে। পুৰুষোত্তমক এই সত্ৰ পৰিচালনাৰ বাবে স্বৰ্গদেউ শিৱসিংহ আৰু ৰাজেশ্বৰ সিংহই বালিসত্ৰ, বিহ্মোলা আৰু চোৰাবীবাহা এই গাঁও তিনিখনৰ ভূ-সম্পত্তি ধৰ্মোত্তৰ হিচাপে আগবঢ়ায়। লগতে ৫৮ জন ভকত, চোৰা চৈধ্য গোট পাইক যাবতীয় বস্তু প্ৰদান কৰে। সত্ৰত প্ৰায় দহ বিঘা মাটিৰ পুখুৰী এটাও খান্দি দিয়ে। সত্ৰৰ ওচৰে-পাজৰে থকা গোঁসাই, কলিতা, কুমাৰ, মালী, বৈশ্য, কেওঁট, নাপিত, নমঃশূদ্ৰ, কোঁচ-ৰাজবংশী আদি সম্প্ৰদায়ৰ লোকসকলক সত্ৰৰ সেৱাইৰ দায়িত্ব অৰ্পণ কৰা হয়।

সত্ৰৰ মূল বিগ্ৰহ হ'ল— শ্ৰীশ্ৰীবংশী গোপাল। লগত আন দুটা বিগ্ৰহ আছে। তদুপৰি সত্ৰত আছে ওঠৰটা শালগ্ৰাম।

মাঘ মাহৰ শুক্লা ভীম একাদশীত আচাৰ্য্যদেৱৰ মৃত্যু তিথি। এই মৃত্যু তিথি উপলক্ষে ভক্তপ্ৰাণ ৰাইজে পাঁচদিনীয়াকৈ বিভিন্ন কাৰ্যসূচীৰে সভা পাতে। সভা উপলক্ষে আৰিয়া প্ৰজ্বলন, বংশী গোপালৰ বিগ্ৰহ লৈ শোভাযাত্ৰা, সিধা বিতৰণ, নাম প্ৰসংগ, ওজাপালি, ঢুলীয়া ভাওনা, যাত্ৰাভিনয় আৰু ধৰ্মালোচনী সভাৰ আয়োজন কৰা হয়।

অনুষ্ঠানৰ 'আবিয়া জ্বলোৱা' প্ৰথাৰ বিশেষ মাহাত্ম্য আছে বুলি জনসমাজত বিশ্বাস। ভক্তই নিজৰ মনোবাঞ্ছা পূৰণৰ বাবে 'আবিয়া জ্বলায়।' সন্ধিয়া সময়ত ভক্তসকলে এগছি মিঠাতেলৰ মাটিৰ চাকি (আবিয়া) জ্বলাই, পোনতে মূল মন্দিৰত আবিয়াগছি উচৰ্গা কৰে। তাৰ পিছত আবিয়াগছি পুখুৰীৰ পাৰৰ বাজঘৰা স্থানলৈ নি কলগছৰ চাণ্ডত স্থাপনা কৰে। ভক্তসকলে চাকি গছি নুমাই নেযাবলৈ গোটেই নিশা উজাগৰে থাকি বত্তিত তেল ঢালি থাকে। এইদৰে আবিয়া জ্বলোৱা লোক কেইবা হাজাৰো হয়।

এইদৰে চাকি জ্বলোৱাৰ পিছত ভক্তসকলে 'সিধা' লয়। সিধাত চাউল, দাইল, আলু, খৰি, হালধি, মাটিৰ বাচন-বৰ্তন, নিমখ আদি প্ৰয়োজনীয় বস্তু বিনামূলীয়াকৈ যোগান ধৰা হয়। ইয়াকে 'সিধা দিয়া' বোলে।

সিধা বিতৰণ হোৱাৰ পিছত, চলন্ত গোঁসাইক ঢোল, খোল, বাদ্য-বাজনা বজাই শোভাযাত্ৰা কৰি আবিয়া জ্বলোৱা স্থানলৈ নি— তাত স্থাপনা কৰা হয়। সেই স্থলত গোঁসাইক উৎসৱ শেষ হোৱাৰ দিনালৈ ৰাখি, পুনৰ মূল মন্দিৰলৈ অনা হয়।

সিধাৰ লগত মাছ দিয়া নিয়মো আছে। জনামতে, বৃটিছ চৰকাৰে এই সভাৰ বাবে প্ৰয়োজনীয় মাছ পালন কৰিব পৰাকৈ প্ৰায় ষোল্ল বিঘা মাটিৰ এটি পুখুৰী খন্দাই দিছিল।

* * *

হাজো অঞ্চলৰ উৎসৱ-পৰ্ব

ঐতিহ্যমণ্ডিত হাজো অঞ্চল নানা উৎসৱ-পাৰ্বনেৰে ভৰা। ইয়াৰ মানুহে অঞ্চলটোত বাৰটা মাহত তেৰটা উৎসৱ পালিত হোৱা বুলিও কয়। এই উৎসৱবোৰ ইয়াত অতীজৰপৰা চলি অহা দেখা যায়। এই উৎসৱ পালনে ইয়াৰ মানুহৰ অতীজৰ প্ৰতি শ্ৰদ্ধা-ভক্তি, কৃষ্টি-সংস্কৃতিৰ প্ৰতি প্ৰকৃত আদৰ আৰু শিক্ষা সভ্যতাকে প্ৰমাণ কৰে। এই উৎসৱবোৰ যোগে নিজৰ নিজৰ ইষ্ট-কুটুম্বক সোধা, অঞ্চলটোৰ পৰস্পৰ গাঁৱৰ মাজত সংহতি-বন্ধুত্ব গঢ়া আৰু বাহিৰৰ লোকক উৎসৱ উপলক্ষে আদৰ-সম্ভাষণ জনোৱা আদি দিশবোৰো বিশেষভাৱে মন কৰিবলগীয়া হয়। তদুপৰি ইয়াৰ কোনো কোনো উৎসৱত ছাত্ৰ-ছাত্ৰীৰ মাজত নানা প্ৰতিযোগিতা, খেল-ধেমালি প্ৰতিযোগিতা, কৃষি প্ৰতিযোগিতা, বয়োজ্যেষ্ঠলোকলৈ সম্বৰ্দ্ধনা, কৃষ্টি-সংস্কৃতিমূলক প্ৰতিযোগিতা, নানা ধৰ্মীয় সভাৰো আয়োজন কৰা হয়। ইয়াত আমি অঞ্চলটোৰ কেইটামানহে মুখ্য উৎসৱৰ পৰিচয় দাঙি ধৰিম।

দেৱদাসী নৃত্য

হাজো অঞ্চলৰ এটি প্ৰাচীন কৃষ্টি দেৱদাসী নৃত্য। এই নৃত্য দেৱতাসকলৰ মনোৰঞ্জনৰ বাবে দেৱতাৰ পূজা-অৰ্চনাৰ তালে তালে পৰিবেশন কৰা হৈছিল। এই নৃত্য অকুমাৰী ছোৱালীৰ দ্বাৰা পৰিবেশন কৰা হৈছিল। নৃত্য কৰা ছোৱালী বিলাকক দেৱতাৰ নামত উছৰ্গা কৰা হৈছিল। এই দেৱদাসীৰ পৰিয়ালসমূহক ৰজাই বৃত্তিয়ালৰূপে সংস্থাপিত কৰিছিল আৰু তেওঁলোকৰ নামৰ নিষ্কৰ জমি প্ৰদান কৰিছিল। দেৱদাসীসকলে বিবাহ বন্ধনত সোমাব নোৱাৰিছিল। কিন্তু কোনোপধাকী বিবাহ বান্ধোনত সোমালে তেওঁক বাধা দিয়া নিয়ম নাছিল। অৱশ্যে বিয়া হোৱাৰ পিচত, তেওঁক মন্দিৰত নৃত্য পৰিবেশন কৰাৰ পুনৰ অধিকাৰ দিয়া নাছিল। দেৱদাসীসকলে নিজৰ ঘৰতে থাকিব পাৰিছিল। কেৱল দেৱ মন্দিৰলৈ

প্ৰহৰ অনুসৰি আহি নৃত্য পৰিবেশন কৰিছিল। মন্দিৰৰ দৈনিক পূজা অৰ্চনা এই নৃত্য এটা অংগ আছিল।

দেৱদাসী বা এই নটী নাচৰ লগত মৃদংগ আৰু তাল বজোৱা হৈছিল। কিন্তু নাচৰ লগত সংগীত সংযোজন কৰা হোৱা নাছিল। কিন্তু প্ৰতিগৰাকী দেৱদাসীয়ে সুগায়িকা হ'ব লাগিছিল। তেওঁলোকৰ বাবে সংগীত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছিল।

এই দেৱদাসী নৃত্য অনুষ্ঠান পোনতে কেদাৰ মন্দিৰতহে অনুষ্ঠিত হৈছিল। পিচত এই অনুষ্ঠান হয়গ্ৰীৱ মাধৱ মন্দিৰলৈ স্থানান্তৰ কৰা হয়। দেৱদাসীসকলৰ নাচত দুটা তাল, মগলি চুটাতাল, আমজানি, পৰিতাল, একতালি, থৰমান, গঞ্জন আদি তাল পোৱা যায়। ৰাগ পোৱা যায় ধনশ্ৰী, সাৰঙ্গ, পটমঞ্জুৰী, চালন, ললিত, ভৈৰৱী, জয়শ্ৰী আদি। হাজোৰ দেৱদাসী নৃত্য সম্পৰ্কে আভাস দি নৃত্যশিল্পী প্ৰদীপ চলিহাই লিখিছে,— 'হাজোৰ নটীৰ প্ৰাচীন সাজ আছিল, কঁকালত বগা লহঙা। মদন চতুৰ্দশীৰ শোভাযাত্ৰাত ৰঙা লহঙা। গাত দীঘল হাতৰ মাইকী চোলা। দুয়ো কাষে দুখন ওলোমাই পিন্ধা আঁচল। কঁকালত ফুলাম টঙালী বা কোঁমল বান্ধনী, বুকুত কাঁচল বা মেথনি বান্ধ। ভৰিত কাঁহৰ নেপুৰ (জুনুকা নহয়)। হাতে, কাণে, ডিঙিয়ে অসমীয়া অলংকাৰ। খোপাটো মাজ তালুত ওখকৈ বান্ধি (নেঘৰী খোপা বা নটিনী খোপা) তাৰ ওপৰত এখন জালি কাপোৰৰ পাতল ওৰণি। হয়তো হাজোৰ নাচনীসকল আজৰি সময়তে তেল টেঙা ঘহি চকুত লগা হৈ আছিল। সেই বিষয়ে হাজোৰ ওচৰ-পাজৰৰ ঠাইত এটি প্ৰবচনো শুনা গৈছিল। হাজোৰ নটীৰ কিবা বন, তেলৰ টাৰি ফণিখন (তেলৰ টাৰি তেল থোৱা কাঠৰ বা মাটিৰ পাত্ৰ)' মাধৱ মন্দিৰৰ নাট মণ্ডপত গধূলি নচা কেইখনমান নাচত দেও নটীসকলে মুখখন পাতল জালি কাপোৰেৰে ঢাকি লৈছিল। গধূলিৰ এই নাচ কেইখনক চিঙাৰী (শৃঙ্গাৰী) নাচ বুলিছিল। এই শৃঙ্গাৰী নাচ নাচোতে হেনো মাধৱ গোঁসায়ে নাচনীৰ মুখ দেখিব নেপায়।'

কালক্ৰমত মন্দিৰৰ এই দেৱদাসী নৃত্যৰ প্ৰচলন বন্ধ হয়। কিন্তু পিচলৈ যাত্ৰা-উৎসৱৰ সময়তহে বিগ্ৰহৰ শোভাযাত্ৰাৰ লগতহে দেৱদাসী নৃত্যৰ প্ৰচলন হৈ, সম্প্ৰতি এই নৃত্য একেবাৰে বন্ধ হয়। আলতী, অচাম, ধৰমপুৰ চন্দন, বকুলী আদি কৰি কেইগৰাকীমান দেৱদাসীৰ নৃত্য শিল্পীৰ নাম পোৱা যায়।

বুলবুলি চৰাই যুঁজ

মাধব মন্দিৰৰ এটা প্ৰধান উৎসব হ'ল— বুলবুলি চৰাইৰ যুঁজ। মাঘ মাহৰ প্ৰথম বিহুৰ দিনা এই যুঁজৰ আয়োজন কৰা হয়। প্ৰতিযোগীসকলে কাপোৰেৰে তৈয়াৰী ফিটাৰে বা ৰচীৰে বুলবুলি চৰাইবোৰ বান্ধি, এযোৰ এযোৰকৈ যুঁজ লগায়। যুঁজাৰু চৰাইবিলাকক আগদিনাই ভোখ নামৰ এবিধ বাগীয়াল বস্তু খুৱাই ৰখা হয়। পুৰাব ৰ'দ জাক গাত লাগিলে চৰাইবোৰৰ নিচা হয় আৰু উভয়ৰ মাজত থৈয়ানথৈয়া যুঁজ আৰম্ভ হয়। দুজনলোকে এই যুঁজ পৰিচালনা কৰে।

তেওঁলোকক মাচিং বোলে। মাচিঙে পোনতে হাতত কল লৈ চৰাই দুটাক যুঁজ মণ্ডলৈ আহ্বান জনায়। কল দেখি দুয়োটা চৰাই আগবাঢ়ি আহে আৰু কাজিয়া আৰম্ভ কৰে। সেই চেগতে কলভোখৰ আঁতৰাই নিয়া হয় আৰু বুলবুলি চৰাই দুটাই পৰস্পৰে যুঁজিয়ে থাকে। তাতে কোনোটোৰ জয় আৰু কোনোটোৰ পৰাজয় ওলাই যায়। এই যুঁজ গোটেই দিন জুৰি চলে। বিজয়ী চৰাইৰ গৃহস্থই বঁটা লাভ কৰে।

এই যুঁজ ৰজাদিনীয়া বুলি কোৱা হয়। জনশ্ৰুতি মতে, কোনো এক 'অচম ৰজাই' হয়গ্ৰীৱ মাধব দৰ্শন কৰিবলৈ আহি মন্দিৰ প্ৰাঙ্গনত যুঁজত মত্ত হৈ থকা বুলবুলি চৰাই এযোৰ দেখিবলৈ পায়। বুলবুলি চৰাই যোৰৰ যুঁজত তেওঁ তন্ময় হয় আৰু আকৰ্ষিত হয়। সেই ৰজায়ে হেনো তেতিয়াৰে পৰা বুলবুলি চৰাইৰে যুঁজ আৰম্ভ কৰে। এই বুলিবুলি চৰাইৰ যুঁজ আজিও চলি আছে।

কাতি মাহত তুলসী দিয়া উৎসৱ

হয়গ্ৰীৱ মাধবৰ প্ৰিয় হ'ল— তুলসী। হয়গ্ৰীৱ মাধবত প্ৰতিদিনা সেৱা-পূজাত যথেষ্ট পৰিমাণৰ তুলসী পাতৰ প্ৰয়োজন হয়। কাতি মাহক বিশেষ পবিত্ৰ জ্ঞান কৰি, গোটেই কাতি মাহটোৰে মানুহে মাধবত তুলসীপাত প্ৰদান কৰে। ৰজা ধৰ্মধ্বজৰ ঔৰষত আৰু মাধৱীৰ গৰ্ভত কাতি মাহৰ পূৰ্ণিমা তিথিত শুক্ৰবাৰে তুলসীৰ জন্ম হৈছিল; যেয়ে তুলসীৰ জন্ম মাহ কাতি মাহটোক পবিত্ৰ জ্ঞান কৰি— মাধবত কাতি মাহত তুলসীপাত দিয়া প্ৰথা চলি আহিছে। মাধবত প্ৰতিদিনা

বাৰপাত তুলসীত বগা চন্দন লগাই পূজা কৰা হয়। তুলসী পাত দিওঁতে বাৰটা মাহত বিষ্ণুক বাৰটা নাম উচ্চাৰণ কৰা হয় এনেদৰে— মধুসূদন (বহাগ), ত্ৰিবিক্ৰম (জেঠ), বামণ (আহাৰ), শ্ৰীধৰ (শাওন), হৃষীকেষ (ভাদ), পদ্মনাভ (আহিন), দামোদৰ (কাতি), কেশৱ (আঘোণ), নাৰায়ণ (পুহ), মাধৱ (মাঘ), গোবিন্দ (ফাগুন) আৰু বিষ্ণু (চ'ত)। তুলসীপাত দিয়া মন্ত্ৰ, "এতদ সচন্দন তুলসী পত্ৰ ওঁ নমস্তে বহু ৰূপায় বিষ্ণুৱে পৰমাত্মানে স্বাহা।" মাধৱক তুলসীপাত, তুলসী মালা দিলে, গোটেই বছৰ মাৰি-মৰক, অপায়-অমংগল, বিপদ-বিঘিনিৰপৰা ৰক্ষা পৰিব পৰা যায় বুলি বিশ্বাস।

দৌলোৎসৱ বা ফাঁকুৱা

এই দৌলোৎসৱ বা ফাঁকুৱা হয়গ্ৰীৱ মাধৱত অনুষ্ঠিত হয়। এই উৎসৱ এক আকৰ্ষণীয় অনুষ্ঠান। এই দৌল গৃহ মন্দিৰৰ পশ্চিম দিশত অৱস্থিত। ফন্মু উৎসৱৰ এই দৌলগৃহ ১৭৫০ চনত প্ৰমত্ত সিংহ ৰজাই সজাই দিয়ে। ইয়াত দুটা দৌলোৎসৱ পালন কৰা হয়। এটা গোবিন্দ দল আৰু আনটো ৰজা দৌল বা ফাঁকুৱা। গোবিন্দ দৌল উদ্‌যাপন কৰা হয় তিনিদিনীয়াকৈ আৰু ৰজা দৌল পালন কৰা পাঁচদিনীয়াকৈ। উৎসৱটো মেষ দাহেৰে আৰম্ভ কৰা হয়। তাৰ পিচত চলন্তা মাধৱৰ বিগ্ৰহ দৌলৰ বেদীত তোলা হয়। গোঁসাইক দৌলৰ বেদীৰপৰা নমোৱাৰ দিনা ফাঁকু খেলে। এই অনুষ্ঠানৰ দিনা আবেলি মন্দিৰৰ পৰা এক বিৰাট শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰীসকলে হৰিগুণ গাই গোটেই বাটে ফাঁকু খেলি নাম-কীৰ্তন কৰি ধোপৰতল নামৰ ঠাই এডোখৰলৈ যায়। সেই ঠাইলৈ কেদাৰ আৰু কামেশ্বৰৰ বিগ্ৰহো আদৰি অনা হয়।

শিৱৰাত্ৰি

শিৱৰাত্ৰি উৎসৱ ইয়াৰ শিৱ স্থানসমূহত উলহ-মালহেৰে পালন কৰা হয়। বিশেষকৈ কেদাৰ মন্দিৰ, কামেশ্বৰ মন্দিৰ, তেতেলীয়াৰ হৰগৌৰি মন্দিৰ, চেঁটামুখৰ সাৰ্বজনীন শিৱ মন্দিৰ আদিত এই উৎসৱ উদ্‌যাপিত হয়। এই উৎসৱ উপলক্ষে ভক্তসকলে নিশা শিৱৰ উদ্দেশ্যে গাখীৰ, ঘি, মৌ, বেলপাত আৰু বিভিন্ন বস্তুৰ

ফুলৰে পূজা-অৰ্ঘ্য আগবঢ়ায়। এই উৎসৱ মাঘী পূৰ্ণিমাৰ পাছৰটো কৃষ্ণা চতুৰ্দশী তিথিত পালিত হয়।

মাঘ বিহু

হয়গ্ৰীৱ মাধৱক কেন্দ্ৰ কৰি হাজোত মাঘ বিহু উৎসৱটো উলাহ-মালহেৰে উদ্‌যাপিত হয়। এতিয়া এই উৎসৱক 'মণিকূট উৎসৱ' ৰূপে গ্ৰহণ কৰা হৈছে। এই উৎসৱ পুহ আৰু মাঘ মাহৰ সংক্ৰান্তি দিনাৰে পৰা আৰম্ভ হয়। প্ৰায় সাতদিন মানলৈ তীৰ্থ যাত্ৰীৰ ভিৰ হয়। প্ৰথম বিহুৰ দিনা পুৱা বুলবুলি যুঁজ আৰু সন্ধিয়া আৰম্ভ হয় গোঁসাই ফুৰোৱা বা সংক্ৰান্তি যাত্ৰা। সেইদিনাই দেৱ-ভৱনত অৰ্থাৎ গণেশ মন্দিৰত হয়গ্ৰীৱ মাধৱ কেদাৰ আৰু কামেশ্বৰ মিলিত হয়। দ্বিতীয় বিহুৰ দিনা হয়গ্ৰীৱ মাধৱৰ স্থান জনতাৰে উদুলি-মুদুলি হয়। মন্দিৰৰ ওপৰত প্ৰদৰ্শিত হয় আঞ্চলিকভিত্তিত নাগাৰা নাম, বৰগীত, বেনপাৰ্টি, খোল-তাল আদি বাদ্য। সেইদিনাই ইয়াত দুই এখন মাল্যদান বিবাহো সম্পন্ন হয়।

জন্মাষ্টমী

এই উৎসৱ হাজো চক্ৰৰ গাঁৱে গাঁৱে থকা নামঘৰ আৰু বৈষ্ণৱ সত্ৰবোৰত ৰাইজে পালন কৰে। শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰা হয় ভাদ মাহৰ কৃষ্ণপক্ষৰ অষ্টমী তিথিৰ দিনা। একেদিনাই হয়গ্ৰীৱ মাধৱত উদ্‌যাপিত এই উৎসৱে বিশেষ গুৰুত্ব লাভ কৰে। সেইদিনা মন্দিৰটো শণ খেৰৰ ৰচিৰে বেৰি পেলোৱা হয়। তাৰ পিছত মন্দিৰৰ প্ৰৱেশ পথত ওলোমাই থোৱা হয় ধনু আৰু কাঁড়। এই ব্যৱস্থাই কংসৰ হাতৰপৰা শিশু কৃষ্ণক বচোৱাৰ ইংগিত বহন। গোটেই নিশা চলে নাম-কীৰ্তন। নাম-কীৰ্তনৰ লগতে চলন্ত বিগ্ৰহলৈ কৃষ্ণৰ জন্ম সম্পৰ্কীয় ভাওনা প্ৰদৰ্শন কৰা হয়।

মদনোৎসৱ

চ'ত মাহৰ কৃষ্ণা ত্ৰয়োদশী তিথিৰ দিনা কামেশ্বৰ মন্দিৰত উদ্‌যাপন কৰা হয় মদনোৎসৱ বা মদন চ'ত্ৰালি। পাছদিনা পালন কৰা হয় মদন ভঞ্জী। মদন ভঞ্জীৰ দিনা মাধৱ, কেদাৰ আৰু কামেশ্বৰৰ চলন্তা বিগ্ৰহলৈ এক শোভাযাত্ৰা

উলিওৱা হয়। এই শোভাযাত্রা লখাইতৰা নদীৰ (পুঠিমাৰী নদী) পাৰলৈকে যায়। বিগ্ৰহ কেইটা নৈৰ পাৰত অস্থায়ী ভাবে সজা বেদীত স্থাপন কৰা হয়। তাত দালাখেলা নামৰ এটি জলক্ৰীয়া অনুষ্ঠানো সম্পন্ন কৰা হয়। এই উৎসৱৰ শোভাযাত্ৰীসকলে পোৱালি ছাগলীৰ মোতটোৰে সজা এবিধ সঁজুলিত পানী লৈ চাৰিওফালে ছটিয়াই যায়।

দুৰ্গা পূজা

হাজো চক্ৰৰ কুলহাটী, গেৰুৱা, চেঁচামুখ, হাজো দোমোঠাৰ গুৰি, ন-কুছি, বৰষ্বে আদি বিভিন্ন গাঁৱত ৰাইজে উলহ-মালহেৰে দুৰ্গাপূজা পালন কৰা দেখা যায়। গেৰুৱাৰ দুৰ্গা পূজাত ম'হ-ছাগলীৰ বলি বিধান দেখা যায়। কেদাৰ মন্দিৰৰ কাষত অৱস্থিত 'জয় দুৰ্গা' মন্দিৰতো দুৰ্গা পূজা পালন কৰা হয়। 'জয় দুৰ্গা' মন্দিৰত এই দুৰ্গোৎসৱকে অঞ্চলটোৰ পুৰণি দুৰ্গা পূজা স্থলী কোৱা হয়। এই পূজাত হাঁহ-পাৰ বলি হয়।

উৰুচ

হাজো পোৱামক্কা দৰ্গাহ শ্বৰীফত মুছলমানসকলে 'উৰুচ' উৎসৱ পালন কৰে। এই উৎসৱ প্ৰথম মাঘৰ পৰা ব'হাগলৈ চলে। পূৰ্ণ উৰুচ পালন কৰা হয় মাঘ মাহৰ পূৰ্ণিমাৰ তিথিত। উৰুচ উপলক্ষে গিয়াচুদ্দিনৰ সমাধিত ফতিহা পাঠ, জিকিৰ জপ আৰু দোৱা-প্ৰাৰ্থনা কৰা হয়। উৎসৱৰ সময়ত চিৰণী দান আৰু দুখীয়ালোকৰ মাজত খাদ্য বস্তু বিতৰণ কৰা হয়।

সেইকেইদিন হাজোৰ পটেনী অঞ্চল ধৰ্মপ্ৰাণ লোকৰে লোকাৰণ্য হয়। সেই কেইদিনাত দেশ-বিদেশৰো অসংখ্য ধৰ্মপ্ৰাণ মুছলমান লোক পোৱামক্কা দৰ্শন কৰিবলৈ আহে।

ভঠেলি উৎসৱ

ৰামদিয়াৰ ভঠেলি উৎসৱ হাজো চক্ৰৰ এটা প্ৰধান উৎসৱ। ছয় ব'হাগ এই উৎসৱৰ দিন। সেইদিনাখন সাত বিহু পৰে বাবে এই উৎসৱক সাত বিহু নামেৰেও জনা যায়। ৰামদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখৰ পথাৰখনতে এই উৎসৱ

পালন কৰা হয়। এই ঠাইখনিক 'ভঠেলি খোলা' বোলা হয়। ইতিহাসে গৰকা এই ঠাইখিনিক অতীজত 'ৰাম সুঁতিৰ বালিচৰ' আৰু চৰিত পুথিত কোৱা হৈছে 'ৰামদিয়াৰ বালি'।

মাধবদেৱে সুন্দৰীদিয়াৰ সত্ৰৰ পৰা লুইতেৰে উজাই হাজোলৈ অহা কালত 'ৰামদিয়াৰ বালি'ত ছমাহ কাল বসতি কৰিছিল বুলি বৰদোৱা গুৰু চৰিতত উল্লেখ আছে। গুৰুজনা ৰামদিয়াৰ বালিৰ থকা কালত ধোপৰগুৰি সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত আতৈ আৰু বৰদধি সত্ৰৰ সনাতন আতৈকে ধৰি অঞ্চলটোৰ চাৰিওফালৰ পৰা ভক্তসকল আহি সমবেত হয়। সেই কেইদিন তাত নানা শাস্ত্ৰ চৰ্চা হোৱাৰ উপৰিও নাট ভাওনা নানা গীত পদ বাদ্য ধ্বনিৰে ঠাইখণ্ড মুখৰিত হয়। এই ৰামদিয়াৰ বালিৰপৰা গুৰুজন বিদায় লোৱাৰ দিনটোৰ স্মৃতিচিন স্বৰূপেহে ভঠেলি উৎসৱ পালন কৰি অহা বুলি কোৱা হয়। গুৰুজন বিদায় লোৱাৰ দিনটোৱে আছিল সাতবিহু উৎসৱৰ দিন। গুৰুজনাৰ এই প্ৰভাবৰ বাবে ৰামদিয়াত কেইবাখনো সত্ৰ স্থাপিত হয়। উৎসৱৰ দিনা ইয়াত প্ৰত্যেকখন সত্ৰৰ পৰা বিগ্ৰহসমূহ চৌদোলাসহ 'ভঠেলি খোলা'ত স্থাপন কৰা হয়। বিগ্ৰহসমূহ শোভাযাত্ৰা কৰি আনোতে ফাঁকু গুৰি ছটিওৱা হয় আৰু খোল তাল বাদ্য-বাজনা পৰিবেশন কৰা হয়। গোসাঁই আসনৰ চাৰিও কোণত চাৰিডালকৈ সৰু বাঁহৰ আগলি পাতসহ মাটিত পুতি ৰখা হয়। গধূলি গোঁসাইৰ নিজৰ সত্ৰসমূহলৈ ওভতাই নিয়ে। ইয়াত এখন কৃষি মেলাও অনুষ্ঠিত হয়। এই মেলাত বাঁহ-বেতৰ সঁজুলিও বিক্ৰী কৰা হয়। পিচ দিনাৰ ভঠেলিক 'ভঙা ভঠেলি' বা 'বাইহা ভঠেলি' বোলে। ৰামদিয়াৰ ভঠেলিক এক ধৰ্মীয় সংহতিৰ 'সমন্বয়ৰ প্ৰতীক' ৰূপত গ্ৰহণ কৰা হয়। বৰুৱাবাৰীতো ভঠেলি উৎসৱ পালন কৰা হয়।

মনসা পূজা

হাজো চক্ৰৰ কেইবা ঠাইতো মনসা পূজা পালন কৰা হয়। অঞ্চলটোৰ পছৰীয়াৰ মনসা পূজা অতি পুৰণি। ১৯৯৭ চনত পছৰীয়া আঞ্চলিক মনসা পূজা দেৱধ্বনিৰ শতবাৰ্ষিকী উৎসৱ পালিত হৈছে। ১৯৪৩ চনৰ পৰা গেৰুৱাত পাঁচগাঁও ইউনিয়নে মনসা পূজা অনুষ্ঠানৰ আয়োজন কৰে। এতিয়া এই পূজা দুভাগ হৈছে। গেৰুৱা বাইজে গেৰুৱাত আৰু পাঁচগাওঁ ইউনিয়ন সমাজে ১৯৮৪ চনৰ পৰা

বৰগাঁৱত সমূহীয়াকৈ মনসা পূজা পাতিবলৈ লৈছে। গুবালকুছিতো মনসা পূজা পালন কৰা হয়। হাজোৰ নমঃশূদ্ৰ ৰাইজে নমঃশূদ্ৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগনত মনসা পূজাৰ আয়োজন কৰি আহিছে। মনসা পূজাত বলি বিধানৰ ব্যৱস্থা আছে। এই পূজা পাঁচ দিন বা সাত দিনলৈ ধৰি চলে। শাওণ আৰু ভাদ মাহৰ দোমাহীৰ আগদিনাৰ পৰা পূজাৰ আৰম্ভণি হয়। মনসা পূজাত বিশেষকৈ দেৱধ্বনি নৃত্যই গুৰুত্ব লাভ কৰে। মনসা পূজাক 'মাৰৈ' বা 'মাৰেই' পূজা বুলিও কয়। দেওধাই ঢোল, তাল আৰু কালি পেপাৰ তালে তালে হাতত দা, বেত আদি লৈ জোকাৰি জোকাৰি দিনৰ আবেলিৰ পৰা প্ৰায় গোটেই নিশাটো নৃত্য কৰে। তেওঁলোকে দেৱতাৰ নামে যেনে বিষহৰি, সদাশিৱ, চণ্ডিকা, গণেশ, কাৰ্ত্তীক আদিৰ ঘোঁৰা বুলি কোৱা হয়। পূজাৰ এবিধ অতি দৰকাৰী উপচাৰ হ'ল— পদুম ফুল। ওজাপালিও পৰিবেশন কৰা হয়।

মুছলমান সমাজৰ ধৰ্মীয় উৎসৱ

হাজো অঞ্চলৰ নিজ হাজো, কলিতাকুছি, শনিয়াদি, আধিয়াৰপাৰা, বৰ্ণি, বুল্লুট, ৰামদিয়া, দামপুৰ, বৰস্বৈ, আজ্জাঠুৰী, মনাহকুছি, চৈঁচামুখ, খিণ্ডৰবৰী, জাপিয়া, মোখনীয়া, উখুৰা, আলিকাষ, ৰোমাৰী আদি বিভিন্ন ঠাইত মুছলমান সম্প্ৰদায়ৰ লোকসকলে বসবাস কৰিছে। এই গাঁৱবিলাকৰ প্ৰত্যেকখন গাঁৱতে এটা বা দুটাৰো অধিক মছজিদ নিৰ্মাণ হৈছে। এই মছজিদবিলাকৰ ইছলামীয় লোকসকলে শুক্ৰবাৰে জুম্মা পঢ়ে। তদুপৰি তেওঁলোকে উৎসাহ-উদ্দীপনাৰে পালন কৰে মহৰম, আখেৰী চাহাৰ চম্বা, ফাতেহায়ে, দুৱাজ দহম, চবে বৰত, চবে কদৰ, ঈদুল ফিতৰ, ঈদুল্ আজহা আদি উৎসৱ।

বড়ো সমাজৰ ধৰ্মীয় উৎসৱ

হাজো অঞ্চলৰ জাপিয়া-হেলাছা, বংশৰ, কলিতাকুছি, শনিয়াদি, চুণ্ডৰবৰী, ওৰগাল, কেতেকীবাৰ আদিত বড়ো লোকসকলে বসবাস কৰে। বড়োলোকসকলেও বিভিন্ন উৎসৱ-পাৰ্বন পালন কৰে। এওঁলোকে কৌলিক প্ৰথাৰে উৎসৱ পৰবন পালন কৰে।

কৌলিক প্ৰথামতে হিন্দুসকলৰ তৃতীয় প্ৰধান দেৱতাগৰাকী মহেশ্বৰ। এই মহেশ্বৰ বড়োসকলৰ আদি দেৱতা। এওঁক বড়োসকলে সিব্ৰাই বা বাথৌ ব্ৰাই আখ্যা দিয়ে। সিব্ৰাই পবিত্ৰ সিজু গছত বাস কৰে বুলি কোৱা হয়। সেয়ে বড়োসকলে চোতালৰ পূব দিশত পাঁচসিৰীয়া সিজু পোতে। এই সিজুডালৰ চাৰিওফালে ওঠৰগৰাকী দেৱতাৰ প্ৰতীকৰূপে ওঠৰ যোৰ বাঁহৰ খুঁটি পুতি ঘূৰণীয়া আকৃতিৰ বা কামিৰ বেৰ সাজি পূজা মণ্ডপ নিৰ্মাণ কৰে। এই পূজা মণ্ডপতে বড়োসকলে দৈনন্দিন পূজা-অৰ্চনা আগবঢ়াই আহিছে।

খেৰাই থানক বড়োসকলে পবিত্ৰ জ্ঞান কৰে। ইয়াৰ উপাস্য দেৱতা শিব আৰু পাৰ্বতী। লগত অনুচৰসকল। গছ এডালক মূল কৰি, গাঁৱৰ কিছু আঁতৰৰ পবিত্ৰ ঠাইত এই বেদী থাপনা কৰা হয়। এই স্থানত মাঘ বা ব'হাগত খেৰাই উৎসৱ উদ্‌যাপন কৰা হয়। এই উৎসৱত নাচ গানৰো আয়োজন কৰা হয়। ইয়াক ঘৰুৱাদেৱতাৰূপে গণ্য কৰা হয়।

প্ৰতিমাহৰ সংক্ৰান্তিত গোঁসাই ঘৰত পূজা-অৰ্চনা চলে। 'গাৰ্জা পূজা' বড়োসকলৰ আন এটা ধৰ্মীয় অনুষ্ঠান। এওঁলোক বাহিৰা দেৱতা। কলৰ ভেল কৰি তাৰ ওপৰত কলৰ ডোনাৰে ঘৰ সাজি, চান খেৰৰ জুমুঠিৰে বাওনা বাওনিৰ পুতলা সাজে। এওঁলোকক নানাভাৱে পূজা-অৰ্চনা কৰি ভেলসহ উটুৱাই দিয়ে। ইয়াৰ দ্বাৰা পিছৰ গোটেই বছৰটোৰ বাবে মংগল কামনা কৰা হয়।

ঘৰুৱা পূজাৰ অন্তত মাৰৈ পূজা ভাগ আগবঢ়োৱা হয়। এই পূজা সাধাৰণতে ফাগুন মাহত পালন কৰা হয়। এই পূজা এদিনীয়া আৰু তিনিদিনীয়া হয়। এই পূজাত বলি-বিধানৰ ব্যৱস্থা আছে।

* * *

হাজো অঞ্চলৰ জনপ্ৰবাদ

ইতিহাসে গৰকা হাজোৰ প্ৰতিটো শিল, নৈ, নিজৰা, জান, বিল, গছ-গছনি, পুখুৰী, টিপ প্ৰতিখন গাঁও, প্ৰতিখন পৰ্বত, প্ৰতিখন দেৱালয় আদিয়ে বুৰঞ্জীৰ সম্ভেদ দিব পাৰে। অতীতৰ ঠাইখণ্ড দেৱভূমি আৰু বিভিন্ন ৰাজ্যৰ ৰাজধানী আছিল বাবে ইয়াৰ প্ৰতিটো বস্তুৰ লগত অতীত বুৰঞ্জী আৰু কিংবদন্তী গঁঠা আছে।

এসময়ত ব্ৰহ্মপুত্ৰৰ এটা সুঁতি আজ্ঞাঠুৰী আৰু ৰাক্ষসিনী পাহাৰৰ মাজেৰে উত্তৰলৈ বৈ গৈছিল। এই সুঁতিয়ে কুৰিজান নৈত (বৰ্তমান চেঁচা নৈ) পৰি কাকৰা সাগৰত (হাজো বৰাহকুণ্ড) মিলিছিল। অতীতত এই সুঁতিটোক উত্তৰী গংগা বোলা হৈছিল। এতিয়া ই মৰাসুঁতিত পৰিণত হৈছে। শিঙিমাৰী, মোৱামাৰী, ৰৌমাৰী, ভকুৱামাৰী আদি এই সুঁতিৰ পাৰত অৱস্থিত গাঁৱসমূহ আজিও অতীত বুৰঞ্জীৰ সাক্ষী। অতীত বুৰঞ্জী আছে— দলিবাৰী, আজ্ঞাঠুৰি, দদৰা, পছৰীয়া, ধিঙৰবড়ী, বৰদধি, কুলহাটী, চেচাঁমুখ, ক্ষুদ্ৰদধি, হাদালা, তেতেলীয়া, বাহানা, মনাহকুছি, বৰষৈ, বাগটা, অভয়পুৰ, দমদমা, বামুন্দী, সোৱানচাহ, ক্ষেত্ৰী হাৰদিয়া, বৰহাৰদিয়া, ভোমা, আদিৰ কাহিনী আৰু কিংবদন্তীৰে ভৰা— হাজোৰ কাকৰা সাগৰ, ভীমৰ চৰিয়া, কপিল মুনিৰ আশ্ৰম, চৈতন্য ঘোপা, শালবৃক্ষ, বল্লভা-নৈ, পংকজা, মধুমতী নদী, বাৰানসীয়ক কুণ্ড, মাৰ্কণ্ডেয় হ্ৰদ, ব্ৰহ্মসৰোবৰ, গুঞ্জৰীসাগৰ, সৌভাগ্য কুণ্ড, বিষ্ণুপুষ্কৰ, অপুৰ্ণভৱ কুণ্ড, গোকৰ্ণ, বিকৰ্ণ, বামুন্দীৰ 'বৰশিল' বৰলাহৰ নৈ শিলা, বামুন্দি বিষ্ণুপুৰৰ 'বৰশীবোৱা', হাতীমুৰাৰ গোধাৰ পদচিহ্ন, লাহোৰ পাক, সানপাৰা গ্ৰাণ্ট, বামুন্দীৰ 'হাতীপোচা', লখাইতাৰা নৈ (পুঠিমাৰী), বৰষৈৰ পাহাৰৰ শিলাখণ্ড 'দৰা-কইনাই আজিও কান্দে', মনাহকুছিৰ বৰুৱা পুখুৰী বা খলিফা পুখুৰী, হাজোৰ কামেশ্বৰ মন্দিৰৰ জনশ্ৰুতি, দুবনি-মুৰনি টিলা, জেঠি গোসাঁই, বেউলা লক্ষীন্দাৰৰ কাহিনীৰ লগত জড়িত বাণেশ্বৰ পাহাৰ প্ৰকাণ্ড শিলৰ কালনাগ যোৱা চিহ্ন, নেতাই শিলত কাপোৰ ধোৱা চিহ্ন, স্বৰ্গদ্বাৰ, কুলহাটীৰ ভোকদোভা (যোগদোভা), কুলহাটীৰ

ধনেশ্বৰী পাহাৰৰ শিখৰত অৱস্থিত পুখুৰীৰ স্মৃতি চিহ্ন। ধনেশ্বৰী পাহাৰৰ শিলৰ স্বৰগ দুৱাৰ, থিয়ৈ পোতা পুখুৰী, মাজৰ পুখুৰী, ধনেশ্বৰী পাহাৰৰ দক্ষিণত অৱস্থিত হাতীশিলা, মজ গোঁসানী, অভয়পুৰৰ শিলাদ্বাৰ পাহাৰৰ 'অভয় চণ্ডিকা', শংকৰবাৰী, থানবলি, মাটিয়া পাহাৰৰ খাটৰবাৰী, বৰঘাট, জাহাজদোলা, বামুন্দীৰ আকাশী গংগা, বৰদধিৰ 'পদুমপুখুৰী' দমদমা নামৰ জনশ্ৰুতি, ৰাক্ষসিনী পাহাৰৰ 'জেঠী গোঁসাই' আদি। এটা জনপ্ৰবাদে হাজো সম্পৰ্কে কয় এইদৰে—

'কুলহাটীৰ শাল
বৰম্বৈত তাল
দুৱনি-মুৱনিত সাত ঠেকা শিমলু'

এই গছকেইডাল যেতিয়া বাঢ়ি ওখ হৈ পৰস্পৰে দেখা দেখি হ'ব, সেইদিনা দুৱনি-মুৱনি স্থলত সাত ম্লেচৰ ৰণ হৈ মানুহ জাতি ধ্বংস হ'ব। তেতিয়াই হাজোৰ মাজেৰে পুষ্পভদ্ৰা মুক্তি হ'ব আৰু হাজো ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰ হ'ব।

* * *

সাহিত্যলৈ হাজো অঞ্চলৰ অৱদান

অসমীয়া সাহিত্যলৈ হাজো অঞ্চলৰ কেইবাগৰাকী লেখকে বিশিষ্ট বৰঙণি আগবঢ়াইছে। অতীজতো ইয়াৰ কেইবাগৰাকী সু-সাহিত্যিক আছিল আৰু আজিও ইয়াৰ কেইবাগৰাকী সাহিত্যিকে অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰিছে। অঞ্চলটোৰ পৰা এতিয়ালৈ বহুতো গল্প, উপন্যাস, কবিতা, নাটক, প্ৰবন্ধ, সাধুকথা আৰু ধৰ্মমূলক গ্ৰন্থ প্ৰকাশিত হৈছে। ইয়াৰ বিভিন্ন শিক্ষানুষ্ঠান, সংঘ, সাহিত্য সভা, ধৰ্মীয় অনুষ্ঠান আদিৰ পৰা প্ৰকাশিত আলোচনী-স্মৃতিগ্ৰন্থসমূহে এচাম লেখক সৃষ্টি কৰাৰ লগতে নানা আঞ্চলিক সাহিত্যও উদ্ধাৰ কৰিছে। অসমীয়া সাহিত্যৰ ইতিহাসলৈ বিশেষভাৱে ৰেখাপাত হাজো অঞ্চলৰ কেইগৰাকীমান সাহিত্যিকৰ পৰিচয় তলত দাঙি ধৰা হ'ল—

কুমাৰিলা ভট্টপাদ ঃ কুমাৰিলা ভট্টাপাদৰ জন্ম হাজোত। তেওঁ এগৰাকী কামৰূপৰ প্ৰথিতযশা পণ্ডিত আছিল। ভট্টপাদে জগৎগুৰু শংকৰাচাৰ্যক তৰ্ক যুদ্ধত হেৰুৱাই কামৰূপৰ সন্মান ৰক্ষা কৰিছিল। তেওঁ ৰচনা কৰা 'ৰাৰ্তিক' নামৰ গ্ৰন্থ এখন বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পুথিভঁৰালত সংৰক্ষিত হোৱা বুলি জনা যায়।

আচাৰ্য্য ধৰ্মকীৰ্তি ঃ এওঁ এগৰাকী বৌদ্ধ দাৰ্শনিক পণ্ডিত। জন্ম হাজোত।

দুৰ্গাবৰ কায়স্থ ঃ মনসা কবি দুৰ্গাবৰ কায়স্থৰ জন্ম হাজোৰ ওচৰৰ মনাহকুছিত বুলি অনুমান কৰা যায়। তেওঁৰ পিতাকৰ নাম চন্দ্ৰধৰ কায়স্থ। তেওঁ বিশ্ব সিংহৰ আমোলা বাহুবল শিকদাৰৰ পৃষ্ঠপোষকতা লাভ কৰি সাহিত্য চৰ্চাত মনোনিবেশ কৰে। তেওঁকে ৰাগ সংগীতৰ প্ৰৱৰ্তক বুলি কোৱা হয়। তেওঁৰ দুখন উল্লেখযোগ্য গ্ৰন্থ হ'ল 'গীতি ৰামায়ণ' আৰু 'মনসা কাব্য'। দুৰ্গাবৰ কায়স্থ সম্পৰ্কে বিষয়চন্দ্ৰ বিশ্বাসীয়ে লিখিছে, 'এওঁৰ জীৱনী সম্বন্ধে বহু অনুসন্ধান কৰি আজিলৈ আমি এইখিনি মাথোন জানিব পাৰিছোঁ যে কামৰূপ জিলাৰ হাজো মৌজাৰ কোনো এখনি সৰু গাঁৱত কায়স্থ কুলত তেওঁৰ জন্ম হৈছিল।

অনন্ত কন্দলী : নববৈষ্ণৱ যুগৰ খ্যাতিমান কবি অনন্ত কন্দলীৰ জন্ম হাজোত। তেওঁৰ পিতাকৰ নাম ৰত্ন পাঠক। তেওঁৰ পিতৃদত্ত নাম হৰিচৰণ। ব্যাকৰণ শাস্ত্ৰত থকা পাণ্ডিত্যৰ বাবে তেওঁ 'চন্দ্ৰ ভাৰতী' উপাধি লাভ কৰে। তৰ্ক শাস্ত্ৰত থকা পাণ্ডিত্যৰ বাবে তেওঁ লাভ কৰে 'অনন্ত কন্দলী বিভূষা' উপাধি। ভাগৱত শাস্ত্ৰত থকা গভীৰ পাণ্ডিত্যৰ বাবে তেওঁ লাভ কৰে ভাগৱতাচাৰ্য আৰু ভাগৱত ভট্টাচাৰ্য বিভূষা।

'ৰত্ন পাঠক নামে পণ্ডিত পৰম।
ভাগৱত শাস্ত্ৰে যাৰ আছিল বিক্ৰম।।
শ্ৰীহৰিচৰণ নামে তাহান সন্ততি।
ব্যাকৰণ পঢ়ি নাম শ্ৰীচন্দ্ৰ ভাৰতী।।
তৰ্কত লভিলা অনন্ত কন্দলী।
ভাগৱতে আচাৰ্য পদবী ভৈল বলী।।
ভাগৱত ভট্টাচাৰ্য বোলে আৰ্যজনে।
তেহো বিৰচিলা পদ কৃষ্ণৰ চৰণে।।'

অনন্ত কন্দলীয়ে শংকৰ দেৱৰ লগতো সাক্ষাৎ হৈছিল। তেওঁ ৰচনা কৰা সাহিত্যৰাজিৰ ভিতৰত হ'ল— কাব্য— 'কুমাৰ হৰণ' আৰু 'বৃত্ৰাসুৰ বধ'। ধৰ্মীয় সম্পৰ্কীয়— 'বৈষ্ণৱামৃত' আৰু 'জীৱস্তুতি'। অনুবাদমূলক— ভাগৱত পুৰাণৰপৰা অনুবাদ কৰা 'দশম' (মধ্য আৰু শেষ)। ৰামায়ণৰ পৰা অনুবাদ— অযোধ্যা কাণ্ড, অৰণ্য কাণ্ড, কিষ্কিন্ধ্যাকাণ্ড। তেওঁৰ আন দুখন গ্ৰন্থ হ'ল— 'নীতিৰত্ন' আৰু 'কল্পদ্ৰুম'।

ৰাম সৰস্বতী : বৈষ্ণৱ যুগৰ কবি ৰাম সৰস্বতীৰ জন্ম হয় হাজোৰ পূবে অৱস্থিত পহুৰীয়া গাঁৱত। তেওঁৰ পিতাকৰ নাম ভীমসেন চুড়ামণি। তেওঁৰ দীক্ষাগুৰু মুকুন্দ দেৱ। পিতৃদত্ত নাম অনিৰুদ্ধ। গুৰুয়ে নাম দিয়ে ভাৰতচন্দ্ৰ আৰু কবিচন্দ্ৰ। কবিচন্দ্ৰ নামটো শুক্লধ্বজেও দিয়া বুলি কয়। তেওঁক 'ৰাম সৰস্বতী' উপাধি প্ৰদান কৰে মহাৰাজ নৰনাৰায়ণে। তেওঁক 'ভাৰতভূষণ' সন্মানেৰেও বিভূষিত কৰা হৈছিল। তেওঁক 'অসমীয়া ব্যাস' বা 'মহাভাৰতীয় কবি' ৰূপে আখ্যা দিয়া হৈছে। হাজো অঞ্চলৰ বিভিন্ন জনশ্ৰুতিমূলক পদ আখ্যানত ৰাম সৰস্বতীৰ নাম জড়িত হৈ আছে।

'কহে ৰাম সৰস্বতী এৰি আন কাম।
শীতলা সন্তুষ্ট হওঁক বোলা ৰাম ৰাম।।'

সাহিত্য জগতলৈ অসমীয়া বৈষ্ণৱ কবিসকলৰ ভিতৰত ৰাম সৰস্বতীয়ে উল্লেখযোগ্য অৰিহণা আগবঢ়াইছে। উল্লেখ্য যে বৈষ্ণৱ কবিসকলৰ ভিতৰত ৰামসৰস্বতীৰে ৰচনা কৰা গ্ৰন্থৰ সংখ্যা আটাইতকৈ বেছি। তেওঁৰ সেই অৰিহণাসমূহৰ ভিতৰত হ'ল—

অনুবাদমূলক গ্ৰন্থ ঃ মূল মহাভাৰতৰ সংস্কৃতৰ পৰা ভাঙনি (১) আদি পৰ্ব, (২) সভাপৰ্ব, (৩) বনপৰ্ব, (৪) বিৰাট পৰ্ব, (৫) উদ্যোগ পৰ্ব, (৬) ভীষ্মপৰ্ব, (৭) দ্ৰোণপৰ্ব, (৮) কৰ্ণপৰ্ব, (৯) গদা পৰ্ব, (১০) শান্তিপৰ্ব। তেওঁ কবি জয়দেৱৰ সংস্কৃত কাব্য 'গীত-গোবিন্দ'ৰো ভাঙনি কৰে।

তেওঁ মহাভাৰতৰ আদি পৰ্বৰ ভিত্তিত ৰচনা কৰা 'ভীম চৰিত' সাহিত্যলৈ এটা উল্লেখযোগ্য অৰিহণা। ৰাম সৰস্বতী এই 'ভীম চৰিতে' অসমীয়া সমাজত বিশেষ জনপ্ৰিয়তা লাভ কৰিছে।

ৰাম সৰস্বতীৰ অনবদ্য সৃষ্টি হ'ল তেওঁৰ বধকাব্যসমূহ। সেই বধ কাব্যসমূহ হ'ল— (১) বিজয় পৰ্ব, (২) বঘাসুৰ বধ, (৩) খটাসুৰ বধ, (৪) জংঘাসুৰ বধ, (৫) কালকুঞ্জ বধ, (৬) অশ্বকৰ্ণৰ যুদ্ধ, (৭) মহিষ দানৱ বা ভোজকূট বধ, (৮) কুলাচল বধ, (৯) জটাসুৰ বধ আদি। তেওঁ এই বধকাব্যসমূহৰ ৰচনাৰ উৎস সম্পৰ্কে কৈছে—

'সংহিতা যামল পুৰাণ মিশ্ৰিত, হংসকাকী ঠাই ঠাই।
ভাগৱত আদি আনো যতমান, ইহাত নাহিকা নাই।।"

তেওঁৰ এই বধ কাব্য সম্পৰ্কে ড° বিৰিঞ্চি কুমাৰ বৰুৱাই লিখিছে— 'এই বধ কাব্যসমূহ একেধাৰে ধৰ্মগ্ৰন্থ, কাব্য, উপন্যাস, গীত আৰু নাটক।'

হলিৰাম মেধি ঃ হলিৰাম মেধিৰ জন্ম হয় ১৮৫৩ চনৰ ১০ এপ্ৰিলত, হাজোত। তেওঁৰ পিতাকৰ নাম ধনীৰাম মেধি আৰু মাকৰ নাম কাকলী মেধি।

১৮৭৯ চনত তেওঁ হাজো গৱৰ্ণমেণ্ট বাঙ্গালা স্কুলৰপৰা ছাত্ৰবৃত্তি পৰীক্ষাত উত্তীৰ্ণ হয়। ১৮৭২ চনত তেওঁ গুৱাহাটীৰ এখন নৰ্মাল স্কুলত ভৰ্ত্তি হয় আৰু ১৮৭৬ চনত তেওঁ নৰ্মাল স্কুলৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৮৭৭ চনত তেওঁ নৰ্মাল স্কুলৰ

শিক্ষক নিযুক্ত হয়। তেওঁ কিছুদিন Honourary Megistrate ৰূপেও কাৰ্যনির্বাহ কৰে। ১৯১১ চনত তেওঁ চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে। ১৯২৯ চনত তেওঁৰ মৃত্যু হয়।

তেওঁ বৰপেটাৰ মল্ল নাৰায়ণ দাসৰ সৈতে যুটীয়াভাৱে সম্পাদনা কৰে 'হৰি প্ৰসংগ' (১৯১২)। তেওঁ 'শ্ৰীকৃষ্ণ ৰুক্মিণীৰ বিবাহ' (১৮৯৪) নামেৰে এখন বিয়া গীতৰ পুথি ৰচনা কৰে। তেওঁ ৰচনা কৰা পাঠ্যপুথি দুখন হ'ল— পৰিমিতি (১৮৮৩) আৰু আনখন 'সহজ পৰিমিতি' (১৮৮৫)।

কালিৰাম মেধি : ভাষাবিদ কালিৰাম মেধিৰ জন্ম হয় ১৮৭৮ চনৰ অক্টোবৰত হাজোৰ ওচৰৰ ৰামদিয়া গাঁৱত। তেওঁৰ পিতাকৰ নাম ভুকলি আৰু মাকৰ নাম সোণতৰা। সৰুতেই তেওঁৰ বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৰ্ষণ জন্মে আৰু সেই সময়তে তেওঁ বৈষ্ণৱ ধৰ্মৰ বহুতো কিতাপ পত্ৰ পঢ়ি শেষ কৰে। তেওঁ গুৱাহাটীৰ কলেজিয়েট স্কুলৰ পৰা প্ৰৱেশিকাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষা ল'বলৈ কলিকতালৈ যায়। ১৯০১ চনত তেওঁ বি. এ. আৰু ১৯০৩ চনত পদাৰ্থ বিজ্ঞানত এম. এ. পাছ কৰে।

১৯০৪ চনত তেওঁ চাব ডেপুটি কলেক্টৰৰূপে চাকৰিত যোগদান কৰি, পিচত তেওঁ বিশেষ দণ্ডাধীশ আৰু স্পেচিয়েল অফিচাৰ পদ পাইছিল। ১৯৩৫ চনত তেওঁ চাকৰিৰ পৰা অৱসৰ লয়। ১৯৪৬ চনত চৰকাৰে তেওঁক 'ৰায়বাহাদুৰ' খিতাপ দিয়ে।

তেওঁৰ চৰকাৰ এনে দায়িত্বশীল পদত থাকিও অসমীয়া সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়াই গৈছে। ১৯০৩ চনত তেওঁ 'জোনাকী'ত 'প্ৰলয়' নামৰ প্ৰবন্ধ প্ৰকাশ কৰি সাহিত্যিক জীৱন আৰম্ভ কৰে। তেওঁ বাঁহী, চেতনা, জয়ন্তী, সুৰভি, আৱাহন, অসম সাহিত্য সভা পত্ৰিকা, আসাম হিতৈষী, ৰামধেনু আদিত বিভিন্ন বিষয়ৰ প্ৰবন্ধ প্ৰকাশ কৰে।

কালিৰাম মেধিৰ কেইবাখনো গ্ৰন্থ প্ৰকাশিত হয়। তাৰ ভিতৰত সম্পাদিত গ্ৰন্থ তিনিখন। সেই গ্ৰন্থ তিনিখন হ'ল— (১) প্ৰহলাদ চৰিত্ৰ (১৯১৩), (২) মহাপুৰুষ শংকৰদেৱৰ বাণী (১৯৪৮) আৰু অংকাৱলী (১৯৫০)। তেওঁৰ মৌলিক গ্ৰন্থখন হ'ল— অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব (১৯৩৬)। তেওঁৰ ৰচিত আন

কেইখন গ্ৰন্থ হ'ল— অসমীয়া ভাষাৰ মূল (১৯১৮), বীজ গণিত (১৯৩৬), অসমীয়া প্ৰাথমিক প্ৰাকৃতিক বিজ্ঞান (১৯৩৭) 'অৰিজিন অব দি আছামিজ ড্ৰামা'। তেওঁ গুবাহাটীৰ বিশ্ববিদ্যালয়, কামৰূপ অনুসন্ধান সমিতি আৰু অসম ৰাজ্যিক সংগ্ৰহালয়ৰ লগতো বিশেষভাৱে জড়িত আছিল।

১৯১৯ চনত বৰপেটাত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ তৃতীয় অধিবেশনৰ তেওঁ সভাপতি আছিল। ১৯৫৪ চনৰ ২৪ জানুৱাৰীত গুৱাহাটীৰ নিজ বাসভৱনত তেওঁৰ মৃত্যু হয়।

ৰঘুনাথ চৌধাৰী : ৰঘুনাথ চৌধাৰীৰ জন্ম হয় ১৮৮০ চনত অবিভক্ত হাজো সমষ্টিৰ পশ্চিমে অৱস্থিত ল্যাউপাৰা (নলবাৰী জিলাৰ মুকালমুৱাৰ ওচৰত) গাঁৱত। তেওঁৰ পিতাকৰ নাম ভোলানাথ চৌধাৰী আৰু মাকৰ নাম দয়ালতা চৌধাৰী। ১৮৯৬ চনত তেওঁ ছাত্ৰ বৃত্তি পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ কলেজিয়েট স্কুলত পঢ়ে। তেওঁ অষ্টমমান শ্ৰেণীলৈ পঢ়ি সিমানতে পঢ়াশলীয়া জীৱনৰ সামৰণি মাৰে। তেওঁ ঘৰতে সংস্কৃত আৰু বঙালী ভাষা অধ্যয়ন কৰে।

১৯০১ চনত তেওঁ উজানবজাৰ-সতাশিল প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰে। পিচত শিক্ষকতা এৰি বীৰকুছি খাটত কৃষি কাৰ্যত মনোনিবেশ কৰে।

তেওঁ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰো এগৰাকী মুক্তি যোদ্ধা আছিল। আন্দোলনত যোগদান কৰা বাবে তেওঁ পোন্ধৰ মাহ জেল জীৱন কটায়। ৰঘুনাথ চৌধাৰীক 'বিহগী কবি' বুলি জনা যায়। তেওঁৰ প্ৰকাশিত কবিতা গ্ৰন্থ কেইখনৰ ভিতৰত হ'ল— 'সাদৰী' (১৯১০), 'কেতেকী' (১৯১৮), 'কাৰবালা' (১৯২৩) আৰু 'দহিকতৰা' (১৯৩১)। ৰঘুনাথ চৌধাৰীৰ গদ্য-পুথি 'নৱমল্লিকা' ১৯৫৮ চনত প্ৰকাশিত হয়।

সত্যনাথ বৰা সম্পাদিত দ্বিতীয় খণ্ড 'জোনাকী'ত তেওঁ সহকাৰী সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯২৩ চনত তেওঁ 'মইনা', ১৯৩৭ চনত 'জয়ন্তী' আৰু ১৯৪০ চনত 'সুৰভি' সম্পাদনা কৰে।

ৰঘুনাথ চৌধাৰীয়ে বিবাহ পাশত প্ৰৱেশ কৰা নাছিল। কামৰূপ সঞ্জীৱনী সভাই তেওঁক 'কবিৰত্ন' উপাধিৰে বিভূষিত কৰে আৰু ন্যায়াধীশ হৰিৰাম ডেকাই তেওঁক 'বিহগী কবি' আখ্যা দিছিল।

১৯৩৬ চনত তেজপুৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ষষ্ঠদশ অধিৱেশনৰ বাবে ৰঘুনাথ চৌধাৰী সভাপতি নিৰ্বাচিত হৈছিল। ১৯৪৮ চনত তেওঁ বিশ্ব শান্তি পৰিষদৰ অসম শাখাৰ সভাপতি নিৰ্বাচিত হয়। ১৯৫২ চনত সৰ্বভাৰতীয় শান্তি পৰিষদৰ কলিকতাত অনুষ্ঠিত হোৱা অধিৱেশনৰ কৃষ্টি শাখাত সভাপতিত্ব কৰে ৰঘুনাথ চৌধাৰীয়ে। চৌধাৰীক ভাৰত চৰকাৰে সাহিত্যিক পেন্সন আগবঢ়ায়। তেওঁৰ পৰলোকপ্ৰাপ্তি হয় ১৯৬৭ চনৰ ১৮ নৱেম্বৰত।

বিষয় চন্দ্ৰ বিশ্বাসী : বিষয় চন্দ্ৰ বিশ্বাসীৰ জন্ম হয় ১৮৮২ চনত হাজোত। তেওঁৰ পিতাকৰ নাম চানাৰাম বিশ্বাসী। পানী কেঁচুৱাতে তেওঁৰ পিতৃ-মাতৃ ঢুকায়। মাউৰা বিষয় চন্দ্ৰ বিশ্বাসীক বাইদেউয়েক ধনেশ্বৰীয়ে নি লালন-পালন কৰে। তেওঁ উচ্চ প্ৰাথমিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিচত উচ্চ শিক্ষা ল'বলৈ মন মেলে। এনেতে তেওঁ শিৱসাগৰৰ খ্যাতনামা নাগৰিক অক্ষয়কুমাৰ ঘোষ বি এল ডাঙৰীয়াক লগ পাই, শিৱসাগৰৰ তেওঁৰ ঘৰলৈকে গুচি যায়। তেওঁৰ লগত যোৱাৰ একমাত্ৰ উদ্দেশ্য হ'ল বিদ্যাশিক্ষা লাভ কৰা। তেওঁ তাতে উচ্চ মাধ্যমিক বিদ্যালয়ত ভৰ্তি হয়। তেওঁ ঘোষৰ লগত পৰিয়ালৰ এজন ল'ৰাৰ দৰে চলিছিল।

১৯০৪ চনত তেওঁ প্ৰথম বিভাগত এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰে। প্ৰথমে তেওঁ আবকাৰী বিভাগত কেৰাণী কামত নিযুক্ত হয়। তাৰ পিচত তেওঁ পদোন্নতি লাভ কৰি 'একাউন্টেন্ট' নিযুক্ত হয়। তেওঁ গাঁৱলীয়া বেংক এটাও প্ৰতিষ্ঠা কৰিছিল।

বিষয় চন্দ্ৰ বিশ্বাসীয়ে শিশু সাহিত্য জগতলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছে। তেওঁৰ প্ৰকাশিত কবিতাৰ পুথিসমূহৰ ভিতৰত হ'ল— পদ্যাৱলী, নক্সা, সোণতৰা কাব্যহাৰ, শান্তি, জিৰণি, আভাস আদি। তেওঁ এখন গীতৰ পুথিও ৰচনা কৰিছিল। উচ্চ প্ৰাথমিক মহলাত তেওঁৰ দ্বাৰা ৰচিত শিশুপাঠৰ প্ৰথম ভাগ, দ্বিতীয় ভাগ, তৃতীয় ভাগ, চতুৰ্থভাগ, পঞ্চমভাগ, ষষ্ঠ ভাগ পাঠ্যপুথিৰূপে চলিছিল। 'পদ্যাৱলী' খনো ষষ্ঠমান শ্ৰেণীৰ পাঠ্যপুথি আছিল। তেওঁৰ সংকলিত পুথি হ'ল 'মণিকূট' আৰু 'দুৰ্গাবৰী কাব্য'।

হৰকান্ত দাস : হৰকান্ত দাসৰ জন্ম হয় ১৮৯৯ চনৰ ফেব্ৰুৱাৰীত, হাজোৰ ভবানীটোলাত। তেওঁৰ পিতৃ ৰবিৰাম ঠাকুৰীয়া আৰু মাতৃ বিচিত্ৰী। ১৯১৩ চনত হাজোৰপৰা প্ৰাইমাৰী শিক্ষা শেষ কৰি, গুৱাহাটী কটন কলেজিয়েট হাইস্কুলত ভৰ্তি

হয়। ১৯২৩ চনত মেট্ৰিকুলেচন পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯২৭ চনত তেওঁ কটন কলেজৰপৰা বি. এ. পাছ কৰে। ১৯৩১ চনত তেওঁ এম. এছ. ছি. পৰীক্ষাত উত্তীৰ্ণ হয়। এই চনতে তেওঁ বি-এল পৰীক্ষাতো উত্তীৰ্ণ হয়।

১৯৩১ চনত তেওঁ তেজপুৰ একাডেমীৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰূপে চাকৰি জীৱন আৰম্ভ কৰে। ১৯৩৩ চনৰপৰা তেওঁ শিক্ষকতা চাকৰি বাদ দি, তেজপুৰ কাছাৰীত ওকালতি আৰম্ভ কৰে। ১৯৮০ চনত তেওঁৰ পৰলোকপ্ৰাপ্তি হয়।

তেওঁৰ প্ৰকাশিত গ্ৰন্থ হ'ল— জগদ্-গুৰু শ্ৰীশ্ৰীশংকৰদেৱ, ঈশ্বৰবাদ (১৮৭১ শক), পূৰ্ণিমাৰ বিয়া (১৯৪৯), পুত্ৰৰ শোকত (১৯৫৪) আৰু জ্ঞানৰ শলিতা (১৯৫৫) আদি।

দণ্ডিৰাম দাস : দণ্ডিৰাম দাসৰ জন্ম হয় ১৯২২ চনৰ ১ মাৰ্চত, বৰদধি গাঁৱত। তেওঁৰ পিতাকৰ নাম মা ুৰাম কলিতা আৰু মাকৰ নাম সুন্দৰী কলিতা।

১৯২৯ চনত তেওঁ গেৰুৱা প্ৰাইমাৰী স্কুলত ভৰ্তি হয়। প্ৰাইমাৰী বিদ্যালয়ৰ শিক্ষা শেষ কৰাৰ পিছত, তেওঁ ১৯৩৫ চনত দমদমাৰ কনকলাল বৰুৱা মাইনৰ স্কুলত ভৰ্তি হয়। ১৯৩৯ চনত তেওঁ গুৱাহাটীত ফাইনেল পৰীক্ষা দি, প্ৰথম বিভাগত উত্তীৰ্ণ হয় আৰু এই চনতে হাজো হাইস্কুলত ভৰ্তি হয়। ১৯৪৩ চনত তেওঁ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫৮ চনত তেওঁ প্ৰথম বিভাগত আই. এ. আৰু ১৯৬১ চনত বি. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৬৩ চনত তেওঁ হিন্দী ভাষাত 'প্ৰবীণ' আৰু ১৯৬৪ চনত হিন্দীৰ প্ৰাজ্ঞ পৰীক্ষা দি উত্তীৰ্ণ হয়। ১৯৮৪ চনৰ ৩১ ডিচেম্বৰত তেওঁ ৰেলৰ চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে।

দাসে এলানি মূল্যবান প্ৰবন্ধ ৰচনা কৰিছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল— বৰদধি গাঁৱৰ চমু ইতিবৃত্ত (১৯৯০), দমদমা অঞ্চলৰ চমু ইতিহাস (১৯৯২), বৰদধি গাঁৱৰ ইতিহাস (১৯৯৯), জীৱন-স্মৃতি (২০০২), বৰদধি শ্ৰীশ্ৰী শংকৰদেৱ সনাতন কীৰ্তন ঘৰ সত্ৰৰ ইতিবৃত্ত (২০০৩), সমাজ সেৱাৰ মধুৰ স্মৃতি (২০০৪), ঐতিহ্য ৰোমন্থন, (প্ৰথম, দ্বিতীয়, তৃতীয় খণ্ড (২০০৩) আৰু চতুৰ্থ খণ্ড (২০০৬)।

তেওঁ দমদমা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি। তেওঁ অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত।

গোবিন্দ চন্দ্ৰ মহন্ত : গোবিন্দ চন্দ্ৰ মহন্তৰ জন্ম হয় বৰদধি সত্ৰত, ১৯২৪

চনত। তেওঁৰ পিতাকৰ নাম বলোভদ্ৰ মহন্ত আৰু মাকৰ নাম হ'ল থানেশ্বৰী মহন্ত। পাছলৈ তেওঁ গুৱাহাটীৰ স্থায়ী বাসিন্দা হয়।

তেওঁ বৰদধি শংকৰদেৱ পুথি ভঁৰালৰ দ্বাৰা সম্পাদিত তিনিমহীয়া আলোচনী 'প্ৰতিধ্বনি'ৰ পাতত সাহিত্যিক জীৱন আৰম্ভ কৰে। তেওঁৰ প্ৰকাশিত উপন্যাস হ'ল— 'শেষ পথ', 'জীৱন-বীমা' আৰু 'কৃষকৰ নাতি'।

তেওঁ অসম সাহিত্য সভাৰ লগত নিবিড়ভাৱে জড়িত আছিল। তেওঁ অসম সাহিত্য সভাৰ ১৯৭৩-৭৪ বৰ্ষত সহকাৰী সম্পাদক আছিল। তেওঁ কামৰূপ জিলা সাহিত্য সভাৰ জন্মদাতাসকলৰ অন্যতম আছিল আৰু কামৰূপ সাহিত্য পৰিষদৰ অভিবৰ্তন পৰ্যন্ত তেওঁ সম্পাদক আছিল।

১৯৮৯ চনৰ ১৮ জুনত তেওঁৰ পৰলোকপ্ৰাপ্তি হয়।

অনন্ত দেৱ শৰ্মা : অনন্ত দেৱ শৰ্মাৰ জন্ম হয় ১৯২৭ চনত, হাজোৰ ওচৰৰ ৰামদিয়া বৰসত্ৰাৰ গাঁৱত। তেওঁৰ পিতাকৰ নাম দয়ানাথ শৰ্মা। ১৯৩৩ চনত তেওঁ ৰামদিয়াৰ মাজৰকুৰি প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰম্ভ কৰে। তেওঁ প্ৰাথমিক শিক্ষা শেষ কৰি হাজোৰ হয়গ্ৰীৱ চতুষ্পাঠী টোলত পঢ়ি, তাৰপৰা 'ব্যাকৰণ তীৰ্থ' উপাধি লাভ কৰে। তাৰ পিচত গোৱালপাৰাৰ গৌৰীপুৰ তাৰিণী শৰ্মা চতুষ্পাঠী টোলত পঢ়িবলৈ লয়। এই টোলৰপৰাই 'কাব্য' উপাধি পৰীক্ষাত অসম সংস্কৃত বোৰ্ডৰ ভিতৰত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ সোণৰ পদক লাভ কৰে। তাৰ পিচত সাহিত্য শাস্ত্ৰী উপাধি লাভ কৰে। বেংগল সংস্কৃত বোৰ্ডৰ পৰা তেওঁ প্ৰথম বিভাগত কাব্যতীৰ্থ উপাধি লাভ কৰে।

১৯৪৯ চনত গোৱালপাৰাৰ বোকাখাটা হাইস্কুলত সংস্কৃত শিক্ষকৰূপে কৰ্ম জীৱনৰ পাতনি মেলে। তাৰ পিচত তেওঁ কামৰূপ একাডেমী হাইস্কুলত সংস্কৃত শিক্ষকৰূপে নিযুক্ত হয়। ১৯৫২ চনত তেওঁ প্ৰবেশিকা পৰীক্ষা পাছ কৰে। ১৯৫৭ চনৰ ২২ নৱেম্বৰত তেওঁ মঙ্গলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সংস্কৃত শিক্ষকৰূপে যোগদান কৰে। তেওঁ মৃত্যুৰ সময়লৈকে এই বিদ্যালয়তে চাকৰি জীৱন কটায়। তেওঁ বিবাহ পাশত আবদ্ধ হোৱা নাছিল। তেওঁ আমাৰ শিশু সাহিত্যৰ ভঁৰাললৈ বিশিষ্ট বৰঙণি আগবঢ়াইছিল। তেওঁৰ প্ৰকাশিত কবিতাৰ পুথিসমূহ হ'ল— (১) 'কৰণিৰ ফুল' (১৯৬১), (২) 'আলোক পথৰ যাত্ৰী'

(১৯৬২), (৩) ‘জোনাক বিচাৰি’ (১৯৬৩), (৪) ‘ৰঙা ৰ’দ আনোগে ব’ল’ (১৯৬৬), (৫) ‘মন ফুলনি’ আৰু (৬) ‘মল্লিকা’ (১৯৬৮)। গল্প গ্ৰন্থ কেইখন হ’ল— (১) ‘কাচমণি’ (১৯৬৫), (২) ‘জিবণিৰ সাধু’ (১৯৬৯), (৩) ‘মণিমালা’ (১৯৭০), (৪) ‘লুচি পালন’ (১৯৭২), (৫) ‘গল্পৰ থুপি’ (১৯৭২), (৬) ‘জন্ম দিনৰ উপহাৰ’ (১৯৭৩), (৭) ‘জোলোঙাৰ মেকুৰী’ (১৯৭৩), আৰু (৮) ‘ওৰণিৰ তলত গোঁফ’ (১৯৭৩)। তেওঁ ‘চাণক্য শতক’ৰ (১৯৬৪) শ্লোকৰ অসমীয়া ভাঙনি কৰিছে। তেওঁৰ অপ্ৰকাশিত অৱস্থাত থকা গ্ৰন্থসমূহ হ’ল— (১) পঞ্চতন্ত্ৰৰ অসমীয়া ভাঙনি, (২) দ’ৰা ব’ল বাঁহৰ চোপত (ধেমেলীয়া গল্প) আৰু উকাদেউ। ভাৰত চৰকাৰে পতা প্ৰতিযোগিতাত তেওঁ ‘ৰঙা ৰ’দ আনোগে ব’ল’ পুথিখনৰ বাবে পাঁচশ নগদ টকা আৰু মানপত্ৰ লাভ কৰে। তেওঁৰ ‘জিবণিৰ সাধু’খন মাধ্যমিক বিদ্যালয়ৰ পঞ্চমমান শ্ৰেণীৰ পাঠ্যপুথি আছিল। ১৯৭৫ চনৰ ২২ ফেব্ৰুৱাৰীত তেওঁৰ পৰলোকপ্ৰাপ্তি হয়।

চিত্ৰ মহন্ত : চিত্ৰ মহন্তৰ জন্ম হয় ১৯২৮ চনত, বৰদধি সত্ৰত। তেওঁৰ পিতাকৰ নাম ৰামচন্দ্ৰ মহন্ত আৰু মাতৃ হ’ল লক্ষ্মীপ্ৰিয়া মহন্ত। বৰ্তমান তেওঁ গুৱাহাটী ৰূপনগৰৰ স্থায়ী বাসিন্দা।

তেওঁ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা বৰদধি গাঁৱতে লাভ কৰে। তাৰ পিছত তেওঁ দমদমা এম. ই. স্কুলৰপৰা মাইনৰ পাচ কৰে। হাজোৰ কান্দাৰাম উচ্চ ইংৰাজী স্কুলত পঢ়িবলৈ সৈছিল যদিও আৰ্থিক দুৰৱস্থাৰ কাৰণে তেওঁৰ পঢ়া নহ’ল। জীৱিকাৰ সন্ধানত তেওঁ গাঁও এৰি গুৱাহাটীলৈ গুচি যায়। তেওঁ প্ৰাইভেটকৈ পৰীক্ষা দি, ১৯৫৯ চনত ছিলঙৰপৰা মেট্ৰিক পাচ কৰে আৰু ১৯৬০ চনত ইণ্টাৰমেডিয়েট পাচ কৰে। ১৯৬৫ চনত তেওঁ প্ৰয়াগৰপৰা সাহিত্য-ৰত্ন (বি. এ.ৰ মান্যতা প্ৰাপ্ত) আৰু ১৯৭৯ চনত মধ্যপ্ৰদেশৰ আদিত্য প্ৰতাপ সিং বিশ্ববিদ্যালয়, ৰেবাৰ পৰা এম. এ. পাচ কৰে।

যতীন দত্ত চৌধুৰীৰ গেঞ্জী মিলত পোনতে তেওঁ চাকৰি জীৱন আৰম্ভ কৰে। তাৰপিছত তেওঁ ‘নতুন অসমীয়া’ কাকতত সহকাৰী সম্পাদকৰূপে কিছুদিনৰ বাবে কাৰ্য্যনিৰ্বাহ কৰে। তাৰ পিছত তেওঁ চেৰাপুঞ্জী আৰু মোকক্চাং আদিত শিক্ষকতা কৰিবলৈ লয়। অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ প্ৰচাৰক, সংগঠক আৰু শেষত সচিবৰূপে তেওঁ অৱসৰ গ্ৰহণ কৰে।

চিত্ৰ মহন্ত এজন নীৰৱ সাহিত্য-সাধক। তেওঁ সাহিত্য জগতলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছে। তেওঁৰ প্ৰকাশিত জীৱনী ১১ খন। সেইবোৰৰ ভিতৰত হ'ল— মণিৰাম দেৱান, বিদ্ৰোহী পিয়লি, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ক্ৰান্তিদূত জয়প্ৰকাশ নাৰায়ণ আদি উল্লেখযোগ্য।

আলোচনামূলক গ্ৰন্থ : শংকৰদেৱ : সংস্কৃতি আৰু সমন্বয় (১৯৯২), সাহিত্য: অসমীয়া সাহিত্য (২০০১) আদি।

হিন্দী ভাষাত লিখা গ্ৰন্থ : অসমীয়া সাহিত্য ঔৰ সাহিত্যকাৰ, অসমীয়া সাহিত্য কা ইতিহাস, শংকৰদেৱ : ব্যক্তিত্ব ঔৰ কৃতিত্ব, ৰাষ্ট্ৰভাষা উদ্ভৱ ঔৰ বিকাশ, ৰাষ্ট্ৰভাষা কা ইতিহাস আদি কৰি ২৩ খন গ্ৰন্থ ৰচনা কৰিছে।

সম্পাদনামূলক গ্ৰন্থ : ব্ৰহ্মবৈৱৰ্ত পুৰাণকে ধৰি ছয়খন গ্ৰন্থ সম্পাদনা কৰিছে। তেওঁৰ এখন প্ৰখ্যাত গ্ৰন্থ হ'ল— 'চন্দ্ৰাকোষ' অসমীয়া হিন্দী অভিধান।

আত্মজীৱনীমূলক উপন্যাস : প্ৰিয়া (১৯৯৭) আৰু দহন (২০০৩)।

কথা কাব্য— কলাৰ মৃত্যু।

চিত্ৰ মহন্ত এগৰাকী বিশিষ্ট সাংবাদিক। তেওঁ 'নতুন অসমীয়া'ত সাংবাদিক জীৱন আৰম্ভ কৰে। তেওঁ সাপ্তাহিক 'জনতা'ৰ সহকাৰী সম্পাদক, মাহেকীয়া 'ৰাষ্ট্ৰসেৱক'ৰ সম্পাদক, সাপ্তাহিক 'আমাৰ প্ৰগতি'ৰ সহকাৰী সম্পাদক, মাহেকীয়া 'বিচাৰ' আৰু দুমহীয়া 'আজিৰ সমন্বয়'ৰ সম্পাদক আছিল।

তেওঁ গুৱাহাটী ৰূপনগৰ শাখা সাহিত্য আৰু 'উত্তৰণ' অনুষ্ঠানৰ প্ৰাক্তন সভাপতি আছিল। তেওঁ ১৯৯০-৯১ বৰ্ষৰ বাবে কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি আছিল।

শ্ৰীমান চক্ৰৱৰ্ত্তী : শ্ৰীমান চক্ৰৱৰ্ত্তীৰ জন্ম হয় ১৯৩৭ চনৰ ৩০ ডিচেম্বৰত, বামুন্দী গাঁৱত। তেওঁৰ পিতাকৰ নাম গোপীনাথ চক্ৰৱৰ্ত্তী আৰু মাকৰ নাম যোগেশ্বৰী দেৱী। ১৯৫৭ চনত তেওঁ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৬১ চনত তেওঁ বি. বৰুৱা কলেজৰ পৰা স্নাতক আৰু ১৯৬৪ চনত অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। পোনতে তেওঁ জীৱন বীমা আৰু উপায়ুক্তৰ কাৰ্যালয়ত চাকৰি কৰি, পিছত বামুন্দী হাইস্কুলত শিক্ষকতা কৰিবলৈ লয়। তাৰ পিছত তেওঁ গুৱাহাটী কুমাৰ মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপকৰূপে নিযুক্ত হয়।

চক্ৰৱৰ্ত্তী অসম সাহিত্য সভাৰ লগত নিবিড়ভাৱে জড়িত আছিল। তেওঁ

বামুন্দী বিকাশ সাহিত্য সভাৰ সভাপতি আছিল আৰু কামৰূপাৰ তৃতীয় সংখ্যাৰ সম্পাদক আছিল। তেওঁ ১৯৮৭-৮৮ বৰ্ষত কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি আছিল।

শ্ৰীমান চক্ৰৱৰ্ত্তীয়ে ছাত্ৰাৱস্থাৰপৰা সাহিত্য সাধনাত ব্ৰতী হয়। তেওঁ বিভিন্ন আলোচনী আৰু বাতৰি কাকত মূল্যবান প্ৰবন্ধ-পাতি ৰচনা কৰিছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থ হ'ল— (১) ৰাজভৱনলৈ কিমান দূৰ (১৯৭৫), (২) উত্তৰকূল (১৯৮৬) আদি।

তেওঁৰ ১৯৮৭ চনৰ ৩০ ছেপ্টেম্বৰত পৰলোকপ্ৰাপ্তি হয়।

মধুৰাম বড়ো : মধুৰাম বড়োৰ জন্ম হয় ১৯৩৮ চনৰ ১ নৱেম্বৰত, হাজোৰ ওচৰৰ কলিতাকুছি গাঁৱত। ১৯৫৫ চনত তেওঁ হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ ১৯৫৯ চনত গুৱাহাটী বি. বৰুৱা মহাবিদ্যালয়ৰপৰা বি. এ. আৰু ১৯৬৫ চনত তেওঁ পুনা বিশ্ববিদ্যালয়ৰ অধীনৰ ডেক্কান মহাবিদ্যালয়ৰ পৰা এম. এ. পাচ কৰে।

তেওঁ ১৯৫৭ চনত শনিয়াদি উচ্চ মাদ্ৰাছাত সহকাৰী শিক্ষক ৰূপে চাকৰি জীৱন আৰম্ভ কৰে। ইয়াৰ পিছত তেওঁ কেইবাখনো বিদ্যালয়ত শিক্ষকতা কৰি, ১৯৭৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাষাতত্ত্ব বিভাগৰ অধ্যাপক নিযুক্ত হয়। ১৯৯৮ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাষাতত্ত্ব বিভাগৰ জ্যেষ্ঠ অধ্যাপকৰূপে চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে।

১৯৭৫ চনত তেওঁ 'সংবাদ সাপ্তাহিক' বাতৰি কাকতৰ সম্পাদক নিযুক্ত হয়। তাৰ পিছত 'অসমৰ জনজাতি' নামৰ বহুভাষিক আলোচনী এখন সম্পাদনা কৰে। পিছলৈ তেওঁ 'অসমীয়া জনমত', 'নতুন দিন' আৰু 'আজি' (২ মাৰ্চ, ২০০৭) কাকতৰ সম্পাদক নিযুক্ত হয়।

২০০২ চনত তেওঁ অসম চৰকাৰৰ সাহিত্যিক পেন্সন লাভ কৰে।

২০০৩ চনত তেওঁ সাহিত্য অকাডেমীৰ সৰ্বভাৰতীয় ভাষা সন্মান পুৰস্কাৰ লাভ কৰে।

তেওঁৰ এতিয়ালৈ প্ৰকাশিত গ্ৰন্থৰ সংখ্যা ৭০ খনৰো অধিক। তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ হ'ল— বড়ো লোক সাহিত্য, বড়ো সাধু কথা, ড° আম্বেদকাৰ, বিষ্ণুপ্ৰসাদ ৰাভা, গৰসে ফৈসা, মুং খলংনি হাংমা, মুখ্য তত্ত্বাৱধায়ক 'বড়ো অভিধান'

(ত্ৰিভাষিক), হিষ্ট্ৰী অব্ বড়ো লিটাৰেচ্যৰ আদি।

সৰ্বেশ্বৰ বৰুৱা : সৰ্বেশ্বৰ বৰুৱাৰ জন্ম হয় ১৯৪০ চনত, ৰামদিয়াত। তেওঁৰ পিতাকৰ নাম মনভাল মজুমদাৰ আৰু মাতৃ যশোদা মজুমদাৰ। তেওঁৰ পিতৃ ধাকুৰাপাৰা সত্ৰৰ নামাচাৰ্য্য আছিল। ১৯৫৩ চনত ৰামদিয়া এম. ভি. স্কুলৰপৰা পৰীক্ষা দি বৃত্তি লাভ কৰি উত্তীৰ্ণ হয়। ১৯৬০ চনত তেওঁ হাজো হাইস্কুলৰপৰা মেট্ৰিক পাচ কৰে আৰু ১৯৬৪ চনত কটন কলেজৰপৰা স্নাতক উপাধি লাভ কৰে। ১৯৬৭ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা এম. এ. পাছ কৰে।

তেওঁ হাজো ছোৱালী হাইস্কুল, মায়ং হাইস্কুল, ৰামদিয়া হাইস্কুল, হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয় আদিত শিক্ষকতা কৰে। তেওঁ লামডিং মহাবিদ্যালয়তো প্ৰৱক্তাৰূপে যোগদান কৰে। পিছত সেই চাকৰি বাদ দি, হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষকৰূপে ১৯৯৯ চনত অৱসৰ গ্ৰহণ কৰে।

তেওঁৰ প্ৰকাশিত গ্ৰন্থ— চৰিতৰ সাধু (১৯৭৫) আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ আলেখ্য (২০০৬)।

তিলক চন্দ্ৰ মজুমদাৰ : তিলক চন্দ্ৰ মজুমদাৰৰ জন্ম হয় ১৯৪০ চনত, ৰামদিয়াত। তেওঁৰ পিতাকৰ নাম নন্দেশ্বৰ মজুমদাৰ আৰু মাতৃ মেমতৰা মজুমদাৰ। নন্দেশ্বৰ মজুমদাৰ ধাকুৰাপাৰা সত্ৰৰ বৰবায়ন আছিল। তেওঁ স্কুলীয়া শিক্ষা ৰামদিয়া আৰু হাজোৰপৰা লাভ কৰে। তেওঁ কটন কলেজৰপৰা অসমীয়াৰ সন্মানসহ স্নাতক ডিগ্ৰী লাভ কৰে। তেওঁ অসমীয়া বিষয়তে স্নাতকোত্তৰ উপাধি লাভ কৰে।

১৯৬৬ চনৰপৰা তেওঁ নগাঁও ছোৱালী কলেজত অধ্যাপনা কৰিবলৈ লয়। ২০০১ চনত তেওঁ চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে।

মজুমদাৰ এগৰাকী অসমীয়া সাহিত্যৰ বিশিষ্ট লেখক আৰু গৱেষক।

তেওঁ ৰচনা কৰা সাহিত্যৰ ইতিহাসমূলক গ্ৰন্থ হ'ল— (১) প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰাঞ্জলধাৰা, (২) প্ৰাচীন অসমীয়া গদ্য সাহিত্য আদি। মঞ্চসফল নাটক— শংকৰ-জ্যোতি। ভাষা বিষয়ক সম্পাদনামূলক— সুধীয়া সুবদি মাত। অংকীয়া নাট— মহাপুৰুষ শংকৰদেৱৰ ৰুক্মিণী হৰণ, কালি-দমন। মহাপুৰুষ মাধৱদেৱৰ— অৰ্জুন-ভঞ্জন, চোৰধৰা আৰু পিম্পৰা গুচোৱা ঝুমুৰা আদি। গাঁও বিষয়ক গ্ৰন্থ— পুণ্যভূমি ৰামদিয়া, শিশু সাহিত্য— গৰখীয়া ভীম, আমি উভতি চাওঁ, অমৃতৰ সন্ধানত আদি।

তথ্যমূলক গৱেষণা গ্ৰন্থ— (১) অবিভক্ত নগাঁও জিলাৰ সত্ৰ-দৰ্পণ আৰু (২) সত্ৰৰ গুৰিকথা : ঐতিহ্য আৰু ক্ৰমবিকাশ আদি।

বৰ্তমান তেওঁ নগাঁৱৰ বাসিন্দা।

ড° প্ৰবীণ চন্দ্ৰ দাস : ড° প্ৰবীণ চন্দ্ৰ দাসৰ জন্ম হয় ১৯৪৪ চনৰ ১৬ ফেব্ৰুৱাৰীত, হাজোৰ বামুণটোলাত। তেওঁৰ পিতাকৰ নাম মহেন্দ্ৰ দাস আৰু মাকৰ নাম হিৰণবালা দাস।

তেওঁ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা হাজো মজলীয়া বিদ্যালয়ৰপৰা লাভ কৰে। ১৯৬২ চনত তেওঁ হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান বিষয়ৰ পৰীক্ষা দি সুখ্যাতিৰে উত্তীৰ্ণ হয়। ১৯৬৮ চনত পাণ্ডু মহাবিদ্যালয়ৰপৰা অনাৰ্ছ সহ স্নাতক আৰু ১৯৭০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ উপাধি লাভ কৰে। ১৯৮৪ চনত তেওঁ 'হাজোৰ সামাজিক-সাংস্কৃতিক অধ্যয়ন' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা 'ডক্টৰেট' উপাধি লাভ কৰে।

১৯৬২ চনত তেওঁ ভাৰতীয় জীৱন বীমা নিগমৰ কৰ্মচাৰীৰূপে চাকৰি জীৱন আৰম্ভ কৰে। ১৯৬২-৭০ চনলৈ ৰেলৱে বিভাগত চাকৰি কৰি, ১৯৭২ চনৰপৰা পাণ্ডু মহাবিদ্যালয়ত অধ্যাপনা কৰে। ১৯৭২-৮১ চনলৈ শ্বিলং চেণ্ট এডমাণ্ড কলেজত অধ্যাপনা আৰু ১৯৮১-৯০ চনলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত লোক-সংস্কৃতি গৱেষণা বিভাগত অধ্যাপনা কৰে। ১৯৯০-৯৮ চনলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ বিভাগৰ সঞ্চালক ৰূপে আৰু ১৯৯৮-২০০৪ চনলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহৰ সচিব নিযুক্ত হয়।

২০০৪ চনৰ ৩১ মাৰ্চত তেওঁ অৱসৰ গ্ৰহণ কৰে। ২০০৫ চনত তেওঁ সাহিত্যিক পেন্সন লাভ কৰে।

.১৯৫৮ চনত তেওঁ হাজো ৰূপজ্যোতি সংঘৰ সাধাৰণ সম্পাদক আৰু ১৯৮৬ চনত হাজো মণিকূট সাহিত্য সমাজৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। তেওঁ ১৯৯৭-২০০২ চনলৈ অসম জনকৃষ্টি সমাজৰ সাধাৰণ সম্পাদক আৰু ১৯৮৩-৮৫ চনলৈ অসম ভাষা বিজ্ঞান সমিতিৰ যুটীয়া সম্পাদক আছিল। ১৯৯৪-৯৬ চনলৈ তেওঁ সৰ্বভাৰতীয় বিশ্ববিদ্যালয় এচোচিয়েশ্যনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংস্কৃতিক সমন্বয়ৰক্ষী আছিল। ১৯৯৯ চনত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ৬৫ তম্ হাজো অধিৱেশনৰ

আদৰণি সমিতিৰ তেওঁ সাধাৰণ সম্পাদক আছিল। ২০০৪-০৬ চনলৈ তেওঁ অসম নাট্য সম্মিলনৰ কামৰূপ জিলা সমিতিৰ সভাপতি আছিল।

তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত হ'ল— সম্পাদনামূলক গ্ৰন্থ : (১) মণিকূট (১৯৮৬, ১৭ শতিকাত ৰামচন্দ্ৰ বৰপাত্ৰ ৰচিত), (২) সুভদ্ৰা হৰণ (১৯৮৯, শ্ৰীৰাম আতা ৰচিত), (৩) বভ্ৰুবাহনৰ যুদ্ধ (১৯৯০, হৰিবৰ বিপ্ৰ ৰচিত), (৪) দুৰ্গাবৰী ৰামায়ণ (১৯৯৪, কবি দুৰ্গাবৰ ৰচিত)।

তেওঁৰ আন দুখন গ্ৰন্থ হ'ল— (১) পুণ্যভূমি হাজো (১৯৮৩) আৰু (২) অসমীয়া ভাষা আৰু সাহিত্যৰ কথা (১৯৯৩)।

সমীন কলিতা : সমীন কলিতাৰ জন্ম হয় ১৯৫১ চনত হাজোৰ ওচৰৰ ক্ষুদ্ৰদধি গাঁৱত। পিতৃ কাতিয়াৰাম কলিতা। ১৯৬৩ চনত গেৰুৱা প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক বিদ্যালয় পাছ কৰে। ১৯৬৬ চনত এম ভি পাছ কৰে গেৰুৱা এম ভিৰ পৰা। ১৯৬৭ চনত দমদমা উচ্চ মাধ্যমিক বিদ্যালয় (বৰ্তমান উচ্চতৰ) ভৰ্তি হয় আৰু ১৯৭১ চনত উক্ত বিদ্যালয়ৰ পৰা দ্বিতীয় বিভাগত প্ৰবেশিকা পাছ। ১৯৭২ চনত গুৱাহাটীৰ কটন কলেজৰ পৰা পি ইউ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৭৭ চনত তেওঁ গুৱাহাটীৰ প্ৰাগজ্যোতিষ কলেজৰ পৰা বি এ পাছ কৰে।

বৰ্তমান তেওঁ 'দৈনিক অসম' বাতৰি কাকতৰ হাজোৰ সংবাদদাতা। ১৯৯৯ চনত অনুষ্ঠিত হোৱা ৬৫ তম্ অসম সাহিত্য সভাৰ হাজো অধিবেশনৰ স্মৃতিগ্ৰন্থ 'মণিকূট'ৰ তেওঁ উপ-সভাপতি আছিল।

অষ্টমমান শ্ৰেণীত পঢ়ি থকা কালৰে পৰা তেওঁ সাহিত্য সাধনাত ব্ৰতী হয়। বৰ্তমানলৈ প্ৰকাশিত তেওঁৰ গ্ৰন্থসমূহ হ'ল—

উপন্যাস : তেজে ধোৱা পৃথিৱী (২০০৪)।

চুটি গল্প : (১) সভ্যতাৰ আঁৰে আঁৰে (১৯৭১), (২) এম. এল. এ.ক বিচাৰি (১৯৮৮), (৩) আধাৰশিলা (১৯৯৩)।

জীৱনী : (১) শিল্পীৰ পৃথিৱী (১৯৯৬), (২) অসম সাহিত্য সভাৰ সভাপতিসকল (১৯৯২), (৩) আমাৰ ৰাষ্ট্ৰপতি (১৯৮৩), (৪) আমাৰ প্ৰধানমন্ত্ৰী (১৯৮৮), (৫) সাহিত্য অকাডেমী বঁটা বিজয়ী অসমীয়া (১৯৮৭), (৬) অসমৰ মুখ্যমন্ত্ৰীসকল (১৯৮৮), (৭) জ্ঞানপীঠ বঁটা বিজয়ী ড' বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

(১৯৯৪), (৮) ভাৰত-বন্থ (১৯৯৭), (৯) লোকনায়ক অমিয় কুমাৰ দাস (১৯৭৮), (১০) জননেতা বিষ্ণুৰাম মেধি (১৯৭৬), (১১) এশ পোন্ধৰ গৰাকী বিশিষ্ট ব্যক্তিৰ জীৱন পঞ্জী (১৯৯১), (১২) নʼবেল বঁটা বিজয়ী ভাৰতীয় (১৯৯০), (১৩) ডঃ ভীমৰাজ ৰাও আম্বেদকাৰ (১৯৯১), (১৪) শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰাপ্ত ব্যক্তিসকল (১৯৯৮), (১৫) ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ শ্বহীদ (১৯৯৮), (১৬) বৰেণ্য সাহিত্যিক (১৯৯৮), (১৭) জোনাকী যুগৰ ত্ৰিমূৰ্তি (১৯৯৮), (১৮) সংস্কৃতিৰ গৌৰৱ (১৯৯৮), (১৯) সাংবাদিকৰ জীৱন পঞ্জী (১৯৯৫), (২০) মহৎলোকৰ জীৱনী (১৯৯০)।

(গ) শিশু সাহিত্য ও লোক সাহিত্য বিষয়ক : (১) সাউদৰ পুতেকৰ সাধু (১৯৭৮), (২) প্ৰকৃত বন্ধু (১৯৭৭), (৩) ভাগ্যচক্ৰ (১৯৭২), (৪) নতুন জীৱন (১৯৮৪), (৫) কমলা কুঁৱৰী সাধু (১৯৮৩), (৬) মানুহৰ বিচাৰ (১৯৮০), (৭) পৰিণাম (১৯৭৩), (৮) এথুপি অসমীয়া সাধু (১৯৯২), (৯) ভাগৱত সাধু (১৯৯৩), (১০) অসমীয়া সাধু (১৯৯০), (১১) কুশল কোঁৱৰ (২০০৫), (১২) কনকলতা (২০০৫), (১৩) মণিৰাম দেৱান (২০০৫)।

পুৰাতত্ত্ব বিষয়ক : (১) হয়গ্ৰীৱ মাধৱ, পোৱামক্কা আৰু অন্যান্য তীৰ্থ (১৯৯৫), (২) হাজো অঞ্চলৰ ইতিহাস (১৯৯৯)।

পৰেশ বৈশ্য : তেওঁৰ প্ৰকাশিত উল্লেখযোগ্য গ্ৰন্থসমূহৰ ভিতৰত হʼল— সংবাদ সাহিত্যৰ ৰূপ-ৰেখা, হাজোৰ দেৱদাসী নৃত্য, অসমৰ নাও খেলৰ পৰম্পৰা, Folk Culture of Kamrup, হাজোৰ শিক্ষাৰ বুৰঞ্জী, হাজোৰ সাহিত্যৰ বুৰঞ্জী। কবিতা সংকলন : নিৰম দিনৰ ডায়েৰী, শব্দৰ সীৰলুত, আঁউসীৰ ৰাতি। উপন্যাসিকা : আশাৰ পানচৈ।

হৰেন্দ্ৰ কলিতা : তেওঁৰ প্ৰকাশিত গ্ৰন্থ— গল্প সংকলন : অন্তৰাল (১৯৮২), এঙাৰ (২০০৫)। উপন্যাস : মানুহ আৰু গ্ৰহণ (১৯৯৯, দুখন উপন্যাস সংকলন), ইতিহাসমূলক : হাজো হেন নাম পবিত্ৰ উত্তম (১৯৯৯)।

জিতুমণি কলিতা : জিতুমণি কলিতাৰ জন্ম হয় ১৯৬৯ চনৰ ১৭ আগষ্টত, হাজো মৌজাৰ অন্তৰ্গত ১ নং বাগটা গাঁৱৰ গবৈমাৰী চুবাত।

১৯৮৭ চনত বৰঁহে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ২০০১ চনত পুঠিমাৰী মহাবিদ্যালয়ৰপৰা স্নাতক ডিগ্ৰী লাভ কৰে।

তেওঁ ইতিমধ্যে কেইবাখনো উপন্যাস লিখি পাঠক সমাজখনৰ সমাদৰ লাভ কৰিছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থ হ'ল— উপন্যাস : হৃদয় কাৰ বাবে (১৯৯০), অভিনয় প্ৰতাৰণা (১৯৯১), হৃদয়-তৃষ্ণা (১৯৯২), দুৰ্বাহ পৰিণতি (১৯৯৩), অক্টোপাছৰ কবলত বিপন্ন নায়ক (১৯৯৪), বিষাক্ত প্ৰেম (১৯৯৬), উদ্দীপ্ত নায়ক (২০০২) আদি। চম্পক আৰু নাগ ৰজাৰ সাধু (১৯৯৭) তেওঁৰ আন এখন গ্ৰন্থ।

অঞ্চলটোৰ অন্যান্য লেখকসকল আৰু তেওঁলোকৰ ৰচনাৰাজি হ'ল : ড° পবিত্ৰ কুমাৰ পাটোৱাৰী— 'উদ্ভিদ বিজ্ঞানৰ সাধু, দীননাথ মেধিৰ 'বিয়ানাম', প্ৰমোদ দেৱ শৰ্মাশাস্ত্ৰীৰ— 'একাদশী ব্ৰত কথা', কন্টিৰাম পাঠকৰ— 'দাতা হৰিশ্চন্দ্ৰ', 'নল দময়ন্তী', 'কচ দেৱযানী', খৰ্গেশ্বৰ মালাকাৰৰ 'ব্যৰ্থতাৰ বীণ', তৰুণ শইকীয়াৰ 'কৰণি', 'শনিৰ পাঞ্চালি', ভূপেন মহন্তৰ— 'বিপ্লৱী খেতিয়ক', শ্ৰীদাম মহন্তৰ— 'কামৰূপীয়া খুলীয়া যাত্ৰা', মহৎ চন্দ্ৰ মহন্তৰ 'লক্ষীকান্ত আতৈৰ জীৱন চৰিত', যোগেশ্বৰ কলিতাৰ— 'ভুলৰ সমাধি', 'চম্পাৱতী' (১৯৯৫) 'কিনো দিলা কিনো পালা' (১৯৯৫), যোগেন্দ্ৰ নাথ তালুকদাৰৰ— 'কবি ৰাম সৰস্বতীৰ জীৱন আৰু দৰ্শন', 'অসমীয়া লোক-সংস্কৃতিৰ সঁফুৰা' (১৯৯২), মহেশ চন্দ্ৰ দাসৰ— 'হাজো দেখো বৈকুণ্ঠ সমান' (১৯৯৩), ইতিহাসৰ পাত মেলি (১৯৯৬), দীনেশ্বৰ শৰ্মাৰ— 'মেঘে ঢকা সূৰ্য', 'প্ৰতিধ্বনি', 'অন্তৰায়', গোলাপ শৰ্মাৰ— 'কেঁচাতেজ', উমেশ কলিতা বৈষ্ণৱৰ— 'জীৱন দৰ্শন' (১৯৯৭), কাঠমাণ্ডু দেখিলোঁ (১৯৯৮), কাহিনী-উপ-কাহিনী (১৯৯৮), সম্পাদনা গ্ৰন্থ— 'অশোচ পদ্ধতি', 'বিবাহ পদ্ধতি', 'চূড়াকৰণ পদ্ধতি', 'নৱগৃহ প্ৰবেশ পদ্ধতি', 'উপনয়ন পদ্ধতি', 'নাম যজ্ঞ পদ্ধতি', সৰ্বেশ্বৰ মজুমদাৰৰ— 'প্ৰমিলাৰ বিয়া' (১৯৯৩), 'সচিত্ৰ পঞ্চতীৰ্থ হাজো', পৰমানন্দ দাসৰ— 'হাজো ধামৰ চমু ইতিবৃত্ত'। তুলসীপ্ৰসাদ মালাকাৰৰ— 'বিয়াৰ পিচত', বসন্ত কুমাৰ দাসৰ 'লিপিকা', বসন্ত কুমাৰ দাস, ৰজনী প্ৰসাদ মালাকাৰ আৰু দীনেশ্বৰ শৰ্মাৰ 'ত্ৰিধাৰা', সোণেশ্বৰ ঠাকুৰীয়াৰ— 'আৰাধনাৰ ফুল', বিপিন দাসৰ— 'সোণ বৰণীয়া বেকা ৰেখা', ঘনকান্ত দাসৰ— 'মোৰ হৃদয় (১৯৯৭), প্ৰেমময়ী দাসৰ— কবিতাৰে কৰিছোঁ বন্দনা, 'শিশু সাহিত্যিক অনন্ত দেৱ শৰ্মা', লংকেশ্বৰ দাসৰ— 'ৰঘুনাথ চৌধাৰী', মহেন্দ্ৰ নাথ শৰ্মাৰ 'বিজয় বসন্ত', ৰমেশ দাসৰ— পুৰণিৰ চকুলো, বদন চন্দ্ৰ বৰুৱাৰ 'সংগম', Antarctica, ভুবন দাসৰ— 'অতীতৰ অভিজ্ঞতা ভৱিষ্যতলৈ ৰূপান্তৰ', কমলাকান্ত দাসৰ— 'তেজে ধোৱা পৃথিৱী',

'হৃদয়ত প্ৰেমৰ সুবাস', মুনীন্দ্ৰ মহন্তৰ— 'মুষ্টি দান', 'যুব সমাজে মানৱতাবাদৰ আধাৰত নতুন সমাজ গঢ়ক', শংকৰ শইকীয়াৰ— 'মোৰ ফাঁচী হওক' (১৯৯৮), মনোজ ঠাকুৰীয়াৰ— 'অসমৰ সংবাদ পত্ৰৰ ইতিহাস আৰু সাংবাদিকতা', এম হাছেম পিয়াৰৰ— 'আকৌ শুনো আহক', 'জয় আই অসম', 'শ্বহীদ স্মৃতি', হেমন্ত কুমাৰ চৌধুৰীৰ 'ৰক্তাক্ত গোলাপৰ প্ৰতিধ্বনি (১৯৯৪), 'অকণিৰ মুকুতামালা (১৯৯৬), তৰণীচৰণ কলিতাৰ— 'সমাধানৰ পথ বিচাৰি (১৯৯৪), অব্দুৰ ৰহমানৰ— 'দামপুৰ এয়া', যোগেশ্বৰ দাসৰ 'ফুলকলি', যোগেশ চন্দ্ৰ বৰুৱাৰ— 'অনুভৱ', চৈয়দ দিলমহম্মদ আলীৰ 'পোৱামক্কা দৰ্গাহ্ শ্বৰীফ', মাধৱচন্দ্ৰ বৰুৱাৰ— 'তীৰ্থ পীঠ', মমত চন্দ্ৰ মজুমদাৰৰ 'হাজো আৰু ধোপৰগুৰি সত্ৰৰ চমু ইতিবৃত্ত, কন্দৰ্প নাথ তালুকদাৰৰ— 'সাতবিহু', সম্পাদনামূলক গ্ৰন্থ— 'দীননাথ মেধি : ব্যক্তি আৰু প্ৰতিভা', গণেশ চন্দ্ৰ ঠাকুৰীয়াৰ— 'গুৰুভক্ত ভট্টদেৱ', 'নৱোদয়', অমৃত চন্দ্ৰ ডেকাৰ— 'মাতৃ প্ৰেম', ৰজত চন্দ্ৰ ভৰালীৰ 'সংগ্ৰামী' (১৯৮০), 'অকণিৰ অ আ ক খ' (১৯৯৪), 'মহৎ লোকৰ বিচিত্ৰ কাহিনী' (১৯৯৬), ব্যাসদেৱ গোস্বামীৰ— 'সূৰ্য তৃষ্ণা', গোবিন্দ চন্দ্ৰ দাসৰ 'ৰামদিয়াৰ ইতিবৃত্ত', 'শিক্ষাদানৰ সংকেত', 'এটকা মহন্তৰ চৰিত্ৰ', 'ভীষ্ম', শান্তিৰাম লহকৰৰ 'পুলিচৰ কাহিনী', 'পঞ্চপাণ্ডৱ', ৰামেশ্বৰ চক্ৰৱৰ্তী বিদ্যা বিনোদনৰ 'বিচাৰ বাণী', পুণ্ডৰীকাণ্ড ভৰালীৰ ধেমালিৰ চলেৰে, উপেন্দ্ৰ নাথ মেধিৰ 'মধুবন' (১৯৯৫), উপমাদেৱী মজুমদাৰৰ 'নাৰী জেউতি', মহেশ চন্দ্ৰ মেধিৰ 'অঞ্জলি' (১৯৮০), পইনুৰুদ্দিন আহমেদৰ 'অহৰহ' পথৰ সন্ধান, শচীন দাসৰ— 'মেঘে ঢকা সূৰ্য', 'তোমাৰ প্ৰেম মোৰ কবিতাৰ জোনাক', বংশীৰাম ডেকাৰ 'প্ৰবন্ধাৱলী', ৰমেশ চন্দ্ৰ কলিতাৰ 'ধৰ্ম আৰু বিজ্ঞান', পংকজলোচন বৈশ্যৰ 'ন-পুৰুষৰ নৱ প্ৰয়াস' (১৯৮৫), 'প্ৰেমৰ কবিতা', 'পোৱামক্কা (১৯৯১), 'এটা নতুন সাধু' (১৯৯০), 'ৰাতিয়ে মেলিলে বাট' (১৯৮৭), 'নৈ পৰীয়া গাঁৱৰ সাধু' (১৯৯৯), 'দলিবাৰী' (১৯৯৮), 'যুগধ্বনি' (২০০০), ফিলিঙৰ ওঠৰে' (মিলি বৈশ্যৰ লগত যৌথ ভাবে (২০০৩) আদি। হিকমৎ চৌধুৰীৰ 'মোৰ চিএৰ', মঃ খবিৰুদ্দিন আহমেদৰ 'কেতিয়াবা ময়ো গান গাঁও', নুৰুল ইছলাম শইকীয়াৰ 'ফুটপাথৰ মানুহ' (১৯৯৩), ধনীৰাম কলিতাৰ 'ধনীৰামৰ এমুঠি লিমাৰিক' (১৯৯৮), মহেন্দ্ৰ মালাকাৰৰ 'শৰাইঘাটৰ মুক্তি', মদন ৰাজবংশীৰ 'স্বাধীনতাৰ পাতনি', 'বগা কিটাৰ মেৰপাক', অচ্যুত দাসৰ 'অংগীকাৰ', 'ব্যৰ্থ হিয়াৰ

সুৰ', ডিম্বেশ্বৰ ভৰালীৰ 'প্ৰতীক্ষা' (১৯৯০), বিশ্বজিৎ বিশ্বাসীৰ 'অশ্ৰুসিক্ত প্ৰেম', ধীৰাজ বিশ্বাসীৰ 'যাযাবৰী আত্মা' (১৯৯৭), উমেশ চন্দ্ৰ তালুকদাৰৰ The Place of Mahaparinibbana of Gautam Buddha (১৯৫৭), ডঃ অনন্ত কুমাৰ শৰ্মাৰ 'অসমত মনসা পূজাৰ লোক সাংস্কৃতিক অধ্যয়ন' (১৯৯৪), পৰমা আঠপৰীয়াৰ 'সৰা ফুল', কনক ডেকাৰ 'দায়ী কোন', দেবেশ্বৰ কলিতাৰ 'আমাৰ কালিদাস' (১৯৮৪), গিৰীশ দত্তবৰুৱাৰ 'সৰ্বজয়াৰ অন্তিম যাত্ৰা', প্ৰত্যাহ্বান, বিসদৃশ, বৰুণ চন্দ্ৰ চৌধুৰীৰ— উত্থাদিনী কবিতা (১৯৪৫), প্ৰমোদ চন্দ্ৰ চৌধুৰীৰ— কণুমাহীৰ সাধুৰ টোপোলা (১৯৯৮), ছৈয়দ চুলতান আলীৰ বৰৈৰে পোৱামকাৰ ইতিবৃত্ত, গৌতম মালাকাৰৰ মৃত্যুদণ্ড, হৰেণ ওজাৰ— 'নাটক আমি আৰু নকৰো', 'মৰিশালীৰ জীয়া জুই', ধৰণীধৰ দাসৰ 'ক্লান্ত পথিক' (২০০০), 'মদাৰ ফুল' (২০০৩) আদি। তদুপৰি হাজো ৰাজহ চক্ৰত দমদমা সাহিত্য সভা, কবি ৰামসৰস্বতী সাহিত্য সভা, দদৰা আঞ্চলিক সাহিত্য সভা, বৰৈৰে সাহিত্য সভা, হাজো মণিকূট সাহিত্য সমাজ, ৰামদিয়া জ্ঞানোদয় সাহিত্য সভা, বিকাশ সাহিত্য সভা, উত্তৰ হাজো সাহিত্য সভা, উত্তৰ কামৰূপ সাহিত্য সভা, সমন্বয় সাহিত্য সভা, প্ৰতিভা সন্ধানী সাহিত্য সভা, জ্যোতি সাহিত্য সভা, পূৰ্বাঞ্চল সাহিত্য সভা আদি। এই সাহিত্য সভাসমূহে মুখপত্ৰ প্ৰকাশ কৰাৰ উপৰিও নানা আলোচনা চক্ৰৰ দ্বাৰা এটা সাহিত্যৰ পৰিৱেশ ৰচনা কৰিবলৈ চেষ্টা চলাই আহিছে।

* * *

সংবাদ জগতলৈ হাজো অঞ্চলৰ অৱদান

সাংবাদিকতাৰ দিশলৈও এই অঞ্চলৰলোকে বিশিষ্ট বৰঙণি আগবঢ়াইছে। এইক্ষেত্ৰত পোনতে আমি বিহগী কবি ৰঘুনাথ চৌধাৰীৰ নামকে ল'ব লাগিব। তেওঁ সত্যনাথ বৰা সম্পাদিত দ্বিতীয় খণ্ড 'জোনাকী'ত সহকাৰী সম্পাদকৰূপে সাংবাদিক জীৱন আৰম্ভ কৰে। তাৰ পিছত ১৯২৩ চনত 'মইনা', ১৯৩৭ চনত 'জয়ন্তী' আৰু ১৯৪০ চনত 'সুৰভি' সম্পাদনা কৰে। ১৯৪৩ চনত কালিৰাম মেধিয়ে কামৰূপ অনুসন্ধান সমিতিৰ মুখপত্ৰ 'দি জাৰ্ণাল অব দি আছাম ৰিছাৰ্চ চোছাইয়েটী'ৰ সম্পাদনা কৰে।

সমীন কলিতা : সমীন কলিতাই সংবাদ জগতলৈ সেৱা আগবঢ়াই ১৯৭২ চনৰ পৰা। পোনতে তেওঁ দমদমা অঞ্চলৰ সংবাদদাতাৰূপে 'অসম বাতৰি'ত নিযুক্ত হয়। ১৯৭৩ চনৰ পৰা 'নতুন অসমীয়া' আৰু 'আমাৰ প্ৰগতি' কাকতত হাজোৰ সংবাদদাতা নিযুক্ত হয়। ১৯৭৫ চনৰ পৰা ১৯৮২ চনলৈ 'অসম ৰাইজ' কাকতত সহকাৰী সম্পাদক তথা ষ্টাফ ৰিপোৰ্টাৰৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯৭৮ চনৰ পৰা ১৯৮০ চনলৈ সহকাৰী সম্পাদক 'পৰিচয়' আৰু ১৯৮১ ৰ পৰা ১৯৮৪ চনলৈ সা প্তাহিক 'নাগৰিক' কাকতত সহকাৰী সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰে। সহকাৰী সম্পাদক 'সঞ্জীৱনী' (১৯৭২) আৰু 'সৃষ্টি' (১৯৭৮) আলোচনী। ১৯৭৯-৮০ চনত 'নতুন অসমীয়া' আৰু ১৯৮২-৮৭ চনলৈ 'অসম বাণী' কাকতৰ সম্পাদনা বিভাগৰ লগত জড়িত। ১৯৮৮ চনৰ ১ মাৰ্চৰপৰা 'দৈনিক অসম' কাকতৰ হাজোৰ সংবাদদাতা। প্ৰতিষ্ঠাতা সাধাৰণ সম্পাদক, কামৰূপ জিলা সাংবাদিক সন্থা (১৯৯০-৯২), উপদেষ্টা, কামৰূপ জিলা সাংবাদিক সন্থা (১৯৯৩), প্ৰধান সম্পাদক, উত্তৰ-কামৰূপ জিলা সাংবাদিক সন্থা, (১৯৯০), সভাপতি, হাজো প্ৰেছ ক্লাব, (১৯৯০), সভাপতি, হাজো

প্ৰেছ গিল্ড (১৯৯৮), সভাপতি, আছাম প্ৰেছ কৰেছ প'ণ্ডেন্টছ ইউনিয়নছৰ কামৰূপ জিলা সমিতি (১৯৯৩, ৩ জানুৱাৰী)। সম্পাদক সম্পাদক, আসাম প্ৰেছ কৰেছ পণ্ডেন্টছৰ কামৰূপ জিলা সমিতি (১৯৯৯), উপ-সভাপতি, আসাম প্ৰেছ কৰেছপণ্ডেন্টছ ইউনিয়ন (আপকু), অসমৰ বাতৰি কাকতৰ জয়ন্তী উদ্‌যাপন সমিতিৰ কামৰূপ জিলা সমিতি, অসমৰ বাতৰি কাকতৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতিৰ মুখপত্ৰ 'জয়ন্তী বাৰ্তা'ৰ সম্পাদক। উক্ত সমিতিৰ 'অসমৰ সাংবাদিকঃ জীৱন পৰিচিত' গ্ৰন্থৰ তথ্য সংগ্ৰহ আৰু সম্পাদনা বিভাগৰ লগত জড়িত। ২০০৭ চনৰ ২৯ এপ্ৰিলত গুৱাহাটীৰ পাণবজাৰৰ ইনষ্টিটিউচন অৱ ইঞ্জিনীয়াৰ্ছৰ প্ৰেক্ষাগৃহত মিডিয়া ট্ৰাষ্ট, অসমে আয়োজন কৰা এখন সভাত ৰাজ্যৰ এগৰাকী জ্যেষ্ঠ সাংবাদিকৰূপে কলিতাক সম্বৰ্দ্ধনা জনোৱা হয়। ২০০৩ চনৰ ১৬ নবেম্বৰত জাতীয় প্ৰেছ দিৱসত আসাম প্ৰেছ ক'ৰেছপণ্ডেন্টছ ইউনিয়নে (আপকু) গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত কৰা এখন সভাত কলিতাক সম্বৰ্দ্ধনা জনায়।

পৰেশ বৈশ্য— স্থানীয় সংবাদদাতা 'পূৰ্বাঞ্চল বাতৰি' (১৯৮৬), মহাজাতি (১৯৮৬), দি আছাম ট্ৰিবিউন (১৯৯০), আজিৰ বাতৰি (১৯৯১), নতুন দৈনিক (১৯৮৮), মুখ্য সম্পাদক 'হাজোৰ বাতৰি' (১৯৯১) আৰু সম্পাদক, আজিৰ সংবাদ (১৯৯৪), পূৰ্ণিমা দাস বৈশ্য, সম্পাদিকা 'হাজোৰ বাতৰি' (১৯৯১), শ্ৰীপ্ৰকাশ দাস, সংবাদদাতা, 'দি নৰ্থ ইষ্ট টাইমছ' ১৯৯১-৯৩) আৰু 'দি ছেন্টিনেল' (১৯৮৯-১৯৯১), দিনমণি দাস, সংবাদদাতা 'আজিৰ অসম' (১৯৮৯) আৰু 'সাদিনীয়া নাগৰিক' (১৯৮৭), মধুসূদন মেধি, সংবাদদাতা 'আজিৰ অসম' (১৯৮৭) আৰু 'আজিৰ বাতৰি' (১৯৯৩), দীপংক নাৰায়ণ ঠাকুৰীয়া, 'সংবাদদাতা' 'অসমীয়া প্ৰতিদিন' (১৯৯৫), মনোজ ঠাকুৰীয়া, সংবাদদাতা 'আজিৰ সংবাদ' (১৯৯৪) আৰু 'আজিৰ বাতৰি', তৰুণীচৰণ কলিতা, সম্পাদক 'ত্ৰিবেণী' (১৯৯৬), সংবাদদাতা 'যুগধ্বনি' (১৯৯২), 'আজিৰ সংবাদ' (১৯৯৪), 'অসমীয়া প্ৰতিদিন' (১৯৯৫), কমলাকান্ত দাস, সংবাদদাতা 'আজিৰ অসম' (১৯৯৮), 'বুধবাৰ' (১৯৯৫), 'আজিৰ সংবাদ' (১৯৯৪), গৌতম শইকীয়া, সংবাদদাতা 'আমাৰ অসম' (১৯৯৭), পংকজলোচন বৈশ্য, সম্পাদক 'যুগধ্বনি' (১৯৯২), কমল চন্দ্ৰ মালাকাৰ, সংবাদদাতা 'নতুন দৈনিক', মহেশ চন্দ্ৰ মেধি, সম্পাদক সাপ্তাহিক 'বঙ্গিনী বাৰ্তা', হৰেন্দ্ৰ কলিতা, সম্পাদক- 'পূৰ্বজ্যোতি', পৰেশ মালাকাৰ, সম্পাদক-

'ডেউকা', কবিন্দ্ৰ নাথ শৰ্মা, সম্পাদক- 'পাঞ্চজন্য', জীৱন দাস, সম্পাদক- 'সাপ্তাহিক সমাজ' (১৯৭৪), তৰুণ শইকীয়া, সম্পাদক- 'সংহতি' (১৯৮০), যোগেশ্বৰ কলিতা, সম্পাদক- 'আলোক বাণী', উমেশ কলিতা, বৈষ্ণৱ সম্পাদক- 'সাধুবাণী', হেমন্ত কুমাৰ চৌধুৰী, সম্পাদক- 'সাপ্তাহিক মণিকূট' (১৯ জানুৱাৰী, ১৯৯৮), 'পথাৰ', সংবাদদাতা- 'নতুন দৈনিক', ডঃ প্ৰবীণ চন্দ্ৰ দাস আৰু ডঃ অনন্ত কুমাৰ শৰ্মা যথাক্ৰমে মুখ্য সম্পাদক আৰু সম্পাদক- 'হাজোৰ সংবাদ' (১৯৯৮), ফণীধৰ দাস, সহকাৰী সম্পাদক- 'অসমীয়া প্ৰতিদিন', বাসুদেৱ ঠাকুৰীয়া, সংবাদদাতা- 'দৈনিক অগ্ৰদূত', কিচিন দাস, মৃদুল কুমাৰ দাস আৰু জ্যোতিষ দাসৰ সম্পাদনাত 'সমন্বয়' (জানুৱাৰী, (১৯৯৭), গিৰিণ দাস, সহকাৰী সম্পাদক- 'অগ্ৰদূত', মদন দাস, সম্পাদক- 'ফৰিং', ৰমেন ভৰালী, সংবাদদাতা- 'আমাৰ অসম', ভবেশ চন্দ্ৰ ভৰালী, সহকাৰী সম্পাদক- 'তিনিদিনীয়া অগ্ৰদূত' (১৯৯২), ৰমণী কান্ত শৰ্মা, সহকাৰী সম্পাদক, 'নিউজ ষ্টাৰ', ৰাতুল কলিতা, সংবাদদাতা- সাদিনীয়া 'যুগধ্বনি', শৈলেন বৈশ্য, সংবাদদাতা- প্ৰতিদিন, ভূপেন ডেকা, সংবাদদাতা- আজি, ৰাজীৱ বৰুৱা, সংবাদদাতা- দৈনিক বাতৰি, দিলীপ শৰ্মা, ষ্টাফ ৰিপোৰ্টাৰ- দৈনিক বাতৰি, আজি, নতুন দৈনিক, হাছেম পিয়াৰ, সংবাদদাতা- সাপ্তাহিক মুজাহিদ, আজি, অসম বাইজ, চয়ফুল হক, সংবাদদাতা- জনসাধাৰণ, ছৈয়দ কুতুবুদ্দিন আহমেদ, সংবাদদাতা- দৈনিক বাতৰি, চাহজাহান ইছলাম, সংবাদদাতা- আজিৰ অসম, নজৰুল ইছলাম, সংবাদদাতা- খবৰ, হিতেশ দাস, সংবাদদাতা- জনসাধাৰণ, প্ৰভাত চন্দ্ৰ কলিতা, সংবাদদাতা- এদিন, প্ৰভাত চন্দ্ৰ দাস, সম্পাদক- চিন্তামণি।

* * *

স্বাধীনতা আন্দোলনত হাজো অঞ্চলৰ ভূমিকা

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চুক্তিমতে অসম ইংৰাজৰ অধীন হয়। অসমৰ সৈতে তেওঁলোকৰ চুক্তি আছিল, অসমৰ শান্তি-শৃংখলা ঘূৰি আহিলে তেওঁলোকে অসম এৰি আঁতৰি যাব। কিন্তু সময় বাগৰাৰ লগে লগে দেখা গ'লে ইংৰাজে এই চুক্তি সম্পূৰ্ণ ভংগ কৰে। তেওঁলোকে গোজে গছ হৈ বহা অসমীয়াৰ উপলব্ধি হ'ল। লাহে লাহে অসমীয়াসকল বৃটিছৰ বিৰুদ্ধে থিয় হ'ল। পিয়লি বৰফুকন, জীউৰাম দুলিয়া বৰুৱা, মণিৰাম দেৱান আদিয়ে অসমৰ হেৰোৱা স্বাধীনতা উদ্ধাৰৰ হকে উঠিপৰি লাগে। অসমৰ স্বাধীনতাৰ হকে এনে আগভাগ লোৱা বাবে ইংৰাজ চৰকাৰে নিৰ্মম আৰু নিষ্ঠুৰভাৱে অসম মাতৃৰ এই বীৰ সন্তান কেইগৰাকীক ফাঁচি কাঠত তোলে। এই ঘটনাৰ পিচত মুক্তিকামী স্বাধীনতাপ্ৰিয় অসমীয়াসকলৰ মাজত এক বিৰাট ৰাজনৈতিক চেতনাৰ জাগৰণ হয়।

১৮৮৫ চনত ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ গঠিত হয়। এই অনুষ্ঠান গঠিত হোৱাত এই অনুষ্ঠানত অসমেও যোগদান কৰে। সেই সময়তে দৰং, লক্ষীমপুৰ, কামৰূপ, শিৱসাগৰ আদিত ৰায়ত সভাৰ জন্ম হয়। ১৯১৬ চনত চন্দ্ৰনাথ শৰ্মাৰ নেতৃত্বত 'অসম ছাত্ৰ সন্মিলন' সংগঠিত হয় সেই সময়ৰ আনটো শক্তিশালী সংগঠন আছিল 'অসম এছ'চিয়েছন'। 'অসম এছ'চিয়েছন' গঠন কৰিছিল ঘাইকৈ মাণিকচন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা, জগন্নাথ বৰুৱা আদিয়ে। তেতিয়াৰ 'অসম ছাত্ৰ সন্মিলন'ৰ প্ৰধান কৰ্মকৰ্তাসকল আছিল বিশেষকৈ লোকনায়ক অমিয়কুমাৰ দাস, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, চন্দ্ৰনাথ শৰ্মা, পদ্মধৰ চলিহা আদি। এই দুয়োটা অনুষ্ঠানে ভাৰতৰ স্বাধীনতা সংগ্ৰামলৈ সঁহাৰি জনাই বিশেষ ভূমিকা লয়। এই সময়তে নাগপুৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় কংগ্ৰেছৰ অধিৱেশনতো অসমৰ ছাত্ৰসকলে যোগদান কৰে।

১৯১৯ চনত চৰকাৰে ৰাওলাট আইন ঘোষণা কৰাৰ পিচত দেশত বিদ্ৰোহৰ অগনি জ্বলে। সেই সময়তে মহাত্মা গান্ধীয়ে ৰাজনৈতিক জীৱনলৈ পদাৰ্পণ কৰে। ১৯১৯ চনত লালা লাজপৎ ৰায়ৰ সভাপতিত্বত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভা অনুষ্ঠিত হয়। এই সভাই মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সিদ্ধান্ত ১৯২০ চনত বহা নাগপুৰ অধিৱেশনত গৃহীত হয়। এই সিদ্ধান্তৰ প্ৰতি সমৰ্থন জনাই ভাৰতৰ আন আন প্ৰদেশৰ দৰে অসমেও এই আন্দোলনত জপিয়াই পৰে। এনে পটভূমিতে ১৯২১ চনত 'অসম এছ'চিয়েছন' অসম প্ৰাদেশিক কংগ্ৰেছ কমিটী নামেৰে সংগঠিত হৈ এক বৃহৎ জাতীয় অনুষ্ঠানৰ ৰূপ লয়। ১৯২১ চনৰ জুলাই মাহত অনুষ্ঠিত অসম প্ৰদেশ কমিটীৰ প্ৰথম বৈঠক বহে কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ ঘৰত। এই চনতে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ ফালৰ পৰা তিলক স্বৰাজ্য পুঁজিলৈ ধন সংগ্ৰহ আৰু কংগ্ৰেছ সভ্য ভৰ্তিৰ কামত বিশেষ মনোনিবেশ কৰা হয়।

১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন আৰম্ভ হয়। মহাত্মা গান্ধীৰ আহ্বান ক্ৰমে এই আন্দোলনত ঘাইকৈ গঠনমূলক দিশটোৰ ওপৰতে বেছি জোৰ দিয়া হয়। বিলাতী বস্ত্ৰ ত্যাগ আৰু স্বদেশী বস্ত্ৰ ব্যৱহাৰৰ প্ৰতি দেশবাসীক বুজোৱা হয়। অসমৰ প্ৰত্যেকখন জিলাই এই আন্দোলনলৈ সম্পূৰ্ণ সঁহাৰি জনায়। আনকি উকীলসকলেও ওকালতি ব্যৱসায় বাদ দি আন্দোলনৰ কামত সহযোগিতা আগবঢ়ায়। ওকালতি ব্যৱসায় বাদ দি অসহযোগ আন্দোলনত ব্ৰতী হোৱাসকলৰ ভিতৰত আছিল নবীন চন্দ্ৰ বৰদলৈ, গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, ৰোহিনী কুমাৰ চৌধুৰী, যোগেন্দ্ৰ নাথ বৰুৱা, চন্দ্ৰ নাথ শৰ্মা, অক্ষয় কুমাৰ দাস আদি। এই লোকসকলৰ চেষ্টাত অসমত বছৰেকত এহেজাৰ আঠশ মোনকৈ বিক্ৰী হোৱা কানিৰ পৰিমাণ ১৯২১ চনত প্ৰায় আধাখিনি কাম হোৱা বুলি প্ৰকাশ। ১৯২১ চনৰ আগষ্ট মাহত মহাত্মা গান্ধীয়ে অসম ভ্ৰমণলৈ আহি অসমত ভলণ্টিয়াৰসকলৰ প্ৰচাৰ কাৰ্যৰ সফলতা আৰু সাংগঠনিক প্ৰতিভাৰ শলাগ লয়। বিলাতী কাপোৰৰ অগ্নিকুণ্ড আৰু সেই অগ্নিকুণ্ডৰ জুই পিছদিনা পুৱালৈকে জ্বলি থকাও মহাত্মাই নিজে দেখি গৈছিল। এই অসহযোগ আন্দোলনত যোগদান কৰা বাবে বৃটিছ চৰকাৰে অসমৰ বহুতো ভলণ্টিয়াৰক জেল জৰিমনাই নহয়, নানাভাবে হাৰাশাস্তিও কৰে।

১৯২৬ চনত অসমৰ পাণ্ডুত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশন অনুষ্ঠিত হয়। এই অধিৱেশনৰ সভাপতি আছিল শ্ৰীনিবাস আয়েংগাৰ। অধিৱেশন উপলক্ষে গঠন কৰা অভ্যাৰ্থনা সমিতিৰ সভাপতি তৰুণৰাম ফুকন, সহকাৰী সভাপতি কুলধৰ চলিহা, চন্দ্ৰধৰ বৰুৱা, প্ৰধান সম্পাদক নবীন চন্দ্ৰ বৰদলৈ, সহকাৰী প্ৰধান সম্পাদক মোহিনী কান্ত হাতীবৰুৱা, গোপীনাথ বৰদলৈ, এম তৈয়বুল্লা আছিল।

১৯২৯ চনত লাহোৰত কংগ্ৰেছৰ অধিৱেশন অনুষ্ঠিত হয়। এই অধিৱেশনৰ সভাপতি আছিল জৱাহৰলাল নেহৰু। এই অধিৱেশনতে পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাব গ্ৰহণ কৰা হয়। এই অধিৱেশনত সিদ্ধান্ত লোৱা হয় যে বৃটিছ চৰকাৰে ভাৰতীয়সকলৰ দাবী মানি নল'লে অহিংস আন্দোলন চলাই যোৱা হ'ব।

১৯৩০ চনৰ ২৬ জানুৱাৰী তাৰিখটো স্বাধীনতা দিৱসৰূপে পালন কৰাৰ সিদ্ধান্ত লোৱা হয়। এই দিৱসতে সকলো কংগ্ৰেছীলোকে কংগ্ৰেছ পতাকাৰ তলত অহিংসা আন্দোলন চলাই যাবলৈ প্ৰতিজ্ঞাবদ্ধ হয়। এই আন্দোলনৰ কাৰ্যসূচী মতে, খদ্দৰৰ কাপোৰৰ প্ৰচলন, গৃহ শিল্প, মাতৃভাষাৰ উন্নতৰ সাধন আদি কাৰ্যসূচী গ্ৰহণ কৰা হয়। ১৯২১ চনৰ দৰে, ১৯৩০ চনৰ এই আন্দোলনেও জনসাধাৰণৰ প্ৰভুত সঁহাৰি লাভ কৰে। এই সময়তে শিক্ষা বিভাগৰ সঞ্চালক মিঃ কানিংহামে ছাত্ৰসকলৰ আন্দোলনৰ পৰা বিৰত থাকিবলৈ চাৰ্কুলাৰ জাৰি কৰে। কিন্তু সেই হুকুম নেমানি গৰমৰ বন্ধ খোলাৰ পিচতে ছাত্ৰসকলে আন্দোলনত যোগ দিয়ে।

১৯৩০ চনৰ আন্দোলনৰ সময়ত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহে বিষ্ণুৰাম মেধি। এই চনতে গুৱাহাটীৰ হৰিসভাত অনুষ্ঠিত 'অসম ছাত্ৰ সন্মিলন'ৰ সভাপতিৰূপে অমিয় কুমাৰ দাসে কৈছিল, 'কানিংহাম চাহাব বৃটিছ সাম্ৰাজ্যবাদৰ পুতলা। তেওঁৰ বিৰুদ্ধে ছাত্ৰৰ সংগ্ৰাম নহয়। ছাত্ৰসকলৰ সংগ্ৰাম হ'ব লাগিব বৃটিছ সাম্ৰাজ্যবাদক ভাৰতবৰ্ষৰ পৰা আঁতৰাবৰ কাৰণে। যেতিয়ালৈকে ভাৰতবৰ্ষৰ পৰা বৃটিছ সাম্ৰাজ্যবাদৰ উচ্ছেদ সাধন নহয়, তেতিয়ালৈকে এক কানিংহাম নহয়, হেজাৰ হেজাৰ কানিংহামৰ সৃষ্টি হ'ব। গতিকে ছাত্ৰসকলৰ মূলমন্ত্ৰ হ'ব লাগিব সাম্ৰাজ্যবাদৰ সম্পূৰ্ণ উচ্ছেদ সাধন।' ১৯৩০ চনত মহাত্মা গান্ধীয়ে লোণ-আইন অমান্য আন্দোলন আৰম্ভ কৰে। আশ্ৰমৰ পৰা দুশ মাইল দূৰৰ দাণ্ডিলৈকে মহাত্মা গান্ধীয়ে যাত্ৰা কৰে। এই যাত্ৰাৰ ২৬ দিনৰ

মুৰত ৫ এপ্ৰিলত দাণ্ডি পায়। দাণ্ডি পোৱাৰ কেইদিনমানৰ পিছতে মহাত্মা গান্ধী গ্ৰেপ্তাৰ হয়। মহাত্মা গান্ধী গ্ৰেপ্তাৰ হোৱাৰ পিছত আকৌ সংগ্ৰামৰ সূচনা হয়। এই আন্দোলনকাৰীসকলক দমন কৰিবলৈ বৃটিছে ভালেমান কঠোৰ ব্যৱস্থা হাতত লোৱাৰ উপৰিও অনেকক জেল-জৰিমণা বিহে।

১৯৩১ চনত গান্ধী আৰউনৰ চুক্তি সম্পাদিত হোৱাত বহুতো বন্দীকে মুকলি কৰি দিয়া হয়। ১৯৩১ চনত মহাত্মা গান্ধী দ্বিতীয় মেজমেলৰ পৰা উভতি আহোতে বোম্বাইত (মুম্বাই) ১৯৩২ চনৰ চাৰি জানুৱাৰীত পুনৰ তেওঁক গ্ৰেপ্তাৰ কৰে। মহাত্মা গান্ধীক গ্ৰেপ্তাৰ কৰাত পুনৰ আন্দোলন আৰম্ভ হয়। ১৯৩২ চনৰ তেৰ এপ্ৰিল দিনটো জালিৱানৱালাবাগ দিনৰূপে পালন কৰাৰ প্ৰস্তুতি চলোৱা হয়। এই দিনটো পালনত অসমে লোৱা কাৰ্যসূচীৰ কথা উল্লেখ কৰি মহেন্দ্ৰমোহন চৌধুৰীয়ে লিখিছে 'তেৰ এপ্ৰিল, ১৯৩২ চন, ৰাতিপুৱা পতাকা উত্তোলনৰ আয়োজন হ'ল। আমি সকলোৱে সমদলেৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি শ্ৰীবিষ্ণুৰাম মেধিক আদৰি আগবঢ়াই আনিছিলো। আমাৰ সমদলটো তাত উপস্থিত হোৱাত দেখিলো পুলিচৰ বিৰাট সমাবেশ লগতে ডেপুটি কমিচনাৰ মিঃ প্ৰিচাৰ্ড কমিচনাৰ মিঃ বেণ্টিঙ্ক আৰু পুলিচ চাহাব। আমি গৈ পোৱাৰ লগে লগে কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আহি আমাৰ লগত চামিল হৈছিল। ঠিক ৰাতিপুৱা আঠ বজাত পতাকা উত্তোলন উৎসৱ আৰম্ভ হৈছিল। উৎসৱ আৰম্ভ হোৱাৰ লগে লগে আমাৰ আটাইবিলাকক পুলিচে আগুৰি ধৰিলে আৰু ডেপুটি কমিচনাৰে ১৪৪ ধাৰা জাৰি কৰি আমাক আঁতৰি যাবলৈ নিৰ্দেশ জাৰি কৰিলে। আমি কোনেও এখোজো লৰচৰ নকৰি পতাকা উত্তোলন উৎসৱ আনুষ্ঠানিকভাৱে চলাই যোৱাত আমাৰ আটাইবিলাকক গ্ৰেপ্তাৰ কৰি জেললৈ লৈ গ'ল। সেইদিনা কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, বিষ্ণুৰাম মেধি, সিদ্ধিনাথ শৰ্মা, ডাঃ ভূৱনেশ্বৰ বৰুৱা, ত্যাগবীৰ হেম বৰুৱা, অমিয়া কুমাৰ দাসকে ধৰি প্ৰায় ত্ৰিশ গৰাকী কৰ্মী গ্ৰেপ্তাৰ হয়।

১৯৩৩ চনত কলিকতাত কংগ্ৰেছৰ অধিবেশন অনুষ্ঠিত হয়। এই অধিবেশনলৈ নিষেধাজ্ঞা জাৰি কৰা সত্বেও তাত যোগদান কৰিবলৈ যোৱা অপৰাধত অমিয় কুমাৰ দাস, বিষ্ণুৰাম মেধি আদি কেইবাজনো লোকক পাৰ্বতীপুৰত গ্ৰেপ্তাৰ কৰি দিনাজপুৰ জেলত বন্দী কৰি ৰাখে।

১৯৩৪ চনত পাটনাত বহা কংগ্ৰেছ অধিবেশনত আইন অমান্য আন্দোলন এৰি আইন সভাত প্ৰৱেশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অসমেও এই আইন সভাত সোমোৱা কাৰ্যসূচী লয়।

১৯৩৫ চনত কংগ্ৰেছে সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰে। এই চনতে নতুন ভাৰতীয় সংবিধান পাৰ্লামেণ্টত গৃহীত হয়। ১৯৩৭ চনত কংগ্ৰেছে সাধাৰণ নিৰ্বাচনত অংশগ্ৰহণ কৰে।

১৯৪০ চনত মহাত্মা গান্ধীয়ে নতুন কাৰ্যসূচী ঘোষণা কৰে। দ্বিতীয় মহাসমৰে সৃষ্টি কৰা পৰিস্থিতিত কংগ্ৰেছে আইন সভাৰ কাৰ্যসূচী ত্যাগ কৰে আৰু ব্যক্তিগত সত্যাগ্ৰহ কাৰ্যসূচী গ্ৰহণ কৰে। অসমেও এই ব্যক্তিগত সত্যাগ্ৰহত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। এই সত্যাগ্ৰহীসকলে বাইজৰ মাজত প্ৰচাৰ কৰে যে বৃটিছৰ যুদ্ধৰ প্ৰচেষ্টাক ধন আৰু জনেৰে সহায় কৰা অন্যায়। সকলো যুদ্ধ অহিংসা নীতিৰে প্ৰতিৰোধ কৰা শ্ৰেয়। সত্যাগ্ৰহীৰ নাম মহাত্মা গান্ধীয়ে নিজে অনুমোদন কৰে। পণ্ডিত জবাহৰলাল নেহৰু আৰু বিনোবা ভাৱেৰ নাম ভাৰতৰ ভিতৰত প্ৰথমে উল্লেখ কৰা হৈছিল। অসমৰ পৰা তালিকাত প্ৰথমে নামভুক্ত হৈছিল— অমিয় কুমাৰ দাস, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ফখৰুদ্দিন আলী আহমদ, সিদ্ধিনাথ শৰ্মা প্ৰভৃতি অসম বিধান সভাৰ সদস্য বৃন্দৰ। এই আন্দোলনত অংশগ্ৰহণ কৰা বাবে বহুতকে জেলত ভৰায়।

১৯৪২ চনৰ আঠ আগষ্ট তাৰিখে মৌলানা আবুল কালাম আজাদৰ সভাপতিত্বত বোম্বাইৰ গোৱালিয়ৰ টেংক ময়দানত অনুষ্ঠিত হোৱা সভাত 'ভাৰত ত্যাগ' প্ৰস্তাৱ গৃহীত হয়। লগে লগে অসমৰ প্ৰত্যেকখন জিলাৰ মুনিছ-তিৰোতাই এই আন্দোলনত সহযোগিতা আগবঢ়াবলৈ ওলাই আহে। অসমত এই আন্দোলনৰ নেতৃত্ব দিয়া বাবে গোপীনাথ বৰদলৈ, সিদ্ধিনাথ শৰ্মাকে ধৰি কেইবাজনো নেতাক গ্ৰেপ্তাৰ কৰা হয়। ঢেকীয়াজুলি, গহপুৰ, বৰহমপুৰ, বেহেৰিয়া, বাৰপুজিয়া আদিত পুলিচ মিলিটেৰীৰ গুলীত কেইবাগৰাকী পুৰুষ-মহিলা নিহত আৰু অসংখ্যজন আহত হয়। নিহতসকলৰ ভিতৰত আছিল মনবৰ নাথ, মণি কছাৰী, বজন কছাৰী, তিলেশ্বৰী কোঁচ, দয়াল পানীকা, ভোগেশ্বৰী ফুকননী, ঠগী সুত, বলো সুত, লক্ষীকান্ত হাজৰিকা, কলাই কোচ, হেমৰাম বৰা, তিলক ডেকা, হেমোৰাম পাটৰ,

গুণাভিৰাম বৰদলৈ, কনকলতা বৰুৱা, মুকুন্দ কাকতি আদি।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ উল্লিখিত প্ৰতিটো সংগ্ৰামতে হাজো অঞ্চলৰ ৰাইজেও পূৰ্ণ সমৰ্থন আগবঢ়াইছিল। হাজো অঞ্চলৰপৰা এই সংগ্ৰামত অংশ গ্ৰহণ কৰা ব্যক্তিসকলৰ ভিতৰত কেইগৰাকীমান হ'ল— (তালিকা অসম্পূৰ্ণ)।

হাজো— বিষ্ণুৰাম মেধি (অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা প্ৰাক্তন ৰাজ্যপাল), শম্ভুৰাম মেধি, কেশৱ বৰুৱা, অচ্যুত দাস, জালালুদ্দিন আহমেদ, হৰকান্ত দাস, হৰমোহন দাস, হৰিচৰণ দাস, কালিচৰণ মেধি, (মেজিচিয়ান) চক্ৰেশ্বৰ শৰ্মা, মাধৱ চৌধুৰী, মহেশ দাস, কিৰণবালা দাস, গৌৰীপ্ৰভা দাস, প্ৰফুল্ল চন্দ্ৰ দাস, ৰশ্মিকান্ত দাস, উপেন্দ্ৰনাথ ভাগৱতী আদি।

ৰামদিয়া— ৰঘুনাথ ঠাকুৰীয়া, দীননাথ মেধি, চন্দ্ৰকান্ত দাস (তাম্ৰফলি প্ৰাপ্ত), দেৱীচৰণ মেধি, শশীনাথ শৰ্মা, হৰেণ মজুমদাৰ, নগেন শৰ্মা, ধনেশ্বৰ তালুকদাৰ, যোগেন শৰ্মা ৰাজমেধি, চন্দ্ৰ চক্ৰৱৰ্তী, ৰত্তিৰাম ভৰালী, হংসনাথ শৰ্মা, কালিৰাম ঠাকুৰীয়া আদি।

বৰজধি— নিধিৰাম দাস, উপেন্দ্ৰ চন্দ্ৰ মহন্ত, সুশীল মহন্ত, অলিত চন্দ্ৰ গোস্বামী (মহন্ত), অন্নদাচৰণ মহন্ত, শ্ৰীদামচন্দ্ৰ মহন্ত, ভূপেন মহন্ত, দণ্ডিৰাম দাস আদি।

কুলহাটী— অমৃত শৰ্মা, ভাবিত দাস (দাড়িৰা পণ্ডিত) সাজলু দাস আদি।

চেঁচামুখ— ৰমেশ কাকতি, কন্দুক আলী।

মনাহকুছি— পুষ্পৰাম দাস, শ্ৰীনাথ পণ্ডিত।

ৰামুন্দী (পশ্চিম বংশৰ মৌজা)— ভোগীৰাম ঠাকুৰীয়া (বণ্ডালমুৰা), সুধো পণ্ডিত, বসন্ত চন্দ্ৰ দাস, উমাকান্ত মহাজন, গৌৰীচৰণ চৌধুৰী, প্ৰমোদ চন্দ্ৰ চৌধুৰী, মহেশ্বৰ মজুমদাৰ, ৰজেশ্বৰ মেধি, আদ্যনাথ চক্ৰৱৰ্তী, জ্যোতিষ কলিতা, যতীন্দ্ৰ মোহন নাথ, লংকেশ্বৰ দাস, ভাৰতচন্দ্ৰ দাস, ৰমেশ্বৰ বৈশ্য, যামিনীকান্ত শৰ্মা, উত্তম শৰ্মা, মনেশ্বৰ কলিতা, ৰাজোবালা নাথ, পূৰ্ণিমা কলিতা, জটীয়া বুঢ়ী, ৰজনীপ্ৰভা ঠাকুৰীয়া, ৰত্নোবালা ভূঞা, ধনে কলিতা, লেহী কলিতা, দীপা কলিতা, মায়াৰাম ঠাকুৰীয়া, মহেন্দ্ৰ নাথ শাস্ত্ৰী, আনাধোৱা কলিতা, ৰাতিপাল গাঁওবুঢ়া, উদয় মহাজন, জগত কলিতা, নবীন শৰ্মা, সীতানাথ উজীৰ, অম্বিকাচৰণ পণ্ডিত,

কমলেশ্বৰ শৰ্মা, লাচিৰাম ভৰালী, মহুৰ পাইকাৰী, হৃমেশ্বৰ মেধি, ললিত চন্দ্ৰ বৈশ্য, কিনাৰাম বৈশ্য, নন্দৰাম কলিতা, ভকতৰাম ভাণ্ডাৰ কায়স্থ, প্ৰমোদ শাস্ত্ৰী, ভূএগ্ৰামল কলিতা, হৰপ্ৰসাদ শাস্ত্ৰী, প্ৰসন্ন ভূএগ্ৰ, জম্মি কাকতি আদি।

লাউপাৰা— পদ্মেশ্বৰ তালুকদাৰ, চবিন মেধি, কালীন্দ্ৰ তালুকদাৰ, বিপিনপাল দাস, সোণেশ্বৰ কলিতা, ৰঘু মেধি, মনু কলিতা, গুণেশ্বৰ কলিতা, উপেন মহাজন, উপেন কলিতা, লাচি কলিতা, শান্তি কলিতা, গিৰিশ কলিতা আদি।

* * *

কলা-সংস্কৃতিলৈ হাজো অঞ্চলৰ অৱদান

কলা-সংস্কৃতিলৈ হাজো অঞ্চলৰ বিশিষ্ট বৰঙণি আছে। হাজোৰ শিল্পকলা আৰু ভাস্কৰ্য কলা বৰ পুৰণি। হয়গ্ৰীৱ মাধৱৰ মঠত বাহিৰৰ বেৰত কহতো দেৱ-দেৱতাৰ মূৰ্তি অংকিত হৈছে। মঠৰ তলৰ অংশত খোদিত হৈছে এলানি হাতীৰ মূৰ্তি। মন্দিৰৰ ওপৰৰ অংশত শিখৰ, অমলক, কলস আৰু চক্ৰৰ ভাস্কৰ্যও পুৰণি আৰু চালে চকু ৰোৱা। ইয়াৰ গণেশ, কেদাৰ আৰু মাধৱত অসংখ্য পুৰাকীৰ্তি পৰিলক্ষিত হয়। শিলত কটা গদা, বলধ গৰু, সিংহৰ মূৰ্তি শিলত কটা অশোক স্তম্ভ বিশেষভাৱে উল্লেখযোগ্য। মাধৱত থকা হাতী দাঁতৰ উৰণীয়া সিংহৰ মূৰ্তি আৰু হাতীৰ দাঁতৰ পাদুকাৰ অনুমান কৰিব পৰা যায় যে এসময়ত হাজোত হাতী দাঁতৰো কাম কৰা হৈছিল। হাজোত তৈয়াৰী সোণ-ৰূপৰ অলংকাৰ, কাঠকৰ্ম, পিতল কৰ্ম, মৃত্ত কৰ্ম আদিয়েও যুগে যুগে বাহিৰৰ লোকৰ সমাদৰ লাভ কৰি আহিছে। দেৱদাসীসকলে পৰিধান কৰা সাজপাৰ আৰু আ-অলংকাৰে হাজোৰ পুৰণি শিল্পকলাৰ দৃষ্টান্ত দাঙি ধৰে।

দেৱদাসী নৃত্যই হাজোৰ প্ৰাচীন নৃত্য কলাৰ পৰিচয় দাঙি ধৰে। দেৱদাসীসকল অকল নৃত্য শিল্পীয়ে নাছিল, তেওঁলোক প্ৰত্যেকেই একোগৰাকী সুগায়িকাও আছিল। ধোপৰগুৰি সত্ৰ প্ৰতিষ্ঠা হোৱাত, হাজো অঞ্চলত ভাওনা প্ৰচলন হয়। সত্ৰীয় সংস্কৃতিৰ খোলতাল বাদ্য ধ্বনিৰে মুখৰিত হয় সমগ্ৰ অঞ্চল। ইয়াত পুতলা নাচৰ প্ৰবৰ্ত্তন হয়। খুলীয়া দল গঠন হয়। ১৯২৬ চনত বামুন্দীত 'বামুন্দী গোপালেশ্বৰ যাত্ৰা পাৰ্টি গঠিত হয়। এই দলৰ গুৰি ধৰে জন্টিৰাম কলিতা, মধুৰ কলিতা আৰু হৰকান্ত ঠাকুৰীয়াই। ইয়াৰ মাজেৰে কৃষ্ণকান্ত দাসে বাদ্যযন্ত্ৰ আৰু সংগীতত সুনাম কঢ়িয়াই আনে। সৰুলাহুত অম্বুদেৱ শৰ্মা আৰু অম্বিকাচৰণ পণ্ডিতে আন এটা যাত্ৰা

দল গঠন কৰে। তাৰপিচত বামুন্দী বংশীগোপাল যাত্ৰা দলৰ জন্ম হয়। এই নাটকেই জন্ম দিয়ে হৰকান্ত ঠাকুৰীয়া, সুৰেশ মেধি, টোপি মেধি, হৰেন দাস (পালোৱান), বীৰেন দাস, হংস নাথ শৰ্মা, হেমচন্দ্ৰ দাস আদিক। এই অঞ্চলটোৰপৰা ১৯২৭ চনত জন্ম লাভ কৰে হালোগাঁও বীণাপাণি অপেৰা যাত্ৰাপাটিয়ে। এই দল পৰিচালনা কৰিছিল— বিজয় উজীৰ, মায়াৰাম ঠাকুৰীয়া আৰু হমেশ্বৰ মেধিয়ে। ১৯৪২ চনত একে নামেৰে পূৰ্ণচন্দ্ৰ কলিতাই এই নাট্য পুনৰ সংগঠিত কৰে। সূৰ্য বৈশ্য, প্ৰসন্ন শৰ্মা, চনক বৈশ্য, শশধৰ ভাগৱতী, নৰেন কলিতা, মহেন্দ্ৰ কলিতা আদি শিল্পীসকলে ইয়াত যোগদান কৰে। তাৰ পিছত এই অঞ্চলতে হৰপ্ৰসাদ শৰ্মাৰ নেতৃত্বত গঠিত হয় 'বামুন্দী সঞ্জীৱনী যাত্ৰা দল'। এই নাট্য দলৰ সংগঠনৰ ক্ষেত্ৰত আদ্যনাথ চক্ৰবৰ্তী আৰু নবীন চন্দ্ৰ বৰুৱাই আগভাগ লয়।

১৯৪২ চনত টোক্ৰাদিয়া গাঁৱত এটি নাট্যদল গঠিত হয়। এই নাট্যদলৰ নেতৃত্ব দিয়ে প্ৰমোদ চন্দ্ৰ দেৱশৰ্মা শাস্ত্ৰীয়ে। শাস্ত্ৰী একাধাৰে সুগায়ক, তবলা আৰু বাঁহী বাদকৰূপে জনাজাত। ১৯৪৭ চনত বৰলাহত দেৱেন দাসৰ নেতৃত্বত 'বৰলাহ যাত্ৰা পাৰ্টি'ৰ জন্ম হয়।

১৯৪৯ চনত গজেন চন্দ্ৰ কলিতাৰ নেতৃত্বত গঠিত হয় 'গোপালেশ্বৰ কৃষক যাত্ৰা পাৰ্টি'। ১৯৬২ চনত মহেশ্বৰ কলিতাৰ নেতৃত্বত আন এটা নাট্যদল গঠিত হয়। এই দলত সহ অভিনয়ৰ আৰম্ভ কৰা হয়। অঞ্চলটোৰ পৰা ১৯৬৬ চনত 'জ্যোতি কলা নাট্য দল', ১৯৭১ চনত শ্ৰীশ্ৰীগোপালেশ্বৰ তৰুণ নাট্য সমিতি, ১৯৭৪ চনত 'নটৰূপা অপেৰা' আৰু ১৯৭৬ চনত কমলা কান্ত কলিতাই এটা নাট্যদল সংগঠিত কৰিছিল। ১৯৬৫ চনত সোৱানচাহত নবীন চন্দ্ৰ বৈশ্য আৰু থানেশ্বৰ বৈশ্যৰ যত্নত 'সোৱানচাহ নৱজাগৰণ নাট্য সমিতি' আৰু ১৯৭৫ চনত জন্ম হয় 'শিলগুৰি নৱজ্যোতি নাট্য পৰিষদ'। বৰ্তমান সময়ত ১৯৭৯ চনত গঠিত হোৱা হালোগাঁৱত 'পুৰেৰুণ মিনি থিয়েটাৰ' আৰু সৰুলাহৰ 'নৱৰূপা নাট্য সমিতি'য়ে অসমৰ চাৰিওফালে নাট মঞ্চস্থ কৰি, আমাৰ সংস্কৃতি জগতলৈ উল্লেখযোগ্য অৰিহণা আগবঢ়াইছে। সংস্কৃতিৰ দিশৰ নিজ হাজোৱে বিশেষ অৰিহণা আগবঢ়াইছে। ১৯৬৩ চনত হৰেন্দ্ৰনাথ দাস (পালোৱান) কমলাকান্ত মজুমদাৰ, যমত চন্দ্ৰ মজুমদাৰ আদিৰ সহযোগত হাজো নাট্য কলা কেন্দ্ৰ প্ৰতিষ্ঠা হয়। এই কলাকেন্দ্ৰৰ মুখ্য গুৰি

ধৰিছিল হৰেন্দ্ৰনাথ দাসে। হৰেন্দ্ৰনাথ দাস হাজো অঞ্চলৰ এগৰাকী প্ৰখ্যাত অভিনেতা আছিল। এই নাট্যদল সম্পূৰ্ণ ব্যৱসায়িক ভিত্তিত গঢ়ি উঠিছিল আৰু এই নাট্যদল অসমৰ ধুবুৰীৰ পৰা শদিয়ালৈ নাট অভিনয় কৰি, বিশেষ অৰিহণা যোগাইছিল। এই নাট্য দলে স্থানীয় এচাম অভিনেতা, নৃত্য শিল্পী, সুৰ শিল্পী, বাদ্য-যন্ত্ৰী গঢ়ি তোলাৰ উপৰিও অসমৰ কেইবাগৰাকী আগশাৰীৰ অভিনেতা এই নাট্যদলত জড়িত আছিল। এই ভেঁটিকে কেন্দ্ৰ কৰি পৰৱৰ্তীকালত অসমীয়া সংস্কৃতি জগতৰ গৌৰৱ 'পূৰ্বজ্যোতি থিয়েটাৰ' জন্ম হয় হাজোতে। এই নাট্যদল পৰিচালনা কৰে কৰুণাকান্ত মজুমদাৰে। এই নাট্যদলৰ লগত নটসূৰ্য ফণী শৰ্মা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাও জড়িত হৈ পৰিছিল। হাজোৰ মঞ্চই সৃষ্টি কৰা কেইগৰাকীমান শিল্পী হ'ল— ৰত্নকান্ত বেজ, উদয় বেজ, নগেন দাস, যতীন দাস, নৰেন দত্ত, ফটিক দাস, নৰেশ্বৰ দাস (মনাহকুছি) আদি। বৰ্তমানেও হাজোৰ লক্ষ্মীনন্দন মজুমদাৰ, কমলা মালাকাৰ, হৰেণ মালাকাৰৰ অভিনয়ে অসমৰ মঞ্চৰ গৌৰৱ বঢ়াইছে। 'পূৰ্বজ্যোতি থিয়েটাৰ' বন্ধ হোৱাত কৰুণাকান্ত মজুমদাৰে পুনৰ এটা নাট্য দল সংগঠিত কৰে। এই নাট্যদলৰ নাম ৰখা হয় 'অমৰজ্যোতি থিয়েটাৰ'।

১৯৬০-৬১ চনত চেঁচামুখ মিলন নাট্য সমিতি গঠন হয়। এই সমিতিৰ সভাপতি মাধৱ চন্দ্ৰ ডেকা, সম্পাদক— কৰুণা কুমাৰ দাস, সহকাৰী সম্পাদক— বসন্ত কুমাৰ দাস, সংগীত তথা প্ৰযোজনা— পদ্মকৰদেৱ গোস্বামী, নাট পৰিচালনা গোলোক চন্দ্ৰ দাস আৰু সোণাৰাম ঠাকুৰীয়া, উপদেষ্টা— ৰমেশ চন্দ্ৰ কাকতি। এই সময়তে সাধিৰাম কলিতাই চেঁচামুখ নাট্য পৰিষদ গঠন কৰিছিল। ১৯৫২ চনত 'পাঁচগাঁও জয়লক্ষ্মী অপেৰা পাৰ্টি' সংগঠিত কৰে। ১৯৭২ চনত কৰুণা কান্ত ডেকাই বাউসী ওৰগালৰপৰা সংগঠিত কৰে 'অক্ষয় নাট্য সমাজ' আৰু কুলহাটীত ফটিক চন্দ্ৰ দাসে গঠন কৰে 'বাসুদেৱ নাট্য পৰিষদ'। বাগটা, মনাহকুছি আৰু অভয়পুৰৰ নাট্য দলবো যথেষ্ট অৰিহণা আছে।

নাগাৰা নামৰ ক্ষেত্ৰত অঞ্চল ব্যাপি খ্যাতি অৰ্জন কৰিছে সাতদলাৰ কুশল মালাকাৰ (পাঠক), পছৰীয়াৰ ভুবনেশ্বৰ কলিতা (পাঠক), কুলহাটীৰ কমলনাথ ঠাকুৰীয়া, ভানু পাঠক, মেকা পাঠক, হাজোৰ কমলা পাঠক, শ্যাম মহন্ত পাঠক আদিয়ে।

হাজো অঞ্চলৰ সংগীত শিল্পীসকলৰ ভিতৰত হ'ল— প্ৰমোদ চন্দ্ৰ দেৱ

শৰ্মা শাস্ত্ৰী, মধু বড়ো, সোণাৰাম ঠাকুৰীয়া, গিৰিশ চন্দ্ৰ মহন্ত, সুৰথ বণিয়া, স্বৰ্ণলতা মালাকাৰ, নগেন বৰ্মন, অমৃত কৈশ্য, বিনীতা কলিতা, ৰজত পাঠক, চুচেন ডেকা, গণেশ চন্দ্ৰ দাস, বিজয় লক্ষ্মী দাস, লাহৰীমোহন দত্ত, উমেশ দাস, হেমেন চৌধুৰী, দিলোৱাৰ মতীন, বান্ধৱ বৰ্মন, অজয় বৰ্মন, ভূপেন হাজৰিকা, অশ্বিনী ঠাকুৰীয়া, দিলীপ নায়ক, তাৰিণী দাস, দীপক মেধি, ৰাজেন ডেকা, হৰেণ কলিতা, অৰুণ কলিতা, দীপজ্যোতি কলিতা, প্ৰণিতা চৌধুৰী, জ্যোতিষ নাথ, তাৰাক ৰব্বা আদি।

নৃত্য শিল্পত— ৰীতা আঠপৰীয়া, দীপালি দাস, হেমন্ত কলিতা, মনেশ্বৰ দাস, প্ৰফুল্ল দাস, মাণিক দাস, জ্যোতিষ নাথ, খগেন কলিতা, জেউতি মালাকাৰ (কলিতা), কল্যাণী দাস, ডলী দাস, সবিতা দাস, চুলতানা বেচমিন আৰা আনজুম (ৰবি) আদি।

পাঁচগাঁৱৰ ওজাপালি, কুলহাটীৰ ঢুলীয়া দল, গেৰুৱা ৰবদধিৰ ঢুলীয়া দল, আদিৰ উপৰিও গাঁৱে গাঁৱে বেনপাৰ্টি, বৰগীত আৰু বিহুৱা দল আছে।

* * *

ক্ৰীড়া জগতলৈ হাজো অঞ্চলৰ অৱদান

খেলা-ধূলাৰ ক্ষেত্ৰত হাজো অঞ্চলৰ এক বিশেষ সুনাম আছে। অতীজত অঞ্চলটোৰ 'মাল-যুঁজে' এক বিশেষ প্ৰাধান্য পাইছিল। ইয়াৰ প্ৰতিখন গাঁৱতে 'মালুৱৈ' আছিল। অঞ্চলভিত্তিত ইয়াত মাল যুঁজৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। সেই সময়ৰ কেইগৰাকীমান কৃতী মল্ল যুঁজাৰুৰ ভিতৰত হ'ল— মহি পাল্দা, অভয় দাস, জগত দাস, কামিনী দাস, অৰুণ দাস, গিৰীশ দাস আদি।

তদুপৰি গাঁৱে গাঁৱে আছিল হাওখেল, লুকা-ভাকু, ধোপখেল, টাংগুটি খেল, সাতোঁৰ, নাওখেল, দৌৰ প্ৰতিযোগিতা, ৰচি টনা খেল, হৈ-গুদু, ঘোঁৰা দৌৰ, ম'হ দৌৰ, কণী যুঁজ, নাৰিকল যুঁজ, মূৰ যুঁজ, পাঞ্জা খেল আদি।

দমদমা অঞ্চলৰ খেলৰ ইতিহাস পুৰণি। ১৯৩৩ চনতে জীৱন চন্দ্ৰ শৰ্মা দলৈয়ে তেওঁৰ পিতৃ সূৰ্য দত্ত শৰ্মাৰ সোঁৱৰণি ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰি— খেলুৱৈসকলৰ মাজত প্ৰতিযোগিতাৰ ভাব জগাই দিয়ে। এই খেলত যোগদান কৰিছিল কমলপুৰ এম. ই. স্কুল, দমদমা এম. ই. স্কুল, হাজো এম. ভি. স্কুল, শুৱালকুছি এম. ভি. স্কুল আৰু লাউপাৰা এম. ই. স্কুলে।

সেই সময়ত দমদমা দলটোৰ অধিনায়ক আছিল হাইদৰ আলী শ্বাহ। প্ৰতিযোগিতাৰ চূড়ান্ত খেলত হাইদৰ আলী শ্বাহে বিপক্ষ দলক এঘাৰ গল দি, বিশেষ জনাজাত হয়। তেওঁৰ এই খ্যাতিৰ কাৰণে তেওঁ বৃটিছ চৰকাৰৰ অধীনত চাকৰি লাভ কৰে। চাকৰি জীৱনতো তেওঁ খেলত বিশেষ দক্ষতা দেখুৱায়। ছিংগাপুৰ, বাৰ্মা, আফগানিস্থান, শ্ৰীলংকা পৰ্যন্ত তেওঁ খেল খেলিবলৈ যায়। খেলৰ পাৰদৰ্শিতাৰ বাবে লৰ্ড লুইছ মাউণ্ট ব্ৰেটেইনে তেওঁক 'আছাম হাইদৰ' উপাধি দিছিল। হাইদৰ আলী শ্বাহৰ ঘৰ ইয়াৰ কেতেকীবাৰীত। বৰ্তমান তেওঁ অসম

চৰকাৰৰ ক্ৰীড়া পেন্সন লাভ কৰিছে। সেই সময়ৰ অন্যান্য ফুটবল খেলুৱৈসকল আছিল চন্দ্ৰধৰ ডেকা, পুষ্পৰাম দাস, ধাৰেশ্বৰ কেওট, প্ৰভাত দত্ত, যামিনী পাঠক, কালিৰাম দাস আদি।

১৯৩৪ চনত চৈচামুখত গঠিত হয় 'চৈচামুখ টাউন ক্লাব' দল। এই দলেও অঞ্চলটোৰ পৰা এচাম খেলুৱৈ সৃষ্টি কৰিবলৈ সমৰ্থ হয়। দলটোৰ নেতৃত্ব দিছিল অমৃত ভৰালীয়ে।

১৯৪৪ চনত দমদমা হাইস্কুলৰ ছাত্ৰ সমাজৰ মাজত এটা ভাল ভলীবল দলৰ সংগঠন গঢ়ি উঠে। ১৯৬৮ চনত দমদমাত গঠিত হয় 'বাৰোবাৰী' দল। এই দলত আজ্জাঠুৰী, চৈচামুখ, কুলহাটী, মনাহকুছি, দদৰা আদি বৃহত্তৰ অঞ্চলটোৰ পাকৈত খেলুৱৈসকলৰ মিলন ঘটিছিল। দলটোৰ কেইগৰাকীমান খেলুৱৈ হ'ল— গণেশ চন্দ্ৰ দাস, গণেশ দাস (গৌৰী), গোবিন্দ দাস, ডঃ শৰৎ ডেকা, ৰহিমুদ্দিন আলী, ফৰুৰুদ্দি আলী, অৰুণ কলিতা, সূৰ্য কাকতি, বাসুদেৱ ঠাকুৰীয়া, মকছেদ আলী, ফৰছেদ আলী, শ্ৰীকান্ত ডেকা, বসন্তকুমাৰ দাস, ধৰ্মেশ্বৰ দাস, কনক দাস, মহিম ডেকা, জিনা দাস, ত্ৰৈলোক্য শৰ্মা, কামাখ্যা শৰ্মা, সুৰেন দাস, মহেশ্বৰ কলিতা আদি।

বামুন্দী অঞ্চলৰো খেলৰ ইতিহাস পুৰণি। মহেন্দ্ৰ নাথ তালুকদাৰৰ নেতৃত্বত বামুন্দীত গঠিত হৈছিল ফুটবল খেলৰ দল। পৰৱৰ্তী কালত বামুন্দী তৰুণ সংঘ আৰু পুথিভঁৰালৰ সৌজন্যত গঠিত হয় 'তৰুণ একাদশ দল'। দলটোৰ সংগঠক গজেন চন্দ্ৰ কলিতা। এই দলৰ কেইগৰাকীমান খেলুৱৈ হ'ল— গজেন চন্দ্ৰ কলিতা, নাৰো ৰাম দাস, শ্ৰীকান্ত দাস, তৰুণ চন্দ্ৰ কলিতা (মজুমদাৰ) আদি।

১৯৭৮-৭৯ চনত গঠিত হয় 'বামুন্দী ক্ৰীড়া সন্থা'। ১৯৩২ চনত 'হাজো টাউন ক্লাব' গঠিত হয়। এই টাউন ক্লাবে ১৯৫০ চন পৰ্যন্ত বিশেষ খ্যাতি অৰ্জন কৰে। ১৯৪৩ চনত এই দলটো বিশেষভাৱে সংগঠিত হৈ খ্যাতি অৰ্জন কৰে। এই দলটোৰ কেইগৰাকীমান খেলুৱৈ হ'ল— মমত চন্দ্ৰ মজুমদাৰ, উমেশ দাস, প্ৰফুল্ল দাস, পৰশু দাস, মঃ জাফাৰ, নেকৰু দাস, দেবৌ দাস, শশীভূষণ নমঃশূদ্ৰ, ভবানন্দ মেধি, যোগেন দাস, হেম দাস, বংকিম দাস আদি। হাজোৰ পৰৱৰ্তী কালৰ আন কেইগৰাকীমান খেলুৱৈৰ ভিতৰত হ'ল— চিত্ত দাস, উত্তম দাস, শম্ভু ৰাজবংশী,

যতীন দাস, হৰেশ্বৰ দাস, ভবকান্ত দাস, ধনেশ্বৰ দাস, অমিয়কুমাৰ দাস, বাণী কলিতা, প্ৰদীপ মালাকাৰ, অচ্যুত দাস, দীপক মালাকাৰ আদি।

বৰ্তমান 'হাজো স্পোৰ্টছ ক্লাবে' এক বিশেষ খ্যাতি অৰ্জন কৰি আছে। বৰ্তমান হাজো অঞ্চলত 'হাজো মহকুমা ক্ৰীড়া উন্নয়ন পৰিষদে' খেলৰ দিশত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে।

* * *

হাজো অঞ্চলৰ শিল্প-কলা

হাজোৰ পিতল শিল্প অসমৰ গৌৰৱ। তদুপৰি মৃৎশিল্প,জাল শিল্প, কাঠ শিল্প, কমাৰ শিল্প, স্বৰ্ণশিল্প, বাঁহ-বেতৰ কাম, তাঁতশিল্প, ৰাজমিস্ত্ৰী আদি বিভিন্ন প্ৰকাৰৰ শিল্প সামগ্ৰীৰ প্ৰাচুৰ্যৰ কথাও মন কৰিবলগীয়া।

হাজোত পিতলৰ বাচনৰ কাম ভৰালীটোলাৰ কিছুমান হিন্দু আৰু মুছলিম পট্টিৰ মুছলমান মৰিয়াসকলে প্ৰধানতঃ এই কাম কৰে। তেওঁলোকে প্ৰস্তুত কৰা এই পিতলৰ বাচনসমূহৰ ভিতৰত— কলহ, টৌ, খৰাহি, চৰিয়া, থালী, গছা, চাকি, শৰাই, দুলাৰি, জাপি,ঠগি, ধুপদানী, ধুনাদানী, ফুলদানী, লোটা আদিয়ে প্ৰধান। তদুপৰি এই শিল্পীসকলে তেওঁলোকৰ শিল্পীসুলভ নিপুণতাৰ চানেকি দেখুৱাবলৈ বাঞ্ছকৰনীয়াভাবে প্ৰস্তুত কৰিব পৰা চালে চকু ৰোৱা হৰিণ, জাপি, হাতী, ঘোঁৰা, ষাড়গৰু, ভাটৌ, ঈগল, সিংহ, গড়, ময়ুৰ, বাঘ আদি। ভৰালীটোলাৰ কুমুদ চন্দ্ৰ আঠপৰীয়াৰ দৰে শিল্পীয়ে শৰাইত শাস্ত্ৰত বৰ্ণিত দশাৱতাৰ সত্ৰীয়া সত্ৰধাৰীৰ দৃশ্য অংকিত কৰিব পাৰে, পাৰে কিছু নৃত্যৰ চানেকি আঁকিবলৈ। শ্ৰীঅশোক কুমাৰ হাটখোৱাই পুৰণি ঠাচৰ শৰাইসমূহত নতুন কিছুমান আংগিক দেখুৱাবলৈ চেষ্টা চলাইছে। জাপিত ম'ৰা চৰাই, পখী-পখিলা, ফুল-লতাৰ চানেকি তুলিছে। কিন্তু আজি মানুহে ইয়াক কিনিব নোৱাৰা হৈছে। প্ৰতিবিধ বাচনৰ মূল্যৰ কথা শুনিলে মানুহে জাপমাৰি উঠে। ইয়াৰ পৰিবৰ্তে নানা কামত মানুহে টীলৰ বাচন বা অন্যান্য বাচনকহে আদৰি লৈছে। বৰ্তমান গুৱাহাটীত মেচিনত পিতলৰ বাচন উৎপাদন কৰিবলৈ আৰম্ভ কৰিছে। সেইবোৰ বাচন হাজোৰ বাচনতকৈ দেখাত ধুনীয়া আৰু তাৰ মূল্য কম। স্বাভাবিকতে সেইবোৰ বাচনৰ প্ৰতি বাইজ আকৰ্ষিত হোৱা দেখা গৈছে। এনে পৰিস্থিতিত হাজোৰ পিতলৰ শিল্প সংকটাপন্ন হৈছে। গুৱাহাটীৰ বাচনৰ লগত প্ৰতিযোগিতা কৰিব পৰাকৈ হাজোত 'সমূহীয়া পিতল

শিল্প কেন্দ্ৰ' এটা প্ৰতিষ্ঠা কৰি বাচনখিনি মিহি কৰা আৰু নতুন প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ উদ্দেশ্যে যিটো কাৰ্যালয় আৰম্ভ কৰা হৈছিল, সিয়ো মৃতপ্ৰায় অৱস্থা। শিল্পসকলেও এই কামৰ দ্বাৰা তেওঁলোকৰ পৰিয়াল চলাব নোৱাৰা অৱস্থাৰ কথা জনাইছে আৰু ইতিমধ্যে বহুতেই এই কাম এৰি পেলাইছে।

এই অঞ্চলৰ আনটো শিল্প হ'ল মৃৎশিল্প। মৃৎশিল্প বুলিলে হীৰা আৰু কুমাৰসকলকে বুজায়। ইয়াত হীৰা সম্প্ৰদায়ৰ লোক চেঁচামুখ, বামুন্দী, ৰামদিয়া আদি ঠাইত আছে। কুমাৰ সম্প্ৰদায়ৰ লোক আছে হাজোত। কুমাৰ সম্প্ৰদায়ৰ লোক হাজোত পঞ্চত্ৰিশ ঘৰ হ'ব পাৰে। তেওঁলোকে তৈয়াৰ কৰে— টেকেলী, কলহ, ঘট, মাৈলে, ভুগৰ চৰু, চাকি আদি। ল'ৰা-ছোৱালীৰ বিবিধ খেলাৰ সামগ্ৰীও তেওঁলোকে প্ৰস্তুত কৰে। সেইবোৰৰ ভিতৰত হ'ল— হাতী, ঘোঁৰা, কইনা, দোলা, টুপী আদি। তেওঁলোকেই তৈয়াৰ কৰে ধুপদানী আৰু ধুনাদানী বাচন। এই দুয়োবিধ বাচনৰ জনপ্ৰিয়তা বেছি।

এই বাচনবোৰ তৈয়াৰ কৰোঁতে তেওঁলোকৰ চাক এখনৰ প্ৰয়োজন। লগতে দহটা বইলা, আঠেলী আৰু পিতনিৰ কথাও আছে। খেৰ, কাঠ-তুঁহ আদিৰ উপৰিও এবিধ সুকীয়া মাটিৰ প্ৰয়োজন। ইমানবোৰ যোগাৰ কৰোঁতে তেওঁলোকৰ যথেষ্ট মূলধন প্ৰয়োজন। কিন্তু বহুতো পৰিয়ালে মূলধন খটুৱাব নোৱাৰি এই ব্যৱসায় এৰি পেলোৱা দেখা গৈছে।

আনহাতে হীৰা সম্প্ৰদায়ৰ লোক বামুন্দীত আছে প্ৰায় চল্লিশ ঘৰ, ৰামদিয়াত দহ ঘৰ আৰু চেঁচামুখত প্ৰায় ষাঠিঘৰ। তেওঁলোকেও তৈয়াৰ কৰে চৰু, কলহ, টেকেলী, হাড়ী, লুৰুকি, ভৰুকা, নাগ্ৰা. চাকি, চিলিম, বিবিধ খেলনা আদি।

কিন্তু দুয়োবিধ শিল্পৰ মূল সংকট আৰু সমস্যা হৈছে মাটি। হীৰা আৰু কুমাৰ বাচনৰ বাবে কোনো কোনো বিশেষ ঠাইতহে মাটি পোৱা যায়। এই মাটি পোৱা ঠাইবিলাকৰ বৰ্তমান কিছুমান মানুহে দখল কৰি ৰহিছে আৰু ফলত মাটিৰ অভাৱত এই শিল্পীসকলে বাচন তৈয়াৰ কৰাত যথেষ্ট বাধাৰ সন্মুখীন হৈছে। এই মাটি উভয় সম্প্ৰদায়ৰ নামতহে পট্টন কৰাৰ তেওঁলোকে দাবী জনাই আহিছে। অন্যথা এসময়ত এই শিল্পটো বন্ধ হৈ যোৱাৰ সম্ভাবনা লক্ষ্য কৰা যায়। তদুপৰি প্লাষ্টিক, ষ্টীল আদিৰ বাচনেও এই শিল্পৰ হেঙাৰ স্বৰূপ হৈ থিয় দিছে।

হাজো অঞ্চলৰ আনটো গুৰুত্বপূর্ণ আৰু বজাৰত চাহিদা থকা শিল্প হৈছে বামদিয়াৰ কমাৰ শিল্প। ইয়াত থকা থলুৱা কমাৰসকলে দা, কটাৰী, কুঠাৰ, খন্তাকে ধৰি প্রয়োজনীয় লোৰ সঁজুলিসমূহ তৈয়াৰ কৰি আহিছে। এই লোৰ সঁজুলিসমূহ তেওঁলোকে অঞ্চলবাসীক যোগান ধৰাৰ উপৰিও বাহিৰতো বিক্রী কৰিব পাৰে।

হাজো অঞ্চলৰ বহুতো দুখীয়া পৰিয়ালৰ লোকে ঘৰতে মাছ ধৰা জাল প্রস্তুত কৰি স্থানীয়ভাৱে বিক্রী কৰে। হাজোত যিহেতু মৎস্যজীৱী লোকৰ সংখ্যা সৰহ, ইয়াত জাল শিল্পক উদ্যোগ হিচাপে গঢ়ি তুলি এচাম লোকৰ জীৱিকাৰ পথ সুগম কৰি গঢ়ি তোলাৰ দায়িত্ব চৰকাৰে নিশ্চয় এৰাব নোৱাৰে।

তেনেদৰে ফুল-মালা, কাঠশিল্প-ৰাজমিস্ত্রী, স্বর্ণশিল্প, বাঁহ-বেতৰ কাম, তাঁতশিল্প আদিৰো সম্ভাৱনা থকা অঞ্চল হৈছে— হাজো।

* * *

ফকৰা-যোজনা আৰু সাঁথৰ

ফকৰা-যোজনা আৰু সাঁথৰ ভাষা এটাৰ চহকীৰূপ। এই বিধ মৌখিক সাহিত্য। ই যুগে যুগে মুখ বাগৰিয়ে সমাজত প্ৰচলিত হৈ আহিছে। ই এবিধ এনে কাব্যস্পৰ্শী বুদ্ধিদীপ্ত, অভিজ্ঞতাপুষ্ট আৰু চিন্তাকৰ্ষক সাহিত্য যে শব্দ কেইটা হয়তো দেখাত একো নাই, কিন্তু তাক ভাঙিলে যিটো অৰ্থ ওলাই সি নাৰিকলৰ ভিতৰটো যেন হয়। গাঁৱৰ কি স্বাক্ষৰ, কি অস্বাক্ষৰ বুঢ়া-বুঢ়ী, ডেকা-ডেকেৰী, ল'ৰা-ছোৱালী এনে কোনো নাই, যি ফকৰা যোজনা বা সাঁথৰ নেজানে। এইবিধ সাহিত্য সংগ্ৰহ আৰু সংৰক্ষণ নোহোৱাকৈ হাজো অঞ্চলৰ বিভিন্ন গাঁৱে-ভূঞে এতিয়াও চলি আছে। তাৰ সামান্য কেইটামান ইয়াত দৃষ্টান্তৰূপে দাঙি ধৰিলো—

(ক) ফকৰা-যোজনা ঃ

- অৰ্থই অনৰ্থৰ মূল।
- অন্যায়ৰ গৃহস্থী নাই।
- অঁকৰা মৈত উঠা।
- অতি চালাকিৰ গলত ফাঁচী।
- আহক বাৰিষা কাটক পাত
  বৈ যা ভিনিহি খাই যা ভাত।
- হাবাগুত লোণ সস্তা
  দেহাৰ বা কি অবস্থা।
- হলুক লুকা ভুদুক লুকা দিয়া।
- আছে গৰু নাবায় হাল
  হোৱাতকৈ নোহোৱাই ভাল।
- আহিব ঘৰলৈ যাম, দুই হাতে খাম

বিধাতাই বোলে মই পাছে পাছে যাম।

- আবতৰীয়া বেঙেনাই
  মোক চিং মোক চিং কৰে।
- আছে কাপোৰ আছে জাৰ
  নাই কাপোৰ নাই জাৰ।
- আৰ্জ্জে মানে নাটে
  সিয়ে মানে ফাটে।
- আগ নুগুণী গুণে পাছ
  লোভত মৰে বৰশীৰ মাছ।
- আপোন ভালে জগত ভাল।
- আপোন হাত জগন্নাথ।
- আকালৰ ভাত, নিদানৰ মাত।
- আগ ভৰি দি পাছ ভৰি পেলা।
- আগৰ পিনে গাজি-কল
  তেহে চাবা নামৰ বল।
- আই বান্ধিলেও জোল
  তাই বান্ধিলেও জোল।
- বাই বাই এ
  তোৰ চুলি কচু খাই,
  এৰবু বহ খদ পায়।
- কুৰ কুটা মুৰি
  জেঙেৰা দাঁতি
  পৰৰ ঘৰখন আনা
  ঘৰোক মাতি।
- অত লপ ধপ
  পিতৃ কালি
  ক'ৰ পৰা আহিলি তই

চাৰ কপেলি।

□ তলে যিমান ওপৰে সিমান
তাকে কয় শ্ৰী
ন খাঁচি পুৰাণ খায়
তাকে কয় গিৰি।

□ আগৰ হাল যিপিনে যায়
পাছৰ হালো সেইপিনে যায়।

□ আমো নাই, ফৰমুটিও নাই।

□ এন্দুৰৰ সেন্দুৰ
গোলামৰ ভজা মাছ।

□ ই কাণ সি কাণ সহস্ৰ কাণ।

□ এক বুঢ়ীৰ দুই কাম
ধান বানে চোহে আম।

□ এক শিকে দেখি
এক শিকে ঠেকি।

□ এওঁকো নাই দিওঁতা
তেওঁকো নাই নিওঁতা।

□ ওস্তাদৰ মাৰ শেষ ৰাতি।

□ ওঠ চেপিলে ৰস ওলোৱা।

□ ওপৰে ব্ৰাহ্মণ বধ, তলে গো বধ।

□ ওপৰলৈ থু ছটিয়ালে
নিজৰ গাতে পৰে।

□ ওচৰৰ ব্ৰাহ্মণ সুৰী সুৰী লাগে।

□ ঔৰ তললৈ গৈ সাতকিল খোৱা।

□ কোনো মৰে হাড়ে-ছালে
কোনো মৰে মণ্ডহৰ ভৰে।

□ 'ক' বুলিব নেজান, বত্নবলী পঢ়।

- ক'লী গাই পোতত পৰা।
- কাৰণ নোহোৱাকৈ মুৰ্খই বিবাদ কৰে।
- কথাত কথা ওলায়।
- কোপ ডাঙ, ধান নাইকিয়া শুদা চাং।
- কোলাৰটো এৰি বোকাৰটো বিচৰা।
- কণা, কুঁজা, ভেঙুৰ
  এই তিনি হাৰামৰ নেগুৰ।
- কটা ঘাঁত চেঙা তেল দিয়া।
- কপালৰ ফোঁট মোচ যোৱা।
- কথা পাখি লগা বতাহ।
- কাচ বিচাৰি মাণিক হেৰুৱা।
- কেঁকোৰা চেপা দিয়া।
- কলহৰ কাণে ঢলা।
- কুকুৰৰ বৈৰী কুকুৰ।
- মাকতকৈ জীয়েক আৰু একাঠি।
- খাব জানিলে চাউলে চিৰা।
  বহিব জানিলে মাটিয়ে পীৰা।
- খালৈ চালে মাছ খুজিব নালাগে।
- খুচুৰা খৰছুৰ চোৰাং গতি।
- খুজি আনিও কৰিবা দান
  তেহে পাবা কৈলাশত স্থান।
- গাত নাই ছাল-বাকলি
  মদ খায় তিনি টেকেলি।
- তেল ফৈন্দা পৰা।
- গৰু মৰিল, পৌকো সৰিল।
- গোহালিৰ গৰু আৰু বাৰীৰ বাঁহে বাহি নহয়।
- গাপ দি খোৱা কেঁচা কল।

- গুৱিয়াল নোহোৱা নাও।
- গৰু মাৰি শগুণ পোহা।
- ঘৰৰ কথা নকৰা পৰোত
  কথা হ'ব লোৰোক-ফোৰোক।
- ঘৰ জোঁৱাইক নিদিবা ঠাই
  ঘৰ জোঁৱায়ে লুটি-পুটি খায়।
- ঘৰমুৱা ঘোঁৰা, পথাৰ মুৱা বৰা।
- চৰণে জানে মৰণৰ ঠাই
  য'ৰ মৰণ তলৈ যায়।
- চাকিৰ পোহৰ গছাত নপৰে।
- চোৰৰ আপোন পৰ নাই।
- চুৰনি লোটা গৰু, বাটে কটা ঘাঁহ।
- চকুৰ আঁতৰ হোৱা মানে, মনৰো আঁতৰ হোৱা।
- চকা উঠিল পাতত
  বন্ধা উঠিল খাটত।
- চিনাকি বামুণৰ লগুণৰ প্ৰয়োজন নাই।
- চখ যাৰ, গৰজ তাৰ।
- চুকত থাকি বুকুত খোৱা।
- চোৰে নেৰে চোৰ প্ৰকৃতি
  কুকুৰে নেৰে ছাঁই
  যাৰ যি প্ৰকৃতি
  সি লগত যায়।
- চাউল-চকৰে জলত যোৱা।
- ছল যাৰ বল তাৰ।
- চোপনীয়া বনতো বাঘ থাকে।
- ছাল যোৱা মৰে, ডোহ যোৱা তৰে।
- জুই খাই এঙাৰে হাগা।

- জুইৰ ভয়ত উধান পলোৱা।
- জৰিত ধৰি বল নিদিয়া।
- জ্বৰৰ দাহ বেৰাত পলোৱা।
- জন্মিলে ভাই, হ'ব ঠাই ঠাই।
- টকাৰ নাম জয়ৰাম
  টকাই কৰে সকলো কাম।
- ঠেলাৰ নাম বাবাজী।
- ঢোৰা সাপৰ ফোঁচ-ফোঁচনীয়ে সাৰ।
- তিৰীৰ কুৰ্মা বপুৰা
  আইৰ কুৰ্মা ধেকুৰা।
- তিনিবাৰেই নিবাৰ।
- তামোল পকিলে সৰে
  মানুহ বুঢ়া হ'লে মৰে।
- দুবৰি কন বঢ়াদি বঢ়া।
- থল চাই কঠিয়া পাৰা।
- ধেকুৰা কুকুৰেও বাট এৰি নিদিয়া।
- ধুই অনা তুলসীৰ পাত।
- নিলাজৰ লাজ নাই
  কেঁকোৰাৰ মূৰ নাই।
- নোপোৱাৰ গোঁসায়ে চেং পোৰা খোৱা।
- নুবুৰে মানে বাবা, নমৰে মানে চাবা।
- নিছিঙাৰ পাপ, নিদিয়াৰ ধন।
- য'ত নদী-নলা সাগৰে গতি।
- নিদিয়াৰ দেওবাৰ।
- নাই ভূমি চৰ্তুসীমা।
- পানী ঘোলা কৰা।
- বাহিৰত ৰৰ চুৰিয়াৰ কৈব

ভিতৰত ঢকুৱাৰ বেৰ।

- বাঁহৰ গছৰ ভোল।
- বাঘৰ গাত হাত দিয়া।
- বেটাৰ নাতি মজিয়াৰ মাটি
  বেটীৰ নাতি ঢোকনা কাটি।
- বাকী মানে ফাঁকি।
- বৰণ সলাব পাৰি, স্বভাব সলাব নোৱাৰি।
- বোকাত তোৰামাছ সোমোৱাদি সোমোৱা।
- বাপৰ হৈও নামাতে
  চাণ্ডালৰ হৈও মাতে।
- বাটল পালো কমাৰ
  দা গঢ়াই দে আমাৰ।
- বিপদ অকলে নাহে।
- বৰ চহকী মাটিয়ে সাক্ষী
  বৰ কথকীৰ কথাই সাক্ষী।
- বাৰী শুৱনি বাঁহে
  ভোজন শুৱনি মাহে।
- ভেটিত তিতা লাউ গঁজা।
- ভালৰ ভাল সৰ্বটিকাল
  বেয়াৰ ভাল ক'তো নাই।
- ভুঁৰুৰাত ব'দ দিয়া।
- ভাত খাওঁতে পানী খোৱা যেন কথা।
- ভাতৰ তিতা সহিব পাৰি
  মাতৰ তিতা সহিব নোৱাৰি।
- ভাইৰ সমান শত্ৰু নাই
  ভাইৰ সমান মিত্ৰ নাই।
- মাকড়কে জীয়েক কাজী

টেঁকীৰ থুৰাবে বটে পাঁজি।

□ মাজ মূৰত খালে সাপে
ধৰণী ধৰিবলৈ ঠাই নাথাকে।

□ সাত পুৰুষৰ নাই গাই
ক'ঁীয়া লৈ দোৱলৈ যায়।

□ মায়েক ভালে জী ভাল
বাপ ভালে পো ভাল।

□ মুখৰ কথাৰে মাছ ভজা।

□ মৰে অলপ পানীৰ মাছ
মৰে নদীৰ পাৰৰ গাছ।

□ মনে খোজে ৰজা হ'বা
বিধাতাই নিদিয়ে খুজি খাবা।

□ মৰণক সৰণ কৰা।

□ যদি নিয়ে যম কালে
কি কৰিব ওজা ভালে।

□ চোৰক মোৰে পোৰা।

□ টোপোলা দেখিলে টুপুলি নাছে
নাই টোপোলা থক্ ধৰি আছে।

□ তোৰ মুখ ধেক্ ধেক্
মোৰ মুখ বাহি
তোক দেখিলে
মোৰ উঠে হাঁহি।

□ নিজৰ লেংটিৰ বিচাৰ নাই
আনৰ লেংটি বিচাৰি যায়।

□ যাৰ যহত শাঁখ-সেন্দুৰ
তাৰ কৰ ভেকোলা এন্দুৰ।

□ য'ডে বাতি ত'তে কাটি।

- যʼত নদী নলা সাগৰে গতি।
- ৰইনাৰ গাৰ পিনে টানে।
- ৰাইজ মত গজ মত।
- ৰামৰ খাই ৰাবাণ্যাৰ গীত গোৱা।
- লগৰ ভাই পিণ্ডো খায়
  মইনো থাকো কিয় বাট চায়।
- শক্তি চাই ভক্তি।
- শিল খাই ঘঁৰিয়াল তলক যোৱা।
- শাকে-শুক্তাই ভক্ষণ
  সেই পুৰুষৰ লক্ষণ।
- শালৰ মাজত শিঙী।
- সাজি-কাচি ওলালে বান্দৰীও সুন্দৰী হয়।
- সকলো মগনীয়া মৰক
  মোৰ জোলোঙা ভৰক।
- হাতীয়ে খায় যিমান
  লাডেও সিমান।
- বত্ৰিশটা গুণ
  কাঁহাৰ বাতিত নাখায় লোণ।
- মুখে টো টো
  ডিঙেৰা পুঠি
  আমাৰ কাকাই তিৰি আনছি
  লেউৰা উঠি।
- চকু লাল, বুকু খাল, সেই পুৰুষৰ লক্ষণ ভাল।
- নাকৰ বাৰা কাটা, পুৰুষৰ কাণ কাটা।
- তিৰিৰ সক মুৱা, ঘুম্‌টিৰ ঘৰে পুৱা।
- মেʼভা দিৰি পানী, জুই দিৰি টানি।
- এনে বেটাৰ সাহ

ৰবৰৈৰ পাহাৰখান
দাড়ি আনবা চাহ।

- হোলাৰ ভাই মোলা।
- কটাৰ পো কুটি
পৰক গেলি হুল চাচোতে
নিজে মৰে ফুটি।
- এটা মাৰি দুটা জীয়া।
- তিনিদিনীয়া পইতাখাই চাৰিদিনীয়াক জীওৱা।
- নোম নোম দাড়ি
তোৰ ছাগল ভাল হলে
কিয় যায় মোৰ বাৰি।

* * *

(খ) সাঁথৰ

- উপি উপি উপি
  বাটিৰ কাষত আছে চুপি। — চিঙাজোক।
- ৰজা থেৰ কলি গাই
  ঘাটে ঘাটে পানী খায়। — বৰশী।
- ঘৰৰ ভিতৰত ঘৰ
  তাতে পৰি মৰ। — আঠুৰা।
- ৰজা থেৰ কলি গাই
  এক পিয়ান দি মৰি যায়। — কলগছ।
- সক সক চৰায়ে
  লোহাৰ খুদ খায়
  বৰ বৰ ভীমৰ লগত
  যুঁজিবলৈ যায়। — কুঠাৰ।
- ওপৰৰ পৰা পৰিল ধুম
  ধুমে বোলে মোৰ কটিখান শুং। — পকা বেল।
- ওপৰৰ পৰা পৰিল টেকেলি
  টেকেলিৰ ভিতৰে সাত কুৰি ভেকেলী। — কঠাল।
- কন্ধাৰ ওপৰে কন্ধা
  যি ক'ব নোৱাৰে
  তাৰ বাপেক বুঢ়া বন্ধা। — কেঁচু মটা।
- হাতত টোকান মূৰত জাপি
  ক'ত যা তই বুঢ়া আতি। — আনাৰস।
- কেঁচাতে তাল-তুল
  পকিলে গৰাম
  বিয়ে ক'ব নোৱাৰে
  তাৰ গালত চৰাম।

□ ঔৰ তলত গৈছিলোঁ
ঔ ফুল খাইছিলো
কেঁচা পাতত বান্ধিলোঁ লোণ
কাণেৰে বাট বুলে কোন? — কাঁৰেমাছ।

□ উল্লুৰ চৰ চৰ নদীৰ মোচৰ
মাক নৌহওঁতে জীয়েকৰ যোল্ল বছৰ। — কুঁহিয়াৰ।

□ সকলৰ পৰা ডাঙৰ হ'লোঁ
বাৰীৰ পাছফালখন দেখা নেপালোঁ। — পিঠি।

□ ইল বিল শুকাই গ'ল
গছৰ আগত পানী ৰ'ল। — নাৰিকল।

□ ৰজাৰ লাঠি
ঘন ঘন কাঠি। — কুঁহিয়াৰ।

□ পাত দীঘল দীঘল গুটি শাৰী শাৰী
যি ক'ব নোৱাৰে সি মেখ্‌লা ভাৰি। — মাকেজোৰা।

□ হাতত টাঙোন মূৰত বোজা
ক'ৰ পৰা আহিলি বঙা ওজা। — আনাৰস।

□ যাকে আনিবলৈ গৈছিলোঁ
সিয়ে আহিল খেদি
ওপৰে তিনি তলে ছয়
যদি ক'ব নোৱৰা মাটিৰে নহয়। — ৰবসুণৰ পানী।

□ এডালি খেৰে ৰৰৰটো বেৰে। — জুই।

□ কোন ভকতে বেৰায় বাৰি। — নাৰদ লতা।

□ কোন ভকতৰ এডাল দাৰি। — কবিৰামুনি।

□ কল চোচনি অহৰ-মহৰ
কোন ভকতৰ দুৱাৰ বহল। — কেৰাহী।

□ কি ঢেঁকাৰ তলেৰে যাব নোৱাৰি। — চেঙাৰ ঢেঁকা।

□ বাৰীৰ পিছৰ বঙা চৰাই
মুখ চাই চাই উত্তৰ কৰে। — জলকীয়া।

□ আমাৰ এটা বুঢ়ী আছে

সদায় ৰঙা চোলাই পিন্ধে। — জলকীয়া।

▫ ইহঁতৰ মাক-জীয়েক
সিহঁতৰো মাক-জীয়েক
ক'ল হ'ল তিনিটা
গাই প্ৰতি একোটা। — একোটা।

▫ কি ফুল অপবিত্ৰ? — মদাৰফুল।

▫ চাচ্-বাটুলি বাইছুখন
কোন তিৰী পুৰুষৰ
একুৰি দুখন কাণ। —ৰাৱণ আৰু মন্দদৰি।

▫ কি ফুলৰ এশ আঠটা পাহি? —পদুম ফুলৰ।

▫ এনু এনু এনু
ধৰিবৰ নাই ঠেনু। — কণী।

▫ সাতখন পথাৰৰ ধান
কাটি মাৰি কৰিলো এমাৰণ
বত্ৰিশ বলধেৰে মাৰিলোঁ মাৰণ
হৈ গ'ল তেজৰ বৰণ। — তামোল পাণ।

▫ ওপৰৰ টেকেলি
টেকেলিৰ ভিতৰে সাতশ টকা
সেই টকাৰে কিনিলো গৰু
গৰু হ'ল ফেটা
পুবৰ পৰা আহি থাকে
চেও চেওঁৱা বতাহ। — সূৰ্য।

▫ কি বস্তুৰ আগটো কাটিলে
নামটো সলনি হয়। — ধান নৰা।

▫ তিনিটা আখৰেৰে এটা চৰাইৰ নাম
প্ৰথমটো কাটি দিলে এটা বস্তুৰ নাম। — বাদুলি।

▫ কোন ভকত নামত চাৰ। — শিৱ।

▫ বাটে বাটে বাওঁ মুখত নলগাকৈ খাওঁ। — উজুটি।

▫ গলেদি খায়

মুখেদি খায়সে,
সেইটো বস্তু
সকলোকে লাগে। — চাকি।

- পেট আছে
পেটু নাই,
গল আছে
মূৰ নাই। — কলহ।

- বাটৰ মূৰত পৰিল বেল
শুনা নেগেল
নুশুনা গেল
যাবাই নানিলা
নাযাবাই আনিলা
খাবাই সোৱাদ নেপালা
নোখোৱাই সোৱাদ পালা। — ভৰি, হাত, জিভা

- তলা নোহোৱা চৰু
পাছি নোহোৱা জাল,
পাঁচখন কোদালৰ
একেটা নাল। — পেট, নাক, হাত।

- লক্ষ্মী আৰু নাৰায়ণ দুয়ো
গল পত্ৰ দিয়া
তৰু-তৃণ আনি
তলে হুতাশন দিয়া
শত্ৰুৰ ভয়ত দুয়ো
কম্পে থৰ থৰ
তিৰীটোৰ পেটৰ ভিতৰত
মৰাদটো সোমাই ৰ'ল। — ভাত

* * *

হাজো অঞ্চলৰ উপভাষা

মান্য ভাষাৰ লগত কামৰূপী উপভাষাৰ ধ্বনি তাত্ত্বিক বৈশিষ্ট্য আছে। আকৌ কামৰূপী উপভাষাৰ লগতো হাজো অঞ্চলৰ উপভাষাৰ কিছু বৈশিষ্ট্য পৰিলক্ষিত হয়। মান্য অসমীয়াৰ শব্দত থকা 'আ' ধ্বনি 'অ' ধ্বনিৰূপে, 'অ' ধ্বনি 'আ' ধ্বনিৰূপে, নিম্ন স্বৰধ্বনি উচ্চ স্বৰধ্বনিৰূপে, পদান্ত 'অ' সীমিত ক্ষেত্ৰত 'ও' ৰূপে, মধ্যৱৰ্তী 'অ' বা 'আ'— 'এ'লৈ, আদি স্থানৰ 'ই' ধ্বনি 'এ' ধ্বনি ৰূপে আদি বিভিন্ন বৈশিষ্ট্য লক্ষ্য কৰা যায়। তলত ৰামদিয়া, হাজো, দমদমা, বামুন্দী, পছৰীয়া আদি গাঁৱৰ কেইটামান উপভাষাৰ ধ্বনিৰ বৈশিষ্ট্য দাঙি ধৰা হ'ল—

মান্য অসমীয়া	হাজো অঞ্চল
ছোৱালী	আপী
যেতিয়া	যিথান
কেতিয়া	কিথান
ওচৰ	ওচাৰ
ৰবণ	ৰবাণ
ধৰ্ম	ধৰ্মো
অংশ	অংশো
কেৰলীয়া	কেউলা
ভাৰবীয়া	ভাউৰা
ভৰাত	ভাৰাথ, ভাৰাত
তই	তই, তুই
মই	মই, মুই
খদা	খাদা, খদা

উঘা	উঘা, উঘ'
বুঢ়া	বুৰ', বুঢ়া
গৰম	গৰাম
তপত	তপাত
ভকত	ভকাত
পদ্ম	পদ্দো
কটাৰী	কটাৰী, কাটেৰী
ডঁৰাল	ডাখেৰী
প্ৰসাদ	গাজী, পৰহাদ
প্ৰথম	পথাম, প্ৰথম
স্ত্ৰী	তিৰি
ভোক	ভোখ
শুকান	শুকান, শুখ্না
ঢেকিয়াল	ঢেখাল
শিতান	শিথান
তপিনা	তাপিলা
গলৌ	গেলৌ
উপেন	উপিন
গজেন	গজিন
বাজেন	বাজিন
সোণ	সোণা
তাম	তামা
তেতিয়াহ'লে	তিথানহলি
অৰ্থ	অথো
এজাৰ	আজেৰ
বজা	ৰাজা
বজ্ৰ	বাজ্ৰ

বস্তু	জিনিচ্
ওচৰ	ওচাৰ
গৈছিলো	গেচ্লু
নেখাওঁ	নাখাওঁ
এন্দুৰ	এন্দুৰ, ইন্দুৰ
প্ৰফুল্ল	পৰফুল্ল
কষ্ট	কষ্টো
আনন্দ	আনন্দো
ৰৰষুণ	বৈৰহান
চিএৰৰ	আতাহ্
নোযোৱা	নেগেলৌ, নেগ্লো
যাওঁ	গেলো
মকুৱা	মৈকা
দেউতা	পিতি, পিতা, পিতে
কত	কৈত
গিৰিয়েক	ভতাৰ
নেখাও যা	নাখাও যা
গৃহস্থ	গৃহস্থো
নিমখ	নিমাখ
ডাঙৰ	ধুম, ডাঙাৰ, ডাহাৰ
সৰু	চানা, নাউমান
অলপ	আকখানমান, আথুটমান
মৰাগে	মৰাগে
খৰ্গেশ্বৰ	খৰ্গে
চুটি	খাটা, চাপাৰ
হালধি	হালধি, ৰংগুৱা
ধোৱা	আখাল, পোখাল

আখল	হুইহুল
পৰহি	পড্ডিনা
খাদ্য	খাদ্যো
খামোচ	খামচা
জঠর	ঠৰগা
চাদা	তাম্বু
দলং	দালাং
শৌচকৰ	হাগ
প্রস্রাব	মুত
দূর	নিলাগ
যন্ত্র	যন্ত্রো
বস্ত্র	বস্ত্রো
ঠাণ্ডা	ভেকি
কোনোও	কাৰে

* * *

ঠাৰ বা গুপ্ত ভাষা

নিজ হাজোৰ পিতল বাচন ব্যৱসায়ীসকলৰ মাজত এটি ঠাৰ বা গুপ্ত ভাষাৰ প্ৰচলন আছে। ব্যৱসায়ীসকলে ব্যৱসায়ীক লেনদেনৰ সময়ত পৰস্পৰ ব্যৱসায়ীয়ে বুজাৰ নিমিত্তে তেওঁলোকৰ মাজতে এটা নিজা ভাষাৰ সৃষ্টি কৰি লৈছে। এই ভাষাটো নিজ হাজোত ব্যৱহাৰ নহয়। হাজোৰ বাচন ব্যৱসায়ীসকলে অন্য ঠাই বা অন্য জিলালৈ বাচন বিক্ৰী কৰিবলৈ গ'লে এই ভাষাটো ব্যৱহাৰ কৰে। এই ভাষাৰ জৰিয়তে মানুহজনে দিম বোলা দামত বস্তুবিধ দিব পাৰি নে নোৱাৰি, বাচন ল'ব খোজা গ্ৰাহকজনৰ ... ভাৱ কেনেধৰণৰ, বাচনখন নতুন নে পুৰণিকৈ ... মেৰামতি কৰা ইত্যাদি ... লয়। টকাৰ গুপ্ত নাম, বিধে বিধে বাচনৰ গুপ্ত নাম, বয়-বস্তুৰ গুপ্ত নাম আদিও তেওঁলোকে ব্যৱহাৰ কৰিব পৰাকৈ সৃষ্টি কৰি লৈছে।

ভাৰতৰ অন্য ৰাজ্যত তথা অসমৰো নানা প্ৰান্তত, এই গুপ্ত ভাষাৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। হাজোৰ বাচ ব্যৱসায়ীসকলৰ মাজত প্ৰচলিত গুপ্তভাষাৰ কিছু শব্দ সংগ্ৰহ কৰি তলত পৰিবেশন কৰা হ'ল—

ঠাৰভাষা	অৰ্থ
গৈলা, মাইৰাং	চাউল
নাথাঙে	নাই
থাঙে	আছে
চালি গুৱা	তামোল
ভোঙে	আছে
কামাঙে, লাটাকে	দিব লাগিব
উমি	তুই
টটা জুৰাই দে	কিশ টকা হ'লেও দিব পাৰি

টগ	বিশ
জুবাই দে	দিব পাৰি
জৈচা	পইচা
জৈচা নাথাঙে	পইচা নাই
লালুক	পুৰণি মেৰামতি
দাচ, চাক	নতুন
চালি	খুব ভাল
নলেঠি	খৰি
ফালা	দাইল
মীনা	মাছ
বাঙলু	হালধি
নানি	চাহ
ফৈট্কা	গাখীৰ
ফালা	কাণকুলা পাচা
চোচ্	গোটা
জেল	কৰাদৈ কাঁহী
বাহিৰ কেন্না	বাত্তি
টোপোৰা পেহা, বৰজুৰা	
নাক ফেটি, জৰিদাৰ	বটা
ভাবুকি টো	খুব ওজন
জাহ্মা নলা জুৰচি	বেয়া মানুহ আহিছে
জুৰ	আঁতৰ হ।
মাপুৰইত ভিভ	গৃহস্থ ধনী বা ভাল
মাপুৰইত জাহ্মা	গৃহস্থ বেয়া
তহ্লি কৈস্ত চেক্ৰো	সহজতে পইচা নিদিব।
জেধ	ভঁৰাল
গৈলা থাঙে	ধান আছে
চেলিম না	বাকীত দিম নে?

চেগা	দি দে।
নেচেগৰি	দিব নোৱাৰি।
টহলি	টকা
ধুলি	চুৰা
ধুলি ৰাঙলি চটচি	তিৰোতাগৰাকী পাগৰ বাহিৰ হৈছে
কোন্‌চে ৰাঙলি চট্‌চি	ছোৱালীজনী পাগৰ বাহিৰ হৈছে
টিকা	দেখা
টিক্‌চো	ভালকৈ চাচোন
নলা	ঠাট্টাৰ গালি
ইটে	ততাতৈয়া কৰা
খিলেবি	খোৰা
চটাহ্‌	ভঙা
তিভদে থাঙে চটাহ্‌	বেছি ভঙা মাল আছে।
নলাহ্‌ইতকে ফৰৌচোন	গৃহস্থকে ক'চোন
চেগে নে নেচেগে	দিয়ে নে নিদিয়ে
চেগ্‌ৰো যা	দিবো যা।
কনচে জুৰচি	ছোৱালীজনী আহিছে
টিক্‌বি টিক্‌বি	চাবি চাবি
কিবা জুৰাবা পাবে	কিবা নিবলৈ পাবে।
মীনা পাথৰু	কৈৱৰ্ত মানুহ
ফৰেচি	দৰ-দাম কৰা
ফৰৌ	ক'
মাখনী	পুৰাণক নতুনকৈ তৈয়াৰী
থাউ	কেৰাচিন তেল
জাহাজী পিতল	আচল পিতল।

* * *

আইনাম

বসন্তৰোগ বা আইৰ নিবাময়ৰ বাবে হাজো চক্ৰৰ গাঁৱসমূহত আইসকলে আইনাম বা শীতলা নাম গায়। আই ওলোৱা ঘৰে পাঁচ দিনৰমূৰত শীতলা নামৰ আয়োজন কৰে। ফল, মূল, ধূপ-ধুনা, ডট-ছত্ৰৰে পূজাভাগ আগবঢ়োৱা হয়। এখন আগলতি কলপাতত ভগৱতীৰ সেৱাৰ উদ্দেশ্যে তিনি বা পাঁচটাকৈ কঠগা ফুল ন ভাগ আৰু আলা চাউল আগবঢ়োৱা হয়। নৈবেদ্যত নাৰিকল দিব নালাগে। নাম শেষ হ'লে আহনখন ধুই এঢোক পানী বসন্ত ৰোগী লৈ খাব দিব লাগে আৰু হাত ভৰিতো ঘঁহি দিব লাগে।

সাত দিন বা ন দিনৰ মূৰত একে নিয়মেৰে আইনাম ধৰা হয়।

একৈশ দিনৰ মূৰত কেঁচা ভোগ বা পকা ভোগ দিব লাগে। পকা ভোগত পায়স আৰু কেঁচা ভোগত ফল, ঘিউ, মৌ সানি গোপাল ভোগ দিব লাগে। এই ভোগ দিয়াৰ পিচত আহান নৈ বা পুখুৰীৰ পানীত উটুৱাই দিব লাগে। আহান উটুৱাই দিয়া স্থানতো এভাগ পূজা সভাৰ আগবঢ়াব লাগে।

হাজো চক্ৰৰ কমৃদধি, বৰদধি, অভয়পুৰ, গেৰুৱা আদি গাঁৱৰ পৰা সংগ্ৰহ কৰি, কেইটামান আই নাম ইয়াত পৰিৱেশন কৰা হ'ল।

(১)

দিহা— মোচা কোচা চাঁইখেনি
ফুল জলমল কৰে।
তাতে আছি ভগৱতী
আতি আনন্দ কৰে।

পদ— ভগৱতীৰ চৰণোত কৰো নমস্কাৰ।
কমলা নয়না নাম চওঁৰি বাৰম্বাৰ।।
আহি আহি ভগৱতী বাটে আছে বৈ।
ঘেলীফুলৰ মালা লৈ ৰবি আনো গৈ।।
আহি আহি সক আই বাটে আছে বৈ।
কাঠাগুৰ মালা লৈ ৰবি আনো গৈ।
আহি আহি ডাঙাৰ আই বাটে আছে বৈ।
জবা ফুলৰ মালা লৈ ৰবি আনো গৈ।
আহি আহি ন-কনী বাটে আছে বৈ।
সকাল ফুলৰ মালালৈ ৰবি আনোগৈ।।

(২)

দিহা— আহান[১] পাৰি দিয়া আই এ, ৰহোক মহামায়া।
থাকোক হৰিৰ কথা শুনি আই এ হৰি জায়া।।
পদ— ভগৱতী স্থল-ফুল[২] আহানে দে ফুল।
চোতালে দে ছায়া মায়া।
ডাঙাৰ আই স্থল-থুল আহানে দে ফুল
চোতালে দে ছাঁয়ামায়া।
মাজু আই স্থল-থুল আহানে দে ফুল
চোতালে দে ছাঁয়ামায়া।

(এইদৰে কামাখ্যী আই, বঙোলী আই, চণ্ডী আই, কালী আই, লক্ষ্মী আই আৰু সৰস্বতী এই ন ভনীয়েকৰ নাম লোৱা হয়।)

(৩)

দিহা— আইকে প্ৰণাম কৰোঁ দুই চৰণে ধৰোঁ।
আইৰ চৰণোত ভক্তি থৈ সুখে সংসাৰ তৰোঁ।।
পদ— গংগা দুৰ্গাৰ চৰণোত ভক্তি থৈ সুখে সংসাৰ তৰো।

চণ্ডিকাৰ চৰণোত ভক্তি থৈ সুখে সংসাৰ তৰো।
আই দিলা হৰিৰ নাম হৃদয়ৰ কাৰি।
আইকে প্ৰণাম কৰোঁ হাত যোৰ কৰি।।

(৪)

দিহা— গোপাল আই এ, আই মোৰ ঘৰে।
পদ— বগা ফুলৰ মালা দিছে আইৰে শৰীৰে।
কাঠাগুৰ মালা দিছে আইৰে শৰীৰে।।

(এইদৰে গোমা, পদ্ম, যুতি, অশোক, নৰা আৰু বকুল ফুলৰ মালাৰ উল্লেখ কৰা হয়)।

(৫)

দিহা— কৈলাশৰ পৰা আই নামি আহে
হৰোৰে মন্দিৰ চাই।
শুকুলা ফুলৰ আসন পাৰি থৈছো
আগবাঢ়ি বহা আই।
পদ— চাকি ধূপ ধৰি আসন বঢ়াই দিছো
আগবাঢ়ি বহা আই।
তামোল পান যুৰি আগবঢ়াই দিছো
আগবাঢ়ি আহা আই।
মাথাৰ আঞ্চল পাৰি দিছো
আগবাঢ়ি বহা আই।
মাথাৰ কেশ পাৰি দিছো
আগবাঢ়ি বহা আই।
জল-ফুল ধৰি আসন বঢ়াই দিছো
আগবাঢ়ি বহা আই।
নৈবাদ' পৰহ্যাদ' ধৰি আসন বঢ়াই দিছো

আগবাঢ়ি আহা আই।
দৎ-ছত্ৰো° আগেবঢ়াই দিছো
আগবাঢ়ি বহা আই।

(৬)

দিহা— কি দিয়া পুজিম মাই চৰণ তোমাৰ।
পদ— যিয়ো ফুলে পুজিম মাই সিয়ো ফুল চুৱা।
তোমাৰ নামে তোমাক পুজিম গধুলি-পুৱা।।
যিও ফুলে পুজিম মাই সিও ফুল কৰি।
সংসাৰত গন্ধ-পুষ্প নাপালো বিচাৰি।।
যিও ফুলে পুজিম মাই সিও ফুল বাহি।
আইৰ ৰঙা চৰাণোত আমি হলো দাসী।।
চৰণ মুৰালি আই চৰণ মুৰালি।
সংসাৰণ গন্ধপুষ্প নাপাওঁ বিচাৰি।।
মন দিয়া পুজিম আই মনৰ নাই থিৰ।
চিত দিয়া পুজিম মাই পাপে জৰা-জিৰ° ।।

(৭)

দিহা— জগত জননী যোগমায়া।
চৰণে শৰাণ° লৈলো ৰাখা মহামায়া।।
পদ— স্বৰ্গে পূজে দেৱগনে অনেক সম্ভাৱে।
পাতালে পুজিছে নাগে নানান ফল-ফুলে।।
মনিচে পুজিছে মাও শীতলাৰ চৰণ।
শীতলাৰ চৰণে মাও লৈলো শৰণ।।
কহে ৰাম সৰস্বতী এৰি আন কাম।
শীতলা সন্তুষ্ট হওক বোলা ৰাম ৰাম।।

(৮)

দিহা— আই আহি লৰে এ সুৱৰ্ণৰ ৰথে।
মায়া কৰি আছে আই কাৰে' নেদেখে।।

পদ— বাৰ বছৰ আই থাকে কৈলাশ ভৱনে।
ভাবন্তোক আইভাব পৰিল আইৰ মনে।।
এক নাই (নাভি) পানীৰ গুৰোত চিলান কৰিলাক।
গা-ধুই দেবাঙ্গে ভূষণ পিন্ধিলাক।।
চুঁচি মাজি উচন্দা খোপা বান্ধিলা।
বসৰ কলসী হাত্তে তুলি লৈলা।।
পিতৃৰ আগত্তে আই গোমান্ (গমন) কৰিলা।
ভাবান্তোক লাগি যাওঁ পিতৃ আন দিলা।।
কাহাৰ জীয়ৰী আই কাহাৰ বোৱাৰী।
স্বৰূপ কৰি কৱ আই কাৰ নিজা নাৰী।।
স্বৰূপ কৰি কিছো পিতা তোমাৰ জীয়াৰী।
নমোহোঁ শীতলাদেৱী জগত ঈশ্বৰী।।

(১)

দিহা— নমো শীতলা মাই নাভিমূলে জন্মিলা।
হৰোৰ চৰণে আই প্ৰণাম কৰিলা।।
পদ— (এ ৰাম) এই ৰূপ লৈ তুমি ভাবন্তে নাযাবা।
তোমাৰ ৰূপে মনুষ্যকো নভৰিবা।।
(এ ৰাম) তুমি এক ৰূপ থৈ যাবা ডালিমৰ গোটত।
এক ৰূপ এৰি যাবা জেতুকাৰ পাতত।।
দুই ৰূপ লৈ তুমি ভাবন্তে নামিবা।
এক ৰূপ লৈ তুমি গোমান কৰিবা।।
পিতৃৰ আজ্ঞা পাই আই ভাবন্তে নামিলা।
বসৰ কলসী আই হাত্তে তুলি লৈলা।।
ঘৰৰ বৈণীক সপোন দেখুৱাবা।
আইৰ লগৰ সেনাগণ লগত্তে ৰাখিবা।।

১. আহান— আসন, ২। জলফুল (জলফুল)— আইৰ জলপকনি।

(১০)

দিহা— শীতলা আহিছে নঙলাই বৈছে
বসৰ কলসী লৈ।
আহান পাৰি দিয়া বহোক মহামায়া
বসৰ কলসী থৈ।।

পদ— বৰ ঘৰে যাবা আই বৰ পিবা পাবা।
দুখীয়াৰ ঘৰে আই সেৱাহি সন্তোষ হবা।।
যিবা ফুলে পুজিম আই সিয়ো ফুল চুবা।
তোমাৰ নামে তোমাক পুজিম গধূলি-পুৱা।।

(১১)

দিহা— মানাহৰে পানী আনাগৈ ভৱানী
তামাৰ কলসী লৈ,
ছয়কুৰি বামুণে চণ্ডীপাঠ কৰিছে
শীতলাক আগত লৈ।

পদ— গা ধুৱা দিলা আইকে উত্তম গঙ্গা জল।
বস্ত্র পিন্ধিবাক দিলা দেখিতে ধবল।।
চুঁচি মাজি আই উচঙ্গা বান্ধে খোপা।
গলমতী[১] গলপাতা গলীয়া গলোত[২]।
চাৰি চাকি সোণা লড়ে উপাৰ কাণোত।।
বাহুত জ্বলে বালা খাৰু কৰোত্ (হাতত) কংকান।
দুয়োহাতে জ্বলে শাখা দেবাঙ্গ ভূষণ।।
দহো আঙুলিত আইৰ ৰত্নোৰ আঙুঠি।
কপালোত পিন্ধিলা মাণিকোৰ জেঠি।।
ৰত্নময়ী সাঙ্কিত জ্বলে সাতেসৰী হাৰ।
হৃদয়ত ঝিলিমিলি কৰে পেছেন্দাৰ।।
ভোজনকে দিলা আইক জহা-চাউলৰ গুৱা।

ভাবে মাজে দিলা আইকে ন গাইবে ধীৰা।।
দধি দুগ্ধ ঘৃত মধু আইৰ ভোগে দিলা।
যত মানে পাবে আইকে ঘৰতে পূজিলা।।
মুখ ধোৱা দিলা আইকে উত্তম গংগাৰ জল।
দাঁত ধৌৰ্ কাবা[১] কাবা দিলা আইক খৰিকা শতডাল।।
মুকুতিক[২] লাগি কৰ্পূৰ তামোল দিলা।
তাৰ লগত ৰাম মিঠা[৩] পানকো পাচিলা।।
শয়ানোকে দিলা আইক পুষ্পৰ পালাঙে।
বিচিবাক দিলা আইকে ময়ুৰাৰ চৌৰাবে।।

(১২)

দিহা— চক ভৰা গুৱা গুৱা মনে ৰঙে লবা।
আমি কাকলী কৰোঁ দায়া কৰি যাবা।।
পদ— তোমাক বোলো হাথীমুৰা মোৰে আগে বোৰা।
মোক ঠাই দিৰা-লেদা স্বৰূপ কৰি কোৱা।।
একেখিনি পৰ্বত আই গুৰি আছে হালি।
তোমাৰ ভৰ পালি আই যাওঁ পানীত ডাহি।।
তাৰ পাৰ নামি আহি তেওঁক দিলা বৰ।
শাল-তাল বিবিধ গজোক তোমাৰ ওপৰ।।
কাবে লৈলা ফুলৰ কন্তি (কৰণি) হাতে লৈলা বেত।
আখুজি দুখুজি কৰি আই যায় আজাঠুবাত[৪]।
আজাঠুৰী পাহাৰোত আই মাগে ঠাই।
একেখিনি পৰ্বত বিলাবাৰ ঠাই নাই।।
তোমাক গেলি ঠাই আছে নাও নীলাচল।
দেখিতে অনুপম আম-জাম-শ্ৰীফল।।

---

১. নৈবাদ— নৈবেদ্য, ২। পৰহাদ- প্ৰসাদ, ৩। দং ছত্ৰো— বেদীৰ আগত থোৱা ফুলৰ ছত্ৰ। ৪। জৰা-জিৰ— জৰাজীৰ। ৫। শৰাণ— শৰণ।

তাৰ পৰা নামি আহি আজাক দিলা শাও।
বিনা অগ্নি পুৰি মৰোক তোৰ সৰ্বগাঁও।।[১]

(১৩)

দিহা— সোণাৰ নাওখনি ৰূপাৰ বৈঠা
দ' চাই মাৰিবা খেৰা;
ভয় নকৰিবা ভয়াতুৰ নহ'বা
মহামায়া কৰিবো দায়া।।

পদ— ঘাটুৱে বোলে তোক মোৰ আগে বৌ
নীলাচলক যাওঁ মই পাৰ কৰি থৌ।।
সোণাৰ ছয় কড়ি দেও লেখি জুখি লোৱা।
শীঘ্ৰে আই আইকে পাৰ কৰি থোৱা।।
সৰু নাও সৰু বৈঠা কেন্‌কে হবা পাৰ,
টুলুং ভুটুং নৌকা ভয়ত কঁপে অন্তৰ।।
চৌপাশে কন্দাৰী মাজতে বহিল আই।
আগ্ৰাজুলিঘাটে আই চলি যায়।
কেন্দুপাৰাৰ বামুণে কেন্দু পাৰি খায়।
নীলগুটি বান্দৰক মাগি লৈলা ঠাই।।
বামুণে থোৱা দুখনি চৰণ মালী যোগাৱে ফুল।
মহাৰাজাই যোগাই আছে লক্ষ টকাৰ মুল।।
হাজোৰ গোঁসাই পাৰ্ব্বৰ গোঁহাই কৰে আটোল টোল।
উমানন্দ অশ্বক্লান্তই কৰিছে আতি বিভোল।।
পশ্চিম দুৱাৰে আছে কাল-বিকাল।
পুব দুৱাত আছে হনুমান বীৰ।
দক্ষিণে চামুণ্ডাই কৰিছে কাতৰ।।
গাইবাই থাকা মানে আইতে ভকতি।
শীতলাৱে কথামানে এহি সামতি সমাপ্তি।।

---

১. কাৱে— কোনেও।

(১৪)

দিহা— নমো দেৱী শীতলা মাই এ
অ'মাই জগত জননী।
কৰযোৰে কৰোঁ সেৱা
(তোমাক) জগত গোঁসানী (আই এ)।।

পদ— নেৰিবা নেৰিবা মাই দাঁতে ধৰো তৃণ।
দুখীয়া বুলিয়া আই তোমাক সুমাবোঁ।
আপদ কৰিলে দুনাই তোমাক পাহৰোঁ।।
যেনমতে নেপাহৰো অনুগ্ৰহ কৰা।
তযু চৰণোতে মাই দাস বুলি লোৱা।।

(১৫)

দিহা— আই ঠাকুৰেণী আই তোমালে যমে দবাই,
অম্বিকা চণ্ডিকা আই ফুৰে নগৰ বেৰাই।

পদ— আইকে লেগীয়া তামোল কাটি থৈছো,
আহাওঁতে যাওঁতে খাবা।
চকত পানী থৈছো ভৰি ধোবা আই
প্ৰাণীক দায়া কৰি যাবা।।
নাজানি সোমালো আইৰ ফুলবাৰী
নিছিঙি ছিঙিলো কৰি।
এইখিনি দোষকে ক্ষমা ভগৱতী।
মাগো চৰণতে ধৰি।।
আইৰ নাম শীতলা দিছি ফুলৰ মালা
আইৰ মান ধৰমী নাই।
কি চৰাই নাচিছি কি ফুল ফাটিছি
দুখীয়াৰ ঘৰে সোমাই।
উভৰাই আহিলা আইৰ ম-কনী
বালাতে সপিলা বাতি।

গোপিনীসকলে গাবকে নোৱাৰে
আই লগে দিয়া ঘোৰি।।

(১৬)

দিহা— মানাহৰে পানী আনালে ভৱানী
তামাৰ কলসী লৈ
ছয়কুৰি বামুণে চণ্ডীপাঠ পঢ়িছে
শীতলাক আগতে লৈ।।
পদ— মানাহৰে ঘাটে আই চান কৰে
লাহোৰ কেশটাৰি মেলি।
যাউতি যুগীয়া আইৰ শৰণীয়া
পৰলৈ নিদিবা এৰি।।
আই আহিবাৰে হ'ল কত্তদিন
মহাদেৱে পঠাইলা খেদা।
যাবা কি নেযাবা আই ভাগবতী
কৈলাশ হৈ আছে শুদা।।
এই জহকালি ভলে বোকা পানী
কেনেকৈ আহিলা আই।
সোণাৰ নাওখনি ৰূপাৰ বৈঠাখনি
বাইচাই আনিছে বাই।।

(১৭)

দিহা— মাই শীতলাহে আনন্দে বহিলা,
বহিবাক দিলো মাই আসন পাৰিয়া।
চৰণতে ধৰোঁ মাই কৰি যাবা দায়া।।
পদ— শীতলা শীতলা বুলি বিচৈাই পাবে তাক।
ধানে-ধৈন্য পুত্ৰ-কন্যা খেদি ফুৰে তাক।
শীতলা শীতলা বুলি বিচৈাই পাবে গেৰি।
জৰা-ব্যাধি, ভয়-ভিত মুক্ত কৰে আই দিগম্বৰী।

(১৮)

দিহা— আই তুমি অত বেলি কৈত।
সাধুসঙ্গে মনৰঙ্গে নাম ধৰো বৈ'ত।।

পদ— আই তুমি নামৰে লুভীয়া।
ঘৰে ঘৰে লৈই নাম যাচিয়া যাচিয়া।।
আই তুমি নামৰে সাগাৰ (সাগৰ)।
ধৰাওতে' ধৰাওতে নাম নালাগে ভাগাৰ।।
আই তুমি নামৰে শকত।
ঘৰে ঘৰে শুনি ফুৰা গীতা-ভাগৱত।।
আই তুমি নামৰে মুহিনী।
ঘৰে ঘৰে শুনি ফুৰা নামৰেই ধ্বনি।।

(১৯)

দিহা— এ আই আহি লৰে এ।
জগত জননী মাই তাৰি লবে এ।

পদ— মিছা-সৌচাই টুলিলী আই আঁচোল বান্ধিলা।
লগৰ পাৰিকৰ লগে লৈলা।
হাজোৰ গোহাই পাকৰ গৌহাই কৰে আটোলটোল।
ভগৱতীৰ লোচে আছে লক টকাৰ শেল।
ভাল মানুহৰ ঘৰক যাবা ভাল বঁটা পাবা।
দুখী ভিকোৰ' ঘৰক যাবা পূজা-পাতাল খাবা।।

(২০)

দিহা— আইৰ ন বনী দেখী আই বাৰুনী
কি লৈল বান্ধিবা যাই।
যোৱা মাহ গৰেকেনি খৰিকা শুখেলি (শুকান)
জানি তুলিবা আই।।

পদ— একুছটা গাইৰ গাখীবেদি ভোগ বঢ়ে দিলা।
ধুপে-ধুনাই গন্ধে-পুষ্পাই আইক পুজিলা।।
কি দিয়া পুজিম আই কি আছে আমাৰ।
যতো আছে ধনোজন সমস্ত তোমাৰ।
চাকি দিয়া পুজিম আই ব্ৰহ্মাই আগে খায়।
ফুল দিয়া পুজিম আই ভোমোৰাই চুহি খায়।।

(২৩)

দিহা— কুমাৰৰ চক গোটেই দেখা সক
এক মুঠা মলখু ধৰে।
আইকে লেগিয়া পৰমাণ বাদ্ধিছে
উতলি উতলি পৰে।।

পদ— তুমিতো আহিলা মাই নৰলোকত পূজা খায়।
কোনো বাক্যে তুষ্টো কৰোঁ জগতৰ আই।।
বন-পুষ্পাই পুজিম মাই আৰু গংগাৰ পানী।
তাকে লৈ তুষ্টো হবা জগতৰ জননী।।
কি দিয়া পুজিম মাই কি আছে আমাৰ।
সেবাতে তুষ্টো হ'বা সম্বন্ধো আমাৰ।।

(২৪)

দিহা— বস্তু আসানে বহিলা মহামায়া
যায় ভগৱতী আই।
তোমাৰ দুই পুত্ৰ কাৰ্তী গণপতি
ভোখে বৰ দুঃখ পাই।।

পদ— কালিকা পুৰাণে কৰে (কয়) ইসব কাহিনী।
কহে জয়ৰাম গুৰু চৰণ' প্ৰণামী।।
শীতলা শীতলা বুলি থিয়ে কৰে তুতি।

শীতলাৰ চৰণত ৰহোক ভকতি।।
ৰাম সৰস্বতী ভনে এৰিয়া আন কাম।
শীতলাক প্ৰণাম কৰি বোলা ৰাম ৰাম।।

(২৫)

দিহা— কেতেকী ফুলৰে মই ঘৰ সজালো
মকৰা ফুলেৰে বেৰা।
গুটিমালী ফুলৰ মই দুৱাৰ সজালোঁ
আই আহিবাৰে বেলা।।
পদ— আই লগে বান্ধি ললা তিলৰ টোপালি
এটি দুটি দেই ফুল।
চিনিবাকো নোৱাৰো কি তিল ফুল আই
গোন্ধত আমোলমোল।।

(২৬)

দিহা— মাই দুৰ্গাবালা, মাইহে অতনা মুৰুতি ধৰা।
গলে মুণ্ডমালা, মাইহে কপালে অৰ্ধ চন্দ্ৰকালা।।
পদ— মূৰটো দেখো আই ঝুনা নাৰিকল।
চুলিকোচ দেখা তোমাৰ ভাবিয়া চৌৰাৰ।।
কপালখান দেখো তোমাৰ সুন্দৰৰ ছাটা।
কপালতে আছে তোমাৰ চন্দনৰ ফোটা।।
নাকটো তোমাৰ আই বাঁহীহেন দেখি।
দাঁত কেইটা দেখো তোমাৰ মুকুতাৰ পাতি।।
ওঁঠ দুটা দেখো তোমাৰ ডালিমৰ কবি।
জিভাখান দেখো তোমাৰ আলতা বৰি।।
গলটো দেখো ৰাজহংসৰ গল তোমাৰ।
গলত পিন্ধিছা মাই সাতসৰী হাৰ।।

কোকালখান দেখো আইৰ হৰোৰ ডুম্বুক।
বামকলৰ পুলি যেন তোমাৰ দুই উৰু।।
পাৱদুখন দেখো তোমাৰ ধোৱাই ধোৱা পাত।
পিঠিখনি দেখো তোমাৰ চন্দনৰ জাত।।
নখ কেইটা দেখো তোমাৰ ডালিমৰ গুটি।
আঙুঠি পিন্ধি আছা দহো আঙুলি।।

(২৭)

দিহা— হোৱা ভগৱতী ইমানে সন্তোষ হোৱা।
ভগৱতী চৰণোত প্ৰণামটি কৰিছো।
আৰু বাৰম্বাৰ সেৱা ভগৱতী।
আৰু শতেকবাৰ পূজা।
পদ— শীতলী মাইৰ চৰণত প্ৰণামটি কৰিছো
আৰু বাৰম্বাৰ সেৱা,
তিনি বনীৰ চৰণোত প্ৰণামটি কৰিছো
আৰু শতেকবাৰ পূজা।
পাঁচ বনীৰ চৰণোত প্ৰণামটি কৰিছো
আৰু কোটিবাৰ সেৱা।
সাত-বনীৰ চৰণোত প্ৰণামটি কৰিছে
আৰু কোটিবাৰ সেৱা।
সাত-বনীৰ চৰণোত প্ৰণামটি কৰিছো
সৰ্বোদোষ ক্ষমা।
ন-বনীৰ চৰণোত প্ৰণামটি কৰিছো
কৰি বাবা দায়া মাই শীতলাহে।।

(২৮)

গোধূলিতে আই আছে পদুলিকে চাই।
মহামায়া আই আহিছে সোণাৰে বৰণী বাই।।

(২৯)

তলভৰি সৰি আছে বোটোলাওঁতা নাই।
আসানতে বহি আছে জগতৰ আই।।

(৩০)

খনচো খনচৌ[১] নাকে বয়ে পানী।
মহামায়া জলবান্ধা[২] মাৰি দিলা টানি।।

(৩১)

বিদায় দিয়া আইহে গধুলি হ'ল।
বালেকৰ নামে সুগীচন হ'ল।।
ইঘৰৰ পৰা আই সিঘৰে গেল।
নাম পালে আই পাতে মহামেল।।
ধ্বজ পজ[৩] পঙ্কজ বাটত পৰি ৰ'ল।
গোপৰ লগত আই খেলাত গৈলা তল।।
কৃষ্ণৰ কিঙ্কৰ চাই সবে এৰি আন কাম।
শীতলক চাই সবে বোলা ৰাম ৰাম।।

(৩২)

দিহা— আহান তুলি দিয়া আহান তুলি দিয়া
হবোৰ ঘৈণী আই।
মাথাত তুলি আনি জল ভসাই দিয়া
আই কৈলাসে যায়।।
আহাওঁতে আহিলা ফুলি
যাওঁতে লৈ যোৱা তুলি।
আমিও জানিলো অ'হৰি হৰি
আই দয়া কৰিলা বুলি।।

কি দিয়া পুজিম আই কি আছে আমাৰ।
সেৱাতে তুষ্টো হবা সম্বন্ধো আমাৰ।।
দুখীয়া প্ৰাণী আমি নধৰিবা দোষ।
আপোনাৰা নামে বনে আপুনি সন্তোষ।।
কহে জয় ৰাম' গুৰু এৰি আন কাম।
শীতলাক চাই গোপী বোলা ৰাম ৰাম।।
যিবাখেনি গালো নধৰিবা দোষ।
আপোনাৰ নামে গুণে আপুনি সন্তোষ।।

(৩৩)

দিহা— পাদ্য অৰ্ঘ অঞ্জমণি (আচমনীয়)
ধুপে ধুনাই গন্ধে পুষ্পাই
শীতলাক পুজিলা।
পদ— আই দিয়া নিৰ্মালি মাতা ভৰি লওঁ।
বিদায় দিয়া ভাগৱতী ঘৰা ঘৰি যাওঁ।।*

* * *

** অসম সাহিত্য-সভা পত্ৰিকাৰ ১৯৭৩ চনৰ ষষ্ঠ সংখ্যাত প্ৰকাশিত।

অপেশ্বৰীৰ নাম

হাজো অঞ্চলৰ গাঁৱে গাঁৱে শীতলা নামৰ দৰে অপেশ্বৰীৰ নামৰ প্ৰচলন দেখা যায়। ল'ৰা-ছোৱালী দুপৰীয়া সময়ত ঘৰৰ আধলীয়াত পৰি ভৰি হাত ভঙা, চকু কেৰা হোৱা বা কণা হোৱা ইত্যাদি কাৰণত অপেশ্বৰীৰ নাম গোৱা হয়। এই নাম আয়তীসকলে দুপৰীয়া সময়ত গায়। নাম তিনিদিনকৈ গাব লাগে। পূজাৰ বাবে আহান, আৰ্চি, ফণী, তেলৰ বটল, বগা-বগা ন বিধ ফুল, ন বিধ উপকৰণ, চাকি ন গছ, ধূপ ন ডাল, তামোল-পাণ নযোৰ, তুলসীপাত, বেলপাতৰ প্ৰয়োজন। নামত অকুমাৰী ছোৱালী তিনি বা পাঁচজনী বহুৱাব লাগে। ছোৱালী কেইজনী গৃহস্থ পাঠকণী, নৈবেদ্য পতা মহিলাগৰাকী লঘোণ থাকিব লাগে। পূজাৰ পিচত পূজাৰ বস্তুবোৰ নৈত বা পুখুৰীত উটুৱাই দিব লাগে। তলত কেইটামান অপেশ্বৰীৰ নাম দাঙি ধৰা হ'ল।

(১)

ঠাইখিনি মুচিলোঁ নৈবেদ্য যত্নালো
ন যুৰি লগালো ধূপ
অ'তো দিন আছিলা কৈলাসী ভৱনে
ভাবাত্তোক গেলি পৰিল মনোত।
পিতোকোৰ চৰণোত প্ৰণাম কৰিলা
পিতৃ বুলি প্ৰাৰ্থীসবে জানো পৰি ৰৈলা
ভাবাত্তোক গেলি যাইবি মাও
অন্যায় নকৰিবা।

দুখীয়াই দুখীয়াই সমানে পালিবা
সুখীয়াই দিবো নানান দিব্যো-বস্ত্র
দুখীয়াই দিবো আলা চাউল এমুঠি
তাকে লৈ তুষ্টো হ'বা আই ভগৱতী।

(২)

সোণাৰে এডাল জৰি
ৰূপাৰে দুডালি জৰি
আই অপেশ্বৰী নামি আহিছে
হাতে ধৰা-ধৰি কৰি।
তলে কালিৰ জল
ওপৰে কদম গছ
কেনেকৈ আহিলা আই
সোণৰ নৈকা খনি
ৰূপাৰ বৈঠাখনি
বাইচাই আনিলা বাই।
সোণাৰ নৌকাখনি তৰোতে বুৰিলা
মানাহৰ ঘাটে
পাৰে উঠি মহামায়া
কাচনে কাচিলা।
কোকালত পিন্দে দিব্যলতাৰ শাড়ী
উপৰেণি ললা আবৰণ কৰি।
লাহা-লুহা কৰি নগৰে সোমাইলা
নগৰীয়ালোকে দেখি হাঁহিবা লাগিলা।
সৰু সৰিয়ালে (ঘাটুৰে) বোলে
ডাঙৰ সৰিয়াল ভাই
ভৰ দুপৰীয়া এইটো কোনি
চিনিকে নেপায়।

(৩)

সোণাৰে জখলা ৰূপাৰে মেখেলা
আছে অপেস্বৰী নামি হে।
মনসাৰ নাভিমূলে শীতলা জন্মিলা
মৃণালৰ তন্তু যেন অষ্ট মূৰ্ত্তি ভৈলা।
পদ্মৰে পাত্ৰৰে উঠি স্নান আৰম্ভিলা
তেতিক্ষণো অষ্টনাম শীতলা জন্মিলা।
দুপৰবেলা ঘাটোক যাওঁতে
ছাঁয়াত পৰিল ভৰি
এখেনি দোষ ক্ষমা কৰা
আই অপেস্বৰী।
ভুবন মোহিনীৰূপে ধৰিয়া সুন্দৰী
বিশ্বমিত্ৰৰ আগে
নাচে অপেস্বৰী,
এক মনে বিশ্বমিত্ৰই
আছে ধ্যান কৰি।
তপোৰ মহিমা দেখি মেনেকা সুন্দৰী
কটিৰ বসন দেৱীৰ উৰুৱাই নিলা
অংগী-ভংগী কৰি দেৱী
নাচিব লাগিলা।
মদনক চাই দেৱী বচন বুলিলা
সৰ্বশৰীৰ পঞ্চবাণ মদনে মাৰিলা
বাণোৰ স্ৰোতে বিশ্বমিত্ৰ
চকু মেলি চাইলা
সমুখত মেনকাক দেখিবাক পাইলা।
বাণাঘাটে বিশ্বমিত্ৰ জৰ্জৰিত ভৈলা
অহা প্ৰাণেশ্বৰী বুলি মাতিবা লাগিলা।

* * *

বিয়া নাম

ইয়াৰ কেইটামান পুৰণি বিয়ানাম ক্ষুদ্ৰদধি গাঁৱৰ পৰা সংগ্ৰহ কৰি পৰিবেশন কৰা হ'ল—

(১)

(পুৰা শ্ৰাদ্ধৰ পানী তুলিবলৈ যাওঁতে আইসকলে গোৱা বিয়া নাম)

আলি তেৰি মেৰি লতা ঐ চান বাপু
আলি তেৰি মেৰি লতা
শাহু তেৰি মেৰি বুজিব নোৱাৰিলো
কপালে তিলকৰ ফোঁটা

মাছকে নেযাপি চান বাপু
নাখাও মই টেঙাদি ভাত
ভৰ দুপৰীয়া চিঠি তই নেমাতিবি
ঘৰতে ওমলি থাক।

তেতেলীয়া জনমৰ বেকা ঐ চান বাপু
তেতেলীয়া জনমৰ বেকা ঔ চান বাপু
ধাৰ কৰি আনিলো কুমাৰৰ টেকেলি
খেপ মাৰি আনিলো টৌ।
তয়ো ভাল মানুহ ময়ো ভাল মানুহ
টকাৰ টোপলি লৌ
শাহুয়েৰ আগতে বাজে বুজাই কৰা
আই মই দুখীয়া হলো।

(দুপৰীয়া পানী তুলিবলৈ যোৱাৰ সময়ত গোৱা গীত)
ৰাম ৰাম বাপু তই নাছিলা
ৰাম ৰাম তই উজাগে গৈছিলা
ৰাম ৰাম আনছিলা দুখুৰি উৰাহে।
ৰাম ৰাম এক যুৰি দিলি তই
ৰাম ৰাম মায়েক লাৰিবা
ৰাম ৰাম এক যুৰি তই দিলিহে থবাহে।
ৰাম ৰাম মাই তই নাল্লিবি
ৰাম ৰাম পুৰাণ নকৰিবি
ৰাম ৰাম বোৱাৰি আহিলে দিবাহে।
ৰাম ৰাম বোৱাৰিয়ে আহিবো
ৰাম ৰাম উঘাকে লাৰিবো
ৰাম ৰাম কাঢ়িবো চাদৰৰ বাটিহে।
ৰাম ৰাম চাদৰৰ বাটিতে
ৰাম ৰাম জৈলা মেৰ লাগিছে
ৰাম ৰাম আনাগৈ বোয়নীক মাতিহে।
ৰাম ৰাম হাজোখন মাৰিলোঁ
ৰাম ৰাম বোয়নী নেপালোঁ
ৰাম ৰাম আনা শুৱালকুছিয়া তাঁতীহে:
ৰাম ৰাম শুৱালকুছিয়া তাঁতী
ৰাম ৰাম বাৰাংবাছে ৰাতি
ৰাম ৰাম বহিকি উলাবো বাটিহে।
ৰাম ৰাম হাজোীয়া আপি
ৰাম ৰাম পিবাতে বকফুল তোলেহে
ৰাম ৰাম সেই কথা শুনি
ৰাম ৰাম আমাৰ চানা বাপু
ৰাম ৰাম টকা বাৰ কুৰি বাঁচেহে।

ৰাম ৰাম বেৰাৰে সৰুণ্ডা
ৰাম ৰাম মই চাই আছিলোঁ
ৰাম ৰাম ধৰিব নেজানে পাঁজিহে।
ৰাম ৰাম ক'লিয়া মেকুৰি
ৰাম ৰাম লয়ে বাৰ কুৰি
ৰাম ৰাম তোৰ স্ত্ৰী কিমাননো কাজীহে।

(৩)
(নিশা দৰাই কানি কাপোৰ টুপী পিন্ধি ওলোৰা সময়ত)
ৰাম ৰাম মায়েকো নেচালা
ৰাম ৰাম আৰাঙে দাৰাঙে
ৰাম ৰাম পিতেকো নেচালো গাঁৱতে
ৰাম ৰাম আপোনাৰ মন মতোৰ
ৰাম ৰাম কইনা চাই আনিলা
ৰাম ৰাম কইনাটো দেখিলা কেনেহে।
ৰাম ৰাম কাম চৰাইৰ পাখা
ৰাম ৰাম লগেৰাই বনোতে নৰেহে।
ৰাম ৰাম মুখ চাই দিছোঁ তোক
ৰাম ৰাম মুখ মোচা কমালখন
ৰাম ৰাম গা চাই দিছো তোক চোলাহে।
ৰাম ৰাম কোকাল চাই দিছোঁ তোক
ৰাম ৰাম ধল পাতৰ চুৰিয়া
ৰাম ৰাম ভৰি চাই দিছো তোক জোটাহে।
ৰাম ৰাম জোটা মুজা মাৰি
ৰাম ৰাম ওলাল ফন্তী কৰি
ৰাম ৰাম অনেক বাজাৰ ঘৰে যাবাহে।
ৰাম ৰাম অনেক বাজাৰ ঘৰে
ৰাম ৰাম সীতা আছে বখি

ৰাম ৰাম দিবো মালা ৰামৰ মূৰতহে।

(৪)

(গা-ধোৱাৰ আগে আগে নখ কমোৱাৰ সময়ত গোৱা গীত)

নখে কমাওতে ঐৰে কণী

আঙলি কাটিলে ঐৰে কণী

ৰাখিবা নোৱাৰিলা তেজ ঐ কণী

নাপিতটোৰ দাড়িত গাঁঠি দেও মণি।

(৫)

(কইনা আহি কলপুলিৰ ওৰি পাওঁতে)

বৰুৱা থিয়া দেওঁতে থিয়া দেওঁতে

বৰুৱা ভৰিৰ ভাগিল হাড়া নালে

বৰুৱা বৰী আহি পাইছে

বৰুৱা বৰী নেনাহ্ কিয়া নালে ঐ।

(৬)

অ' চৰতীয়া ক'লীয়া মেকুৰি

অ' চৰতীয়া লয়ে বাৰ কুৰি

তোৰ জীয়ে কিমান কাজী চৰতীয়া

লৈ আহিলো এতিয়া।

অ' চৰতীয়া বাটোৰ মানুহে দেখে

ব'নীয়েক কিদৰে দিলি চৰতীয়া

লৈ আহিলো এতিয়া।

অ' চৰতীয়া গাঁআৰ চাবি কুৰি

অ' চৰতীয়া ভাণ্ডান তিনিকুৰি

ভাত খাবা নিদিলি কাহী চৰতীয়া

লৈ আহিলোঁ এতিয়া
অ' চৰতীয়া আমাৰে কাঁহীতে
অ' চৰতীয়া আইদেউ ভাত খায়
শাহ দেই অনমোৰ খোটা চৰতীয়া
লৈ আহিলো এতিয়া।

(৭)

(দৰা-কইনাই চাউলৰ দোণত পইচা খেলোৱা গীত)

আগে দশৰথে আঙঠি লুকাউৱে
বিচাৰি নেপাবে বুলি
পিছে দশৰথে ভাবি গুণী চাবে
ভাৰ্যা লঘু হয়ে বুলি।

* * *

পচলাৰ গীত

পচলাক লৈ ইয়াৰ ওজাপালি দল, ঢুলীয়া দল আৰু আইসকলে নাম-কীৰ্তন কৰোঁতে গীত গোৱা শুনা যায়। এই গীত পচলা পুৰাণ বা পচলা সৰণ নামেও জনাজাত। এই গীতটি ধেমেলীয়া বিধৰ। হাজো চক্ৰৰ কুলহাটী, ক্ষুদ্ৰদধি আৰু গেৰুৱা গাঁৱত এই গীতটি দুই ধৰণে প্ৰচলন আছে। আইসকলে এক ধৰণে গায় আৰু ঢুলীয়া-ওজাসকলে এক ধৰণে গায়।

(১) আইসকলে গোৱা—

সৰুজনী উঠি বোলে ডাঙৰজনী বাই
পচলা খাবাক গেলি ৰব মন যায়।
এ ৰাম বায়াকে উঠি বাই দা' লয়ে হাতে,
পচলা বিচাৰে তাই বাৰীৰ আতে আতে।
ধুম কলডাল পাই তাই একে ঘাৱে কাটে,
কোক্মোক্কৈ দাঙ্বা চালা
দাঙ্বা তাই নৰে
দাণ্ডি আনিবা নৰি তাই শহুৰেকক মাতে,
শহুৰেকে দাণ্ডি আনি
চোতালত দিলা ফেলে।
সৰু বৌৱাকে উঠি বাই পচলা ফেললা চেলে।

পচলা কুটে তাই আঢ়ে হাত কৰি
পচলাত পানী দিলা আঁঠু সমান কৰি।

একজনীয়ে লাৰে চাৰে একজনীয়ে চাই জুতি
একজনী নিমখ দিয়ে উধানত উঠি।

পচলাৰ আঞ্জাখান উঠিল৷ ৰা...-পাগে,
পচলাত কামাৰ দিলে ঘুম্‌টা চলি জাগে।

পচলাৰ আঁহ বাজি বুঢ়া গেল মৰি
সৰু বৌৰাকে ভাবে হ'ল মোৰে ছয়মাহৰ খৰি।

পচলাৰ আঞ্জখিনি দিলোঁ ভাগে ভাগে,
ঢোৰা কাউৰে লৈ গেল বাঁহোৰ আগে আগে।

ঢোৰা কাউৰে বোলে মই বৰ বস্তু পালো,
এক ডোখাৰ পচ্‌লাইদি ছয়মাহ খালোঁ।

(২) ঢুলীয়া আৰু ওজাপালি দলে গোৱা—
অ' আই শ্যামা সুন্দৰী ৰগী ধেহেৰী
বোৰানে-কাটানে দেখো তাই বৰ চাতুৰী।
সৰুজনী উঠি বোলে ডাঙৰজনী বাই,
পচলা খাবাক্‌গেলি মোৰ বৰ মন যায়।
পচলা কাটিলা দুয়ো হাচালা-হাচেলি
পচলাত পানী দিলা আঠুৰ সমান কৰি।

পচলা বান্ধে তাই ৰাগে আৰু পাগে
পচলাত কামোৰ দিলে ঘুম্‌টা চলি জাগে।

সৰুজনী উঠি বোলে ডাঙৰজনী বাই,
মাগুকাটা বজাৰত কপাহ সস্তাত পায়।

দুয়োজায়াকে লগলাগি এটা কৰিলা মেল,
তিনি পোনেকাইদি কপাহ কিনবা গেল।

কপাহ্ কিনাওতে দুয়ো গাব উলাহ্ দিলা,
পচোৱা বতাহ্ চাই ধুন্‌লা তুলা।

পচোৱা বতাহ লাগি তুলা উৰি গ'ল,
দিন-ৰাতিকৈ সুতা কাটি ডেৰটা মহুৰাহে হ'ল।
যোৱন হাত লাম্বা কাপোৰ ৰাটিকে কাঢ়িলা,
ওঠৰ হাত লাম্বা কৰি দহিও ৰাখিলা।
ৰাতিক দিনে বো'তে কাপোৰ তাৰো এহাত টুটিল,
গাঁও কুচ্‌লাৰ কামোৰ লাগি পানী পোখলীখন ফুটিল।
বৈ কাটি কাপোৰ আনি লাল্‌কোৰ হাতে দিলা,
লালাকে পাই কাপোৰ পছ মাৰিব নিলা।
একফালে দিয়া কাপোৰৰ বেৰা একফালে আঁচল চায়
হাজাৰ বিজাৰ পছ আহি খৰকি খৰকি যায়।

* * *

চৰে বৰাত

'চৰে বৰাত' উৎসৱ কামৰূপৰ নিজা হাজো, কুলহাটী আৰু গেৰুৱা আদি ঠাইত বৰ জাকজমকতাৰে স্বামীৰ মংগলৰ নিমিত্তে আৰু কুমাৰী ছোৱালীবোৰে পতি পোৱাৰ আশাৰে এই উৎসৱ পালন কৰে। এই উৎসৱক 'চৰাইৰ বিয়া' বা 'কাত্যায়নী ব্ৰত' বুলিও কোৱা হয়। আঘোণ মাহৰ পূৰ্ণিমা তিথিতো এই উৎসৱৰ দিন। সেইদিনা মহখেদা বা মহোহো উৎসৱো অনুষ্ঠিত হয়।

চৰাইবোৰ দুইধৰণে তৈয়াৰ কৰা হয়। কিছুমান ডাঙৰ আৰু কিছুমান সৰু। বাঁহৰ কাঠি কৰি চৰাইবোৰ বিজ্ঞাই ৰখা হয়। সৰু চৰাইবোৰক কোৱা হয় 'জুমৰি' বুলি। চৰাইবোৰক চুণ, হালধি, উৰহীৰ পাত, পুৰৈ শাকৰ গুটিৰ ৰসেৰে বোলাই, আটকধুনীয়া কৰি তোলা হয়। এই উৎসৱৰ কাৰণে আন দুবিধ প্ৰয়োজনীয় সামগ্ৰী হ'ল— 'সঁৰে ফুল' আৰু 'সুভেৰি'। সঁৰে ফুলবোৰ ডালে পাতে হাবি বা পাহাৰৰ পৰা সংগ্ৰহ কৰা হয়।

"আজিহে সঁৰে ফুল চিকিনা মিকিনা
অ'তো দিন আছিলা কৈ'ত,
অ'তো দিন আছিলো কুমাৰৰ ঘৰোতে
গোপীলোকে নুমাইলা মোক।
আজিহে সঁৰে ফুল চিকিনা মিকিনা
অ'তো দিন আছিলা কৈ'ত,
অ'তো দি আছিলোঁ বামোণোৰ বাৰীতে
গোপীলোকে নুমাইলা মোক।"

'সুভেৰি' বাঁহৰ শলা মাৰি কলডোনাৰ ওপৰত স্থাপন কৰা হয়। ইয়াক ৰঙীণ কাগজেৰে চৰাইৰ দৰে তৈয়াৰ কৰা হয়। 'সুভেৰি'ৰ ভিতৰত 'জুমুৰি' চৰাই এজাকো ভৰাই দিয়া হয়। তাত দিয়া হয় তামোল, পাণ, নৈবেদ্য, ফলমূল আদি। কলপুলিও পোতা হয়। উৎসৱৰ আনন্দৰ বাবে বেনপাৰ্টি আৰু ঢোল খোলবো

ব্যৱস্থা কৰা হয়। এখন যেন সম্পূৰ্ণ অসমীয়া বিয়া। জোৰালীৰ গীতেৰে আৰু পুৰোহিতৰ হোম পাঠ আদিৰ ধ্বনিও উৎসৱ মুখৰিত হয়।

তলত কেইটামান গীত সংগ্ৰহ কৰি তুলি দিয়া হ'ল—

(১)

আজিহে সঁৰে ফুল চিকিনা মিকিনা
অতোদিন আছিলা কৈত,
অতোদিন আছিলো কুমাৰৰ ঘৰোতে
গোপীলোকে নুমাইলা মোক।
আজিহে সঁৰেফুল চিকিনা মিকিনা
অতোদিন আছিলা কৈত,
অতোদিন আছিলো বামুণৰ বাৰীতে
গোপীলোকে নুমাইলা মোক।
আজিহে সঁৰেফুল চিকিনা মিকিনা
অতোদিন আছিলা কৈত,
অতো দিন আছিলো বামুণৰ বাৰীতে
গোপীলোকে নুমাইলা মোক।
নাওৰীয়াৰ নাও নাই পুখুৰীত পানী নাই
কেনকো হয়ে সাজো আই পাৰ।
যেনে তেনে কৰি সাজো আই হৈলা পাৰ
কোনী লয়ে সুভেৰীৰ ভাৰ?
ঔৰে তলতে জিৰ জিৰা পানী
কাৰে মাছটোই ধৰিলা উজনী।
কাৰে মাছটো ভাজাকে ধৰা
সুভেৰী সজোৱাক ভাতখাবা মাতা
মাতাওঁতে মাতাওঁতে পাতত বহিল
প্ৰথম গৰাহত কাটা লাগিল।
আনি দিয়া টেঙা দৈ,

গলোৰ কাঁটা যাক বৈ
আনি দিয়া কেঁচা কল।
গলৰো কাঁটা যাক তল।।

(২)

পুৰি-কুঁহিয়াৰৰ ঘন ঘন গাঁঠি,
কোকাৰ হাতৰ শ্ৰীআঙঠী।
কোকাই ঐ কোকাই ঐ বৰ বৌ মাতে
এ সুধি চাও সৰস্বতী কিয়ালেই মাতে
এ ময়ি খুজিলো ৰৰত কৰিবা
এ শাহু হৈ নিদিলা ৰৰত কৰিবা
এ সেই অপমানে মাইচেক যাওঁ
এ ৰাৰী ভৰা টেঙা পাওঁ।
এ টেঙাটোৰ ভিতৰে কি আছে চাওঁ,
এ টেঙাটোৰ ভিতৰে ছকুৰি ছাতি
এ লেখাওঁতে লেখাওঁতে পুৱাল ৰাতি।

(৩)

ওৰে কানিয়া ভাই ওৰে কানিয়া ভাই
তোৰে নাওতে কি কি যায়।
মোৰে নাওতে কি কি যায়
চৰাই ৰৰত কৰিবা চৰাই যায়।
মোৰে নাওতে কি কি যায়
চৰাই ৰৰত কৰিবা সঁৰে ফুল যায়।
চৰাই ৰৰত কৰিলে কি ফল পাই
ভাইহেন বন্ধু তেওঁকে পাই।

(৪)

এ আলাচাউল মুঠি মুঠি কাঁহীতে কৰি ৰাচোঁ
এ আমাৰে ভাই বোপাক চোৰাৰে বিচোঁ।

এ আমাৰে ভাই-বোপাই চিৰাপ যুগা হক।
এ আমাৰে ৰবতকগেলি মৈথফেল আনি দেক।
মাহ আন্‌লু মাগি, মাহ ফেলবাক লাগি,
মাহ উঠিল দোপোতে, হৰিণাই খালা চোপোতে।
ইডালৰ হৰিণ সিডালে যায়,
দুষ্টো হৰিণাক লাগাল নাপায়।
কামধেনুহেন কাউৰৰ মুঠি,
হৰিণা মাৰে দৌলোত উঠি।

(৫)

ইপাৰে আমোৰ গাছ
সিপাৰে আমোৰ গাছ
মাজে সৰোৰবহনে নদী,
নাও নাই বৈঠা নাই
পুখুৰীত পানী নাই
কেন্‌কেহও সাজো আই পাৰ।
যেনাই তেনাই কৰি
পাৰ কৰা হৰি
চিঙি দেওঁ গলোৰে হাৰ।
আক্‌ বিলোত মাৰিলো বৌন হেন কান্দুলী
আক্‌ বিলোত মাৰিলো খুটাহেন ৰবালী
ঐন্‌ পাকোৰ কৰবী লাগে থোপা থুপি
সাজো আই গাছোত উঠি খায়,
এইপাকেৰ কৰবীআটাও লাগা নাই
সাজো আই শহৰীক যায়।

(৬)

ঐ চৰাই উৰাও উৰাও কৰে,
উৰাবাকে নৰে, পাখা ভাঙি পৰে।

আমি দুয়ো বনী, ঐ চৰাই উৰাও উৰাও কৰে।
ৰাতিতে উঠো, ঐ চৰাই উৰাও উৰাও কৰে।
লুইতোৰ বালিক যাওঁ বুলি চৰাই উৰাও উৰাও কৰে
চৰাই জোলাপাতা কপাহ ঐ চৰাই উৰাও উৰাও কৰে
ঠোটোতে আনিলো তুলি, ঐ চৰাই উৰাও উৰাও কৰে।
উৰাবাকে নৰে, পাখা ভাঙি পৰে।
ঐ চৰাই আঘোণৰ জোন চাই
ঐ চৰাই নামিলি সেই দিনাই
চৰাই পূজা খাওঁ বুলি, চৰাই উৰাও উৰাও কৰে
উৰাবাকে নৰে পাখা ভাঙি পৰে।
ঐ চৰাই পখিলা?
ঐ চৰাই গোপীলোকৰ মাজত আসি বহিলা।
চৰাই পূজা খাওঁ বুলি ঐ চৰাই উৰাও উৰাও কৰে
উৰাবাকে নৰে, পাখা ভাঙি পৰে।

(৭)

ৰামেহে সাজো আই সাজো আই
ৰামেহে ৰূপহী সাজো আই
ডালিমোৰে পুলি ঐ মায়ে পুৰি মাৰে হিয়া,
ৰামেহে ৰাখিবা নোৱাৰিলা
দিলা সাজো আইক বিয়া।
নীলাচল পাহাৰে আছিলা সাজো আই
নানান বলি পূজা খাই
আমাৰ দেচোক আহিলা সাজো আই
মৈকাফুলে পাবাবে নাই।
এ সাজোৰ আইৰ পুখুৰীত চৌকালে চেঁচুৰী
চকোৱাই পানীমল খাই,
ছকুৰি বামুণে চণ্ডীপাঠ কৰিছে
সাজো আই শৰীৰ যায়।

সাজো আইৰ কাঠিতে একচুপী চেঙেৰী
কাহাঁৰে বাতিতে বাচো
সাজো আইৰ কাপোৰোত মানফুল বাচিলোঁ
কান্নাৰ গোলাৰ আঁচু।
(৮)
ধাৰিণী কপিলী গাই
তোৰে গোবাৰে ঘৰে শুৱাই
গোবাৰ দিবা ঘন কৰি
সাজো আই আহিবো ৰঙা পৰি।
সাজো আই আহি নাপালা ঠাই,
সঁৰেফুলৰ তলত বাতি পুৱাই।
(৯)
ঐ চৰাই ইটো আলি বান্ধছি কোনে?
তলে বয়ে পানী,
জাপানে যুদ্ধে কৰে ইংৰাজে আছে চাই
ৰাইজোৰ দেখো টানা-টানি।
ঐ চৰাই আমাৰ গাঁএৰাই বান্ধা আলি
সোণাৰ গুণা টানি
ঐ চৰাই কি চাইছা এৰিয়া
ঐ চৰাই কি চাইছা বেৰিয়া।
বেৰিয়া লতাৰে পাত চৰাই জাপানে যুদ্ধ কৰে
ইংৰাজে আছে চাই,
ৰাজ্যোৰহে দেখো ভয়।
ঐ চৰাই ফাৰাকোৰে পৰা,
ঐ চৰাই বস্তি লগাই চাৰা
সকলো কুণ্ডোতে কাটা,
জাপানে যুদ্ধে কৰে
ইংৰাজে আছে চাই

বাজ্যেৰহে দেখো ভয়।
(১০)
সকলতে চৰাই খাইছিলা কল,
চেনেহোৰ মায়েৰে নাচালা বৰ।
সকলতে চৰাইটোৰ বৰলা চুলি
সকলতে চৰাইটোক বিয়া দিম বুলি।
চৰাই ওলাইছি বৰ শিয়াতা ফালি,
তাৰে ওপাৰে ভাঙা মটৰ গাড়ী।
মটৰ গাড়ীতে শ শ দৰ
সাজোই বান্ধা স্কুল ঘৰ।
স্কুলঘৰতে পঢ়ুৱাই চলি
মাহে টকা পাব ডেকশ কৰি।
ডেকশ টকাদি গঢ়ালা হাৰ
চৰাই পিন্ধিলে দেখিবা ভাল।
স্কুল ঘৰৰে ভাঙাভাঙা জেজেৰাৰ বেৰা,
তাতে বহি সাজো আই লেখা সৰগোৰ তৰা।
(১১)
এ চেঁচুৰা বিলোতে মই মাছ মাৰিলোঁ
হৈ আছে কচুৰ পাত তোলা
পথেলি কোলাত লৈ
সাজো আই সুধিলা
চৰাই আই কি কি লাগে?
একুৰি আধেলি, দুকুৰি মাদেলী
তিনিকুৰি টকাৰ চাৰ লাগে।
(১২)
সক সক তাঁতোৰ খুটা,
তাতে বান্ধে গৰু ফুলেশ্বৰী আহ ঐ লগৰী।
মাই নেদে পিন্ধে দিলা

ডালিম ৰুৰুৰাক পাই আহ ঐ লগৰী,
ডালিম ৰুৰুৰা কিহোৰ ডাঙৰৰা
হাথী ধৰিবা যায় কুলেশ্বৰী আহ ঐ লগৰী
হাতীও হৰালো অৰাণো বোনোতে
ঘোঁৰাও হৰালো ৰণে,
যোল্ল বছৰে সাজো আইক হৰালে
কেলিকদামোৰ তলে।
কেদিকদমতলে কৃষ্ণই পুথি পঢ়ে
সাজো আই সাজো আই কৰে,
সাজো আইৰ কাকুতি সহিবা নোৱাৰি
কৃষ্ণই দোলা ভাঙি পৰে।
দোলাও ভাঙিলা সাজো ঘাই পৰিলা
কি ফুলৰ গাঁঠিম মই মালা
সেইমালা লৈ বিবাহে বহিলা
(১৩)
এটি দুটি চৰেই
আহাদোৰ সিপাৰে
হিজেৰি বনোতে পৰে।
হাতে পটাৰ গুটি
লুইতোৰ বালা মুঠি
তাতে ৰাজহংসো চৰে।
ঈশ্বৰোৰ স্রজনা
বিধাতাৰ লেখানা
সাজো আইৰ হাতোতে পৰে,
পখী ঐ পখী ঐ বন্তিয়াল পখী ঐ
যাওঁ জৈল পখী ঐ আপোনাৰ দেশে
নাযাওঁ আপোনাৰ দেশে মলিয়ানা পৰিছে
গোপীনিৰ মাজতো পেচ মাৰি বহিছে।

* * *

বাৰমাহী গীত

হাজো চক্ৰৰ ঠাই বিশেষে বাৰমাহী গীতৰ প্ৰচলন পোৱা যায়। নামনি অসমৰ বিভিন্ন ঠাইত ৰাধা বাৰমাহী, কন্যা বাৰমাহী, ৰাম বাৰমাহী, সীতা বাৰমাহী আদি গীতৰ প্ৰচলন আছে। হাজো চক্ৰৰ গেৰুৱা গাঁৱত ৰাম বাৰমাহী আৰু সীতা বাৰমাহী গীতৰ প্ৰচলন পোৱা যায়। এনে এটি গীত গেৰুৱাৰ পৰা সংগ্ৰহ কৰা হৈছে।

বাৰমাহী গীত ঃ

(১)
ৰাম তুমি নিদাৰুণ হৈলা।
গৰ্ভৱতী নাৰী সীতাক তুমি বনবাস দিলা।।
(২)
এ ৰাম আঘোণৰ মাহোতে প্ৰভু শালিধান খায়।
বনবাস দিলা প্ৰাণৰে লখাই।।
(৩)
এ ৰাম পুহৰে মাহোতে অতি বৰ শীত।
ময়ি অভাগিনী নাৰীৰ নায়ি ঠান ঠিত।।
(৪)
মাঘোৰে মাহোতে ধৰামোৰ তিথি।
বনবাস দিলা মোক গৰ্ভয়ি সহিতি।।
(৫)
এ ৰাম ফাগুণৰ মাহোতে ফাঁকুৱা খেলায়।
ময়ি অভাগিনী নাৰীৰ নায়ি বাপ— ভায়।।
ৰাম তুমি নিদাৰুণ হৈলা।
গৰ্ভৱতী নাৰী সীতাক তুমি বনবাস দিলা।।
(৬)
চৈতোৰ মাহোতে প্ৰভু দৌলোৰে যাত্ৰা।
এই দৌল কোনে বনেছি এই মঠ-মগৰা।।

(৭)
বহাগৰ মাহোতে প্ৰভু ধৰামোৰ তিথি।
ইন্দ্ৰেই নিহি পুষ্প মালা ব্ৰহ্মাক পিন্ধবাক লেগি।।
(৮)
জেঠোৰে মাহোতে প্ৰভু জেঠ ৰবি খৰ।
বনৰ হৰিণা পছ সিয়ো বান্ধে ঘৰ।।
বনৰ হৰিণা পছ সিয়ো বান্ধে ঘৰ।
যাকে দেখো আপোন আপোন সিয়ো হয় পৰ।।
(৯)
আহাৰৰ মাহোতে প্ৰভু পকি সৰে আম।
সেহি বেলা ল'লো ময়ি বাল্মীকিৰ আশ্ৰম।।
(১০)
শাওঁণোৰ মাহোতে জলোৰে অৱতাৰ।
ময়ি অভাগিনী নাৰী সেহি পটন্তৰ।।
(১১)
ভাদাৰে মাহোতে পালেঙিৰ নাই ফুল।
ময়ি অভাগিনীৰ নায়ি জাতি কুল।।
(১২)
আহিনোৰ মাহোতে দুৰ্গাই বলি খায়।
বনবাস দিলা মোকে প্ৰাণৰে লখাই।।
(১৩)
কাতিৰে মাহোতে কাতিয়ান ধানোৰ থোৰ।
বাৰ মাহত তেৰগীত গাইতে নাপায় ওৰ।।
এ বাৰ মাহোৰ তেৰাও গীত গায়োৰে বনিয়া।।
এই সীতা সতী কইনা নহয় জগতোৰে মাণ।
গাঁওতাই মুকুতি পাই শুনাৰ খণ্ডে পাপ।।

অসম সামাজিক শিক্ষা বিভাগৰ মুখপত্ৰ 'জনশিক্ষা' (১৯৭৪ চন, পঞ্চম ষষ্ঠ সংখ্যা আলোচনীত প্ৰকাশিত)

* * *

মহোহো গীত

মহৰে মহৌ ভাই
মহ খেদবা টৌকান লৌ
মহে বোলে মন্নুদে
টেঁপোল পোৰা খালো দে
টেঁপোলত নহ'ল লোণ
চাউল লাগে দোণ দোণ
এইতোৰ ঘৰোতে তুঁহৰ ধোঁৱা
চলি কান্দে ওঁহা ওঁহা।
এইতোৰ ঘৰোত ভাঙা দুলি
বুঢ়ী হাগে একো দুলি।
এইতোৰ ঘৰোত ভাঙা নাও
বুঢ়াই হাগে একো নাও।
বাঁহৰ পাত চিকিমিকি
আমাক লাগে একো সিকি।

* * *

নাওখেলৰ গীত

হাজো অঞ্চলৰ নাওখেল প্ৰতিযোগিতা এটি বিশেষ জনপ্ৰিয় অনুষ্ঠান। এই খেল চৌকাপাৰা, কএজেনী, নাওতলী, খিওৰবৰী, বংশৰ, নাউপাৰা, খলিহামাৰী, গৰ্জনবিল, আধিয়াপাৰা, বৰঘে, দলৈটোলা, কৌৰঘাট আদি ঠাইত অনুষ্ঠিত হয়। প্ৰতিযোগিতা উপলক্ষে নাওবোৰ সজাই-পৰাই তোলা হয়। প্ৰতিখন নাৱৰে একোটা নাম ৰখা হয়। এই খেলত নাৱৰীয়াসকলে বল পাবৰ কাৰণে, কিছুমান গীত গায়। সেই গীতৰ কেইটামান সংগ্ৰহ কৰি পৰিবেশন কৰা হ'ল—

(১)

আজি আলী চাহাব যাতাৰা কৰিলোহে
ঐ হে হুকুম দিয়া নবীৰ বেটীহে
কুফিয়া চহৰৰ কইনা আনি দেখাও তোকহে
আজি আলী চাহাব যাতাৰা কৰিলোহে।

এ হে ভাত কাপোৰ অন্ন-বস্ত্ৰ
দিতে পাৰ তুমি হে
ঐ এটা নালাগে চাৰিটা আনা
বাধা নিদিও আমিহে।
আজি আলী চাহাব যাতাৰা কৰিলোহে।
ঐ আমি দুয়ো ভাই আছিলো যেতিয়া
কুবিহা মাছৰ শাৰী
ঐ হে আল্লাই উটুৱাই নিলা
বাহু কৰিলা খালী
আজি আলী চাহাব যাতাৰা কৰিলোহে।

এ হে ঢাল দিয়া তৰোৱাল দিয়া
ৰণ কৰিব যাওঁ হে
এজেদ চয়তানৰ লগত
ৰণ কৰি চাওঁহে
আজি আলী চাহাব যাতাৰা কৰিলোঁহে।

এ ঢাল-তৰোৱাল আছে বাচা মোৰ
কুফিয়া চহৰোতহে
ঐ ক'ৰ পৰা দিম বাচা
এ ঢাল-তৰোৱাল আছে বাচা
মন্দিৰৰ ভিতৰতহে
আজি আলী চাহাব যাতাৰা কৰিলোঁহে।
জননী মাৱে তুমি
আছা ঘৰোৰ ভিতৰতহে
ঢাল-তৰোৱাল আনি দিলা
হানিফৰ হাততহে
আজি আলী চাহাব যাতাৰা কৰিলোঁহে।
দুল দুল ঘোঁৰাৰ ওপৰে
হৈলা চোঁৱাৰহে
হয়দাৰি হাক মাৰিলা হানিফাই
আচমান সৈতে উঠিল আৱাজহে
আজি আলী চাহাব যাতাৰা কৰিলোঁহে।
(২)
নাওক নাৱে লাগি আছে দয়া
কি কৰিতে পাৰে ঐ
কাৰ যাদুৰ মায়া
নাওক নাৱে লাগি আছে দয়া।

ইন্দ্ৰোপুৰীত আছিলি তই
নাটৰ গীতো গাই
বিষ হৰি মাগাই আন্‌লা
তিনি শইত খাই
নাওক নাৱে লাগি আছে দয়া।

(৩)

কি ঐ হুকুম দিয়া নাবীৰ বেটী এ
হুকুম দিয়া মোক
কফিয়াৰ চহৰৰ কন্যা
আনি দেখাও তোক
কি ঐ হুকুম দিয়া নবীৰ বেটী এ।
কি ঐ ভাত-কাপোৰ অন্ন-বস্ত্ৰ
দিতে পাৰ তুমি
ঐ এটা নালাগে চাৰিটা আনা
বাধা নিদিও তোক
কি ঐ হুকুম দিয়া নবীৰ বেটী এ।
কি ঐ আলাল আল্লা বোলো ভাই
নবী কৰো চাই
এ নবীৰ কলিমা পঢ়ি
হৈয়া যাওঁ পাৰ
কি ঐ হুকুম দিয়া নবীৰ বেটী এ।
কি ঐ আল্লা আল্লা বোল ভাই
নবীক কৰো চাই
এ আল্লাৰ নাম ল'লে বাণ্ডাৰ
নধৰে ভাগৰ ভাই
কি ঐ হুকুম দিয়া নবীৰ বেটী এ।
পাপা কম্লিয়ু আনা বনী এ

পাপা কয়িলু আনা বনী এ
কি ঐ তোৰ পাপে বিৰাণ দিলা
চকু হৈ গেল কাণা ঐ
পাপা কলু আনা বনী এ।
তই বৰ পাতোকাৰ বনী এ
ঐ হেই আ
ক'ত আছে ডাক্তৰ বনী
আনাগৈ মাতি এ
পাপা কয়িলু আনা বনী এ।
ঐ পাপ কৰা চকু দুটা
ফেলাক টানিয়া
কি ঐ তোৰ পাপে বিৰাণ দিলা
নুশুনো মাতবোলে ঐ
পাপ কয়িলু আনা বনী এ।
ক'ত আছে নাপিত বনী
আনাগৈ মাতিয়া ঐ
পাপ কয়িলু কাণ দুখন
ফেলাম কাটিয়া এ
পাপ কয়িলু আনা বনী এ।
চইলা চইলা দয়াৰ বনী
ফিৰি চইলা ঘৰে
ঐ তোক গেলি আনিছো বনী
বহু অলংকাৰ
পাপ কয়িলু আনা বনী এ।
যাবা যাবা দয়াৰ দাদা
থোৰাগৈ বাকচত ভৰায়া
এ যেতিয়া যাওঁ মই

অ' ভাগিনী বেউলা
ওলাম গৈ পিন্ধিয়া
পাপ কয়িল্লু আনা বনী এ।
হালে হালে ক'পিলী কান্না
বামুণোক দিবি দান
ঐ তাতে কমিবো তোৰ পাপ
তিল পৰৰ মান
তই বৰ পাতোকাৰ বনী ঐ।
চইলা চইলা দয়াৰ বনী
ফিৰি চইলা ঘৰ
লখাইৰ বদলি দিম বনী
ৰাজাৰ কোঁৱৰ
নালাগে নালাগে দয়াৰ দাদা
ৰজাৰে কোঁৱৰ
নালাগে নালাগে দয়াৰ দাদা
ৰজাৰে কোঁৱৰ
মৰা স্বামীৰ লগত তেজিমে পৰাণ
চইলা চইলা দয়াৰ বনী এ।
(৫)
আমি দুয়ো বনী
মছুৰবে বে-দালি
ঐ দূৰে দেখি ওলালো
মছুৰবে বে-দালি
ঐ দুয়োৰে মুৰবে ফালি হবি এ।
মছুৰবে বে-দালি
গাওঁ পাও বেহালি।
এ কোনোবা নষ্টো যাবাই

ফালি কাঢ়ি নিলা
এ কি বুলি পাৰি যাম
গালি হৰি এ।।
এ সৰুতে সৰু দাদি
এ জাখৈ বুই দিছিলি
এ পোৱান মাছ মাৰিবাক
লেগি হৰি এ
মছুৱৰ ৰে-দালি
গাও পাও ৰেহালি হৰি এ।
এ পোৱান মাছ মাৰিলোঁ
এ পচলা কুটিলোঁ
সৰু দাদি শুদা ভাত
খাই দেখি হৰি এ
মছুৱৰ ৰে-দালি
গাও পাও ৰেহালি।
এ নদীৰে সীপাৰে
মছুৱৰ ৰে-দালি
এ কি গৰুৰে হেম্বেলিয়ায়
মছুৱৰ ৰে-দালি।
এ মামাচেৰ দুৱনি গাই
মছুৱৰ ৰে-দালি
এ কিমাননো আহি পাই
মছুৱৰ ৰে-দালি
এ কি থাননো চাহ মাৰি খাম
মছুৱৰ ৰে-দালি
গাও পাও ৰেহালি।
সোণাৰ পুতলী বাচা

কাৰ ঘৰে ৰহি হেই
হৰি শ্ৰৱণ কীৰ্ত্তন
স্মৰণ বিযুৰ
সোণাৰ পুতলী বাচা
কাৰ ঘৰে ৰলি হেই
অৰ্চনা পদে সেৱন হৰি
সোণাৰ পুতুলী বাচা
কাৰ ঘৰে ৰহি হেই।।

* * *

হাওখেলৰ গীত

(১)

হাওৰে হলীয়া
বলি বৰধান তলীয়া
আহু ধানৰ মাজে
কুটু হৰি বাজে
কুটু হৰি বাজে
কুটু হৰি বাজে।।

(২)

হাও হাও জাকৈত ছিঙিলি বাও
নাকত ছিঙিলি জৰী
বাগ্‌টা ভোমাৰ বড়ী
বাগ্‌টা ভোমাৰ বড়ী
বাগ্‌টা ভোমাৰ বড়ী।

(৩)

হাও কুটু কুটু কুটু
মাগুৰ জালি
ঘোঁৰাৰ নাকত দিলোঁ জৰী
ঘোঁৰা গ'ল বিলে
কঁকুলা মাছে গিলে।
কঁকুলা মাছে গিলে
কঁকুলা মাছে গিলে।

(৪)

হাওঁ কুটু কুটু কুটু কুটু

হাও মাৰি লাও খায়
মোমাথেৰ কলি গাই
মোমাথেৰ কলি গাই
মোমাথেৰ কলি গাই।
(৬)
চিত পিচ পথৰা কুকুৰ
খেদি নিলো ধেকুৰা কুকুৰ
খেদি নিলো ধেকুৰা কুকুৰ।

* * *

পালনাম

হাজো চত্ৰৰ আইসকল পালনাম গোৱা শুনা যায়। এই পালনাম গোৱা আইসকলে দুভাগকৈ বহে। এভাগে প্ৰথম শাৰী গায় আৰু আনভাগে দ্বিতীয় শাৰী গায়।

এ ৰাজা চেৰ পদুলি কোন কোন যায়।
এ জানাক জুনুৰ কৰি নুপুৰ বজায়।।

গেল কুঁজী গেল চন্দন পিন্ধাবা গেল।
কৃষ্ণৰ লগ পাই কুঁজী ধেমেলী বাই যোল্ল বছৰীয়া হ'ল।।

এ এক চৰীয়া ভাঙোৰ গুড়া দুই চৰীয়া পানী
যোতাৰটোই পাঁজী মুঠাই আগোত দিলা আনি।।

নাখাওগৈ গৰুৰ খোজৰ পানী ঘুম্‌টি মাৰাগৈ টানি
বাঘে-ভালুকে খায়, খেদাওতে-কোৰাওতে যায়, শুনাহে মানি।।

কৃষ্ণই ঘুম্‌টি গ'ল লাহেকৈ থৌ!
কাষতে কলচিলৈ যমুনাকে যৌ।।

এ ধুলাই লুতুৰ-পুতুৰ হৰি, ধুলাই লুতুৰ-পুতুৰ।
ধুলা জোকাৰি কোলাত লৌ বাপেৰ ঠাকুৰ।।

* * *

গৰখীয়াৰ গীত

(১)

গোপাল ঐ, কেনে দুষ্ট হলি তই
গোপাল ঐ, কিয় মাতি খালি তই
নগৰ সমনীয়াই কয় বেৰি বেৰি
শুনি আছোহো মাই।

(২)

গধূলি হ'ল
গৰু লৈ নাহিল গোপাল
গধূলি গোধন
বান্ধিলা নাৰায়ণ
শেৱালি নেৱালি
কাজালি পৰালি
অ' মোৰ চেনেহী আই
সকলোৱে আহা
গোহালিতে থাকা
দামুৰি হেম্বলাই যায়।

(৩)

গামচা নিলা চোৰে গোপাল
গামচা নিলা চোৰে
এক হাত দীঘল
সেই গামচা মোৰে

* * *

ঢুলীয়াৰ গীত

কুলহাটীৰ ঢুলীয়া দল বৰ পুৰণি। ১৯৮৫ চনৰপৰা এই ঢুলীয়া দল 'কুলহাটী নৱমিলন ঢুলীয়া দল' নামেৰে পুনৰ সংগঠিত হৈছে। এই ঢুলীয়া দলৰ কেইটিমান গীত তলত প্ৰকাশ কৰা হ'ল।

(১)

সভা বন্দনা

প্ৰথমতে মোৰ গুৰুসকল
দ্বিতীয়তে মোৰ প্ৰভুসকল
আজ্ঞি কেনে কেনে কেনে
আনদিনা যেনে আজিও তেনে
নহয় সখি কও শুনা
তোমাসকলৰ দাস।
ক'ব নাপাও সাহ।
তোমাসকলৰ বন্দী।
ক'ব নাপাও সন্ধী।।
দাসৰো দাস বুলি
ওচৰ চপাই ল'বা।
সকলো প্ৰভুসকলে
হৰিধ্বনি কৰিবা।
ঢোলে কৰে ঢামাক-ঢিমিক
দগৰে মাৰে ঢোকৰ।
প্ৰভুসকলে হৰিধ্বনি কৰক
আইসকলে দিয়ক জোকাৰ।।
বৈকুণ্ঠ পুৰীত আছে

ব্ৰহ্মা গোঁসাইৰ থান।
কি ৰূপ নামি আহিলা
ঈশ্বৰৰ সভাখন।
কি মতে কওঁ কথা
মূঢ়মতি আমি।
এনে হৰিৰ সভাখন
ভাৰাষ্টোক আহিল নামি।
নৰ-মনিষ দেহা যেন
বেড়ি আছে পাপে
এনে হৰিৰ সভাত পাছে
হাই কৰিব নাপায়।
এনে হৰিৰ সভাত পাছে
যিয়ে কৰে হাই
সকলো মহাপাপ
তাহাৰ মূৰত যায়।।
এনে হৰি সভাত পাছে
যিয়ে কৰে হেলা
চৌ· ী নৰকত
যমে মাৰে ঠেলা।
কৰ্ণে মাৰে তপ্ত শলা
জিভা কাটে টানি
এহি মুখে নলয়ই
ৰাম-কৃষ্ণৰ বাণী।
হৰিৰ নাম লোৱা ভাই
হৰিৰ নাম লোৱা
হৰিৰ নামৰ বিধান
টোপোলা বান্ধি থোৱা।

যাক বোলে পদ
শুনি লাগে সোৱাদ।
যাক বোলে কথা
দিয়ে দধি মথা।
সকলতে বাইছিলো হাল।
তাকে পাইছিলো ভাল।।
খুজি-মাগি তামোলখন
মুখ ভৰি খাওঁ
য'ত আছে ঈশ্বৰৰ স্থান
তালৈকে যাওঁ
পূৰ্বে সভাখন ব্ৰহ্মা
লোকৰ আছিলো
ধৰ্মপুত্ৰ যুধিষ্ঠিৰে
নমাই আনিলা।
পাণ্ডু পুত্ৰ ৰাজসূয়
পূৰ্বত কৰিলা
মই দানৱক আনি
সভাখন নিৰ্মিলা।
আগৰ পৰা গওঁৱাসকলৰ
মনত আছিল আশ
বাৰীৰ পৰা কাটি আনিলা
চাণ্ডি মাৰৰা বাঁহ।।
ভীম আঠিয়া কল আনি
খুটা দিলা লগাই
ওপৰৰ মান্দলি আনি
দিলা ভাগে ভাগে।
খুটা দিলা শাৰী শাৰী

ওপৰতে কাপ
আলাগতে পাত্তি থৈইলা
চাণ্ডি মাৰা খান।
কামি ফালি হেঁচেলী বাঁহ
দিলা শাৰী শাৰী
তৰা বঁটা আনিয়া
ওপৰে দিলা পাৰি।।
চাৰি হাত মাটি জুখি
মণ্ডপ সাজিলা
চাৰি পিনে চাৰি দালি
কদলি পুতিলা।
তাহাৰ ওপৰত এখন
চন্দ্ৰতাপ দিলা
তাহাৰ তলত ভগৱন্ত
বসি বৈলা।

(২)

(ঢোলৰ প্ৰথম গীত)

হা মোৰ দেহি ঐ
ঘামে টলৌ বলৌ বিচনী লৌ।
সৰুতে সৰু কাকা
জাখে বুই দিছিলা
পোবান মাছ মাৰিবা বুলি না লৈ
ঘামে টলৌ বলৌ বিচনী লৌ।।
আমিতো গৈছিলোঁ
হাজোৰ গোঁসাই চাবা
বাটতে বৈৰ্হানে পালে না লৈ
মোমাথেৰ ঘৰ বুলি

সোমালো সব মাৰি
মামীয়ো নিদিলা পীৰা না লৈ।।
(৩)
(বাঘৰ চং)
পঘা বঁটো নবঁটো ঐ
তিনি গুণীয়া
যিও এটা তিৰী আনিলোঁ
ভিতাৰ ঘূণীয়া।
তোৰো বাৰীত আদা ঐ
মোৰো বাৰীত আদা
তোৰ পুতেৰে আদা খাই
মোক বোলে দাদা।
কাউৰে কৰে কা কা কা
গছোৰ আগোত
ফুল তোলা মেখেলা পিন্ধে
আঠুৰ ওপৰোত।।
(৪)
(সতিনী চং)
ঐ হে সতিনী
আগে নেমাতিলি কিয় হে সতিনী
আগে নেমাতিলি কিয়?
এ হৰি এ
তোক আনলা পাঁচ টকাই
মোক আন্‌লা দশ টকাই
এইখিনি কথাতে লাগো
বিয়াতো স্বামী হৈ
মূৰ দাঙি নাচোৰে

তাহাৰে মুৰতে হাগো।
এ হৰি এ
ঘাটৰে এলেঙা বাৰীৰে বেঙেনা
মাণিকী জহাৰে ভাত
খালো উদাৰ ভৰি
উঠিলোঁ ডুব মাৰি
কোনেনো পেলাবো পাত।
(৫)
(বুঢ়া-বুঢ়ীৰ চং)
মোৰ বুকুৰ বুঢ়া ঔ
তোৰ শোকত মৰো
তোৰ ধেমনা ভতাৰ ধৰোঁ
হেন কৰিলোঁ তেন কৰিলোঁ
চিকান কৰিলোঁ মেল
এ ছকুৰি বছৰত মোক
বুঢ়াই এৰি গেল।
হালত মৰিল হালোৱা গৰু
গলীত মৰিল গাই
পানী খাওঁতে দমৰা মৰিল
কটি ঠেকেচা খায়।।
হাতত পিন্ধে মণি-মাদলি
গলত পিন্ধে খাৰু
পিঠাগুড়িত বায়ে হাল
চপ্ৰাৰ বান্ধে লাড়ু।

* * *

কমলা কুঁৱৰীৰ গীত

এসময়ত মনাহকুছি গাঁৱত মদন বৰুৱা নামেৰে এজন জমিদাৰে বাস কৰিছিল। তেওঁৰ ছয়গৰাকী ভাৰ্যা আছিল। কিন্তু কোনো গৰাকীৰো হ'লে সতি-সন্ততি নাছিল। সন্তান এটাৰ মুখ দেখাৰ আশাৰে জমিদাৰে পুনৰ এজনী বিয়া কৰালে। তেওঁৰ নাম কমলা।

কিন্তু কমলাৰ গৰ্ভত এটা ল'ৰা জন্ম পালে। জমিদাৰেও মনত শান্তি পালে।

সেইবাৰেই আকৌ মনাহকুছি অঞ্চলত এটা অঘটনেও দেখা দিলে। খৰাঙৰ ফলত গোটেই অঞ্চলত এটুপি পানী বুলি পাবলৈ টান হ'ল। মানুহৰ গৰুসকলোবোৰ প্ৰাণীৰ মাজত 'পানী, পানী'কৈ হাহাকাৰ লাগি পৰিল।

গোটেই অঞ্চলটোত এনেদৰে পানীৰ হাহাকাৰ লগাত— মদন বৰুৱা চিন্তাত পৰিল। ৰাইজৰ উপকাৰৰ কাৰণে অঞ্চলটোৰ কেইবা ঠাইতো তেওঁ পুখুৰী খান্দিবলৈ মানুহ লগালে। কিন্তু কি যে আচৰিত। পানী ক'তো এটুপীও নোলাল। বৰঁম্বৈ পাহাৰৰ কাষত আৰু এটা তেওঁ নতুন পুখুৰী খন্দাৰ কাম হাতত ল'লে। কিন্তু তাতো বহুত দ'লৈকে খান্দি খান্দি সেই একে অৱস্থা। পানী নোলায়। পিছে জল দেৱতাই মদন বৰুৱাক সপোনত দেখা দিলে। জলদেৱতাই ক'লে— 'বৰঁম্বৈ পাহাৰৰ কাষত তুমি যিটো পুখুৰী খান্দিছা, তাতেই পানী ওলাব। কথা হ'ল তুমি নতুনকৈ কমলা নামৰ যিজনীক বিয়া কৰাইছা যদিহে তেওঁ পুখুৰীটোৰ তলিখন এবাৰ গচকি যায়।'

সপোনৰ কথাৰ প্ৰমাণ চাবলৈ মদন বৰুৱা বৰ ব্যগ্ৰ হ'ল। পিছদিনা পুৱাই কমলাক তেওঁ পুখুৰীৰ তলি গচকি আহিবলৈ পঠিয়াই দিলে। লগত আৰু কেইবাজনী ছোৱালীও গ'ল। প্ৰথমতে তেওঁ পুখুৰীৰ তলি গচকিবলৈ যোৱাৰ মুঠেই ইচ্ছা কৰা নাছিল। কিয়নো সেই সময়ত শুই থকা তেওঁৰ সন্তানটো সাৰ পোৱাৰ সময় হৈছিল, ইফালে তাঁতশালটো এখন আধৰুৱা কাপোৰ। হ'লেও স্বামীৰ কথা তেওঁ কেনেকৈ পেলায়?

ইফালে কমলাও গৈ পুখুৰীত নামিল, পুখুৰীও পানীৰে ওপচি পৰিল। কমলাৰ

লগত যোৱা ছোৱালীকেইজনী সাঁতুৰি পুখুৰীৰ পাৰ লাগিল। কিন্তু কমলা পুখুৰীৰ মাজতে থাকিবলগীয়া হ'ল। জলদেৱতাই আহি কমলা কুঁৱৰীৰ ভৰিত খামোচ মাৰি ধৰিলেহি। শেষত কমলাই তেওঁৰ জীৱন সিমানতে শেষ বুলি জানি, কেঁচুবাটিলৈ মনত পেলাই চুলি চিঙি কান্দিবলৈ ধৰিলে। জলদেৱতাৰ হাতৰপৰা ৰক্ষা পাবলৈ তেওঁ জলদেৱতাৰ সৈতে টনা-আজোৰাও কৰিলে। কিন্তু জলদেৱতাৰ হাতৰ পৰা হ'লে তেওঁ ওলাই আহিব নোৱাৰিলে। জলদেৱতাৰ সৈতে যুঁজি যুঁজি কমলাই ভাগৰি পৰি মদন বৰুৱাক উদ্দেশ্য কৰি তেওঁ চিঞৰি চিঞৰি ক'বলৈ ধৰিলে, যে বৰুৱাৰ বংশৰ মানুহে কোনোবাই যদি এই পুখুৰীলৈ চাই বা পানী খায় তেন্তে সেই বংশ শেষ হ'ব। কমলাই পুনৰ শেষবাৰৰ কাৰণে তেওঁক পুখুৰীৰপৰা তুলি নিবলৈ মদন বৰুৱাক প্ৰাৰ্থনা জনালে—

কমলা— এক খাৰ গাঁঠিটো হৈলা পানী এ
প্ৰভু মোক তুলি নিয়া এ?

বৰুৱা— কমলা কুঁৱৰী, মোৰে প্ৰাণেশ্বৰী
উঠি আহা, ঘৰলৈ যাওঁ।

কমলা— এক আঁঠু হৈলা পানী এ
প্ৰভু মোক তুলি নিয়া এ?

বৰুৱা— কমলা কুঁৱৰী মোৰে প্ৰাণেশ্বৰী
উঠি অহা ঘৰলৈ যাওঁ।

কমলা— এক কোকাল হৈলা পানী এ
প্ৰভু মোক তুলি নিয়া এ?

বৰুৱা— কমলা কুঁৱৰী, মোৰ প্ৰাণেশ্বৰী
উঠি আহা, ঘৰলৈ যাওঁ।

কমলা— এক বুকু হৈলা পানী এ
প্ৰভু মই বৰ দুঃখ পাওঁ।

বৰুৱা— কমলা কুঁৱৰী, মোৰ প্ৰাণেশ্বৰী
উঠি আহা, ঘৰলৈ যাওঁ।

কমলা— গল তল গৈলা মোৰ এ

প্রভু মোক তুলি নিয়া এ?

বৰুৱা— কমলা কুঁৱৰী, মোৰ প্ৰাণেশ্বৰী
উঠি আহা, ঘৰলৈ যাওঁ।

কমলা— জল দেৱতাই, নিলে বাই মোক এ
তইঁত বৰ নিদাৰুণী হৈলী,
বাই মোৰ সৌৰণ খুৰা বেটাটো
তইঁতকে গটালোঁ
সতিনী নেভাবো তইঁতকে
বাই বুলি মাতো
সৌৰণখুৰা বেটাটো
তইঁতকে গটালোঁ?

ইয়াৰ পিছত, কমলাক আৰু পুখুৰীৰ মাজত কোনেও দেখা নাপালে।

কমলা কুঁৱৰীৰ এই একে সাধুটিকে মনাহকুছিৰ বাহিৰেও আন ভালেমান ঠাইতো একে ধৰণেই প্ৰচলিত থকা দেখা যায়। মনাহকুছিত এই পুখুৰীৰ চিন আজিও আছে। আজিও ইয়াৰ 'বৰুৱা' বংশৰ মানুহে পুখুৰীটোৰ পানী নোতোলে, নেচায়।

ইয়াৰ বুঢ়া-বুঢ়ীয়ে কয়, মঙ্গলবাৰ, শনিবাৰে হেনো কমলা কুঁৱৰী জলদেৱতাৰে সৈতে আজিও কোনো কোনো বিশেষ সময় একোটাত সোণৰ নাও, সোণৰ বৈঠা বাই— পুখুৰীটোৰ মাজত চৰি ফুৰে। লগতে প্ৰচলিত আছিল— পুখুৰীটোৰ পাৰত তামোল পাণ দি প্ৰাৰ্থনা কৰিলে হেনো বিয়া-সবাহত যাক যি কাঁহ পিতলৰ বাচন লাগে তাৰপৰাই হেনো পোৱা গৈছিল। অৱশ্যে সেই বাচনবৰ্তন ওভতাই দিও যাব লাগিছিল। কিন্তু তেনেকৈ নিয়া এখন বাচন কোনোবাই এবাৰ হেনো পহৰাই ৰখাৰ পিছৰপৰা পুনৰ সেই বাচন পোৱাৰ পৰা বাইজে বঞ্চিত হ'ল।

* * *

কুঁহিয়াৰ পেৰা গীত

ঐ মোৰ টানা-নানা
হেই দ'ৰপৰা আনি
বৰিত টানা।
এ মোৰ ভায়া মাৰা
এ কি বল দিছা
এ বল হোৱা নাই
এ বলেহে জানে
বলোৰ ভাও।
এ খোলোঙোত কান্দে
এ ফেঁচাৰ চাও
এ নাকান্দ ফেঁচুনী
এ নাকান্দ তই
এ বাহিৰা ছয়মাহ
এ ৰাখিম মই।

* * *

মন্দিৰ আৰু মছজিদৰ ফলি

ইয়াৰ মঠ-মন্দিৰৰ নামত কেইবাখনো শিলৰ ফলি, তামৰ ফলি আৰু ৰাজপত্ৰ পোৱা যায়। হয়গ্ৰীৱ মাধৱৰ চাৰিখন শিলৰ ফলি আছে। ১৫৮৩ চনত ৰঘুদেৱ নাৰায়ণে দান কৰা হয়গ্ৰীৱ মাধৱত শিলৰ ফলি আছে। ১৭৫০ চনত প্ৰমত্ত সিংহই দান কৰা মাধৱ মন্দিৰৰ দৌলগৃহৰ ফলি আছে। ১৭৫৫ চনত ৰজা প্ৰমত্ত সিংহই দান কৰা মাধৱৰ প্ৰদীপ নৈবেদ্যৰ তামৰ ফলি আছে। ১৭৭৬ চনত লক্ষ্মীসিংহই দান কৰা মাধৱৰ বৰদেউৰিৰ নামত ৰাজপত্ৰ আছে। তদুপৰি মাধৱৰ নামত ১৭৮৩ চনত গৌৰীনাথ সিংহই দান কৰা নাও আৰু মুদৈৰ নামত তামৰ ফলি, ১৭৮৮ চনত দান কৰা অখণ্ড প্ৰদীপৰ তামৰ ফলি আৰু ১৮০০ চনত কমলেশ্বৰ সিংহই দ্বিতীয় মাধৱৰ নামত দানকৰা তামৰ ফলি আছে। পোৱামক্কা মছজিদত এখন শিলৰ ফলি আৰু কেদাৰ মন্দিৰতো শিলৰ ফলি আছে। উপযুক্ত সংৰক্ষণৰ অভাৱত উল্লিখিত কিছুমান তামৰ ফলি মন্দিৰৰ পৰা নোহোৱা হোৱাটো পৰিতাপৰ কথা।

* * *

হাজো সম্পৰ্কে কেইটামান প্ৰচলিত গীত

(১)

ৰে মন দেখিলো মাধবে ৰূপ
হে হৰি পাপ বিনাশ।।
যাই পালো সৰোবৰ চৌপাশে শিলৰ গড়
তাতে আছে জল পুষ্প ভৰি;
তাহাত পখালি পাব ৰঙ্গমনে চলি যাওঁ
যাই পালো দোমাঠাৰ গুৰি।
এক এক ঠাক উঠে লক্ষ লক্ষ পাপ টুটে
খোজে প্ৰতি লবে হৰি নাম;
ঢুলীয়াই বাৰে ঢোল কালীয়াই বাৰে কালি
তাক দেখি ভোল গৈলা মন।
তাৰ পাৰ এৰি যাই সিংহৰ দুৱাৰ পাই
তাতে পৰি কৰে নমসকাৰ
তাহাক এৰিয়া যাই সাত পাক ঘূৰি চাই
তাত আছে দশ অৱতাৰ।
তাৰ পৰা এৰি যাই নাট মন্দিৰ পাই
তাত কৰে নৰ্ত্তকী নাচন;
নৰ্ত্তকী নাচ কৰে খোল মৃদঙ্গ বাৰে
হাজো দেখো বৈকুণ্ঠ সমান।
তাৰ পৰা এৰি যাই জগমোহন পাই
তাত আছে বৈকুণ্ঠৰ হৰি;

যাহাক দেই কড়ি সেই নেই হাত্তত ধৰি
হাজো দেখো বৈকুণ্ঠ নগৰী।।
বাও মেলে বতাহ, মেলে দুৱাৰে নাৰিকল হালে
মঠৰ ওপৰে চক্রপাত;
মঠৰ চৌপাশে ঘূৰি নৰসিংহক স্তুতি কৰি
ই গীত বনাইছে বলোৰাম।। —বলোৰাম

(২)

হাজো হেন নাম পবিত্র উত্তম
স্থান কামৰূপৰ মাঝে।
মণিকূট গিৰি শিখৰত আছা
হয়গ্রীব দেব ৰাজে।।
কাষতে লৌহিত্য বহন্ত পবিত্র
কুণ্ড আছে সেই স্থান।
অপূর্ণব নাহি পুনর্বাৰ
যাহাত কৰিলে স্থান।।
গোকর্ণ যে ৰূপ দেবে গংগাধৰ
মূর্তি ধৰি আছা যত।
যাক সাত তাল ৰাবণে কাটিলা
অদ্যাপি দেখি সাক্ষাৎ।।
গিৰিব উপৰে লিংগ ৰূপ ধৰি
আছা হৰ কামেশ্বৰ।
কেদাৰ কমল লিংগ ৰূপ ধৰ
আচা যাত হৰি-হৰ।।

অনন্ত কন্দলী

(৩)

মাধবে বৈকুণ্ঠ নাথ হে হৰি ত্রিজ
দৰশনে হৰে পাপ পৰশে মুকুতি

পৃথিবী মণ্ডলে হাজো নামত নগৰ।
তাহাৰ ভিতৰে মণিকূট গিৰিধৰ।।
বৰাহকুণ্ডৰ নাম শৈলা হয়াসুৰক মাৰি।
কিবা ৰূপ কিবা গুণ বৰ্ণাইতে নপাৰি।।
হয়গ্ৰীৱ ৰূপ প্ৰভু আছা অৱতৰি।
উত্তম গংগাৰ জলে সদায় কৰে স্নান।
ওৰেৰাত ভোজন প্ৰভুৰ দ্বাৰকাত শয়ন।।
উত্তৰ দিশত প্ৰভুৰ ভক্তি সৰোৱৰ।
তীৰে বহি স্তুতি কৰে শ্ৰীমন্ত শংকৰ।।
কহয় মাধৱ দাস এহি তত্ত্ব মতি।
মাধৱ চৰণ বিনে নাহি আন গতি।। —মাধৱদেৱ

(৪)
ঐশান্য দিশত আছে এক গিৰীবৰ।
মণিকূট নাম যাৰ নুহি পটন্তৰ।।
সেহি গিৰীবৰ উৰ্দ্ধে কৰিলন্ত থিত।
হয়াস্য মাধৱ নাম জগতে বিদিত।। —(ৰামচন্দ্ৰ)

(৫)
নমো হয়গ্ৰীৱ প্ৰভু অনন্ত ৰূপ।
সহস্ৰ মুৰতি তুমি ব্ৰহ্মা স্বৰূপ।।

আদি পুৰুষ তুমি বহল শৰীৰ।
বিশ্ব দুখহাৰী শুদ্ধ কৰ্ম ৰুচিৰ।।
সমস্ত আদিত্য বহ্নি তেজ বৃদ্ধিকাৰী।
চৰণে প্ৰণাম কৰো হয় ৰূপধাৰী।।
কহে ৰামদাশে দীন ভকতি হীনা।
মোৰ আন গতি নাই তুৱা পদ বিনা।। — ৰামচন্দ্ৰ বৰপাত্ৰ

(৬)

নমো হয় বদনাৰে
গলেহি শোভে মোতিম মালা।।
দোহে কৰে শংখ পদ্ম শশধৰ কলা।
পুস্তক ধৰিছা হাতে আৰু অক্ষ মালা।।
ভকত বৰদ স্বামী তুমি তাপ হাৰী।
মণিকূটে স্থিত মধুসুদন মুৰাৰি।।
কোটি জনমে কৃত জত পাপচয়।
হয়মুখ দৰশণে সবে দূৰ হয়।।
হয়গৃগ্ৰী ৰূপী প্ৰভু তুমি দুখহাৰী।
কহে ৰামদাসে তুৰা সৰণ ভিখাৰী।। —ৰামচন্দ্ৰ বৰপাত্ৰ

* * *

হাজো অঞ্চলৰ শ্বহীদ

অসমৰ বিদেশী নাগৰিক বহিষ্কৰণ আন্দোলনত অসমৰ কেইবাশলোক শ্বহীদ হয়। হাজো অঞ্চলতো কেইবাজনো শ্বহীদ হয়। সেই শ্বহীদ সকলৰ ভিতৰত হ'ল—

সত্যনাথ দাস	—	বাগ্‌টা
খগেন চন্দ্ৰ ভৰালী	—	বামদিয়া
আব্দুল জলিল	—	ভেলকৰ
আব্দুল ৰছিদ	—	ভেলকৰ
আব্দুল ছাত্তাৰ	—	ভেলকৰ
হৰেশ্বৰ ডেকা	—	হ্যালোগাঁও
মহেশ বিশ্বাসী	—	হাজো
মতিউৰ ৰহমান	—	ভেলকৰ
কান্দুৰা ডেকা	—	বামদিয়া
ধীৰেণ ডেকা	—	বামদিয়া
গুৰালী মহম্মদ	—	হাজো

* * *

সহায় লোৱা গ্ৰন্থ আৰু ব্যক্তি

উত্তৰ কুল	-	শ্ৰীমান চক্ৰৱৰ্তী
পুণ্যভূমি হাজো	-	ডঃ প্ৰবীণ চন্দ্ৰ দাস
বিকাশ	-	স্মৃতিগ্ৰন্থ, বামুন্দী
যন্ত্ৰ-যোজনা	-	শ্ৰীদণ্ডিৰাম দাস (বৰদধি) আৰু অন্যান্য লোকৰপৰা
আইনাম	-	গোলাপ দাস (গেৰুৱা), ৰাতিপুৰা দাস, বকুলী দাস (বৰদধি) বাসন্তী দাস (অভয়পুৰ), পূৰ্ণিমা মালাকাৰ (ক্ষুদ্ৰদধি)।
সুবচনীৰ নাম	-	চিকান কলিতা (বৰগাওঁ)
নাওখেলৰ গীত	-	হাজি চৌকত আলী (বাজাৰবজাৰ, বামুণবৰী)
ঢুলীয়াৰ গীত	-	প্ৰহ্লাদ পাঠক (কুলহাটী)
অপেশ্বৰীৰ নাম	-	চাৰু দাস (কুলহাটী)
গৰখীয়াৰ গীত	-	ভুবনেশ্বৰ কলিতা (পাঠক) (পছৰীয়া)
কুঁহিয়াৰ পেৰা গীত	-	প্ৰবীণ কলিতা (বৰদধি)
বিয়ানাম	-	পূৰ্ণিমা মালাকাৰ (ক্ষুদ্ৰদধি)
সাধু	-	দীপিকা কলিতা, হৰেশ্বৰ মালাকাৰ
শ্ৰীহয়গ্ৰীৱ মাধৱ	-	শম্ভু দত্ত শৰ্মা

* * *

হয়গ্ৰীৱ মাধৱ মন্দিৰ

কেদাৰ মন্দিৰ

গণেশ মন্দিৰ

কমলেশ্বৰ মন্দিৰ



কামেশ্বৰ মন্দিৰ

পোৱামক্কা

দৌল গৃহ

শিলৰ বৃষভ (গোকৰ্ণ)



শাল গছ

বিষ্ণুপুষ্কৰ (মাধৱ পুখুৰী)



সৰগ দুৱাৰ



হয়গ্ৰীৱ মাধৱৰ গোঁসাই যোৱা দোলা



পাখামেলা গোঁসাইৰ থান

ভীমৰ চৰিয়া

হৰ-পাৰ্বতীৰ থান বা দুমুখীয়া গোঁসাইৰ থান

ছাহ জামাল

ঢুকঢুকী মালা

কণ্ঠিমালা



আডাম গুৰু

চৈতন্য ঘোপা



হয়গ্ৰীৱ মাধৱৰ মঠৰ বাহিৰৰ তলৰ অংশত শোদিত হাতীৰ মূৰ

লক্ষ্মীগৃহত থকা হাতীৰ দাঁতৰ শিল্পকলা

নেতাই ধুবুনী

জয় দুৰ্গা

মনাহকুছিৰ জয়পাল দেৱালয়



ৰামদিয়াৰ
শ্ৰীশ্ৰীপোৱা ভিঠা সত্ৰ

অশোক স্তম্ভ

চক্ৰশীলা
হৰি মন্দিৰ

হাজোৰ মাটিৰ বাচন

ৰামদিয়াৰ শ্ৰীশ্ৰীবগৰীবাৰী সত্ৰ

ৰামদিয়া ভঠেলি খোলাৰ চলন্ত বিগ্ৰহৰ মণ্ডপ

হাজোৰ এক পাহাৰীয়া দৃশ্য

শ্ৰী শ্ৰী বাসুদেৱ মন্দিৰ


তেতেলীয়াৰ হৰ-গৌৰি

ভৃঙ্গেশ্বৰ মন্দিৰ

বৰাহ গোঁসাইৰ থান

বৰদধি [illegible] কীৰ্তনঘৰ সত্ৰ



হাজো ধোপবৰি সত্ৰ